সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# সোণালী

২০১০-২০১১ বৰ্ষ



সম্পাদক ঃ চন্দন দাস



5th August, College foundation day



Freshmen Social




Seminar on Arsenic



Delivering Speech by Dr. Prabin Das on Assamese Folk Culture




Vipassana Meditation



State level Seminar of Buddha Study and Research Centre

SONARI COLLEGE LIBRARY
Estd.-1970

# সোণালী

## সোণাৰি মহাবিদ্যালয় আলোচনী
২০১০-২০১১ বৰ্ষ

প্ৰতি,

..............................................

..............................................

সম্পাদক

চন্দন দাস



**Sonalee** : Sonari College journal, Vol. XXIV. Edited by Chandan Das and published by Sonari College Students' Union (2010-11) on behalf of the Sonari College, P.O. Sonari, Dist. Sivasagar, PIN -785690.

## সম্পাদনা সমিতি

**সভাপতি**
ড° ৰাজেন তামুলী

**উপদেষ্টা ঃ**
সুনীল দত্ত
ৰঘুনাথ কাগয়ুং
পৰানন কোঁৱৰ

**সম্পাদক ঃ**
চন্দন দাস


**ছাত্ৰ সদস্য ঃ**
অভিলেখ গগৈ
চাজিদ হুছেইন

**চিত্ৰাঙ্কন ঃ**
প্ৰিয়ঙ্কা চেতিয়া ফুকন
মিথু ফুকন
প্ৰান্তিময়ী দত্ত

**অক্ষৰ বিন্যাস ঃ**
ৰবীন বাইলুং
নয়নমণি গগৈ

**মুদ্ৰণ ঃ**
বিনায়ক অফছেট
শঙ্কৰ মন্দিৰ পথ
শিৱসাগৰ-৭৮৬ ৬৪০।

# উচৰ্গা



**শৈলেন্দ্ৰ নাথ ফুকন**

জন্ম ঃ ১৩-২-১৯৫৭ মৃত্যু ঃ ০৭ - ০২ - ২০১১

পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান প্ৰয়াত শৈলেন্দ্ৰ নাথ ফুকন ছাৰৰ আত্মাৰ সদগতিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই এই সংখ্যাৰ 'সোণালী' উচৰ্গা কৰিলোঁ।

# সম্পাদকীয়...



সোণাৰি মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা মই সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ, যি সকলৰ অসীম প্ৰচেষ্টা তথা অক্লান্ত শ্ৰমেৰে সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি থৈ গ'ল। প্ৰবহমান সময়ৰ স্মৃতিত সেইসকল হয়তো হেৰাই গ'ল কিন্তু তেওঁলোকৰ যি অনবদ্য দান দি গ'ল সেই দানৰ যোগেদিয়েই এক বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে আজিৰ সমাজত প্ৰতিষ্ঠিত হ'ব পাৰিছে আৰু নিজকে এজন প্ৰকৃত মানুহ হিচাবে চিনাকী দিবলৈ সক্ষম হৈছে।

সাহিত্য চৰ্চা হৈছে এক মহৎ কাৰ্য। যাৰ বাবে প্ৰয়োজন হয় ধৈৰ্য তথা গভীৰ অধ্যয়ন। সাহিত্য হৈছে এটা জাতি তথা এখন দেশৰ কৃষ্টি-সংস্কৃতি, ভাষা, আচাৰ-ব্যৱহাৰ আদিৰ মুক্ত প্ৰকাশ। এই সাহিত্যৰে এটা অংগ হ'ল আলোচনী। আলোচনী হৈছে লেখকসকলৰ মনৰ ভাব, ভাষা, জ্ঞান বৰ্তমান সমাজৰ পৰিস্থিতি আদি জনাৰ এক সহজ স্থল। ঠিক সেইদৰে মহাবিদ্যালয়ৰ এখন আলোচনীতো সেই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ, কৃষ্টি-সংস্কৃতি, ছাত্ৰ-ছাত্ৰীৰ বুদ্ধি-দিপ্ত আদি সকলো প্ৰকাশ পায়। গতিকে আলোচনী এখন মহাবিদ্যালয়ৰ বাবে অতি ডাঙৰ বস্তু।


এজন সাহিত্যিকে তেওঁৰ অনুভৱৰ জুলুঙাৰ পৰা তেওঁৰ আবেগ অনুভূতিবোৰ শব্দৰ মাধ্যমেৰে লিখি পাঠকৰ আগত প্ৰকাশ কৰিব বিচাৰি হাতত কলম তুলি লয়। সাহিত্যিক জনে নিজৰ পাৰিপাৰ্শ্বিকৰ চাৰিওফালে চিন্তা চৰ্চা কৰি যি পায় তাৰ দ্বাৰাই সাহিত্যিক এজনে নিজৰ মনোভাৱ সমূহ প্ৰকাশ কৰিবলৈ সমৰ্থবান হয়। গতিকে এজন লিখকে কিবা এটা লিখাৰ আগতে নিজৰ পাৰিপাৰ্শ্বিকৰ বাস্তৱিক ৰূপটো সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰাতো নিতান্তই প্ৰয়োজন।

এজন লিখকে নিজৰ লিখনিৰ যোগেদি সমাজত বিপ্লৱ সৃষ্টি কৰি, গণ জাগৰণ বৃদ্ধি কৰাই সামাজিক আলোড়ণ সৃষ্টি কৰিব পাৰিব লাগিব। তেতিয়াহে এজন লিখক বা সাহিত্যিকৰ সমাজৰ প্ৰতি থকা দায়বদ্ধতা সাৰ্থক হ'ব। অন্যথা সাহিত্যিক এজনৰ সাহিত্যৰ মানদণ্ড নিম্নমানৰ হ'ব আৰু তেওঁৰ ৰচনাৰাজিয়ে বাস্তৱ ৰূপ নাপাব। সাহিত্যিক এজন তেতিয়াহে ফলপ্ৰসূ হ'ব যেতিয়া তেওঁৰ লেখনিয়ে তেওঁৰ অনুভৱবোৰ চিন্তাচৰ্চাৰ মাধ্যমেৰে পাঠক সমাজৰ মাজত সুন্দৰভাৱে প্ৰতিফলিত কৰিব পাৰে আৰু সমাজত সামাজিক আলোড়ন সৃষ্টি কৰিব পাৰে।

শেষত মোৰ ভুলবোৰ আঙুলিয়াই দিয়া উপদেষ্টা শ্ৰীযুত ৰঘুনাথ ছাৰ, সুনীল দত্ত ছাৰ আৰু পৰানন ছাৰৰ লগতে লেখা সমূহ নিৰ্বাচন কৰি দিয়াৰ বাবে শ্ৰীযুক্তা ৰীতা দত্ত বাইদেউ আৰু পদ্মা বাইদেউলৈ ধন্যবাদ জ্ঞাপন কৰিছো আৰু প্ৰতিটো খোজতে সহায় কৰা মোৰ ভাইটি অভিলেখ, বন্ধু দেৱ, প্ৰশান্ত, নিপুন, ৰিকু, ভাস্কৰ, শান্তনু লগতে ফটোসমূহ সংগ্ৰহ কৰি দিয়া দুলুল ফুকন, বিক্ৰম দা লৈ আৰু সুন্দৰভাৱে স্কেচসমূহ কৰি দিয়া প্ৰিয়ংকা, প্ৰান্তী, মিথু ফুকনলৈ ধন্যবাদ জনাইছো। সদৌ শেষত মোক সহায় কৰা দাদা-বাইদেউ, বন্ধু, ভাইটি-ভণ্টি সকলোলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

**চন্দন দাস**
সম্পাদক, সোণালী

# অধ্যক্ষৰ কলম...



সোণাৰি মহাবিদ্যালয় - একচল্লিশ বছৰ অতিক্ৰম কৰা চৰাইদেউ মহকুমাৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান। সেইসকললৈ নিবেদন কৰিছোঁ আন্তৰিক কৃতজ্ঞতা- যিসকলৰ কঠোৰ শ্ৰম আৰু ত্যাগ, ঘাম আৰু সপোনৰ ভেটিত গঢ় লৈ উঠিছিল এই মহাবিদ্যালয়খন। যিসময়ত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল সেই সময়ত চৰাইদেউ মহকুমাৰ এই বৃহত্তৰ অঞ্চলত বাৰুকৈয়ে প্ৰয়োজন উপলব্ধি কৰিছিল এখন উচ্চ শিক্ষানুষ্ঠানৰ। সেই মহান ব্যক্তি সকলৰ লগতে এই অঞ্চলৰ অনেকজনৰ দান-বৰঙণি আৰু কঠোৰ শ্ৰমৰ বিনিময়ত গঢ়ি উঠিছিল সোণাৰি মহাবিদ্যালয়খন। এই অঞ্চলৰ সকলো শ্ৰেণীৰ মানুহেই আশা কৰে মহাবিদ্যালয়ৰ শিক্ষকসকলে এফালে সৎ আদৰ্শ আৰু সৎ শিক্ষাৰে গঢ়ি তোলক এচাম ভৱিষ্যত দ্ৰষ্টা ছাত্ৰ সমাজ আৰু আনফালে এই মহাবিদ্যালয়ৰ শিক্ষকসকলেই লওক এই অঞ্চলৰ বৌদ্ধিক নেতৃত্ব। শিক্ষকসকলে সমাজৰ প্ৰতি দায়িত্ব পালন কৰি মহাবিদ্যালয়ৰ বাহিৰে ভিতৰে জ্ঞান বিলাওক-এয়াও এই অঞ্চলৰ জনসাধাৰণৰ অন্যতম আশা আৰু আকাঙ্খা। কাৰণ শিক্ষক শ্ৰেণীয়েই আজিৰ পুতিগন্ধময় সমাজখন নিকা কৰাৰ লগতে অন্ধকাৰ আঁতৰাই পোহৰ বিলাব পাৰে। মহাবিদ্যালয়ৰ শিক্ষকে গভীৰ ভাৱে শিকাব পাৰে পশ্চিম আকাশত সূৰ্য ডুবিলেও পোহৰ নোহোৱাকে নাথাকে।

মাত্ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীৰে সত্তৰ চনতে আৰম্ভ কৰা সেইসময়ৰ চালুকীয়া সোণাৰি মহাবিদ্যালয়খন বৰ্তমান ১৬৪১ জন সদস্যৰে (ছাত্ৰ-ছাত্ৰী) পৰিপূৰ্ণ এখন বৃহৎ পৰিয়াল। সাতত্ৰিশজন স্থায়ী শিক্ষক-শিক্ষয়িত্ৰীৰে সমৃদ্ধ আমাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে সমাজৰ বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াই সমাজ দায়বদ্ধতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়মমতে ছাত্ৰ শিক্ষকৰ অনুপাত হ'ব লাগে ১:৪০; আমাৰ মহাবিদ্যালয়ৰ বেছি সংখ্যক বিভাগতে এই অনুপাত ১:১৫০। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগত ৩/৪ জনকৈ শিক্ষক আছে যদিও ছাত্ৰ অনুপাতে ই তেনেই নগণ্য। অতিৰিক্ত শিক্ষকৰ কাৰণে চৰকাৰে কোনো ধন নিদিয়ে। টিউচন ফিজ কোনোপধ্যে বহন কৰিব নোৱাৰা অৱস্থা। গতিকে গুণগত দিশত শিক্ষাদানৰ ক্ষেত্ৰত অসুবিধা হোৱাতো স্বাভাৱিক। পৰীক্ষাত উত্তীৰ্ণৰ অভূতপূৰ্বভাৱে বাঢ়ি গ'ল সঁচা; কিন্তু কলেজ বিলাকত ছাত্ৰ-ছাত্ৰীক নামভৰ্তি দিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰতি চৰকাৰৰ কোনো ধৰণৰ আৰ্থিক যোগান আৰু অনুকম্পা নাই। শিক্ষাৰ মানদণ্ডৰ যি ভাৰসাম্য সি বৰ্তমান বিলোপ হৈছে।

শিক্ষাৰ পৰিবৰ্ত্তন হৈছে ঠিক। গতানুগতিক বিষয় বিলাকৰ প্ৰতি ছাত্ৰ সকলৰ অনীহা আহিছে। নতুন বিষয় বিলাকৰ প্ৰতি আকৰ্ষিত হৈছে। পুৰণা বিষয় বিলাক অধ্যয়ন কৰি নিয়োগ নীতি বিফল হৈছে। শিক্ষিতৰ সংখ্যা অভাৱনীয়ভাবে বাঢ়ি গৈছে। সোণাৰি মহাবিদ্যালয়ৰ কিছুমান পৰিকল্পনা আছে। চাকৰিমুখী বিষয়সমূহ খুলিবলৈ প্ৰচুৰ পৰিমাণৰ ধনৰ প্ৰয়োজন। অদূৰ ভৱিষ্যতে Bio-technology, Computer application to day to day life, Paramedical science ইত্যাদি বিষয়সমূহ খুলাৰ সপোন দেখা হৈছে। ই কেতিয়া বাস্তৱত পৰিণত হয় সময়েহে ক'ব।

ব্যক্তিগত শিক্ষাৰ ক্ষেত্ৰত ধনৰ লেনদেন ব্যাপক হাৰত বাঢ়ি যোৱাত জ্ঞানৰ প্ৰসাৰতাত প্ৰতিবন্ধকতা সৃষ্টি কৰিছে। টকাৰ বিনিময়ত শিক্ষা এই প্ৰকৃতিয়ে শিক্ষক ছাত্ৰৰ মধুৰ সম্পৰ্ক বহুখিনি লাঘৱ কৰিছে। জ্ঞান নহ'লে মানুহৰ চেতনা নাহে আৰু চেতনা নহ'লেও সমাজৰ বিশৃংখলতা বৃদ্ধি পায়। বৰ্তমান সময়ত সমাজ বিশৃংখলতাৰ কাৰণ ইও। সেয়েহে সোণাৰি মহাবিদ্যালয় সমাজৰ বিভিন্ন কোণৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকল সংযমী হোৱা অতি প্ৰয়োজন। সংযমী জীৱন আহৰণ কৰি শিক্ষাদানৰ সোৱাদ লোৱাটোৱেই নিতান্ত বাঞ্ছনীয়। সামাজিক দায়বদ্ধতা গ্ৰহণ কৰি নিজৰ জীৱনত ব্ৰতী হ'লেহে সোণাৰিবাসী উপকৃত হ'ব আৰু শিক্ষানুষ্ঠানটিৰ ভেটি সু-দৃঢ় হ'ব।

# সূচীপত্ৰ

ইতিহাসৰ এপৃষ্ঠা ...

❖ সোণাৰি মহাবিদ্যালয়ৰ জন্মকথা — গোলাপ বৰগোহাঁই — ১

নষ্টালজিয়াৰ এখন্তেক ...

❖ মোৰ শৈশৱ আৰু যুক্তি-অযুক্তিৰ নাপায়বোৰ — ৰতিপ্ৰভা গগৈ — ৪

চিন্তন-মনন ...

❖ ছাত্ৰ জীৱনৰ প্ৰধান কৰ্তব্য ঃ চৰিত্ৰ গঠন — দেৱজিৎ পানিকা — ৬

জনগোষ্ঠীৰ চোতালে-চোতালে ...

❖ মাৰোৱাৰী মহিলাৰ গনগোৰ উৎসৱ — প্ৰিয়ঙ্কা চেতিয়া ফুকন — ৭

❖ তুত্তোইংপঙৰ বিষয়ে এটি আলোকপাত — পল্মী কোঁৱৰ — ৯

বিজ্ঞান চিন্তা ...

❖ গোলকীয় উত্তাপ - কাৰণ আৰু ফলাফল — ঋতুপৰ্ণা দত্ত — ১০

❖ বৃহৎ জলবিদ্যুৎ প্ৰকল্প উত্তৰ পূৰ্বাঞ্চলৰ বাবে এক অভিশাপ স্বৰূপ — প্ৰিয়াংশু প্ৰতিম বড়া — ১২

❖ অসমৰ হাবিত পোৱা কেইবিধমান মূল্যবান উদ্ভিদৰ ব্যৱহাৰৰ বিষয়ে চমু আভাস — নৰজ্যোতি চাংমাই — ১৪

ব্যক্তি আৰু ব্যক্তিত্ব...

❖ সমাজ সংস্কাৰক অসমৰ শংকৰদেৱ আৰু ওড়িশাৰ জগন্নাথ দাস ঃ এটি তুলনামূলক অধ্যয়ন — ৰীতা দত্ত — ১৬

❖ বাণীকান্ত কাকতিৰ গদ্যশৈলী — পদ্মকুমাৰী গগৈ — ১৯

❖ 'অৰ্ডাৰ অৱ মেৰিট' সন্মান লাভ কৰা পাশ্চাত্যৰ প্ৰথম নাৰী "ফ্লোৰেন্স নাইটিংগেল" — তৰুণিমা চেতিয়া — ২২

❖ অসমৰ ব্যাস ৰাম সৰস্বতী — ঋতুস্মৃতা দিহিঙ্গীয়া — ২৩

❖ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা — নিতীশ চেতিয়া ফুকন — ২৫

কলা-সংস্কৃতি ...

❖ সমন্বয়ৰ সমাহাৰ ফাট বিহু — ভুপেন গগৈ — ২৬

❖ মাজুলীৰ মুখা শিল্প — দেৱাশ্ৰী বৰুৱা — ২৮

ধৰ্ম দৰ্শন ...

❖ অসমত বৈষ্ণৱ ধৰ্ম — পাল্কি কোঁৱৰ — ৩০

❖ আত্মা আৰু ক্ষমা — সংগীতা দে — ৩১

গ্ৰন্থাগাৰ ...

❖ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ উন্নয়নত ভি পি জয় সমিতিৰ অৱদান — নিৰ্জুমণি চাংমাই — ৩২

অগতানুগতিক উপলব্ধি ...

❖ প্ৰেমপত্ৰ — চয়নিকা কোঁৱৰ — ৩৪

❖ বহুত বেদনা, অশ্ৰু মাখো এটোপি ... — ৰাকেশ গগৈ — ৩৭

ভ্ৰমণ শিল্প ...

❖ মোৰ অনুভৱৰ কৰণিত 'এলপাইন ই'ক' — বাণী দেৱী — ৪১

❖ দিল্লী আৰু জয়পুৰৰ স্মৃতিৰ টুকুৰা — শিল্পীকা ভূঞা — ৪৩

অনুভৱ শিল্প ...

❖ "বেলিয়ে আঁতে মানে, কাঁচিয়ে কাটে মানে" — বিজয়লক্ষ্মী গগৈ — ৪৫

❖ কলেজৰ কথাৰে ... — পৰিস্মিতা গগৈ — ৪৬

কথাশিল্প...

❖ জীৱনৰ মাধুৰ্য — অভিলেখ গগৈ — ৪৭

❖ বন্ধুত্বৰ এনাজৰী — মন্দাকীনি দত্ত — ৫০

আবেলি বেলিৰ ৰং ...

❖ বিদায় সন্ধিক্ষণত অনুভৱৰ একলম ... — মনালিচা লাহন — ৫২

❖ মাতাল ৰাতিৰ গদ্য — অলিম্পিকা বুঢ়াগোহাঁই — ৫৩

এক মিনিটৰ গল্প ...

❖ শেষ চিঠি — কৃষ্ণ কাগ্য়ুং — ৫৫

❖ থুই বিছা দেখিলে মিছা — ত্ৰিভূৱন গগৈ — ৫৬

নাট্য শিল্প ...

❖ হাঁহিৰে জীৱন গঢ়ি — নিৰ্মল কুমাৰ গগৈ — ৫৭

ছন্দ শিল্প... — ৬১-৭২

❑ অনুভৱৰ স্তৱক — ননীমাধৱ ফুকন

❑ তুমি মোৰ জীৱনৰ এটি জীয়া সপোন — মিণ্টু তাঁতী

❑ কবিতা — দুলুমণি বড়া

❑ অনুভৱৰ দুটিমান স্তৱক — সৌৰভজ্যোতি চেতিয়া

❑ নষ্টালজিয়া — শ্যামলীমা গগৈ

❑ জীৱন — প্ৰান্তীময়ী দত্ত

❑ ৰচোঁ কিয় কবিতা — দুলু গগৈ

❑ প্ৰেমৰ অনুভৱ — দীপামণি বৰুৱা

❑ এটা আধৰুৱা সপোন — ববিতা গোস্বামী

❑ অহেতুক বাৰ্ধক্য — উৰ্মিলা গগৈ

❑ চকুলো তেজ আৰু বিষ — ববিতা ছেত্ৰী

❑ কবিতা — ডলীৰাণী বৰুৱা

❑ হৃদয়খন ডিচমেনচিয়া ৰোগী হওঁক — উদ্দিপ্তী মহন

❑ বৰষুণ — সুৰজিৎ বুঢ়াগোহাঁই

❑ বিশ্বাস যেতিয়া চিৰসেউজ হয় — দেবযানী গগৈ

❑ আহিনৰ কুঁৱলী ফালি — পবিত্ৰ চেতিয়া

❑ নিৰৱ দৰ্শক — ৰূপশ্ৰী বৰুৱা

❑ নিহাৰীকা — জ্যোতিষ বুঢ়াগোহাঁই

- তোমাৰ ভালপোৱাই মোৰ ভবিষ্যৎ — অভিজিৎ ফুকন
- প্ৰতিশ্ৰুতি — প্ৰবীন গগৈ
- শান্তিৰ নিজৰা — শান্তি বনিয়া
- স্মৃতিৰ অবগুণ্ঠন — চন্দন দাস
- এটা আধৰুৱা সপোন — ৰীণা দে


**English Section :**

- Waste/Management with Special Reference to E-Waste — Jyoti Prosad Phukon — ৭৩
- Devastating Earthquake — Puja Kumari Chowdhury ৭৫
- Tips for success and Happiness — Madhu Poli Gogoi — ৭৬
- Life Cycle — Korobi Kurmi — ৭৬
- Pure Heart — Bhupen Gogoi — ৭৬
- Which is the smallest nation in the United Nations? — Hansang Konwar — ৭৭
- LITHOTRIPSY — Shantanu Chowlik — ৭৮
- Women : A Tribute to You — Sangeeta Roy — ৭৯
- Puissant legions — Sorita Tanti — ৮০
- Look for Good — Prabin Gogoi — ৮০
- Life Start — Sundipa Hazarika — ৮০
- প্ৰতিবেদন — ৮১-১০৪
- মহাবিদ্যালয় সংগীত — ১০৫





অধ্যক্ষ ড° ৰাজেন তামুলী




উ পাধ্যক্ষ শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা

# সম্পাদনা সমিতি



সভাপতি, ড° ৰাজেন তামুলী



উপদেষ্টা, শ্ৰীযুত সুনীল দত্ত



উপদেষ্টা, শ্ৰীযুত ৰঘুনাথ কাগ্য়ুং



উপদেষ্টা, শ্ৰীযুত পৰানন কোঁৱৰ



সম্পাদক, শ্ৰী চন্দন দাস



সদস্য, শ্ৰী অভিলেখ গগৈ




সদস্য, চাজিদ হুছেইন

# গদ্য শিল্প ...

"কথাৰ পৰিচালিত শিল্পৰ ৰূপেই গদ্য।"

# সোণাৰি মহাবিদ্যালয়ৰ জন্মকথা

গোলাপ বৰগোহাঁই
প্ৰতিষ্ঠাপক অধ্যক্ষ
সোণাৰি মহাবিদ্যালয



অৱস্থানৰ দিশৰ পৰা সোণাৰি নগৰখন অসমৰ আন ঠাইৰ লগত নিমিলে। আহোম স্বৰ্গদেউ খোৰা ৰজাৰ বৰ কুঁৱৰী ঢুকালত তেওঁৰে পাচনী সোণাৰিৰ দুই জীয়ৰীক বৰ মেচ্‌লৌ আৰু সৰু মেচ্‌লৌ নাম দি ৰজাই কুঁৱৰী পাতিলে। ক্ৰমে ৰজাৰ সোণাৰিৰ প্ৰতি প্ৰীতি বাঢ়িল। ৰজাই শহুৰেক দলৈ সোণাৰিক চফ্ৰাই নৈৰ উজনিত মাটি ভেটি দি পুখুৰী খনাই সোণাৰি নগৰ পাতি দিলে। এই দুয়ো সোণাৰি কুঁৱৰীয়ে তোলনীয়া পুতেক নাহৰৰ নামেৰে সোণাৰিৰ পৰা নাহৰকটীয়ালৈ নাহৰ আলি বন্ধালে। পৰৱৰ্ত্তী সময়ত স্বৰ্গদেৱ গদাধৰ সিংহই নামনিৰ ধনশিৰি নৈৰ পৰা গড়গাঁও, চৰাইদেউ, সোণাৰি, বৰহাট আদি বিশেষ নগৰসমূহ চুই উজনিৰ দিহিং নৈ পৰ্যন্ত ধোদৰ আলি বন্ধালে। ব্ৰিটিচ চাহ খেতিয়কসকলে সোণাৰিৰ আশে-পাশে ভালেকেইখন চাহ বাগিচা খুলি, আলি পদুলি, নৈ নগৰৰ সুবিধা দেখি সোণাৰিক এখন সৰু ব্যৱসায় কেন্দ্ৰ কৰি গঢ়ি তুলিলে। তেওঁলোকৰ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীসমূহ যোগান ধৰিবৰ বাবে ঢাকা, কলিকতা আদি ঠাইৰ পৰা দোকানী, বেপাৰী, কচা, কচোৱান, নাপিত, কমাৰ আদি বৃত্তিধাৰী লোক আনি বহুৱালে। নাজিৰা শিৱসাগৰ আদিৰ পৰা বাগানত চাকৰি কৰিবলৈ অহা ৪ টা মান অসমীয়া পৰিয়ালে অৱসৰৰ পাচত সোণাৰিতে বসতি কৰিলে। চাহ উদ্যোগৰ ফলত সোণাৰিত সৃষ্টি হোৱা বজাৰখনৰ প্ৰতি আকৃষ্ট হৈ চিলেট কাছাৰ আদি ঠাইৰ পৰা কিছু বৃত্তিধাৰী পৰিয়াল আহি সোণাৰিত থিতাপি ললেহি। অভয়পুৰ আৰু বৰুৱাছালি মৌজাৰ ভূমি ৰাজহ সংগ্ৰহৰ সুবিধাৰ্থে মৌজাদাৰ প্ৰয়াত ৰাধিকা প্ৰসাদ বৰুৱাৰ পৰিয়াল শিৱসাগৰৰ পৰা সোণাৰিলৈ উঠি আহে। মাত্ৰ এই কেইটা পৰিয়ালেই বৰ্তমান সোণাৰি নগৰ অঞ্চলৰ বাসিন্দা। কাষৰ ঠাইবোৰ কেৱল চাহবাগানেৰে পৰিপূৰ্ণ। থিতাতে কিছু গাঁও, এখন বহল সমাজ নাথাকিলে-ৰাজহুৱা অনুষ্ঠান পতাত অসুবিধাৰ মাত্ৰা বাঢ়ে। এই অসুবিধাৰ বাবেই ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী মধ্য ইংৰাজী বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাত বহুত পলম হৈছিল।

দেশ স্বাধীন হোৱাৰে পৰা বিভিন্ন মেলে মিটিঙে সোণাৰিত এখন মহাবিদ্যালয় খোলাৰ কথা প্ৰায়ে উত্থাপন হয় যদিও ১৯৬৯ চন পৰ্য্যন্ত এই দিশত কোনো কাৰ্যকৰী পদক্ষেপ লোৱা হোৱা নাছিল। পোনপ্ৰথমে সোণাৰিত এখন মহাবিদ্যালয় খোলা সম্পৰ্কে আলোচনা কৰিবলৈ শ্ৰীপ্ৰণৱিৰাম বৰুৱা, শ্ৰীডিম্বেশ্বৰ গগৈ, প্ৰয়াত কনক বৰুৱা,প্ৰয়াত চাণ্ডলাল আগৰৱালা আৰু মঃ আফতাবুল হুচেইনে ১৯৬১ চনৰ ১৬ আগষ্টত এখন ৰাজহুৱা সভা আহ্বান কৰে। সাপেখাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তদানীন্তন প্ৰধান শিক্ষক প্ৰয়াত সুকুমাৰ বৰুৱাৰ সভাপতিত্বত সোণাৰি টাউন এল, পি, স্কুলৰ প্ৰাঙ্গনত বহা সভাখনত বৰ্তমান চৰাইদেউ মহকুমাধীন এলাকাৰ প্ৰায় ৪০ জন মুখীয়াল ব্যক্তিৰ উপস্থিতিত ১৯৭০ চনত সোণাৰিত এখন মহাবিদ্যালয় খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই উদ্দেশ্যে চফ্ৰাই, মথুৰাপুৰ, বৰহাট, সাপেখাটি আদি অঞ্চলৰ গণ্যমান্য ৭০ জন সদস্যক লৈ এখন প্ৰস্তুতি সমিতি গঠন কৰা হয়। এই প্ৰস্তুতি সমিতিয়ে ৩১ (১৯৭০) আগষ্ট তাৰিখে বহা প্ৰথমখন বৈঠকতে অভয়পুৰ মৌজাৰ মৌজাদাৰ প্ৰয়াত কামাখ্য প্ৰসাদ বৰুৱাক সভাপতি, প্ৰয়াত টংকেশ্বৰ বৰুৱাক উপ-সভাপতি, চফ্ৰাইৰ প্ৰয়াত প্ৰদ্যোত কুমাৰ সিংহক সাধাৰণ সম্পাদক, প্ৰয়াত কনক বৰুৱা আৰু শ্ৰীডিম্বেশ্বৰ গগৈক যুটীয়া সম্পাদক হিচাপে লৈ ৩৩ জনৰ এখন কাৰ্য্যকৰী সমিতি গঠন কৰে। এই কাৰ্য্যকৰী সমিতিখনে কলেজৰ

বাবে পুঁজি সংগ্ৰহৰ অভিযান আৰম্ভ কৰে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কলেজ খোলাৰ অনুমতি বিচাৰি আৱশ্যকীয় মাচুলসহ ইং ২০।১।১৯৭০ তাৰিখে আবেদন পত্ৰ জমা দিয়ে।

পূৰ্বতে কোৱা হৈছে যে, সোণাৰি এখন চাহ শিল্প কেন্দ্ৰিক সৰু নগৰ। চাহ বাগিচাৰ ব্ৰিটিছ্ কৰ্মচাৰীসকলে অৱসৰ বিনোদনৰ বাবে বৰ্তমান ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু তাৰ দাঁতি কাষৰৰ ঠাইখিনি সামৰি এখন গ'ল্‌ফ ফিল্ড প্ৰস্তুত কৰিছিল। ক্লাৱ ঘৰটো এই খেল পথাৰৰ পূবত বৰ্তমান চাহ কৰ্মচাৰী সংঘৰ অফিচ থকা ঠাই টুকুৰাত আছিল। ইয়াত মাজে মাজে তাওকাক নদীৰ বানে আমনি কৰাৰ বাবে ১৯ শতিকাতে সত্তৰৰ দশকত ইয়াৰ পৰা ক্লাৱটো উঠাই আনি বৰ্তমান সোণাৰি কলেজে ছোৱালী হোষ্টেল হিচাপে ব্যৱহাৰ কৰা ঘৰটোত পাতেহি। এই ক্লাবৰ সমুখৰ বৰ্তমান সোণাৰি কলেজৰ সমুদায় এলেকা, বৰ্তমানৰ ৰাজহুৱা খেলপথাৰ, সোণাৰি বাণিজ্য মহাবিদ্যালয়ৰ কিছু অংশ, অফিচাৰ্চ ক্লাৱ বহা ঠাই, পাৰ্ক আৰু ৰাজহুৱা বাচ আস্থানক সামৰি প্ৰায় ৪৪ বিঘা মাটিৰ এখন প'ল' ফিল্ড প্ৰস্তুত কৰে। এই সমুদায় মাটি টিয়ক বাগিচাৰ আছিল। দেশ স্বাধীন হোৱাৰ পাছৰেপৰা ক্ৰমান্বয়ে ব্ৰিটিছ্ মালিকসকলে চাহ বাগানবোৰ বিক্ৰি কৰিবলৈ ধৰিলে আৰু লগতে প'ল' খেলো নোহাৱা হ'ল। যোৰহাট চাহ কোম্পানীয়ে টিয়ক বাগিচা বেচিবলৈ লোৱাত সোণাৰিৰে দুজনমান দূৰদৰ্শী ব্যক্তিৰ অনুৰোধত তৎকালিন অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাই ১৯৬১ চনত ক্লাৱ ঘৰটোৰ সৈতে প্ৰায় ৪৪ বিঘা মাটি অসম চৰকাৰৰ সাধাৰণ প্ৰশাসনৰ নামত কিনি লয়।

উক্ত ঘৰটো জৰাজীৰ্ণ অৱস্থাত পৰি আছিল। সোণাৰি কলেজ স্থাপনৰ কাৰ্যকৰী সমিতিয়ে প্ৰস্তাৱিত মহাবিদ্যালয়খন এই ঘৰটোতে আৰম্ভ কৰিবলৈ অনুমতি বিচাৰি চৰকাৰৰ ওচৰত আবেদন জনায়। অসম চৰকাৰে প্ৰথমে এবছৰৰ বাবে ঘৰটো কলেজ কৰ্তৃপক্ষক ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়ে। পাচত ১৯৭১ চনত তিনিবছৰৰ বাবে আৰু তাৰো পিচত ঘৰটোৰে সৈতে ১৫ বিঘা মাটি কলেজ কৰ্তৃপক্ষক স্থায়ীভাবে আৱণ্টন দিয়ে। এই ঘৰটো পোৱাৰ বাবে কলেজখন স্থাপন কৰাত বহু পৰিমাণে সুবিধা হয়। ১৬ আগষ্ট ১৯৬৯ চনত গঠন কৰা প্ৰস্তুতি সমিতিখন অধিক সক্ৰিয় কৰিবৰ বাবে ৩১।৫।৭০ তাৰিখে বহা কাৰ্য্যকৰী সমিতিয়ে উক্ত সমিতিখন পুনৰ গঠনৰ উদ্দেশ্যে ১৯৭০ চনৰ ১৬ জুনত এখন ৰাজহুৱা সভা আহ্বান কৰে। সেই সভাই পূৰ্বৰ প্ৰস্তুতি সমিতিখন ভঙ্গ কৰি প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাক সভাপতি হিচাপে লৈ এখন ১৫ জন সদস্যৰে তদৰ্থ সমিতি গঠন কৰে।

সোণাৰিৰ দৰে শিক্ষা-দীক্ষাত পিচপৰা এটা অঞ্চলত মহাবিদ্যালয়ৰ দৰে এখন উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপন কৰা জটিল কাম। প্ৰথম সমস্যা হৈছিল শিক্ষকৰ। মহাবিদ্যালয়ৰ প্ৰৱক্তাৰ বাবে সেইখিনি সময়ৰ সোণাৰিত এজনো ব্যক্তি নাই বুলিব পাৰি। সোণাৰি আৰু ইয়াৰ আশে-পাশে থকা উচ্চতৰ মাধ্যমিক বিদ্যালয় কেইখনত জনচেৰেক অৰ্হতাসম্পন্ন ব্যক্তি নিয়োজিত হৈ আছিল। তেখেতসকল হ'ল শ্ৰীসুৰেশ দাস, শ্ৰীৰবীন কোঁৱৰ আৰু শ্ৰীপ্ৰণৱ খাউণ্ড। এখেতসকল ৰাজনীতি বিজ্ঞান, ইংৰাজী আৰু বুৰঞ্জী বিভাগত সেৱা আগবঢ়াবৰ বাবে প্ৰস্তুত হ'ল। সমস্যা হ'ল অসমীয়া, অৰ্থনীতি আৰু শিক্ষাতত্ত্ব বিষয়কলৈ। সেই সময়ৰ সোণাৰি চাহ মজদুৰ সংঘৰ কৰ্মচাৰী বৰ্তমান ডিগবৈৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী শ্ৰীৰামেশ্বৰ ধানোৱাৰ ডাঙৰীয়াই ডুমডুমাৰ পৰা তেখেতৰ বন্ধু শ্ৰীডিলেশ্বৰ তাঁতীক-এখেতো প্ৰাক্তন মন্ত্ৰী, আনি অৰ্থনীতিৰ শিক্ষকৰ জোৰা মাৰি দিলে। অসমীয়াৰ বাবে সহঃযুটীয়া সম্পাদক প্ৰয়াত কনক বৰুৱাদেৱে যোৰহাটৰ পৰা শ্ৰীসোণমাই বড়াক আনে। বহু যোগাযোগৰ পাচত ৰহাৰ পৰা প্ৰয়াত কমলাৱতী শইকীয়াক অনা হয়। কাৰ্যালয় সহায়ক আছিল প্ৰয়াত বিষ্টুৰাম বসুমতাৰী আৰু ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল ফনী দত্ত। এই লেখকে তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ত ১৯৫৯ চনৰ পৰা চাকৰি কৰি আছিলোঁ। এই পৰিয়ালটিৰে ১৯৭০ চনৰ ৫ আগষ্টৰ দিনা ৯৬ জন ছাত্ৰ-ছাত্ৰীকলৈ আনুষ্ঠানিকভাৱে সোণাৰি মহাবিদ্যালয়ৰ শিক্ষাদান কাৰ্য শুভাৰম্ভ কৰা হয়।

অনুষ্ঠানটো চলাবৰ বাবে পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত কিছু জটিলতাৰ সন্মুখীন হ'ব লগা হৈছিল। শিক্ষানুষ্ঠান এখন প্ৰতিষ্ঠা কৰাতকৈ চলাই আগুৱাই নিয়াটো বেছি জটিল। সেইসময়ৰ বিশ্ববিদ্যালয়ৰ আইনমতে মহাবিদ্যালয় স্থাপনৰ অনুমতি পাবৰ বাবে কমেও ১৫ হেজাৰ টকা কলেজৰ নামত স্থায়ী জমা থাকিব লাগিব। তাৰোপৰি শিক্ষক কৰ্মচাৰীসকলৰ নাম মাত্ৰ পাৰিতোষিক আৰু অন্যান্য খৰচ আছেই। এই সংকট জোৰা মৰাৰ বাবে সোণাৰি নগৰৰ কেইগৰাকীমান ব্যক্তিয়ে মাহে প্ৰতি নিৰ্দিষ্ট হাৰত কিছু বৰঙণি আগবঢ়াইছিল। ৭১ চনত মাহমৰা, ঔগুৰি শ্যাম গাঁও, বামপথাৰ, বেঙেনাবাৰী, সৰুপথাৰ, জলাহ আদি গাঁৱত ধানৰ ডাঙৰি তুলি প্ৰায় ৯ হেজাৰ টকা সংগ্ৰহ কৰা হৈছিল। সেই সময়ত সোণাৰি নগৰত একো আমোদ-প্ৰমোদৰ ব্যৱস্থা নথকাত সুবিধালৈ কলেজ পৰিচালনা সমিতিয়ে অস্থায়ীভাবে চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰি কিছু পুঁজি সংগ্ৰহ কৰিছিল। প্ৰদৰ্শন কাৰ্য পুৰণা জিমখানা ক্লাৱ বুলি জনাজাত বৰ্তমানৰ ছোৱালী হোষ্টেলটোতে প্ৰত্যেক সপ্তাহৰ শনি আৰু ৰবিবাৰে কৰা হৈছিল। পাচত শ্ৰীপ্ৰণৱিৰাম বৰুৱাৰ লগত চুক্তি কৰি এটা অস্থায়ীঘৰ সাজি চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল। আৱাহন আৰু কহিনুৰ ভ্ৰাম্যমান নাট্যদলৰ যোগেদিও কলেজৰ পুঁজি টনকিয়াল কৰা হৈছিল। কলেজখন আৰম্ভ কৰিবলৈ লোৱাৰ পৰাই ধন সংগ্ৰহকে মুখ্য কৰি বিভিন্ন ক্ষেত্ৰত একনিষ্ঠভাৱে লাগি থকাসকলৰ ভিতৰত বিশেষভাবে উল্লেখ কৰিব পাৰি শ্ৰীবিপিন দত্ত ডাঙৰীয়াৰ নাম। তেখেতৰ ঘৰ আমগুৰিত, ইয়াত ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংক শাস্ত্ৰৰ বিষয় শিক্ষক আছিল। সোণাৰিৰ একমাত্ৰ উদ্যোগ হ'ল চাহ উদ্যোগ। সেয়ে এই অঞ্চলৰ প্ৰায়বিলাক অনুষ্ঠান প্ৰতিষ্ঠানতে চাহ উদ্যোগৰ অৱদান কম বেছি পৰিমাণে আছে। সোণাৰি চক্ৰৰ পৰিচালন সঞ্চালকসকলৰ কাষ চপাত তেখেতসকলে ১৯৭৩



চনৰ উৎপাদিত চাহৰ কিল'গ্ৰামে প্ৰতি একপইচাকৈ কলেজলৈ আগবঢ়ায়। চাহ মজদুৰ ভাই-ভনীসকলেও জনমুৰি এটকাকৈ সোণাৰি মহাবিদ্যালয়লৈ দান কৰিছিল। এই ক্ষেত্ৰত তেতিয়াৰ চাহ মজদুৰ সংঘৰ কৰ্মচাৰী প্ৰয়াত ফটিক বৰঠাকুৰ ডাঙৰীয়াৰ অৱদান বিশেষভাবে স্মৰণীয়।

চৰকাৰৰ ফালৰ পৰা ১৯৭২ চনত ঘৰ সজাৰ বাবে ৮ হেজাৰ আৰু ছোৱালী জিৰণি কোঠাৰ বাবে ৫ হেজাৰ মুঠ ১৩ হেজাৰ টকা পোৱা হয়। ১৯৭৩ চনত ১০ হেজাৰ টকাৰ অন্য এটা অনুদান পোৱা হয় আৰু সেই বছৰৰে মাৰ্চমাহৰ পৰা মাহে এহেজাৰ টকাকৈ এটা পুনঃপৌণিক অনুদান চৰকাৰে মঞ্জুৰ কৰাৰ বাবে কলেজখন চলোৱাৰ জটিলতা কিছু কমে। এইদৰে অৰ্থনৈতিক টনা আঁজোৰাৰ মাজেদিয়েই ১৯৭৭ চনৰ ১ জুলাইৰ পৰা সোণাৰি মহাবিদ্যালয় চৰকাৰৰ ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অন্তৰ্ভুক্ত হয়।

মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ প্ৰথমে পুৱা আৰু গধূলি দুটা শাখাত ভাগ কৰি লোৱা হৈছিল। এই ব্যৱস্থাত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলোৰে অসুবিধা হোৱাৰ বাবে ১৯৭০ চনৰে অক্টোবৰ মাহৰ পৰা দিনৰ ১০ বজাৰ পৰা লোৱাৰ ব্যৱস্থা কৰা হয়। সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল প্ৰথম বছৰহে প্ৰাইভেটকৈ বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিব লগা হৈছিল। বিশ্ববিদ্যালয়ৰ বিধিৰ প্ৰায়বোৰ চৰ্ত পূৰণ কৰাৰ বাবে ১৯৭১ চনৰ পৰাই প্ৰাক্ বিশ্ববিদ্যালয়ৰ আৰু ১৯৭৫ চনৰ পৰা স্নাতক শ্ৰেণীৰ স্বীকৃতি লাভ কৰে। সোণাৰি কলেজৰ পৰীক্ষাৰ্থীসকলে ১৯৭৩/৭৪ বৰ্ষৰ পৰাই নিজ মহাবিদ্যালয়তে বিশ্ববিদ্যালয়ৰ চুড়ান্ত পৰীক্ষাসমূহ দিব পৰা হৈছিল। তাৰ পাচত ক্ৰমে বিভিন্ন বিষয়ৰ মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়।

মাজে মাজে সোণাৰি মহাবিদ্যালয়ত বিজ্ঞান শাখাটো খোলাৰ কথা আলোচনা হৈছিল যদিও অৰ্থকড়িৰ নাটনিৰ বাবে সাহস কৰিব পৰা হোৱা নাছিল। অৱশেষত চাপৰিলে মেঘ নেৰাই বুলি ভাবি কলেজ পৰিচালনা সমিতিয়ে ১৯৮৪ চনৰপৰা বিজ্ঞান শাখাটো আৰম্ভ কৰাৰ সিদ্ধান্ত কৰি আগবাঢ়ে। প্ৰথম বছৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিক শ্ৰেণীটো স্থানীয় ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকসকলৰ সহায়-সহযোগতে চলোৱা হৈছিল। দ্বিতীয় বছৰৰ পৰাহে সোণাৰি কলেজে বিজ্ঞান শাখাৰ বাবে প্ৰৱক্তা নিয়োগ কৰে। বিজ্ঞান শাখাটো চলোৱাৰ বাবে দুখনমান উপহাৰ কুপন খেল অনুষ্ঠিত কৰি ভালেখিনি টকা সংগ্ৰহ কৰা হৈছিল। এই পুঁজিৰে মোটামুটিভাবে শাখাটো চলাব পৰা হৈছিল। ১৯৯২ চনত চৰকাৰে সোণাৰি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰাৰ বাবে অনুষ্ঠানটোৱে অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট সকাহ পায়। ক্ৰমাৎ বিজ্ঞান শাখাৰ বিভিন্ন বিষয়ৰ লগতে মহাবিদ্যালয়ৰ সকলো বিষয়তে মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। এই দীঘলীয়া পৰিক্ৰমাৰ মাজেদিয়েই আগবাঢ়ি সোণাৰি মহাবিদ্যালয়ে বৰ্তমানৰ প্ৰায় পৰিস্ফুট অৱস্থা পাইছেহি।

জয়তু সোণাৰি মহাবিদ্যালয়। ■

# মোৰ শৈশৱৰ আৰু যুক্তি-অযুক্তিৰ নাপায়বোৰ

ৰতিপ্ৰভা গগৈ
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা

জীৱনৰ আটাইতকৈ মধুৰতম কালছোৱাই হ'ল "শৈশৱ কাল"। এই শৈশৱৰ প্ৰভাৱেই জীৱনৰ শেষ বয়সলৈকে প্ৰভাৱ বিস্তাৰ কৰে। লক্ষ্মীনাথ বেজবৰুৱাদেৱে 'মোৰ জীৱন সোঁৱৰণ'ত শৈশৱৰ ধ্ৰুপদী পৰিবেশৰ কথা বিস্তৃতভাৱে উল্লেখ কৰিছে। শৈশৱৰ এই ধ্ৰুপদী প্ৰভাৱে বেজবৰুৱাদেৱৰ জীৱনৰ প্ৰতি পলে পলে প্ৰভাৱ বিস্তাৰ কৰিছিল।

'মোৰ শৈশৱ' কোনো গুৰুত্বপূৰ্ণ বিষয় নহয়। কিন্তু বৰ্ত্তমানৰ শিশুৰ তুলনাত যথেষ্ট বৈচিত্ৰ্যপূৰ্ণ। প্ৰাথমিক বিদ্যালয়ৰ পৰা কিতাপৰ বোজা পিঠিত লৈ বিদ্যালয়লৈ অহা-যোৱা কৰা, হোম-ৱৰ্ক, টিউচন, ৰিমট্-লেপ্‌টপ্‌ৰ লগতে তেওঁলোকৰ দৈনন্দিন সম্পৰ্ক। আমাৰ শৈশৱ পাৰ হৈছিল কিতাপৰ লগত সম্বন্ধ ৰাখি নহয়, জকাই, জুলুকি, ঠোহা, আম, কঠাল, লেটেকু আদিৰ লগত। পুৱা ৪ বজাত উঠি মূৰত গামোছা মাৰি চুবুৰীৰ বাইদেউ, মোমাইদেউহঁতৰ লগত জকাই লৈ নাঙলৰ সীৰলুত মাছ ধৰাৰ পৰা বৰশী বোৱা, বালিভেটা দিয়া, লাহনীৰে পুখুৰী বা খাল সিঁচি মাছ ধৰা এনে বিভিন্ন উপায়েৰে মাছ ধৰাতেই আমাৰ অজস্ৰ সময় পাৰ হৈছিল। এইবোৰ কামৰ তুলনাত পঢ়া কাম আছিল গৌণ।

আহিনমহীয়া শ্যামলী ৰোৱনীৰ কেঁচা পাতৰ ফুৰফুৰীয়া গোন্ধ নাকত লৈ ৰোৱানীৰ মাজে মাজে পথাৰৰ বকিয়াবোৰত ঠোহা পাতি, পিছদিনা পুৱাই নিয়ৰত কাপোৰ তিয়াই এঠোহা এঠোহা মাছ ধৰাৰ কথা মনত পৰিলে আজিও অজান শিহৰণ অনুভৱ কৰোঁ।

পুথাদেউৰ দুই তিনি পুৰা মাটিৰ বিশাল বাৰীখন বৰ্ত্তমান শিশুৰ আনন্দৰ থলী Accoland ৰ দৰে আছিল। ভীমকলৰ পকা থোকটো কাটি অনাৰ পাছত আধাতে ভঙা গছজোপাৰ ওপৰলৈ বগাই চুঁচৰি তললৈ নামি অহা কাৰ্য্যত আমি চুবুৰীৰ চাৰি পাঁচটা ল'ৰা-ছোৱালী আনন্দত আত্মহাৰা হৈ থাকোঁ। পদুম পুখুৰীত (পুঠাদেউৱে ৰাইজক দান দিয়া) নামি পদুমৰ ফুল, চকা আদি ছিঙা, গছত উঠি গছৰ ডালত আৰামত বহি পকা মধুৰী খোৱা লেটেকু গছত উঠি লেটেকু ছিঙা, কেছেলু গছত উঠি নাচনী পোক ধৰা আদি কামতে গোটেই আবেলিটো কটাইছিলোঁ। এনাইদেউ-পুথাদেউক সহায় কৰিবলৈ পঠোৱা মই তেখেত সকলক যথেষ্ট আমনি দিছিলোঁ। এনাইদেউৱে প্ৰায়ে ছোৱালী মানুহে এনেবোৰ ধিতিঙালি মাৰি ফুৰা কাম কৰিব নাপায় বুলি সকিয়াই থাকে। ছোৱালী মানুহে জপিয়াই খপিয়াই ল'ৰাৰ দৰে ফুৰিব নাপায়, কোৰ-কটাৰীলৈ কাম কৰিব নাপায়, গছত উঠিব নাপায়, নাঙলত ধৰিব নাপায়, মৈত উঠিব নাপায় এনে বহুতো 'নাপায়'ৰ বিষয়ে এনাইদেউৱে মোক কয়। মোৰ প্ৰশ্ন - 'কিয় নাপায়' 'এহ নাপায়, নাপায় আৰু নকৰিবি।' এনাইদেউৱে এই 'নাপায়' সমূহৰ কোনো যুক্তি দেখুৱাব নোৱাৰিছিল মাথোন এটাই যুক্তি - 'ছোৱালী মানুহ'।

মোৰ দেউতা স্বৰ্গীয় সুখেন চন্দ্ৰ গগৈ আছিল তেতিয়া গান্ধীৰ ভলণ্টিয়াৰ। ব্ৰিটিছে মেলি দিয়া সৰ্বগ্ৰাহী কানি ভাঙৰ বিৰুদ্ধে তেখেতসকলে অভিযান চলাইছিল। কানিয়া, ভঙুৱালোক প্ৰায় ঘৰে ঘৰে। পুথাদেউৱেও পুৱা গধূলি কানি খাইছিল। দেউতাই শিৱসাগৰৰ হস্পিটেলত তিনিমাহ ৰাখি পুথাদেউক কানি এৰুৱাইছিল। পুথাদেউক লগ কৰিবৰ বাবে এনাইদেউ শিৱসাগৰলৈ যায়, লগত চিৰাৰ টোপোলা এটি। তাকে শিৱসাগৰৰ পুখুৰীৰ পানীত তিয়াই খাই, গধূলি ভাগৰি জুগৰি মুখ শুকুৱাই ঘৰ ওলাইছিলহি। ক'তো একো মুখত নিদিয়ে, জাত যোৱাৰ ভয়। তেতিয়া দেউতাই এনাইদেউক নাপায় অথবা জাত-পাতৰ কথাবোৰ বুজাবলৈ চেষ্টা কৰিছিল। মই কথাবোৰ মন দি শুনিছিলোঁ। মোৰ 'আই' আছিল গান্ধীৰ ভলণ্টিয়াৰ। গতিকে ঘৰখনত এটি পৰিবেশ আছিল - এনেধৰণৰ চৰ্চাৰ মাজত যুক্তিৰে কথাবোৰ চালি-জাৰি চাবলৈ শিকিছিলোঁ।

ছোৱালীয়ে গছত উঠিব নাপায়, কাৰণ গছত গুটি নালাগে। তেন্তে 'গুটি নলগা গছত উঠিম।' গছতেই উঠিব নাপায়, কাৰণ ছোৱালীবোৰ ল'ৰাৰ নিচিনা নহয়। মধুৰী গছত উঠি ডালত বহি পকা মধুৰী খাবলৈ বৰ আৰামদায়ক। ছোৱালী গছত উঠিলে গুটি নালাগে। কিন্তু এনাইদেউৰ কথাত যেন মুখ ভেঙুচাই পিছৰ বছৰ মধুৰী পুনৰ লমা-লমে লাগিলে। মোক গছত উঠাৰ পৰা এতিয়া কোনে বাৰণ কৰিব। শৈশৱৰ মোৰ অন্তৰত এনে অযুক্তিকৰ নাপায়বোৰৰ বিৰুদ্ধে প্ৰতিবাদী মনটোৱে পোখা মেলিছিল।

মোৰ দদাইদেউ শ্ৰদ্ধেয় ফনীন গগৈদেৱে কোনো সকাম নিকাম নকৰিছিল। আমাৰ ঘৰত 'শলিতা' লগোৱা সকাম কৰিছিল। বুঢ়া-দেউতা 'সাধু' আছিল। 'মাদকদ্ৰব্য'ৰ বিৰোধিতা অভিযানত তেখেতো জড়িত আছিল। গতিকে ঘৰতে সাজৰ সকাম শলিতা লগোৱা আদিৰ তেখেতে বিৰোধিতা কৰিছিল। তদুপৰি বেমাৰ-আজাৰ হ'লে সকাম-নিকাম নহয়। আনকি 'আই' সকাম কৰাৰো তেখেত পক্ষপাতী নহয়। ডাক্তৰ আছে, ডাক্তৰৰ দৰৱে বেমাৰ ভাল কৰিব। বাৰটা মাহত তেৰটা সকামে নহয়। শ্ৰীযুত দদাইদেউৰ এনে যুক্তিপূৰ্ণ দৃঢ় মনে আমাৰ অন্তৰ স্পৰ্শ কৰিছিল। এনে পৰিৱেশতে লালিত হোৱা মোৰ মনে ভৱিষ্যত জীৱনৰ বিভিন্ন সমস্যাত সাহসেৰে থিয় হ'বলৈ অযুক্তিকৰ কথাৰ প্ৰতিবাদ কৰিবলৈ প্ৰেৰণা পাইছিল।

নম্ৰ, শিষ্ট জীৱন যাপনৰ বাবেও কিছুমান 'নাপায়ে' শিক্ষা দিয়ে। এদিনৰ কথা, পুথাদেউৱে আগফালৰ বহল বাৰণ্ডাখনত বাঁহ চাঁচি আছে। পুথাদেউৱে হাতত লৈ থকা বাঁহডাল দীঘল আছিল। মই ভিতৰৰ পৰা আহি পুঠাদেউৱে হাতত লৈ থকা বাঁহডালৰ ওপৰেদি জপিয়াই পাৰ হৈ গ'লো। পুথাদেউৱে সাধাৰণতে মোক খং নকৰে। সেইদিনা পুথাদেউৱে ভালকৈ 'গেজেৰা' মাৰি ক'লে- 'মানুহে হাতত লৈ থকা বস্তুৰ ওপৰেদি পাৰ হ'ব নাপায়।' এই 'নাপায়ে' মোক জীৱনলৈ শিক্ষা দিলে। হাতত লৈ থকা বস্তুৰ ওপৰেদি 'ডেই' যোৱা মানে মানুহজনকে ডেই যোৱা বুজায়। জপিয়াই খপিয়াই এৰাল ছিগা গৰুৰ দৰে ঘূৰি ফুৰা ল'ৰা-ছোৱালীক নিয়ন্ত্ৰণ কৰা এনে 'নাপায়'বোৰ কেনে যুক্তি সঙ্গত? মানুহক গুৰুত্ব দিয়া, ডাঙৰক সন্মান কৰিবলৈ শিকোৱা আদি শিক্ষাৰ বাবে দীঘল বক্তৃতাৰ প্ৰয়োজন নাই, এনে 'নাপায়ে'ই যথেষ্ট।

শৈশৱৰ এই 'নাপায়'বোৰেই মোৰ ভৱিষ্যত জীৱনৰ সাহস আৰু প্ৰেৰণাৰ উৎস।■

## ৰুচিকৰ তথ্য

★ পৃথিৱীৰ কাচিৎহে হোৱা ৰোগবিধৰ নাম হৈছে 'কুৰু' অৰ্থাৎ হঁহা ৰোগ। কেৱল নিউগিনৰ নৰখাদকসকলৰ মাজতহে এই ৰোগ হোৱা দেখা যায়। মানুহৰ মগজু খোৱাৰ পৰা এই ৰোগ হয় বুলি বিশ্বাস।

★ "পয়েট লৰেট" উপাধিৰে সন্মানিত হৈ থকাৰ সাতবছৰ কালত ৱৰ্ডচৱৰ্থে দৰাচলতে কোনো কবিতাই ৰচনা কৰা নাছিল।

★ মানুহৰ শৰীৰত থকা ফচফৰাচৰ পৰা দুহেজাৰ দিয়া চলাই কাঠিৰ বাখৰ লগোৱা মূৰ, চৰ্বিৰ পৰা ৭ (সাত) ডোখৰ চাবোন আৰু লোৰ পৰা এটা গজাল তৈয়াৰ কৰিব পাৰি।

★ ৰঙাৰ মাজত বগা ক্ৰচ থকা ডেনমাৰ্কৰ পতাকাখন সকলোতকৈ পুৰণি ৰাষ্ট্ৰীয় পতাকা আৰু এই পতাকাৰ প্ৰৱৰ্ত্তন হয় ১২১৯ চনত।

★ তেল আৰু পানীক মিহলাব পাৰি। একমাত্ৰ প্ৰয়োজন তেল আৰু পানীৰ লগত অলপ চাবোন মিহলোৱাটো।

★ "The quick brown fox jumps over the lazy dog."
বাক্যটোত ইংৰাজী বৰ্ণমালাৰ আটাইকেইটা আখৰ আছে।

# ছাত্ৰ জীৱনৰ প্ৰধান কৰ্তব্য ঃ চৰিত্ৰ গঠন



দেৱজিৎ পানিকা
স্নাতক প্ৰথম বৰ্ষ

ছাত্ৰ আৰু চৰিত্ৰ- দুয়োটাৰে ওতঃপ্ৰোত সম্পৰ্ক আছে। এই দুয়োটা বিষয় ইপিঠি সিপিঠিৰ দৰে। চৰিত্ৰ গঠন অবিহনে এজন ছাত্ৰ সু-ছাত্ৰ হিচাবে পৰিগণিত হ'ব নোৱাৰে। অভ্যাসৰ সমষ্টিয়েই চৰিত্ৰ। ছাত্ৰ হ'ল সমাজৰ ধৰণী, সৎ চৰিত্ৰই ছাত্ৰৰ প্ৰগতিৰ অন্যতম আহিলা। আজিৰ ছাত্ৰ কালিলৈ দেশৰ নাগৰিক হ'ব। এই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ অৱস্থাতে সুস্থ-সবল মানসিকতাৰে সৎ চৰিত্ৰৰ অধিকাৰী হৈ গঢ়ি উঠাটো অত্যন্ত প্ৰয়োজন। ছাত্ৰসকলৰ ভৱিষ্যৎ জীৱন নিৰ্ভৰ কৰে তেওঁলোকৰ মানসিকতা আৰু চৰিত্ৰৰ ওপৰত। ছাত্ৰ অৱস্থাতে সু-চৰিত্ৰ গঠন কৰি সবল মানসিকতাৰ অধিকাৰী হৈ উঠিব নোৱাৰিলে ভৱিষ্যৎ সৎ জীৱন-যাপন কৰাটো সম্ভৱ নহয়। সৎ চৰিত্ৰ অবিহনে ছাত্ৰ প্ৰকৃত জ্ঞানৰ অধিকাৰী হ'ব নোৱাৰে। মানুহৰ মনত অন্তৰ্নিহিত হৈ থকা ভাল আৰু বেয়া প্ৰবৃত্তিয়ে মানুহক আকৰ্ষিত কৰে। উদাহৰণস্বৰূপে দয়াৰ গুণত মানুহ দানী হয়, আনৰ উপকাৰৰ অৰ্থে চিন্তা কৰিব পাৰে। গতিকে ছাত্ৰসকলে নিজকে সমাজৰ আদৰ্শ স্বৰূপ বুলি উপলব্ধি কৰি অসৎ প্ৰবৃত্তিৰদ্বাৰা পৰিচালিত নহৈ এটি সৎ চৰিত্ৰ গঠনেৰে সমাজৰ আদৰ্শ হৈ নিজৰ লগতে দহৰ জীৱনকো শুদ্ধ পথে আগুৱাই যোৱাত সহায় কৰি এখন সৎ, আদৰ্শ সমাজ গঢ়ি তোলাত অৰিহণা যোগোৱা উচিৎ।

"চৰিত্ৰ মাথো তিনিটা আখৰৰ সমষ্টি কিন্তু ইয়াৰ অন্তৰালত নিহিত হৈ থাকে মানুহৰ আচাৰ ব্যৱহাৰ আৰু অভ্যাসৰ বহুতো লক্ষণ। চৰিত্ৰ হৈছে মানৱ জীৱনৰ দাপোনস্বৰূপ, সৎ চৰিত্ৰই জীৱনক উজ্বলতা প্ৰদান কৰি পোহৰলৈ ঠেলি লৈ যায় কিন্তু অসৎ চৰিত্ৰই ব্যক্তিক অন্ধকাৰ গৰ্ভলৈ অৱনমিত কৰায়। সেয়েহে ক'ব পাৰি 'তেজ মঙহেই দেহা গঠন কৰে' সঁচা, কিন্তু চৰিত্ৰই জীৱন গঢ়ে।

সৎ চৰিত্ৰই হৈছে মানৱ জীৱনৰ প্ৰগতিৰ আহিলা। সৎ চৰিত্ৰক সাৰথি কৰি প্ৰগতিৰ পথত আগুৱাই গ'লে হেলাৰঙে গন্তব্যৰ স্থানত উপনীত হ'ব পৰা যায়। ধনবান লোক এজন সৎ চৰিত্ৰবান নহ'বও পাৰে, যদি তেওঁ অসৎ চৰিত্ৰৰ হয় তেন্তে সমাজৰ পৰা কোনো ধৰণৰ আদৰ আশ্বাস লাভ কৰিব নোৱাৰে। এজন চৰিত্ৰবান লোক পবিত্ৰজলৰ নিচিনা। সৎ চৰিত্ৰৰ লোকে সমাজৰ অন্ধকাৰ আঁতৰাই অনাটো স্বাভাৱিক সেয়েহে আব্ৰাহাম লিংকনে কৈছে - "চৰিত্ৰ হ'ল এজোপা গছৰ দৰে সুখ্যাতি ইয়াৰ ছাঁটো আমি যিদৰে ভাবো গছজোপাই আচল বস্তু।'


শিশুৰ চৰিত্ৰ মাকৰ ওপৰত ছাত্ৰৰ চৰিত্ৰ সংগৰ ওপৰত আৰু বৃদ্ধাৰ চৰিত্ৰ ভোগ আলাসৰ ওপৰত নিৰ্ভৰশীল। সেইয়ে ছাত্ৰ-ছাত্ৰীসকলে সৎ চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব দিয়া উচিত। পৰিস্থিতি সাপেক্ষে কেতিয়াবা সৎ চৰিত্ৰৰ ব্যক্তিকো অসৎ কাৰ্যত লিপ্ত হোৱা দেখা যায়। এবাৰ অসৎ প্ৰবৃত্তিৰ পৰা পৰিচালিত হৈ তাক পুনৰাই সেই বাটৰপৰা ওভতাই অনা কঠিন। সেইয়ে চক্ৰেটিছে কৈছিল - 'ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলোখিনিয়েই হেৰায়।' অৰ্থাৎ স্বাস্থ্যৰ অৱনতি ঘটিলে চিকিৎসাৰ দ্বাৰা সুস্থ হ'ব পাৰি কিন্তু হেৰুৱা চৰিত্ৰ পুনৰ উভতাই আনিব নোৱাৰি, গতিকে চৰিত্ৰ যাতে হেৰাই যাব নোৱাৰে তাৰ বাবে ছাত্ৰ অৱস্থাতে সজাগ হোৱা উচিত। ■





# মাৰোৱাৰী মহিলাৰ গনগোৰ উৎসৱ

প্ৰিয়ঙ্কা চেতিয়া ফুকন
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)



মাৰোৱাৰী সমাজত প্ৰচলিত এটা উৎসৱ হৈছে গনগোৰ। ৰাজস্থানত প্ৰতিবছৰে ফাকুৱাৰ পিছদিনাৰ পৰা ওঠৰ দিনলৈকে এই উৎসৱ অতি উলহ মালহেৰে পালন কৰা হয়। ঠিক সেইদৰে আমাৰ অসমত থকা মাৰোৱাৰী বিবাহিত মহিলা আৰু বিবাহ যোগ্য যুৱতীসকলে গনগোৰ পূজা অতি শ্ৰদ্ধাৰে পালন কৰে। কুমাৰী ছোৱালীসকলে শিৱৰ দৰে স্বামী লাভ কৰিবৰ বাবে আৰু বিবাহিতসকলে প্ৰধানতঃ শিৱ-পাৰ্বতিৰ দৰে সুন্দৰ যুগ্ম জীৱন লাভ কৰিবৰ বাবে অতি নিষ্ঠাৰে পূজা আৰাধনা কৰে। এই উৎসৱৰ দ্বাৰা কিদৰে এটা পৰিয়াল সুচাৰুৰূপে পৰিচালনা কৰা হয় আৰু কিদৰে মৰমেৰে বান্ধি ৰখা হয় তাৰ শিক্ষা দিয়া হয়।

"গনগোৰ" শব্দটোৰ অৰ্থ হৈছে পাৰ্বতি। কিন্তু এই পূজাত কেৱল পাৰ্বতিকে আৰাধনা কৰা নহয়। শিৱ, পাৰ্বতি, পাৰ্বতিৰ দেওৰেক কানিৰাম, তেওঁৰ পত্নী ৰমা আৰু লগতে মালনৰ মূৰ্তি সাজি গোটেই পৰিয়ালটোক আৰাধনা কৰা হয়।

গনগোৰ পূজা হোলিৰ দ্বিতীয় দিনা কৃষ্ণপক্ষৰ প্ৰতিপদৰ পৰা আৰম্ভ হৈ শুক্লপক্ষৰ তৃতীয়লৈকে চলি থাকে। এই পূজাৰ প্ৰথমদিনা গোবৰেৰে আঠটা সৰু সৰু আৰু আগদিনাৰ হোলিকা জ্বলোৱা ছাইৰে বেলেগকৈ আঠটা সৰু সৰু পিণ্ড বনাই, এটা টুকুৰীত দূবৰি বন পাৰি তাৰ ওপৰত স্থাপন কৰা হয় আৰু সেই টুকুৰীটো গোবৰ মাটি দি লেপি থোৱা স্থানৰ ওপৰত থৈ আঠদিনলৈ পূজা কৰা হয়। এই কেইদিনত এডোখৰ ডাঠ কাগজ টুকুৰীটোৰ সন্মুখৰ বেৰত লগাই প্ৰত্যেক দিনাই তাত একোটা সেন্দুৰ আৰু একোটা কাজলৰ ফোঁট দিয়া হয় আৰু তাৰ পাছত এটা ঘটিত এটা কড়ি, চুপাৰি, তামৰ পইচা, এটা ৰূপৰ আঙুঠি (ছল্লা) থৈ তাত কেঁচা গাখীৰ মিহলোৱা পানী দি সেই পানী দুবৰি বনেৰে ছটিওৱা হয়। আঠদিনৰ পিছদিনা অৰ্থাৎ শীতলা অষ্টমীৰ দিনা তিৰোতাসকলে গান গাই ফুৰ্ত্তি কৰি কমাৰৰ তালৈ গৈ গনগোৰ ঘৰলৈ আনে আৰু ঘৰলৈ আনি নতুন গহণা, কাপোৰ, মালা পিন্ধাই পূজা অৰ্চনা কৰে। সেইদিনা এটা টাবত ঘেহুৰ অংকুৰণ ঘটোৱা হয়। যাক ঈশ্বৰ বা শিৱ বুলি ধৰি লৈ গনগোৰৰ লগতে আৰাধনা কৰা হয়। পুৱা তিৰোতা আৰু যুৱতীসকলে গা-ধুই খালী পেটেৰে

গনগোৰক দাঁতোন কৰোবায়, মালা পিন্ধাই, ফোঁট দি ফুলেৰে সজাই দুবৰি বনেৰে পানী ছটিয়াই পূজা কৰি গীত গাই এনেদৰে -

হৰিয়ে গৌৰৰ গোলী দ্যাবো, মোসা চোক পুৰাবৌ
মৌত্যা কা দোয় আখা ল্যাবো নিৰণী গৌৰ পূজাবৌ।
গৌৰ এ গনগোৰ মাতা, খোল কিবড়ী।
বাহেৰ ওবী ৰ'বা পূজণবালী। (ইত্যাদি)

এইদৰে গায় গনগোৰক দুৱাৰ খুলিব কয়, কিয়নো তেওঁলোক পূজা কৰিবৰ বাবে আহিছে। ঠিক তেনেদৰে কুমাৰী ছোৱালীসকলে গনগোৰ অৰ্থাৎ পাৰ্বতিক নিজৰ বায়েক আৰু ঈশ্বৰ অৰ্থাৎ শিৱক নিজৰ ভিনিয়েক হিচাপে লৈ গীত গায় যাক 'সীঠনা' বুলি কোৱা হয়। তাৰে দুশাৰীমান যেনে -

"ঈসৰজী তো পেচো (পাগুৰি) বান্দ, গৌৰা বাইপেচ সবা ৰ ও ৰাজ,
মে ঈসৰ থাৰী সালী ছেঁ।
সালী ছা মতবালো ও ৰাজ, ভঁৱৰ পটা পৰ ৱাৰী ও,
কেশৰ কী সী কমাৰী ও ৰাজ, লুংগা কী সী ৱাড়ী ও ৰাজ,
মে ঈসৰ থাৰী সালী ছেঁ।"

দুপৰীয়া গনগোৰক বাহিৰৰ পৰা পানী আনি দিয়া হয়। গধূলি ধূপ, চাকি জ্বলাই প্ৰসাদ দিয়াৰ নিয়ম আছে। গনগোৰ অনাৰ পাছৰ এটা দেওবাৰে যিসকলে এই পূজা পালন কৰে তেওঁলোকে উপবাসে থাকি সূৰ্যদেৱতাৰ আৰাধনা কৰে। গনগোৰৰ সময়ত নৱ বিবাহিতাসকলে নিজ মাতৃ গৃহলৈ আহি এই পূজা পালনকৰে। তেওঁলোকে পূজাত যথা ৰীতি অনুযায়ী ককায়েকহঁতক ফোঁট দিয়ে আৰু ককায়েকহঁতেও নানা উপহাৰ, কাপোৰ অথবা পইচা দিয়ে। আমাৰ অসমীয়াৰ হিয়াৰ আমঠু ৰঙালি বিহুত যিদৰে আমি আনন্দ ফুৰ্ত্তি কৰো ঠিক সেইদৰে এই পূজাত মাৰোৱাৰী মহিলাসকলেও ঘৰে ঘৰে গৈ আনন্দ ফূৰ্ত্তি কৰি খোৱা-বোৱা কৰে। পূজা শেষ হোৱাৰ আগদিনা বিবাহিত নাৰী সকলে মেহেন্দী লগায় আৰু শেষৰ দিনা পুৱা পূজা অৰ্চনা কৰি দুপৰীয়া গনগোৰক নদীত বিসৰ্জন দিয়া হয়। তেওঁলোকে লোকগীত আদি গাই সমজুৱাকৈ বিসৰ্জনত ভাগ লয়। এই পূজা অৰ্থাৎ গনগোৰ উৎসৱ মাৰোৱাৰী মহিলাসকলৰ মাজত যথেষ্ট প্ৰচলিত আৰু আদৰৰ। আজিৰ সময়তো তেওঁলোকে এই উৎসৱ অতি উলহ-মালহেৰে পালন কৰি আহিছে।■



# তুত্যেইংপঙৰ বিষয়ে এটি আলোকপাত

পঙ্খী কোঁৱৰ
উঃ মাঃ ২য় বৰ্ষ (কলা শাখা)

পৃথিৱীৰ প্ৰাচীন ভাষা সমূহৰ ভিতৰত 'তাই'ও এটা অতি চহকী ভাষা। খ্ৰীষ্টপূৰ্ব ২৮০০ বছৰ আগৰে পৰা এই ভাষাই চলিত আছিল। বুৰঞ্জীয়ে কয়, খ্ৰীষ্টপূৰ্ব ২৫০০ বছৰৰ আগতে চীন দেশত স্বৰ্গদেউ ফু-চি য়ে ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজত্বকালত চীনত তাই ভাষাটোৱে এটা অতি উন্নত ৰূপ লাভ কৰিছিল। অবিশ্বাস্য হ'লেও সত্য যে, এই ভাষাত অতি আধুনিক নেওঁতা আছিল। যেনে - যোগ, বিয়োগ, পূৰণ, হৰণ। যোগ নেওঁতাখনকে তাই ভাষাত 'তুত্যেইংপঙ্' বোলা হয়।

আধুনিক অসমীয়া যোগ নেওঁতাখন দহে একে এঘাৰ, দহে দুয়ে বাৰ এনেদৰে পঢ়াৰ নিয়ম। এই নিয়ম খ্ৰীঃ পূৰ্ব ২৮০০ বছৰ আগতেই প্ৰচলন আছিল। অন্যহাতে অসমীয়াত এক, দুই, তিনি আদিৰ দৰে তাই ভাষাৰ নেওঁতাতো আছে। যেনে - ল্যুং, ছং, ছাম্ ইত্যাদি।

তলত ১ ৰ পৰা ১০ লৈ সংখ্যাবোৰ উচ্ছাৰণসহ দেখুৱাবলৈ বিচাৰ হৈছে।

| তাই সংখ্যা | অসমীয়া | উচ্ছাৰণ |
|---|---|---|
| ) | ১ | ল্যুং |
| V | ২ | ছং |
| y | ৪ | ছাম্ |
| 7 | ৫ | ছি |
| ৬ | ৬ | হা |
| ^ | ৭ | ৰুক্ |
| | ৮ | চিত্ |
| | ৯ | কাউ |
| ১০ | ১০ | ছিপ্ |

তুত্যেইপঙ্খনৰ ওপৰত দেখুৱাৰ দৰে নিয়ম আছে যদিও ৩০, ৪০, ৫০, ৬০, ৭০, ৮০, ৯০, ১০০ এই কেইটা সংখ্যাক ক্ৰমে ছাম ছিপ্, ছি ছিপ্, হা ছিপ্, ৰুক ছিপ্, ছিত ছিপ্ প্যেত ছিপ্, কাউ ছিপ্ আৰু পাক ল্যেং বোলা হয়। অসমীয়াত যি ফাঁকি পঢ়া হয়, সেই সংখ্যা আগেয়ে মতা হয়। যেনে - ১+১=২, ১+২=৩। আনহাতে, তাই ভাষাত যি ফাঁকি পঢ়িব সেই ফাঁকি যোগ হোৱা সংখ্যা সমূহৰ পাছত বহিব।


ল্যেং +ল্যেং = ছং
১ + ১ = ২
ছং + ল্যেং = ছাম্
২ + ১ = ৩
ছাম্ +ল্যেং = ছি
৩ + ১ = ৪
ছি +ল্যেং = হা
৪ + ১ = ৫ ইত্যাদি।

**মতাৰ নিয়ম ঃ** ল্যেং ল্যেং পং বাই ছং।
(এক এক যোগ সমান দুই)।

# গোলকীয় উত্তাপ - কাৰণ আৰু ফলাফল

ঋতুপৰ্ণা দত্ত
স্নাতক দ্বিতীয় বৰ্ষ (অৰ্থনীতি বিভাগ)

পৰিবৰ্তন জগতৰ ৰীতি। বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুতেই পৰিবৰ্তনৰ আঁচোৰ। পৰিবৰ্তনৰপৰা হাত সৰাৰ উপায় নাই আৰু পৰিবৰ্তন অবিহনে জীয়াই থকাৰো উপায় নাই। আমাক চাৰিওফালে আৱৰি থকা বায়ুমণ্ডলো পৰিবৰ্তনশীল। এইটো অতি স্পষ্ট কথা যে, পৃথিৱীৰ বায়ুমণ্ডলৰ ক্ৰমবিকাশৰ সৈতে জীৱৰ ক্ৰমবিকাশ সংলগ্ন। বৰ্তমান জৈৱিক আৰু ভূ-ৰাসায়নিক বিক্ৰিয়াবোৰে বায়ুমণ্ডলৰ উপাদানবোৰ নিয়ন্ত্ৰণ কৰে। কিন্তু এটাই মাত্ৰ প্ৰজাতি যিয়ে বায়ুমণ্ডলৰ উপাদানৰ ভাৰসাম্যৰ অনিষ্ট কৰে, যিয়ে উপাদানৰ তাৰতম্য সাধন কৰে, সেইটোৱেই হ'ল মানৱ জাতি। বৰ্তমান বিশ্বত পৰিবেশৰ ভাৰসাম্য বিনষ্ট হোৱাৰ বা পৰিবেশ প্ৰদূষিত হোৱাৰ কাৰণে অন্যান্য জীৱ-জন্তু বা প্ৰকৃতি দায়ী নহয়, সম্পূৰ্ণৰূপে দায়ী জ্ঞানৰ সন্তান তথা পৰিবেশৰ সৰ্বশ্ৰেষ্ঠ উপাদান মানৱ জাতিটোৱেই।




আমি সকলোৱে জানো যে সেইজ গৃহ হ'ল এনে এটা কৌশল যিয়ে গছ-গছনিক ৰক্ষণাবেক্ষণ দিয়ে, ইহঁতৰ বৃদ্ধি আৰু বিকাশত সহায় কৰে। সেউজ গৃহৰ ভিতৰত সূৰ্যৰ ৰশ্মিত থকা অৱলোহিত ৰশ্মিক শোষণ কৰাৰ বাবে বায়ুমণ্ডলৰ উষ্ণতা নিয়ন্ত্ৰণত থাকে। অন্যথা সৌৰশক্তিৰ বৃহৎ অংশ পৃথিৱীৰ বাহিৰলৈ গুচি গ'লহেঁতেন। সেইজ গৃহৰ অৱৰ্তমানত সৌৰশক্তিয়ে পৃথিৱীত প্ৰবেশ কৰিলেও ইয়াৰ পৰা কোনো ধৰণৰ শক্তি পৃথিৱীয়ে লাভ নকৰিলেহেঁতেন।

উল্লেখযোগ্য যে সৌৰশক্তিয়ে কেৱল পৃথিৱীক উষ্ণ কৰাৰ বাবে সমৰ্থ নহয়। উষ্ণতাৰ উপযুক্ততাৰ অভাৱত পৃথিৱীত জীৱ সৃষ্টি বা জীয়াই থকাৰ পৰিবেশ ৰচনা নহ'লহেঁতেন। পৃথিৱীত জীৱ সৃষ্টি আৰু বৰ্তি থকাৰ উপযুক্ত উত্তাপ হ'ল সেউজগৃহ পৰিঘটনাৰ এক চমৎকাৰ। সেউজগৃহ পৰিঘটনাই পৃথিৱীৰ উত্তাপ ১৫° চেলচিয়াছ কৰি ৰাখিছে।

বায়ুমণ্ডল থকাৰ বাবে সেউজ গৃহ পৰিঘটনাৰ সৃষ্টি হয়। বায়ুমণ্ডলৰ উপস্থিতিয়ে ইয়াৰ উপযুক্ত সংযোজনে পৃথিৱীক জীৱৰ অনুকূল বাসস্থানৰূপে গঢ়ি তুলিছে। সূৰ্যৰ নিচেই কাষতে থকা শুক্ৰ গ্ৰহৰ পাতল বায়ুমণ্ডল আছে যদিও ই প্ৰধানতঃ কাৰ্বন-ডাই-অক্সাইডেৰে গঠিত। সূৰ্যৰ নিকটবৰ্তী এই গ্ৰহটোৰ বায়ুমণ্ডলে অত্যাধিক সৌৰতাপ গ্ৰহণ কৰি গ্ৰহটোক ৪৬০° চেলচিয়াছ পৰ্যন্ত গৰম কৰি তোলে। পৃথিৱীৰ ওপৰত সূৰ্যৰ শক্তি গড়ে প্ৰতি বৰ্গ মিটাৰত ১৩৫৫ ৱাট পৰে। পৃথিৱীৰ বায়ুমণ্ডলৰ ওপৰত সৌৰশক্তিৰ প্ৰভাৱত বায়ুমণ্ডল বা জলবায়ুৰ ওপৰত সৌৰ প্ৰভাৱ বোলা হয়। অৱশ্যে এই সৌৰ প্ৰভাৱ ঋতু অনুযায়ী বৃহৎ পৰিমাণত সলনি হয়। সেউজ গৃহ হ'ল এনে এক বলকাৰক যি সৌৰশক্তিক আকাশতে হেৰাই যাবলৈ নিদি সেই শক্তি গ্ৰহণ কৰি পৃথিৱীৰ উপকাৰ সাধন কৰে।

সেউজ গৃহ গেছবোৰে পৃথিৱীত সূৰ্যৰ প্ৰভাৱক পৰিবৰ্তন কৰে। এই গেছবোৰে পৃথিৱীয়ে বিকিৰিত কৰা সূৰ্যৰ তাপক শোষণ কৰি পৃথিৱীৰ জলবায়ু পৰিবৰ্তন কৰাত যথেষ্ট অৰিহণা যোগায়। এই গেচবোৰে পৃথিৱীয়ে বিকিৰণ কৰা সৌৰতাপ শোষণ কৰি থকাৰ ফলস্বৰূপে আমাৰ বায়ুমণ্ডলৰ উষ্ণতা ক্ৰমে বৃদ্ধি হৈ আহিছে। বৰ্তমান আমাৰ বায়ুমণ্ডলত উপচি পৰা প্ৰধান সেউজ গৃহ গেছবোৰ হৈছে - কাৰ্বন-ডাই-অক্সাইড, মিথেন, ক্লৰ'ফ্লৰ' কাৰ্বন, নাইট্ৰজেন অক্সাইড আৰু ছালফাৰ-ডাই-অক্সাইড আদি। সেইজ গৃহ গেছৰ ভিতৰত কাৰ্বন-





ডাই-অক্সাইডৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰসংঘৰ অধীনস্থ ইণ্টাৰ গভৰ্ণমেণ্ট পেনেল অব ক্লাইমেক্স চেঞ্জ (TPCC)য়ে এই গেছবোৰৰ কাৰ্যকাৰিতাক গ্লোৱেল ৱাৰ্মি পোটেনচিয়েলছ (GWPs) ৰূপে অভিহিত কৰিছে। প্ৰতিটো সেউজ গৃহ গেছৰ GWP পৃথক পৃথক।

বায়ুমণ্ডলত থকা জলীয় বাষ্পও এটা অতি গুৰুত্বপূৰ্ণ সেউজ গৃহ গেছ যদিও ইয়াৰ ভূমিকা বৰ্তমানেও অতি জটিলৰূপে চিহ্নিত কৰা হয়। জলীয় বাষ্প ঘনীভূত হৈ মেঘৰ সৃষ্টি হয়। পৃথিৱীয়ে বিকিৰিত কৰা দৈৰ্ঘ্য তৰংগৰ শক্তিৰ ঢৌবোৰ মেঘে শোষণ কৰি বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধি কৰে। আনহাতে সূৰ্যৰপৰা অহা তাপৰ ঢৌবোৰক প্ৰতিফলিত কৰি পৃথিৱীত সোমাব নিদিয়ে। ফলস্বৰূপে বায়ুমণ্ডল শীতল হয়।

সেইজগৃহ ঘটনাৰ পঞ্চাশ শতাংশ নিৰূপণ কৰে কাৰ্বন-ডাই-অক্সাইড গেছে। বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইডৰ মূল উৎস হ'ল জীৱাশ্ম ইন্ধন। প্ৰাক্ ঐতিহাসিক কালৰেপৰা মানুহে ইন্ধনৰ বাবে কাঠ পুৰি আহিছে। কাঠৰ অভাৱ ক্ৰমাৎ বাঢ়ি অহাত মানুহে ইন্ধনৰ বাবে কয়লাৰ ওপৰত গুৰুত্ব দিলে। সময়ৰ লগে লগে মানুহে খাৰুৱা তেল আৰু গেছৰ ওপৰতো নিৰ্ভৰশীল হৈ পৰিল। পৃথিৱীত শক্তিৰ প্ৰয়োজনীয়তা ক্ৰমাৎ বাঢ়ি অহাত কয়লা, তেল বা গেছৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাবলৈ ধৰিলে। অত্যাধিক কয়লা তেল বা গেছৰ ব্যৱহাৰে সেউজ গৃহ গেচৰ পৰিমাণ বিশেষকৈ কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ দ্ৰুত গতিত বৃদ্ধি কৰিলে। কেৱল জীৱাশ্ম ইন্ধন দহনৰ ফলতে যে কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি হৈছে তেনে নহয়, ভূমিৰ বৰ্দ্ধিত আৰু পৃথক পৃথক ব্যৱহাৰেও কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধিত অৰিহণা যোগাইছে। কৃষি কাৰ্যত ভূমি ব্যৱহাৰ কৰাৰ ফলত মাটিত থকা জৈৱিক উপাদানবোৰ মুক্ত হয় আৰু জাৰণ ঘটি কাৰ্বন-ডাই-অক্সাইডৰ সৃষ্টি কৰে।

বৰ্তমান বিশ্বত নিৰ্বনানীকৰণ প্ৰায় নিয়ন্ত্ৰণহীন। ইয়াৰ প্ৰমাণ আমি অসম তথা উত্তৰ পূৰ্বাঞ্চলতে দেখিবলৈ পাইছো। এক সমীক্ষা অনুসৰি প্ৰতি বছৰে ১,৫০,০০০ বৰ্গ কিলোমিটাৰ বৰ্ষাৰণ্য পৃথিৱীৰ পৰা হেৰাই গৈছে। গছ-গছনি ধ্বংস মানে কাৰ্বন-ডাই-অক্সাইড শোষণৰ বাবে গছৰ পৰিমাণ কমি যোৱা। অত্যাধিক বিজুলী শক্তিৰ ব্যৱহাৰেও কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধিত অৰিহণা যোগাইছে। কাৰণ বিজুলী শক্তি উৎপাদনৰ বাবে কয়লা ব্যৱহাৰ কৰা হয়, যাৰ দহনৰ ফলত অত্যাধিক সেউজ গৃহ গেছৰ নিৰ্গমন হয়।

সেইদৰে আন এক গুৰুত্বপূৰ্ণ সেউজগৃহ গেছ হৈছে মিথেন। ধাননি পথাৰৰ নৰা পচি, গোবৰৰ পৰা আৰু এনে অনেক উৎসৰপৰা মিথেন গেছৰ উৎপাদন হয়। এই মিথেন গেছৰ পৰিমাণো বায়ুমণ্ডলত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে।

বৰ্তমান ব্যৱহাৰ কৰা CFC (ক্লৰ'ফ্লৰ' কাৰ্বন) বোৰেও বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগাইছে। কুলাৰ, ৰেফ্ৰিজাৰেটৰ আদিত ব্যৱহৃত CFC বোৰ তাপ শোষণৰ বাবে কাৰ্বন-ডাই-অক্সাইডৰ অণুতকৈ ১০০০ গুণ বেছি সক্ৰিয় আৰু সক্ষম। ঠিক সেইদৰে $NO_2$, $SO_2$ আদি গেছসমূহেও পৃথিৱীৰ বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগাইছে। আনহাতে কিছুমান সাগৰীয় উদ্ভিদে ডাই মিথাইল ছালফেট উৎপাদন কৰে আৰু বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগায়।

সেউজ গৃহ গেছৰ প্ৰভাৱত বিশ্বৰ জলমণ্ডল, বায়ুমণ্ডল আৰু ভূ-মণ্ডলৰ ব্যাপক পৰিবৰ্তন হ'বলৈ ধৰিছে। উপযুক্ত কাৰ্যব্যৱস্থা গ্ৰহণ নকৰিলে পৃথিৱীৰ উষ্ণতা ২০৩০ চনৰ ভিতৰত ১.৫° চেলচিয়াছৰ পৰা ৪.৫° চেলচিয়াছলৈ বৃদ্ধি হ'ব বুলিও অনুমান কৰা হৈছে। বায়ুমণ্ডলৰ এনে উষ্ণতা বৃদ্ধিৰ পৰিণতিস্বৰূপে হাৰিকেন, টাইফুন, বা-মাৰলি, ছুনামি, বানপানী আদিৰ দৰে প্ৰাকৃতিক ঘটনাবোৰ সঘনে সংঘটিত হ'বলৈ ধৰিছে আৰু ইয়াৰ ভয়াবহতা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। মেৰু অঞ্চলৰ তুষাৰ গলি সাগৰৰ পৃষ্ঠ ওপৰলৈ আহিছে।


পৃথিৱীত ব্যৱহৃত ইন্ধনৰ পাঁচ ভাগৰ চাৰি ভাগে জীৱাশ্ম ইন্ধন। অতি দুৰ্ভাগ্যজনক কথা যে অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ ধাৰা অব্যাহত ৰাখিবলৈ জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ সম্প্ৰতি বৃদ্ধি পাইছে যিটো বিশ্ব পাৰিপাৰ্শ্বিকতাৰ প্ৰতি বৃহৎ ভাবুকিস্বৰূপ।

আমাৰ পৃথিৱীখনক জীৱৰ বসবাসৰ বাবে উপযোগী কৰি ৰাখিবলৈ জীৱাশ্ম ইন্ধনৰ পৰিবৰ্তে নবীকৰণযোগ্য ইন্ধনৰ ওপৰত গুৰুত্ব দিব লাগিব। নিৰ্বনানীকৰণ ৰোধ কৰিব লাগিব। ক্লৰ'ফ্লৰ'কাৰ্বন (CFC)ৰ ব্যৱহাৰ কমাব লাগিব। পৃথিৱীখন সেউজ সুন্দৰ কৰি তুলিবলৈ আৰু ভবিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ স্বাৰ্থত বৰ্তমানৰ প্ৰজন্মই এনে সিদ্ধান্ত গ্ৰহণ কৰি বিশ্ব পাৰিপাৰ্শ্বিকতাক ৰক্ষণাবেক্ষণ দিয়াতো অতি প্ৰয়োজনীয় হৈ পৰিছে।■

# বৃহৎ জলবিদ্যুৎ প্ৰকল্প উত্তৰ পূৰ্বাঞ্চলৰ বাবে এক অভিশাপ স্বৰূপ

**প্ৰিয়াংশু প্ৰতিম বড়া**

স্নাতক ২য় বৰ্ষ (ৰসায়ন বিজ্ঞান বিভাগ)



প্ৰকৃতিৰ অনুপম অৱদানৰ ভিতৰত নদী অন্যতম। নদী এখনে অকল যে জীৱ-জন্তুৰ ওপৰত প্ৰভাৱ পেলায় এনে নহয় বৰঞ্চ তাৰ লগতে লাগি থকা দাঁতি কাষৰীয়া অঞ্চলকো ই সজীৱ কৰি তোলে। মানৱ সভ্যতাৰ প্ৰথম উপস্থিতি নৈৰ কাষৰীয়া অঞ্চলতেই দেখা গৈছিল। মানৱ সমাজৰ বাবে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীৰ ক্ষেত্ৰত নৈ এখনে বহু প্ৰকাৰে সহায় কৰে। কৃষি, মৎস্যপালন, কোৱেৰী (নৈৰ বুকুত শিল-বালি ব্যৱসায় কেন্দ্ৰ) পশুপালন, গৃহনিৰ্মাণ সামগ্ৰী, খাদ্য আদিৰ ক্ষেত্ৰত নৈয়ে দুহাত মেলি অতীজৰে পৰা মানৱ সমাজক সহায় কৰি আহিছে।

কিন্তু বৰ্তমান কালত মানৱ সমাজে নদীৰ বুকুত অবাধ খননৰ জৰিয়তে নদী তথা তাৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকা জীৱ-জন্তু, গছ-গছনিলৈ এক বিপদ মাতি আনিছে। শেহতীয়াকৈ দ্ৰুত ঔদ্যোগীকৰণৰ ফলত দেশত শক্তিৰ চাহিদা দিনক দিনে বৃদ্ধি পাইছে। ফলস্বৰূপে নদী এখনৰ ওপৰত বান্ধ দি তাৰ পৰা শক্তি উৎপাদন কৰি নিজৰ স্বাৰ্থ পূৰণ কৰিছে।

বৰ্তমানৰ যুগ প্ৰতিযোগিতাৰ যুগ। এই প্ৰতিযোগিতাৰ যুগত বৰ্তি থাকিবলৈ হ'লে দেশ এখনৰ উন্নতি হোৱাটো বাঞ্চনীয় আৰু দেশ এখনৰ উন্নতি হ'বলৈ হ'লে শক্তিখণ্ডৰ বিকাশ হোৱাটো অতিকে প্ৰয়োজন। উন্নতিৰ অৰ্থ এই নহয় যে অকল অৰ্থনৈতিক ক্ষেত্ৰত উন্নতি। বৰঞ্চ মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱাটোহে সঠিক উন্নতি হোৱাটো বুজায়। উদাহৰণস্বৰূপে, মানুহ এজনৰ হাঁওফাঁওৰ গতি বন্ধ হ'লে তাত পেচমেকাৰ স্থাপন কৰি মানুহজনৰ জীৱনটো কিছু কালৰ বাবে হ'লেও দীঘলীয়া কৰিব পাৰি। এই পেচমেকাৰটো চলিবলৈ কিছু পৰিমাণৰ শক্তিৰ প্ৰয়োজন।

জলবিদ্যুৎ শক্তি যে অৰ্থসমৃদ্ধ শক্তি সেই কথা একেষাৰে ক'ব পাৰি। কিন্তু প্ৰশ্ন হয় যে ই প্ৰাকৃতিকভাবে উপলব্ধ নে? বান্ধ বিলাকে যে আমাৰ প্ৰাকৃতিক পৰিবেশ বিনষ্ট কৰিছে সেই কথা আমি আওকান কৰিব পাৰো নে?

জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ আন অঞ্চলৰ তুলনাত আমাৰ উত্তৰ পূৰ্বাঞ্চল অতিকে চহকী। আনহে নেলাগে সেই কথা ৰাষ্ট্ৰসংঘই প্ৰতিপন্ন কৰিছে। ১২ টা (Biological hotspot)ৰ ভিতৰত 'বৰ্ষাৰণ্য' উপস্থিতি এই উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়। ইয়াত প্ৰায় ৫১ প্ৰকাৰৰ অৰণ্য দেখা যায়। ভাৰতত পোৱা ৯ প্ৰকাৰৰ উদ্ভিদৰ ক্ষেত্ৰত ৬ প্ৰকাৰ উদ্ভিদ এই অঞ্চলতে পোৱা যায়। ৮০,০০০ ফুলৰ প্ৰজাতিৰ ভিতৰত ১৫,০০০ ফুলৰ প্ৰজাতি এই অঞ্চলৰ অৰণ্যত দেখা পোৱা যায়। চৰাইৰ প্ৰায় ৯০০ প্ৰজাতি অকল এই অঞ্চলতে দেখা যায়। পৃথিৱীৰ একমাত্ৰ ওপঙা অভয়াৰণ্যখন এই অঞ্চলতে অৱস্থিত। বিভিন্ন জলাশয়, বিলৰ উপস্থিতি ইয়াত দেখা যায়। যেনে দীপৰ বিল, পানী বিল ইত্যাদি।

জলবিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত উত্তৰপূৰ্বাঞ্চলৰ আটাই কেইখন ৰাজ্যই চহকী। কিয়নো এই অঞ্চলৰ মাজেৰে অনেক নদ-নদী প্ৰবাহিত হৈছে। অৰুণাচল প্ৰদেশ তাৰে ভিতৰত এখন উল্লেখযোগ্য ৰাজ্য। এই ৰাজ্যখনে নিজৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাৰ নিমিত্তে জলবিদ্যুৎ উৎপাদন কৰাৰ ক্ষেত্ৰত বহু অগ্ৰনী ভূমিকা পালন কৰিছে। এই ৰাজ্যখনে আগন্তুক দিনত ১৬৮ বান্ধৰ জৰিয়তে প্ৰায় 58,000-60,000MW বিদ্যুৎ উৎপাদন কৰাৰ বাবে লক্ষ্য বান্ধি লৈছে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। কাৰ্বি-লংপি, কপিলী জলবিদ্যুৎ প্ৰকল্পৰ জৰিয়তে প্ৰায় 300MW বিদ্যুৎশক্তি উৎপাদন কৰিবলৈ সক্ষম হৈছে। তদুপৰি মণিপুৰ আৰু নাগালেণ্ডত একোটাকৈ জলবিদ্যুৎ প্ৰকল্প আছে। এই অঞ্চলত স্থাপন কৰা সকলো জলবিদ্যুৎৰ পৰা প্ৰায় 1145.20MW বিজুলী শক্তি আহৰণ কৰা হয়।

বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলত NEEPCO ৰ বাহিৰেও NHPC য়ে 2000MW ক্ষমতাসম্পন্ন নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ কাম গেৰুকামুখত চলাই আছে। এই প্ৰকল্পৰ বাদেও NHPC য়ে অৰুণাচল প্ৰদেশত দিবাং (3000MW), সোৱনশিৰি মধ্যম (1600MW) আৰু সোৱনশিৰি উজনি (2000MW) ইত্যাদি প্ৰকল্প স্থাপন কৰিবৰ বাবে প্ৰাৰম্ভিক কাম কৰিছে। আনহাতে NEEPCO য়ে কামেং (600MW) আৰু পাৰি (110MW) নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে।

বিশেষজ্ঞসকলৰ মতে অন্য ভূ-উষ্মীয় (Geothermal), (Biomass), বায়ু আৰু সৌৰশক্তিৰ পৰা উৎপাদিত বিদ্যুৎশক্তিতকৈ জলবিদ্যুৎশক্তি বেছি স্থায়ী, ভৰসা কৰিব পৰা, কম মূল্যৰ নৱীকৰণযুক্ত শক্তিৰউৎস। ই হ'ল বিশুদ্ধ বিদ্যুৎশক্তি কিয়নো ইয়াৰ উৎপাদনৰ পৰা কোনো বায়ু প্ৰদুষণ কৰিব পৰা $Co_2$, $So_2$, $No_3$ আদি গেছৰ উৎপত্তি নহয়। ইফালে এনে প্ৰকল্পৰ পৰা কোনো পেলনীয়া আবৰ্জনা নাথাকে।

উত্তৰ পূৰ্বাঞ্চলত বন্ধা বা বান্ধিবলৈ লোৱা বান্ধসমূহৰ বাবে সৃষ্টি হোৱা জলভাণ্ডাৰ সমূহক (Reservoir) ৰাসায়নিক প্ৰক্ৰিয়া হৈ জলচৰ জীৱৰ নিশ্চয় ক্ষতি কৰিব, বান্ধৰ বাবে আৱদ্ধ হৈ থকা জলৰাশি বিভিন্ন কাৰণত প্ৰদূষিত হ'ব। বাৰিষা হোৱা প্ৰবল বৰষুণৰ বাবে উত্তৰ পূব হিমালয়ত সঘনে এনেয়ে ভূ-স্খলন হয়। পিছে প্ৰকল্প নিৰ্মাণৰ বাবে বননি উছন হোৱাৰ ফলত ভূ-স্খলনৰ মাত্ৰা বৃদ্ধি হৈ নদীৰ পানীত গেছৰ পৰিমাণ বৃদ্ধি হৈ জলভাণ্ডাৰ সমূহ বাম হৈ পৰিব। লগতে বৰ্ধিত গেছ নদীৰ বুকুত জমা হৈ নদীৰ সুঁতি বন্ধ হ'ব পাৰে। বান্ধৰ প্ৰবাহ পথেদি ছিটিকি পৰা পানীয়ে বায়ুমণ্ডলত থকা বিভিন্ন গেছ শুহি অতি সংপৃক্ত হোৱা গেছৰ বাবদ জলচৰ প্ৰাণীৰ আৰু মাছৰ কলা জালত (Tissue) আবিষ্ট হৈ ক্ষতি কৰিব। ফলত জলচৰ প্ৰণীৰ মৃত্যু হ'ব পাৰে। বান্ধ নিৰ্মাণৰ বাবে নদীৰ সাধাৰণ জলপ্ৰবাহ বাধাগ্ৰস্ত হৈ প্ৰাকৃতিক হাইড্ৰ'লজি (Natural Hydrology) ৰ পৰিবৰ্তন হ'লে জল-আবাস ভূমিৰ বৃহৎ পৰিবৰ্তন হৈ জলচৰ প্ৰাণী নিঃশেষ হ'ব।

উত্তৰ পূব হিমালয় অঞ্চলৰ পৰা প্ৰাবহিত সকলো নদীত পোৱা বিভিন্ন মাছৰ প্ৰজাতিৰ ভিতৰত পিঠিয়া (Golden mahseer/ Tor putitors), শিলঘৰীয়া (Kalaleaus/Laleudero), পাভ (Indian leutter cat fish/ Ompak bimacultus), এলেং, জোঙা পিঠিয়া অন্যতম। যদিহে উত্তৰ পূব হিমালয়ৰ সকলো নদীতে বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ বাবে বান্ধ নিৰ্মাণ কৰে এই বিশেষ প্ৰজাতিৰ মাছবোৰ লুপ্ত হোৱাৰ সম্ভাৱনা বেছি। কিয়নো বান্ধ নিৰ্মাণৰ পাছত মাছৰ মুক্ত বিচৰণ বন্ধ হ'ব। ফলত মাছৰ প্ৰজনন আৰু বংশ-বৃদ্ধি নহ'ব। পশ্চিমৰ উন্নত দেশত মাছৰ প্ৰজনন স্থানলৈ প্ৰব্ৰজন কৰিবলৈ সুবিধা কৰি বান্ধ নিৰ্মাণ কৰোতে ফিছলেজাৰ (Fish Ladder) দিয়া সত্বেও আশাপ্ৰদ ফল পোৱা নাই।

ভূ-কম্পন (Sesamic) Servey মতে উত্তৰ পূৰ্বাঞ্চলৰ অৱস্থিতি Zone "V", অৰ্থাৎ এই অঞ্চলত ভূমিকম্প হোৱাটো খুব প্ৰবল। এনে স্থানত বান্ধ নিৰ্মাণ কৰিলে অকল বান্ধটোক ভূমিকম্পই ক্ষতি নকৰে বৰঞ্চ ই জলভাণ্ডাৰৰ পাৰ ভাঙি তাৰ পৰা ওলোৱা পানীয়ে সমগ্ৰ অঞ্চলটো নিমিষতে জলমগ্ন কৰিব। ফলত সমগ্ৰ উত্তৰপূৰ্বাঞ্চল ক্ষতিগ্ৰস্ত হ'ব।

আনহাতে বৃহৎ বান্ধ নিৰ্মাণ কৰিলে ভূগৰ্ভৰ পানীৰ স্তৰটো তললৈ নামি যাব বুলি বিশেষজ্ঞ সকলে ধাৰণা কৰিছে।

বান্ধ নিৰ্মাণ হ'লে সেই অঞ্চলৰ মানুহৰ জীৱিকাৰ সম্বল নোহোৱা হ'ব। ফলত আৰ্থিক দৈন্যত ভুগিব আৰু এনে মানুহৰ মাজত অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাব।

নৈ এখনৰ পানীত জৈৱ বৈচিত্ৰৰ বাবে প্ৰয়োজনীয় পুষ্টিকৰ উপাদান থাকে। প্ৰাকৃতিক বানপানীয়ে নৈ পৰীয়া জনগণৰ কৃষি, মৎস্য উৎপাদন আৰু জলজ উদ্ভিদলৈ নতুন আশা লৈ আহে। তদুপৰি নৌকা পৰিবহনেৰে নৈ-পৰীয়া লোকে নিজৰ আৰ্থিক স্থিতি সবল কৰে। আনহাতে নৈত পোৱা শিল-বালিৰ ব্যৱসায় কৰিও এচাম মানুহে নিজৰ অৰ্থনৈতিক অৱস্থাত উন্নতি ঘটায়। উদাহৰণস্বৰূপে - সমীক্ষা কৰি পোৱা গৈছে যে সোৱনশিৰিৰ দাঁতি কাষৰীয়া অঞ্চলত 90,000 হেক্টৰ মাটিত খেতি কৰা হয়, আৰু উৎপাদন হয় 320-1200kg (প্ৰতি হেক্টৰ), মৎস্য উৎপাদনৰ পৰা আয় হয় প্ৰায় (22,96,00000) (প্ৰতি বছৰে) ইয়াত নিয়োজিত মুঠ লোকৰ সংখ্যা প্ৰায় 2000-2200জন। বান্ধ নিৰ্মাণ হ'লে এই বিলাকৰ জীৱিকাৰ ওপৰত যে প্ৰভাৱ পৰিব সেই কথা নুই কৰিব নোৱাৰি।

যদিও বিশেষজ্ঞৰ মতে জলবিদ্যুৎ শক্তি বিজুলী শক্তিৰ এটা নিজা উৎস। কিন্তু এনে শক্তি আহৰণ কৰিবলৈ যাওঁতে পৰিবেশ সংৰক্ষণ তথা আন আন ব্যৱস্থাৰ প্ৰতি আওকান কৰিলে ইয়াৰ পৰিণাম সুদূৰ প্ৰসাৰী হ'ব। উদাহৰণস্বৰূপে ৰঙানদীৰ প্ৰকল্পৰ পৰা ওলোৱা পানীয়ে বিহপুৰীয়াৰ বৃহৎ অঞ্চল খৰালি প্লাবিত কৰাৰ লগতে ইয়াৰ পৰা হোৱা গৰাখহনীয়াই কেইবাখনো গাঁও উছন কৰি বিস্তৰ ক্ষতি কৰিছিল। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ জলভাণ্ডাৰত আবদ্ধ জলৰাশিত সেই অঞ্চলৰ কয়লাখনিৰ পৰা ওলোৱা গন্ধকযুক্ত পানীৰ মিশ্ৰনৰ ফলত জলভাণ্ডাৰ অম্লতা বৃদ্ধি হৈ জলচৰ জীৱৰ বিনষ্ট হ'ব বুলি ধাৰণা কৰা হৈছে।

প্ৰগতিৰ বাবে বিদ্যুৎশক্তিৰ নিতান্ত প্ৰয়োজন। ঔদ্যোগীকীকৰণৰ বাদেও কৃষিকাৰ্য, যাতায়ত ব্যৱস্থা আৰু ঘৰুৱা ব্যৱহাৰৰ বাবে ইয়াৰ চাহিদা দিনক-দিনে বৃদ্ধি পাইছে। সেয়েহে এনে প্ৰকল্প নিৰ্মাণ কৰাটো প্ৰয়োজন। কিন্তু এনে কৰিবলৈ যাওতে পৰিবেশ বা তাৰ ওচৰ-পাজৰ অঞ্চলতনো কি প্ৰভাৱ পৰিব তাৰ জৰীপ কৰিব লাগে। প্ৰকল্প স্থাপনৰ বাবদ সেই অঞ্চলৰ মাটিৰ ক্ষতিপূৰণ আৰু তাৰ স্থানীয় মানুহৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত এনে ব্যৱস্থা হাতত লোৱা দেখা নেযায়। ফলত সমগ্ৰ অঞ্চলটোলৈ ধ্বংসৰ মাত মাতি আনে।

সদৌ শেষত এটা কথা ক'ব পাৰি যে এনে বৃহৎ প্ৰকল্পৰ ঠাইত ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰকল্প স্থাপনৰ জৰিয়তে বিদ্যুৎশক্তিৰ নাটনি কিছু হ'লেও পূৰণ কৰিব পৰা যাব। এনে কৰিলে পৰিবেশৰ লগতে সমগ্ৰ অঞ্চলটোত খুব কম প্ৰভাৱ পৰিলক্ষিত হ'ব। সেয়েহে এজন সুনাগৰিক হোৱা হেতুকে মই এনে ক্ষুদ্ৰ প্ৰকল্প স্থাপনতহে গুৰুত্ব দিয়া উচিত হ'ব বুলি ভাবো।

"পৰিবেশ থাকিলেহে জীৱন থাকিব"■


# অসমৰ হাবিত পোৱা কেইবিধমান মূল্যবান উদ্ভিদৰ ব্যৱহাৰৰ বিষয়ে চমু আভাস

**নৱজ্যোতি চাংমাই**
স্নাতক দ্বিতীয় বৰ্ষ (উদ্ভিদ বিজ্ঞান বিভাগ)

পুৰণি কালৰপৰা আমাৰ অসমখন জংঘলৰ ৰাজ্য হিচাপে পৰিচিত হৈ আছিল যদিও বিজ্ঞানৰ যুগত বিজ্ঞানৰ প্ৰভাৱৰ ফলত ইয়াৰ কিছু ব্যতিক্ৰম দেখিবলৈ পোৱা গৈছে। অসমৰ হাবিত পোৱা বিভিন্ন মূল্যবান গছ-গছনি তথা সৰু সুৰা বনৌষধি উদ্ভিদসমূহ হেৰাই যোৱাৰ উপক্ৰম হৈছে। তাৰ ভিতৰত চন্দন, অৰ্জুন, শাল, চেগুণ, তিতা চপা, লালী, বনচোম আদি কাঠ উৎপাদনকাৰী উদ্ভিদ আৰু ব্ৰাহ্মী, ভেদাই লতা, চেংমৰা, আকন, পদিনা আদি কিছুমান ঔষধি গুণসম্পন্ন সৰু গছ পৃথিৱীৰ বুকুত হেৰাই যাবলৈ ধৰিছে। বৰ্তমান অসমৰ অৰ্থনৈতিক উন্নয়নত বিশেষভাৱে অৰিহণা যোগোৱা চাহ আৰু তেনে ধৰণৰ কিছু খেতিৰ মোহত পৰিও অসমৰ লোকে এই মূল্যবান উদ্ভিদসমূহ লুপ্ত হোৱাত সহায় কৰিছে।

তলত কেইবিধমান মূল্যৱান তথা ঔষধি গুণসম্পন্ন উদ্ভিদৰ বিষয়ে আলোচনা কৰা হ'ল-


**কাঠ উৎপাদনকাৰী উদ্ভিদঃ**


অৰ্জুন

| উদ্ভিদৰ নাম | বৈজ্ঞানিক নাম | ব্যৱহাৰ |
|---|---|---|
| ১। অৰ্জুন | Terminalia arjuna | বৈদ্যুতিক খুটা, ৰেলৰ শ্লিপাৰ, দলং নিৰ্মাণকৰণত ব্যৱহাৰ কৰা হয়। |
| ২। হলং | Dipterocarpous macrocarpous Fam : Dipterocarpaceae | ঘৰ, দলং নিৰ্মাণত ব্যৱহাৰ হয়। |
| ৩। চেগুণ | Teetona grandis Fam: Verbanaceae | কাঠৰ আচবাব নিৰ্মাণ কৰা হয়। |
| ৪। চন্দন | Santalum album | আচবাব, সুগন্ধি দ্ৰব্য বনোৱা হয়। |
| ৫। নাহৰ | Mesu ferrea Fam : Gutteferae | বৈদ্যুতিক খুটা, দলং, ৰেলৰ শ্লিপাৰ নিৰ্মাণ কৰা হয়। |
| ৬। শাল | Shorea robusta Fam : Diplerocarpaceae | ৰেলৰ শ্লিপাৰ, আচবাব নিৰ্মাণত ব্যৱহাৰ হয়। |
| ৭। আজাৰ | Lagerstroemia speciosa Fam : Lytheraceae | আচবাব, ঘৰখুটা, নিৰ্মাণত সহায়ক হয়। |



| | | |
|---|---|---|
| ৮। চিচু | Dalbergia sissoo | আচবাব নিৰ্মাণ কৰা হয়। |



**ঔষধি গুণ থকা কেইবিধমান উদ্ভিদঃ**

| উদ্ভিদৰ নাম | বৈজ্ঞানিক নাম | ব্যৱহাৰ |
|---|---|---|
| ১। আদা | Zingiber officinale | কাহ ভাল কৰে। |
| ২। মানিমুণি | Centella assiatica | পেটৰ ৰোগ নিৰ্মূল কৰে, ছালৰ ৰোগো দূৰ কৰে। |
| ৩। তুলসী | Ocimum sanctum | কাহ ভাল কৰে, ছালৰ ৰোগো দূৰ কৰে। |
| ৪। নিম | Azadirachta indica | নিমপাতে ছালৰ ৰোগ নিৰ্মূল কৰে, ছাল সতেজ ৰাখে। |
| ৫। লেটাগুটি | Caesalpinia crista | বমিভাৱ দূৰ কৰে আৰু মুৰৰ বিষ নিৰাময় কৰে। |
| ৬। হালধি | Curcuna longa | তেজ পৰিস্কাৰ কৰে, ইয়াক বিষ নিৰাময়ত ব্যৱহাৰ কৰা হয়। |
| ৭। আমলখি | Emblica officinalis | ইয়াক চুলি সতেজ কৰাত ব্যৱহাৰ কৰে, ইয়াত প্ৰচুৰ পৰিমাণে ভিটামিন "C" পোৱা যায়। |
| ৮। বঙালী এৰা | Jatropa Curcas | ই দাঁতৰ বিষ নিৰাময় কৰে। |
| ৯। মণিছাল | Sapindus mukorssi | ছাল আৰু চুলি সতেজ ৰাখে। |
| ১০। নেমুটেঙা | Citrus aurantifola | পেটৰ ৰোগ আৰু চুলিৰ ৰোগ দূৰ কৰে। |
| ১১। অমিতা | Carica papaya | ইয়াৰ পকা ফলে মুখৰ ছাল নিমজ কৰে। |
| ১২। আকন | Calotropis gigantea | দাঁতৰ বিষ হ'লে ইয়াৰ আঠা ব্যৱহাৰ কৰা হয়। |

**কেইবিধমান মছলা জাতীয় উদ্ভিদ ঃ**

| উদ্ভিদৰ নাম | বৈজ্ঞানিক নাম | ব্যৱহাৰ |
|---|---|---|
| ১। ধনিয়া | Coriandrum sativum | |
| ২। তেজপাত | Cinnamomum tamala | |
| ৩। জলকীয়া | Capsicum annuum | |
| ৪। পিয়াঁজ | Allium cepa | |
| ৫। নহৰু | Allium sativum | |
| ৬। জালুক | Piper nigrum. | |

উপৰোক্ত তালিকাৰ উপৰিও অসমৰ হাবিত আন বহুতো মূল্যৱান উদ্ভিদ আছে যদিও বৰ্তমান বিশ্বায়নৰ যুগত লুপ্ত পায় অৱস্থা পাইছেহি। গতিকে আমি সকলোৱে এই কথা উপলব্ধি কৰা উচিত যে এই মূল্যৱান সম্পদৰাজি সংৰক্ষণৰ সময় আহি পৰিছে। সেয়েহে আমি সকলোৱে বনাঞ্চলৰ এই অমূল্য সম্পদসমূহ সংৰক্ষণৰ বাবে চৰকাৰ তথা সমূহ ৰাইজ বদ্ধপৰিকৰ হ'ব লাগিব। আৰু বৰ্তমান উঠি অহা নতুন যুৱ চামে উদ্ভিদৰ সংৰক্ষণ আৰু ইহঁতৰ ব্যৱহাৰৰ বিষয়ে বিশেষ গুৰুত্ব দিব লাগিব।■

# সমাজ সংস্কাৰক অসমৰ শংকৰদেৱ আৰু ওড়িশাৰ জগন্নাথ দাস ঃ এটি তুলনামূলক অধ্যয়ন

ৰীতা দত্ত
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

**১.০ অৱতৰণিকা ঃ**

মধ্যযুগত বিভিন্ন দেৱদেৱীক পূজা কৰাৰ নামত চলি অহা নৰবলি, পশুবলি প্ৰথা; পূজাৰ নামত চলি অহা বহু ব্যভিচাৰ, অনাচাৰ-অনীতিৰ অৱসান ঘটাই অসমত নৱবৈষ্ণৱ আন্দোলন গঢ়ি তোলা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক প্ৰথমতেই আমি সমাজ সংস্কাৰক ৰূপে অগ্ৰাধিকাৰ দিব পাৰো। যিবোৰ নীতি নিয়মে ধৰ্মীয় তথা সামাজিক পৰিবেশক প্ৰদূষিত কৰিছিল, সেইবিলাকক নিৰ্মূল কৰাৰ উদ্দেশ্যেৰে বংগদেশত আবিৰ্ভাৱ হৈছিল যেনেকৈ শ্ৰীচৈতন্যদেৱ, অসমত পথ প্ৰদৰ্শক হিচাপে উপজিছিল শঙ্কৰদেৱ আৰু ওড়িশাতো তেনেদৰে জগন্নাথ দাসে সমাজখনক সু-শৃংখলিত কৰি ৰাখিছিল। প্ৰায় দ্বাদশ শতিকাৰ শেষৰ ফালে ৰামানুজাচাৰ্যই পুৰী আৰু ভুৱনেশ্বৰ ভ্ৰমণ কৰিবলৈ আহিছিল। তেৱেঁই আছিল ভক্তি ধৰ্মৰ প্ৰথম প্ৰচাৰক।[1] পঞ্চদশ আৰু ষষ্ঠদশ শতিকাত ভক্তি আন্দোলনে ওড়িশাৰ ধাৰ্মিক তথা সাহিত্যিক ক্ষেত্ৰত যি জোৱাৰৰ সৃষ্টি কৰিছিল, সেই জোৱাৰে বৈষ্ণৱধৰ্মক জগন্নাথ দেৱতাৰ ৰূপত প্ৰতিষ্ঠা কৰিলে। ৰামানুজাচাৰ্যৰ শ্ৰী সম্প্ৰদায়ে বহুত কল্যাণমুলক কাম কৰিছিল যিবিলাকৰ প্ৰভাৱ পৰৱৰ্তী সমাজ সংস্কাৰকসকলৰ ওপৰত নিশ্চিত ভাৱে পৰিছিল। কল্যাণমূলক কামবিলাক আছিল এনেধৰণৰ ঃ

ক) সমাজৰ পিছপৰা শ্ৰেণীৰ কল্যাণ।

খ) সকলো জাতি ধৰ্মৰ মানুহৰ বাবে সমাজত পদ মৰ্যাদা।

গ) ভগৱানৰ অস্তিত্ব বিচাৰি সন্যাস গ্ৰহণ নকৰিলেও হয় .... ইত্যাদি।

কিন্তু উদ্দেশ্য একে হ'লেও ধৰ্ম প্ৰচাৰক ভেদে মতাদৰ্শ ভিন্ন। শঙ্কৰদেৱে ভাগৱতৰ কৃষ্ণক 'স্বয়ং ভগৱান' ৰূপে গ্ৰহণ কৰিছে, বংগৰ চৈতন্যদেৱে কৃষ্ণৰ লগতে ৰাধাকো গ্ৰহণ কৰিছে ... ইত্যাদি। জগন্নাথ দাসে কৃষ্ণক জগন্নাথ প্ৰভুৰ ৰূপত লৈ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰক একত্ৰিত কৰিছে।

**২.০ অধ্যয়নৰ উদ্দেশ্য ঃ**

আমি সকলোৱে জানো যে শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ বহু পূৰ্বৰ পৰাই ভাৰত তথা অসমত বৈষ্ণৱ ধৰ্মৰ এটি ক্ষীণ সুঁতিৰ প্ৰবাহ চলিয়েই আছিল। সৰ্বভাৰতীয় ৰূপত দাক্ষিণাত্যৰ ৰামানুজাচাৰ্য, বংগৰ শ্ৰীচৈতন্য, পুৰীৰ জগন্নাথ দাসৰ প্ৰসংগ ইতিমধ্যে উল্লেখ কৰা হৈছে। কিন্তু অসম আৰু ওড়িশাৰ প্ৰসঙ্গটো নিৰ্বাচন কৰাৰ মূলতে হ'ল শঙ্কৰদেৱৰ বাৰ বছৰ জোৰা ভাৰত ভ্ৰমণ আৰু পুৰীৰ জগন্নাথ দাসৰ দৰ্শন লাভ। চৰিত পুথিৰ মতে, এটি কন্যা সন্তান জন্ম দিয়েই মৃত্যুক আকোঁৱালি লোৱা প্ৰথমা পত্নী সূৰ্যৱতীৰ বিয়োগত মনত ওপজা বৈৰাগ্যৰ ভাৱ পাহৰিবলৈ যেন শঙ্কৰদেৱে বাৰ বছৰ কাল ভাৰতৰ বিভিন্ন তীৰ্থ পৰ্যটন কৰে আৰু সঞ্চিত কৰে অনেক আধ্যাত্মিক জ্ঞান যি তেওঁক আধ্যাত্মিক জীৱন গঢ়াত সহায় কৰিছিল। এই ভ্ৰমণ কালতেই তেওঁ পুৰীৰ জগন্নাথ ক্ষেত্ৰ পৰিদৰ্শন কৰিছিল। ৫ম স্কন্ধ ভাগৱতত মাধৱদেৱৰ নাতি অনিৰুদ্ধ কায়স্থই এনেদৰে লিখিছে-

অল্প বয়সতে জগন্নাথ ক্ষেত্ৰে গৈলা
বহুদিন হৰিৰ সে চৰণ সেবিলা।
তথাতে পাইলন্ত জ্ঞান ভকতি বিশেষ।
আজ্ঞা পায়া পাছে আসিলন্ত নিজ দেশ।।[2]

অন্যহাতে শঙ্কৰদেৱে নিজেও 'কীৰ্ত্তন'ত 'ওৰেষা-বৰ্ণন' বুলি এটি অধ্যায় লিপিবদ্ধ কৰি থৈ গৈছে। গুৰু চৰিত কথাত আছে, "পাছে গুৰুজনে জগন্নাথৰ কৃপামানি ঃ গুণ বন্নালে ওড়েযাৰ একৈশটা কীৰ্ত্তন। ৭৩"[3] শঙ্কৰদেৱৰ "একবিংশ কীৰ্ত্তনত জগন্নাথৰ মহিমা আৰু জগন্নাথ ক্ষেত্ৰত প্ৰসাদ ভক্ষণৰ ক্ষেত্ৰত জাতি বৰ্ণৰ ভেদাভেদহীনতাৰ কথা কোৱা হৈছে।"[4]

গতিকে, অসমৰ শঙ্কৰদেৱ আৰু ওড়িশাৰ জগন্নাথ দাসৰ সমাজ সংস্কাৰকৰ চিত্ৰ দুখন তুলনা কৰাটোৱেই আমাৰ গৱেষণা পত্ৰৰ উদ্দেশ্য।

**৩.০ অসমত ভক্তি ধৰ্মৰ প্ৰচাৰকৰূপে শঙ্কৰদেৱ ঃ**

অসমত শংকৰদেৱে প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ ধৰ্মই অসমৰ জনসমষ্টিক সংঘবদ্ধ কৰি তোলাত এক অভুতপূৰ্ব ভূমিকা পালন কৰিছিল। "শঙ্কৰদেৱৰ সময়ছোৱা আছিল ধৰ্মীয় সমস্যাবহুল সময়। তদুপৰি শঙ্কৰদেৱৰ সময়খিনি ৰাজনৈতিকভাৱেও আছিল জটিল



সময়। এখন মাথো সৰু দেশ কামৰূপ বা অসম। তাতে চুটীয়া, কছাৰী, কোচ, মৰাণ, আহোম আদি অনেক ৰাজতন্ত্ৰৰ অধীনত অসম খণ্ড-বিখণ্ড হৈ আছিল। এফালে ৰাজতান্ত্ৰিক বিচ্ছিন্নতা আৰু আনফালে অনেক ধৰ্মৰ অৰিয়াঅৰি, এনে সংঘাতপূৰ্ণ সময়তে মহাপুৰুষ শংকৰদেৱৰ জন্ম"।[5] সেয়ে শঙ্কৰদেৱে এটি সুকুমাৰ ৰুচিবোধৰ জন্ম দিছিল, যি ৰুচিবোধে সংস্কৃতিৰ গতিক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈ উঠিছিল। তেওঁ অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ মানসিকতাক একত্ৰিত কৰিছিল। এনেদৰে একত্ৰিত কৰিবলৈ যাওঁতে শঙ্কৰদেৱে সাহিত্যৰ জৰিয়তে মানুহৰ বৌদ্ধিক চেতনা জাগ্ৰত কৰিছিল। এই চেতনাত নিহিত আছিল একেশ্বৰবাদৰ গূঢ়াৰ্থ। "শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰিত হৈছিল জনসাধাৰণৰ আধ্যাত্মিক সান্ত্বনা আৰু সামাজিক উন্নতিৰ বাবে। সাধাৰণ লোকে বুজিবৰ বাবে ৰচনা কৰা গ্ৰন্থসমূহত ক'তো শঙ্কৰদেৱ একান্তভাৱে দাৰ্শনিক আলোচনাত প্ৰবৃত্ত হোৱা নাই।"[6] নৱবিধ ভক্তি যেনে, শ্ৰৱণ, কীৰ্তন, ধ্যান, পূজা, পদ-সেৱা, দাস্য, সখিত্ব, বন্দন আৰু আত্ম সমৰ্পণ-ৰ ভিতৰত শঙ্কৰদেৱে 'নিৰ্গুণ কৃষ্ণৰ গুণ'ৰ শ্ৰৱণ আৰু কীৰ্তনকে শ্ৰেষ্ঠ স্থান দিছে। এয়ে শঙ্কৰদেৱৰ ভক্তিধৰ্ম বা নামধৰ্মৰ স্বৰূপ।

**৪.০ ওড়িশাত বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক জগন্নাথ দাস ঃ**

দ্বাদশ শতিকাৰ শেষৰ ফালে ৰামানুজাচাৰ্যই পুৰী আৰু ভুৱনেশ্বৰ ভ্ৰমণ কৰি যোৱাৰ পাছত ত্ৰয়োদশ শতিকাত ওড়িশাত ৰাধা-কৃষ্ণৰ বৰ্ণনা সম্বলিত জয়দেৱৰ 'গীত গোবিন্দ'ৰ সৰ্বাত্মক প্ৰভাৱ পৰিছিল। এই সংস্কৃত গ্ৰন্থখনৰ ওড়িআ অনুবাদ কৰিছিল ক্ৰমে কুমাৰ উদ্ধৱ দাস আৰু নাপিত ত্ৰিলোচন দাসে। ইয়াৰ বাদেও "দক্ষিণ ভাৰতীয় কানাড়ী ভাষী দুজনা সন্ত নৰসিংহমুনি আৰু নৰহৰি তীৰ্থ নামৰ বৈষ্ণৱ দুজনাৰো ভক্তি প্ৰচাৰৰ ক্ষেত্ৰত যথেষ্ট অৱিহণা আছিল বুলি জনা যায়।"[7]

অন্যহাতে ব্ৰাহ্মণ কুলত জন্ম হোৱা জগন্নাথ দাসো আছিল এজন সংস্কৃতৰ বিদগ্ধ পণ্ডিত। তেৱেঁই 'নৱাক্ষৰী' (নটি অক্ষৰযুক্ত) নামৰ এক নতুন ছন্দৰ সৃষ্টি কৰি দ্বাদশ স্কন্ধ সংস্কৃত ভাগৱতৰ প্ৰথম এঘাৰটা স্কন্ধৰ ওড়িআ অনুবাদ কৰে। পাছলৈ এই ছন্দ ভাগবত ছন্দ নামেৰে জনাজাত হ'ল। এই অনুবাদ ইমানেই সুন্দৰ, সৰস আৰু মধুময় আছিল যে তাক অতি সহজেই ওড়িআ নিৰক্ষৰ লোকসকলে বুজিবলৈ সক্ষম হৈছিল। ফলত গ্ৰন্থখনৰ সৰ্বাধিক উক্তি প্ৰৱচনৰ ৰূপত ব্যৱহৃত হ'বলৈ ধৰিছিল। ওড়িআ জন-সমাজত লোকপ্ৰিয়তা লাভ কৰাৰ ফলত এই ভাগৱতৰ শ্ৰৱণ আৰু পঠনৰ বাবে অসমৰ নামঘৰৰ দৰেই ওড়িশাত নিৰ্মিত হৈছিল 'ভাগৱত ঘৰ'। এই 'ভাগৱত ঘৰে' দেৱগৃহৰ প্ৰয়োজন পূৰণৰ লগতে বিদ্যালয়, পুথিভঁৰাল, গাঁৱৰ সামাজিক-সাংস্কৃতিক সংস্থা আৰু ৰাজহুৱা বিচাৰগৃহৰ বহুমুখী ভূমিকা পালন কৰি গ্ৰাম্য জীৱনক সু-শৃংখলিত কৰি ৰখাত অগ্ৰণী ভূমিকা পালন কৰিছিল।

**৫.০ অসমত সমাজ সংস্কাৰক শঙ্কৰদেৱ ঃ**

অসমত নামধৰ্ম চৰ্চাৰ প্ৰধান অনুষ্ঠান আছিল, নামঘৰ, সত্ৰ ইত্যাদি। নামঘৰ ধৰ্মীয় অনুষ্ঠান হ'লেও তাত সকলো জাতৰ মানুহৰ প্ৰৱেশৰ অধিকাৰ আছিল। "গাৰোৰ গোবিন্দ, মিছিঙৰ পৰমানন্দ, ভোটৰ দামোদৰ, নগাৰ নৰোত্তম, কছাৰীৰ ৰমাই, কৈৱৰ্তৰ পূৰ্ণানন্দ, বণিয়াৰ হৰিদাস, যৱনৰ ছান্দ খাঁ, ব্ৰাহ্মণৰ ৰামৰাম গুৰু, মহেন্দ্ৰ কন্দলি, দামোদৰ দেৱ আদি ভিন্ন জাতৰ মানুহে তেওঁৰ ধৰ্মত সমান স্থান আৰু মৰ্যাদা লাভ"[8] কৰিছিল। সকলোৱে সমান অধিকাৰ থকা ভক্তি ধৰ্মৰ সাধন প্ৰণালীৰ কথা মাধৱদেৱে এনেদৰে কৈ গৈছে -

হৰি নাম কীৰ্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একোবিধ।
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি![9]

নামঘৰ আছিল একপ্ৰকাৰৰ বিচাৰালয়। গাঁৱৰ লোকসমাজত সৃষ্টি হোৱা যিকোনো সমস্যাৰ সমাধান এই নামঘৰতে কৰা হৈছিল। কিন্তু এই বিচাৰ শাস্তিমূলক নাছিল, অনুশোচনামূলকহে আছিল। ইয়াত মনক শুদ্ধ কৰিবলৈ শিকোৱা হৈছিল। গুৰু অপৰাধ কৰাজনক দণ্ড বিহা হৈছিল আৰু সমাজৰ পৰা এঘৰীয়া কৰা হৈছিল।

অন্যহাতে শঙ্কৰদেৱে বয়সতকৈ পাৰদৰ্শিতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে বিভিন্ন বিষয়-বৰীয়াক বিভিন্ন বিষয়ৰ বাবে উপযুক্ত বুলি বিবেচিত কৰিছিল।

এনেদৰে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উপযুক্ত লোকক উপযুক্ত মৰ্য্যাদা দিয়াৰ ব্যৱস্থা কৰি শংকৰদেৱে সমাজখনক সু-শৃংখলিত কৰি ৰাখিছিল। ভাগৱতৰপৰা তেওঁ এনে কিছুমান আখ্যান নিৰ্বাচন কৰি কীৰ্ত্তনত অন্তৰ্ভূক্ত কৰিছিল যে সেই আখ্যানবোৰৰ মাজেৰে তেওঁ একো একোটা নীতি শিক্ষা দিবলৈ যত্ন কৰিছিল। এইবিলাকৰ প্ৰভাৱ জনসাধাৰণৰ মনত এনেদৰে পৰিছিল যে তেওঁলোকেও 'বিপ্ৰ দামোদৰ'ৰ দৰে বৈষ্ণৱী তথা নিষ্কামী হ'বলৈ বা 'গ্ৰাহ-গজেন্দ্ৰ'ৰ দৰে অসংযমী হৈ শাপগ্ৰস্ত নহ'বলৈ নিজকে মানসিক ভাৱে প্ৰস্তুত কৰি লৈছিল।

"সকলো ব্ৰহ্মাণ্ডৰ যি একমাত্ৰ অধিপতি" সেই বিৰাট পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি নিষ্কামভাৱে তাৰ উপাসনা কৰি কেনেকৈ সকলো কামনাৰ নিবৃত্তি সাধন কৰি মুকুতি পথত আগুবাব পাৰি, তাৰ সন্ধান অসমীয়া সমাজক মহাপুৰুষেই দান কৰে। যাৰ বাবে যিকোনো অবৈধ কৰ্মৰপৰা, ব্যভিচাৰ-দুষ্কৰ্মৰ পৰা জনসাধাৰণে দূৰৈত থাকিবলৈ শিকিছিল।

"শঙ্কৰদেৱে ভগৱানক সৰ্ব-অৱতাৰৰ কাৰণ নাৰায়ণ" বুলি কৈ ব্যয় বহুলতাৰ পৰা অল্প-ব্যয়-ফল লাভৰ পথ দেখুৱাই সমাজখনক আৰ্থিক দিশতো টনকিয়াল কৰি থৈ গৈছে।

এনেকৈয়ে শঙ্কৰদেৱে সমাজখনক কু-সংস্কাৰমুক্ত কৰি ৰখাত গুৰুত্ব প্ৰদান কৰিছিল।

**৬.০ ওড়িশাত সমাজ সংস্কাৰক জগন্নাথ দাস ঃ**

অসমৰ সকলো ঘৰতে কীৰ্তন, ভাগৱত ৰাখিবৰ বাবে সুকীয়া 'গোঁসাই-ঘৰ' থকাৰ দৰে বা গাঁৱে গাঁৱে 'নামঘৰ' থকাৰ দৰে ওড়িশাতো ঘৰে ঘৰে 'ভাগৱত ঘৰ' বা গাঁৱত 'ভাগৱত টুঙ্গী' আছে। অসমৰ দৰেই এই ভাগৱত টুঙ্গীৰ গুৰু থাপনাতো ভাগৱত, গুণমালা বা সমপৰ্যায়ৰ শাস্ত্ৰ স্থাপন কৰা হয়।

অসমৰ নামঘৰৰ দৰে ওড়িশাৰ 'ভাগৱত টুঙ্গী'ও একপ্ৰকাৰৰ

বিদ্যালয়, ন্যায়ালয়, নাট্যালয়, পাঠাগাৰ, সমবায় সমিতি তথা অতিথিশালা স্বৰূপ। "উৰিষ্যা (যথা)ৰ বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শ হৈছে ইয়াৰ সাৰগ্ৰাহী নীতি। এই ধৰ্ম উদাৰ, সহিষ্ণু আৰু সাম্প্ৰদায়িকতাৰ পৰা মুক্ত। শৈৱ, বৌদ্ধ, তান্ত্ৰিকবাদৰ সামগ্ৰিক বৈশিষ্ট্যৰ প্ৰতিভূ এক জগন্নাথ। কৃষ্ণ তেওঁৰ অৱতাৰ। কৃষ্ণ জগন্নাথৰ যোল্ল কলাৰ এক অংশ"[১০]।

শঙ্কৰদেৱৰ নামধৰ্মৰ নীতিৰ দৰেই জগন্নাথৰ ধৰ্ম বিশ্বাসতো জাতিভেদৰ অস্তিত্ব নাই। মহাভাৰত প্ৰণেতা সৰলা দাস নিজেই আছিল শূদ্ৰ। ওড়িআ বৈষ্ণৱ সাহিত্যৰ সুপৰিচিত পঞ্চসখা (বলৰাম দাস, জগন্নাথ দাস, অচ্যুতানন্দ দাস, যশোৱন্ত দাস আৰু অনন্ত দাস)ৰ মাজত জগন্নাথ দাসহে জাতিত ব্ৰাহ্মণ আছিল। বাকী চাৰিওজনেই অব্ৰাহ্মণ আছিল। ঠিক তেনেকৈ 'শিখী, মহান্তী, মাধৱী দাসী আৰু কানাই খুন্তীয়াও অব্ৰাহ্মণ আছিল। শ্যামানন্দ, ৰসিক মুৰাৰী আৰু বলদেৱ বিদ্যাভূষণে মুছলমানৰ শাসনকালত চৈতন্য পন্থী বৈষ্ণৱ ধৰ্ম প্ৰচাৰত আগভাগ লৈছিল"[১১] - ইত্যাদিয়েই বৰ্ণবৈষম্যহীন সমাজৰ পৰিচয় দাঙি ধৰে। ওড়িশাৰ লোকসমাজে ভাগৱত টুঙ্গীত নিতৌ সন্ধিয়া লগ হৈ জগন্নাথৰ নাম লয়। এই ব্যৱস্থাই সমাজখনক একত্ৰিত কৰি ৰাখে। সকলো ধৰণৰ অসামাজিক কৰ্মৰ পৰা তেওঁলোক আঁতৰি থাকে। ভগৱৎ ভক্তিলৈ আকৰ্ষণ তথা পাপৰ শাস্তিলৈ তেওঁলোকৰ ভয়- এই দুয়োটাই তেওঁলোকৰ মনক শুদ্ধ কৰি ৰখাত সহায় কৰে। জগন্নাথ দাসে কৰা ভাগৱতৰ ওড়িআ ভাঙনি ইমানেই লোকসমাজৰ মন পৰশা আছিল যে তেওঁলোকৰ সেই পদসমূহ মুখস্থ আছিল আৰু সেয়ে দৈনন্দিন জীৱনত তাৰ প্ৰভাৱো অপৰিসীম আছিল।

### ৭.০ উপসংহাৰ ঃ

সামৰণিত এটা কথা স্পষ্টকৈ ক'ব পাৰি যে অসম আৰু ওড়িশাৰ লোকসমাজ ভাগৱতৰ মূল আদৰ্শেৰে প্ৰভাৱান্বিত। অসমৰ শঙ্কৰদেৱে যিদৰে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে; উচ্চ-নীচৰ ভেদাভেদ পৰিহাৰ কৰি - এজন ঈশ্বৰৰ চিন্তাত ব্ৰতী হৈছিল আৰু জনসাধাৰণকো সেই আদৰ্শত বান্ধি ৰাখিছিল; ওড়িশাতো জগন্নাথ দাসে ভাগৱতৰ ওড়িআ অনুবাদ কৰি বৈষ্ণৱ ধৰ্মৰ আদৰ্শেৰে সমাজখনক শৃংখলিত কৰি ৰাখিছিল। ওড়িশাৰ 'ভাগৱত টুঙ্গী'তো জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে সমান অধিকাৰ আছিল। কিন্তু দুয়োজনা মহাপুৰুষৰ ধৰ্মীয় আদৰ্শত দুই এটা অমিলো আছিল। অসমত শঙ্কৰদেৱে পূজা সেৱাত কৰা ব্যয় বহুলতাক ৰোধ কৰাৰ উপৰিও এজন ভগৱানক পূজা কৰাত গুৰুত্ব দিছিল। ওড়িশাত কিন্তু 'জগন্নাথ' শব্দই ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তিনিওজনা নাথক একত্ৰিত কৰিহে সেৱা আগবঢ়াইছিল। জগন্নাথ কেন্দ্ৰিক বহু উৎসৱ ওড়িশাত পালিত হয় যিবিলাক অনুষ্ঠান ব্যয় বহুলতাৰ পৰা মুক্ত নহয়। উদাহৰণ স্বৰূপে 'ৰথ যাত্ৰা'ৰ কথা ক'ব পাৰি। কিন্তু অসমৰ 'পাল নাম' আদিত তেনে ব্যয় বহুলতা পৰিলক্ষিত নহয়। অসমত শঙ্কৰদেৱে মূৰ্তি পূজাৰ বিৰোধিতা কৰিছিল। কিন্তু ওড়িশাত বিগ্ৰহ আছে আৰু বিগ্ৰহত কৃষ্ণ, বলোৰাম, সুভদ্ৰাকো মূৰ্তিৰ ৰূপত দেখা পোৱা যায়। কিন্তু মূলতঃ দুয়ো ঠাইতে সমাজ কল্যাণ; নিম্নশ্ৰেণীৰ লোকৰ যোগ্যতা ভিত্তিক কৰ্ম মৰ্যাদা; আধ্যাত্মিক চেতনা; সমাজক একত্ৰিত কৰি ৰখাত; নামঘৰ বা ভাগৱত টুঙ্গীৰ সহায়ত লোকমনক বিশুদ্ধ কৰি ৰখাত দুয়োজনা মহাপুৰুষৰ ভূমিকা আছিল অপৰিসীম।■

### পাদটীকা ঃ

১। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃষ্ঠা - ৭৬
২। সত্যেন্দ্ৰ নাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা - ১৩৩
৩। মহেশ্বৰ নেওগ (সম্পাদিত), গুৰু-চৰিত-কথা, পৃষ্ঠা - ৩১
৪। যতীন্দ্ৰনাথ, গোস্বামী, কীৰ্ত্তন-ঘোষা আৰু নামঘোষা, পাতনি, পৃষ্ঠা - ২০
৫। প্ৰহ্লাদ কুমাৰ বৰুৱা, চিন্তাৰ আভাস, পৃষ্ঠা - ৩৩
৬। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃষ্ঠা - ৭৮
৭। জীৱনকৃষ্ণ পাত্ৰ, গৰীয়সী, তৃতীয় বছৰ, দ্বাদশ সংখ্যা, চেপ্তেম্বৰ, ১৯৯৬, পৃষ্ঠা - ৩৯
৮। প্ৰহ্লাদ কুমাৰ বৰুৱা, চিন্তাৰ আভাস, পৃষ্ঠা - ৩৫
৯। সূৰ্যকান্ত হাজৰিকা, কীৰ্ত্তন-ঘোষা আৰু নাম-গোষা, ছেদ - ২৮, পৃষ্ঠা - ৬৬২
১০। জয়জ্যোতি গোস্বামী, অসমৰ ধৰ্মীয় পৰম্পৰা আৰু সাহিত্যত জগন্নাথ, পৃষ্ঠা - ৪১
১১। উল্লিখিত, পৃষ্ঠা - ৬৩


### প্ৰসঙ্গ পুথি ঃ

১। গোস্বামী, যতীন্দ্ৰনাথ ঃ কীৰ্ত্তন-ঘোষা আৰু নামঘোষা, জ্যোতি প্ৰকাশন, ১৯৮৯।
২। নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৮৭।
৩। নেওগ, মহেশ্বৰ (সম্পাদনা) ঃ গুৰু-চৰিত-কথা, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী, ১৯৯৯।
৪। শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, প্ৰকাশিকা, প্ৰতীমা দেৱী, গুৱাহাটী, ১৯৯৬।
৫। হাজৰিকা, সূৰ্যকান্ত (সম্পাদনা) ঃ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা, বাণী মন্দিৰ, গুৱাহাটী, ২০০৮।
৬। মহন্ত বেজবৰা, নীৰাজনা ঃ তুলনামূলক ভাৰতীয় সাহিত্য, বনলতা, ডিব্ৰুগড়, ২০০৯।

### আলোচনী ঃ

১। শইকীয়া, চন্দ্ৰপ্ৰসাদ ঃ গৰীয়সী, একাদশ সংখ্যা জুলাই, ২০০৬।
২। শইকীয়া, চন্দ্ৰপ্ৰসাদ ঃ গৰীয়সী, একাদশ সংখ্যা আগষ্ট, ২০০৬।
৩। শইকীয়া, চন্দ্ৰপ্ৰসাদ ঃ গৰীয়সী, একাদশ সংখ্যা ছেপ্তেম্বৰ, ২০০৬।

### গৱেষণা গ্ৰন্থ ঃ

১। গোস্বামী, জয়জ্যোতি ঃ অসমৰ ধৰ্মীয় পৰম্পৰা আৰু সাহিত্যত জগন্নাথ, গুৱাহাটী বিশ্ববিদ্যালয়।




# বাণীকান্ত কাকতিৰ গদ্যশৈলী


পদ্মকুমাৰী গগৈ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ


সাহিত্যৰ বৈশিষ্ট্য নিৰূপণৰ এটা পথ হৈছে 'গদ্যশৈলী'। গদ্যশৈলীয়ে লেখকজনৰ সৃষ্টিশীলতাত থকা ব্যক্তিসত্ত্বাৰ প্ৰকাশ ঘটায়। কোনো এজন লেখকৰ ৰচনাৰ এছোৱা গদ্য বিশ্লেষণ কৰি চালে তাত ব্যৱহাৰ হোৱা শব্দৰ নিৰ্বাচন, ব্যৱহৃত বাক্যবোৰৰ বৈয়াকৰণিক সংযুতি, যথাৰ্থতা, স্পষ্টতা ইত্যাদি সম্পৰ্কে অৱগত হ'ব পাৰি। অৱশ্যে কিছুমান লেখকে ব্যক্তিগত ৰুচি অনুসৰি বহু সময়ত ব্যাকৰণৰ নিয়ম মানি নচলাকৈ গদ্য ৰচনা কৰে। তেনেক্ষেত্ৰত যদি গদ্যৰ প্ৰকাশভঙ্গীয়ে বিষয়বস্তুক সুন্দৰ ৰূপত (অৰ্থাৎ স্পষ্ট আৰু শক্তিশালীকৈ) উপস্থাপন কৰিব পাৰে তেনে প্ৰকাশভঙ্গীক অশুদ্ধ বুলিব নোৱাৰি। ইয়াক ভাষিক বিচ্যুতি (Linguistic deviation) বুলিহে কোৱা হয়। ব্যতিক্ৰমী গদ্যৰ মাজেদি লেখকৰ ব্যক্তিত্ব আৰু সৌন্দৰ্যবোধ প্ৰতিফলিত হয়। তেনে গদ্য ৰচনাই উৎকৃষ্ট সাহিত্যৰ মৰ্যাদা পায়। অসমীয়া সাহিত্যৰ ইতিহাসত লেখত ল'বলগীয়া গদ্যলেখকসকলৰ ভিতৰত বাণীকান্ত কাকতিও অন্যতম। ইংৰাজী ভাষা-সাহিত্যৰ ছাত্ৰ তথা অধ্যাপক কাকতিয়ে অসমীয়া ভাষা, সাহিত্য, ধৰ্ম, সংস্কৃতি সকলোবোৰ দিশলৈ চিন্তাৰ পোহৰ পেলাই থৈ গৈছে।

### বাণীকান্ত কাকতিৰ সাহিত্যকৃতি ঃ

অসমীয়া সাহিত্যজগতত বাণীকান্ত কাকতিৰ সাহিত্যকৃতি উজ্জ্বল ৰূপত জিলিকি আছে। তেওঁ **'পুৰণি অসমীয়া সাহিত্য'** (১৯৪০), **'সাহিত্য আৰু প্ৰেম'** (১৯৪৮), **'পখিলা'** (১৯৫১) আদি গ্ৰন্থ ৰচনা কৰিছিল। তদুপৰি মহেশ্বৰ নেওগ সম্পাদিত 'বাণীকান্ত ৰচনাৱলী'ত **'নতুন অসমীয়া সাহিত্য'**, **'বিবিধ প্ৰবন্ধ'** আৰু **'বিজুলী'** নামেৰে তিনিখন গ্ৰন্থৰ উল্লেখ আছে। অৱশ্যে এই তিনিখন গ্ৰন্থ স্বতন্ত্ৰ গ্ৰন্থৰূপে প্ৰকাশিত হোৱা নাই। কাকতিৰ লেখাখিনিৰ সৰহভাগেই প্ৰথমে প্ৰবন্ধৰ আকাৰে 'চেতনা', 'প্ৰদীপিকা', 'বাঁহী' (ভৱানন্দ পাঠক ছদ্মনামেৰে 'বিজুলী' নামৰ একধাৰা প্ৰবন্ধ ৰচনা কৰিছিল) আলোচনীত আৰু পাতনিৰূপে আনে লিখা বিভিন্ন কিতাপত প্ৰকাশিত হৈছিল। তেওঁ The New Indian Antiquary নামৰ গৱেষণা পত্ৰিকাতো বিভিন্ন প্ৰবন্ধবাজি ৰচনা কৰিছিল। তেওঁ ইংৰাজী ভাষাত 'Mother Goddess of Kamakhya', 'Life and Teaching of Sankardeva', 'Visnuite Myths and Legends' গ্ৰন্থ ৰচনা কৰিছিল। তদুপৰি কাকতিয়ে Assamese, its formation and development নামৰ গৱেষণা গ্ৰন্থ ৰচনা কৰি বঙালীসকলে বঙলা ভাষাৰ এটি চহাৰূপ বুলি তাচ্ছিল্য কৰা অসমীয়া ভাষাটোক নিজা বৈশিষ্ট্যসম্পন্ন ভাষাৰূপে প্ৰতিষ্ঠা কৰি থৈ গৈছে।

### বাণীকান্ত কাকতিৰ গদ্যশৈলী ঃ

প্ৰত্যেক লেখকৰে ৰচনাৰ নিজা নিজা শৈলী আছে। এই ব্যক্তিগত শৈলীৰ মাজতেই লেখকজন লুকাই থাকে। ভাষা-সাহিত্যৰ সাধক বাণীকান্ত কাকতিৰ গদ্য ৰচনাৰ মাজত প্ৰকাশ পোৱা ব্যক্তিগত শৈলীৰ মাজত মানুহজনৰ অধ্যয়নশীল মনৰ পৰিচয় পোৱা যায়। ইংৰাজী, সংস্কৃত, অসমীয়া ভাষাত সমানে দখল থকা কাকতিৰ ৰচনাসমূহ ভালদৰে বুজিবৰ বাবে তেওঁৰ গদ্যশৈলী সম্পৰ্কে অধ্যয়ন কৰাতো নিতান্তই প্ৰয়োজনীয়। তেওঁৰ গদ্যশৈলী সম্পৰ্কে ইতিমধ্যে আলোচনা হৈছে যদিও সেয়া তেনেই সীমিত। সেয়েহে এই ক্ষেত্ৰত অধিক গৱেষণাৰ থল আছে। বাণীকান্ত কাকতিয়ে ৰচনা কৰা বিভিন্ন গ্ৰন্থবাজিত কাকতিৰ গদ্যশৈলীৰ নিদৰ্শন পোৱা যায়। এই প্ৰবন্ধটিত কাকতিৰ সমগ্ৰ ৰচনাবাজি সামৰিবৰ ধৃষ্টতা নকৰি মাত্ৰ তিনিখন গ্ৰন্থৰ আধাৰতহে আলোচনা কৰিবলৈ লোৱা হৈছে। সেইমতে নিৰ্বাচিত তিনিখন গ্ৰন্থ হ'ল ঃ-

১। পুৰণি অসমীয়া সাহিত্য
২। সাহিত্য আৰু প্ৰেম
৩। পখিলা

কাকতিৰ গদ্যশৈলীৰ বিশ্লেষণ কৰোঁতে তলত দিয়া দিশকেইটালৈ বিশেষভাৱে নিৰ্দেশ কৰিব পাৰি ঃ

ক) শব্দ চয়ন
খ) অলংকাৰৰ প্ৰয়োগ
গ) পৰিভাষা
ঘ) প্ৰকাশভঙ্গীৰ সৰলতা
ঙ) সংস্কৃত, ইংৰাজী সাহিত্যৰ প্ৰাসংগিক উদ্ধৃতিৰ প্ৰয়োগ
চ) জতুৱা ঠাঁচৰ প্ৰয়োগ
ছ) বাক্য ৰীতি

### ক) শব্দচয়ন ঃ

ভাষাৰ মূল প্ৰকাশিকা শক্তি হৈছে শব্দ। শব্দ প্ৰয়োগৰ দক্ষতাৰ মাজতে ভাবপ্ৰকাশৰ ক্ষমতা অন্তৰ্নিহিত হৈ থাকে। তদুপৰি শব্দৰ যথাযথ প্ৰয়োগে ভাষাক গাম্ভীৰ্যপূৰ্ণ আৰু সমৃদ্ধিশালী কৰি তোলে। বাণীকান্ত কাকতিৰ গদ্যত শব্দ প্ৰয়োগৰ ক্ষেত্ৰত বিচিত্ৰতা পৰিলক্ষিত হয়। তেওঁ তৎসম, অৰ্ধতৎসম, তদ্ভৱ শব্দৰ উপৰিও ইংৰাজী ভাষাৰ শব্দৰ প্ৰয়োগ কৰিছে। উদাহৰণ ঃ

তৎসম ঃ পদং, শিৰীষপুষ্পং, ভ্ৰমস্য, মনঃচক্ষু, নিদ্ৰাং, ৰাত্ৰৌ, ভোজনং ইত্যাদি।
(পুৰণি অসমীয়া সাহিত্য)

অৰ্ধতৎসম ঃ কীৰিতি, বৰষিব, যাতনা, (সাহিত্য আৰু প্ৰেম) জেউতি, বিঘিনি ইত্যাদি (পুৰণি অসমীয়া সাহিত্য)

তদ্ভৱ ঃ চকু, আওবাট, বাতৰি, কামনা, ধাউতি ...... ইত্যাদি

(সাহিত্য আৰু প্ৰেম)।

ইংৰাজী ঃ Submerged consciousness (মগ্ন চৈতন্য), Life pulsation (জীৱন ৰস), Noble Numbers, Genius, Eternal lover ইত্যাদি (পুৰণি অসমীয়া সাহিত্য)।

**খ) অলংকাৰৰ প্ৰয়োগ ঃ** কাকতিৰ গদ্যশৈলীত উপমা আৰু ৰূপক অলংকাৰৰ প্ৰয়োগ মনকৰিবলগীয়া বিশেষত্ব। 'বাণীকান্ত ৰচনাৱলী'ৰ পাতনিত মহেশ্বৰ নেওগে লিখিছে 'তেওঁৰ গদ্যও মঞ্জুল আৰু কল্পনাপুৰ্ণ হোৱাৰ এটি কাৰণ হ'ল উপমা আৰু ৰূপকৰ ব্যৱহাৰ। এই উপমাবোৰে তেওঁৰ ভাষাক ঠায়ে ঠায়ে নিৰূপমা কৰিছে আৰু আমাক ক'বলৈ ফুচুলাইছে, উপমা বাণীকান্তস্য' (পৃষ্ঠা ১৮) উদাহৰণ স্বৰূপে -

**উপমাৰ ব্যৱহাৰ ঃ**

ক) অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰেদি **পাতালী গংগাৰ দৰে** দাস্য আৰু বাৎসল্য ৰসৰ মূলভাব বৈ আছে। (বধকাব্য, পুৰণি অসমীয়া সাহিত্য, পৃষ্ঠা ২২)

খ) অসীম মানৱ হিয়াত একান্ত ভক্তিৰ সোঁত নামিলে, **ভাদমহীয়া ঢলৰ পানী নৈৰ গৰা ভাঙি বাগৰি যোৱাৰ দৰে** ই সীমাবদ্ধ সগুণ উপাসনাত আৱদ্ধ হৈ থাকিব নোৱাৰে। (নাম ঘোষা, পুৰণি অসমীয়া সাহিত্য, পৃষ্ঠা - ৫২)

গ) **বতাহত সাগৰৰ উন্মত্ত তৰংগমালাৰ দৰে** হেলইছাৰ নাৰী হৃদয় বিধাতাৰ শাসনৰ বিৰোদ্ধে বিদ্ৰোহী হৈ উঠিল (নাৰী-হৃদয়, সাহিত্য আৰু প্ৰেম, পৃষ্ঠা - ৮১)

ঘ) সমস্ত আখ্যানটো যেন **পুৱাৰ নিয়ৰত তিতি থকা বগা শেৱালি ফুল এপাহি**। (নিশাদূত, সাহিত্য আৰু প্ৰেম, পৃষ্ঠা - ৭০)

ঙ) দুয়োৰে **জুই বতাহৰ** নিচিনা সম্বন্ধ (বাণ আৰু নৰকৰ) (নৰকাসুৰ, পখিলা, পৃষ্ঠা - ২৩৭)

প্ৰবন্ধসমূহৰ কিছুমানত সংস্কৃত কাব্যৰ উদ্ধৃতিয়েও উপমাৰ স্থান লৈছে। যেনে -

১। দেশী বিদেশী সৈন্যৰ পৰাজয়ৰ প্ৰলয়কাৰী ৰণ হুঙ্কাৰৰ মাজতো অসমীয়া জাতীয় জীৱনে নৱ প্ৰতিষ্ঠিত বৈষ্ণৱ সত্ৰবোৰক কেন্দ্ৰ কৰি **'নিৱাত নিষ্কম্প ইৱ প্ৰদীপ ঃ** বতাহ নলগা, নকঁপা চাকিটিৰ দৰে জ্বলি থাকিল। (শংকৰদেৱৰ আধ্যাত্মিক দান, পুৰণি অসমীয়া সাহিত্য, পাতনি, পৃষ্ঠা - ৩)

২। **'পতঙ্গবৎ বহ্নিমুখং বিবিক্ষু ঃ।'** - জুইত সোমাব খোজা পৰুৱাৰ দৰে এণ্ড্ৰিয়া আহি আকৌ ফ্লোৰেন্স নগৰত ওলাল। (সৌন্দৰ্যৰ প্ৰতাৰণা, সাহিত্য আৰু প্ৰেম, পৃষ্ঠা - ৮৭)

**ৰূপক অলংকাৰৰ ব্যৱহাৰ ঃ**

ক) লুক্ৰেজিয়াই আত্মীয় কুটুম আৰু চাৰিওফালে গুঞ্জৰি ফুৰা মৌ-পিয়া ভোমোৰাসকলক আগৰ দৰে হাত উবুৰিয়াই ৰাখিব নোৱৰাটো বৰ বিষম যেন পালে। (সৌন্দৰ্যৰ প্ৰতাৰণা, সাহিত্য আৰু প্ৰেম, পৃষ্ঠা - ৮৭)

ইয়াত **'গুঞ্জৰি ফুৰা মৌ-পিয়া ভোমোৰাসকল'** এই বাক্যাংশই লুক্ৰেজিয়াৰ চাৰিওফালে ঘূৰি ফুৰা প্ৰণয় প্ৰাৰ্থী ডেকাসকলক বুজাইছে। ইয়াত **উপমেয় - ডেকাসকল, উপমান - মৌপিয়া ভোমোৰাসকল'** অভেদ হৈ পৰিছে। ফলস্বৰূপে ইয়াত ৰূপক অলংকাৰ হৈছে। তদুপৰি ৰূপক বহুক্ষেত্ৰত প্ৰতীকৰ কাষ চপা। কাকতিয়ে তেওঁৰ গদ্যত প্ৰতীকী অৰ্থত ৰূপকৰ ব্যৱহাৰ কৰিছে। যেনে -

ক) পুৰণি কাব্যত পাণ্ডৱৰ বনবাস মানৱ জীৱনৰ সংসাৰ যাত্ৰাৰ ৰূপক মাথোন। (পুৰণি অসমীয়া সাহিত্য, বধকাব্য, পৃষ্ঠা - ২৪)

**গ) পৰিভাষা ঃ**

বাণীকান্ত কাকতিয়ে ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দৰূপে নিজাববীয়াকৈ কিছুমান শব্দ সৃষ্টি কৰি লৈছে। উদাহৰণস্বৰূপে -কানন কবিতা (Pastoral Poem) (সাহিত্যত কৰুণৰস, পৃষ্ঠা - ১০)
ৰস বিদ্যা (Aesthetics) (পণ্ডিতৰ ভূমাস্পৃহা, পৃষ্ঠা - ৯৮)
ভূমাস্পৃহা (Longing for totality) (পণ্ডিতৰ ভূমাস্পৃহা, পৃষ্ঠা - ৯৮)
অভ্ৰান্ত চিত্ৰকৰ (Faultless painter) (সৌন্দৰ্যৰ প্ৰতাৰণা, পৃষ্ঠা - ৮৫)

**ঘ) প্ৰকাশভঙ্গীৰ সৰলতা ঃ** বাণীকান্ত কাকতিয়ে তেওঁৰ ৰচনাৰাজিত অতি জটিল কথাকো হাততে পোৱা উদাহৰণেৰে সৰ্বসাধাৰণে বুজিব পৰাকৈ সৰল প্ৰকাশভঙ্গীৰে বুজাই দিছে। কাকতিৰ গদ্যশৈলীৰ ই অন্যতম বৈশিষ্ট্য। উদাহৰণস্বৰূপে-

তেওঁৰ **'সাহিত্য আৰু প্ৰেম'** গ্ৰন্থৰ **'নিশাদূত'** (পৃষ্ঠা - ৭০) প্ৰবন্ধত পাওঁ - "যিসকল মহাপুৰুষে আধ্যাত্মিক উপলব্ধি কৰি ভাষাক আশ্ৰয় কৰি, সেই সত্য প্ৰচাৰ কৰিছিল, তেওঁলোকক ঋষি বোলা হৈছিল। ঋষি শব্দৰ ধাতুগত অৰ্থ হৈছে দ্ৰষ্টা, দেখোঁতা। সেই কাৰণে বেদমন্ত্ৰ ৰচোঁতা ঋষিসকলক মন্ত্ৰদ্ৰষ্টা বোলা হয়। ... আজি কালিৰ কথাৰ সহায়েৰে বুজিব লাগিলে বৈজ্ঞানিক আবিষ্কাৰবোৰৰ কথা ধৰিব পাৰি। সৃষ্টিৰ আদিৰ পৰাই মধ্যাকৰ্ষণ শক্তি চলি আছে। এই শক্তিতত্ত্ব প্ৰথমে নিউটনে জ্ঞান চকুৰে দেখি মানুহে বুজিব পৰা ভাষাত প্ৰচাৰ কৰে। বেদৰ পৰিভাষাৰে ক'ব লাগিলে এই মধ্যাকৰ্ষণ তত্ত্বৰ ঋষি (দেখোঁতা আৰু প্ৰচাৰ কৰোঁতা) নিউটন।" ইয়াৰ বেদৰ ঋষিসকলৰ স্বৰূপ বুজাবৰ কাৰণে বিজ্ঞান জগতৰ মধ্যাকৰ্ষণ তত্ত্বৰ 'ঋষি' নিউটনৰ উদাহৰণ দাঙি ধৰি সৰলভাৱে বুজাইছে।

তদুপৰি **'পখিলা'** গ্ৰন্থৰ **'অৰূপ ধুনীয়া তিৰোতা'** কাহিনীটোত ট্ৰয় ৰাজ্যৰ সুবিচাৰক ৰাজকোঁৱৰ 'পেৰিছ' আৰু গ্ৰীচ দেশৰ স্পাৰ্টা ৰাজ্যৰ ৰাণী হেলেনৰ অবৈধ প্ৰেমৰ কাহিনীৰ বৰ্ণনা কৰি 'প্ৰেয়' আৰু 'শ্ৰেয়' এই দুই বাসনা সম্পৰ্কীয় জটিল তাত্ত্বিক কথাও সৰ্বসাধাৰণে বুজি পোৱাকৈ অতি সৰলভাৱে বুজাইছে। ইয়াৰে 'প্ৰেয়' বাসনাই প্ৰীতি দিয়ে আৰু আনবিধ 'শ্ৰেয়' বাসনাই মঙ্গল দিয়ে। (পৃষ্ঠা - ২১৫)

**ঙ) সংস্কৃত, ইংৰাজী সাহিত্যৰ প্ৰাসংগিক উদ্ধৃতিৰ প্ৰয়োগ ঃ**

কাকতিৰ ৰচনাত অসমীয়াৰ লগতে সংস্কৃত, ইংৰাজী সাহিত্যৰপৰা দাঙি ধৰা প্ৰাসংগিক উদ্ধৃতিয়ে প্ৰবন্ধসমূহ উন্নত মানদণ্ডৰ কৰি তুলিছে আৰু তেওঁৰ মননশীলতাৰ পৰিচয় দিছে। উদাহৰণস্বৰূপে -

... প্ৰকৃত নাৰী হৃদয়ৰ স্বৰূপ কি? কবি বৰ্ণিত **'ৱজাদপি কঠোৰণি মৃদুণি কুসুমাদপি'**- ফুলতকৈ কোমল আৰু অৱস্থা বিশেষে



ৱজতকৈ কঠোৰ, এয়ে নাৰী হৃদয়নে? সমালোচকে কোৱাৰ দৰে - **'a mere nothing'** ই এটি বিৰাট শূন্যতা, ইয়াৰ মিমাংসা ভৱিষ্যতৰ হাতত। (সাহিত্য আৰু প্ৰেম, নাৰী হৃদয়, পৃষ্ঠা - ৭৪-৭৫)

**চ) জতুৱা ঠাঁচৰ প্ৰয়োগ ঃ**

বাণীকান্ত কাকতিয়ে উপলব্ধি কৰিছিল যে জতুৱা ঠাঁচেই ভাষাৰ আচল প্ৰাণ। 'আমাৰ নতুন সাহিত্য' শীৰ্ষক ৰচনাত কাকতিয়ে নিজৰ মনোভাব ব্যক্ত কৰিছে এনেদৰে - "বাক্যৰ গাঁথনি সৰল আৰু শব্দ চয়ন জতুৱা বা ঘৰুৱা হ'লে বুজিবলৈ সহজ হয় আৰু এই ধৰণৰ ৰচনাৰ আকৰ্ষণো চোকা হয়। কিয়নো প্ৰত্যেক ভাষাৰ যি সুকীয়া জতুৱা ঠাঁচ আছে তাৰ আকৰ্ষণ আৰু সফলতা জটিল আৰু পাণ্ডিত্যৰ পৰিচয় দিয়া ঠাইতকৈ বহুতো বেছি।" (বাণীকান্ত ৰচনাৱলী, পৃষ্ঠা ঃ ৩১৯) অৱশ্যে কাকতিৰ গদ্যত জতুৱা ঠাঁচৰ প্ৰয়োগ তেনেই সীমিত। তেওঁ ব্যৱহাৰ কৰা জতুৱা শব্দ বা বাক্যাংশ কিছুমান হ'ল - অসুৰৰ লোণ খায় কিন্তু দেৱতাৰ হে গুণ গায়; পুৰুষৰ বল বাহুত তিৰোতাৰ বল জিভাত; ফোপাহী তিৰোতাৰ ধুনপেচ; গলত মেৰাই লোৱা বান্ধোন, থেৰুছিগা জীৱনৰ দুখৰ কথা ইত্যাদি।

**ছ) বাক্য ৰীতি ঃ**

বাণীকান্ত কাকতিৰ গদ্যৰ বাক্য ৰীতিৰ ক্ষেত্ৰত দেখা যায় যে তেওঁ দীঘলীয়া আৰু চুটি দুইধৰণৰ বাক্যৰ ব্যৱহাৰ কৰিছে। যুক্তিনিষ্ঠ, চিন্তামূলক ভাৱ প্ৰকাশৰ কাৰণে দীঘল্যয়া বাক্য আৰু প্ৰয়োজন সাপেক্ষে চুটি বাক্যৰ ব্যৱহাৰ কৰিছে। 'আৰু' সংযোজক অব্যয় ব্যৱহাৰ কৰা দীঘলীয়া বাক্যৰ উদাহৰণ - 'কেইবছৰমা'ন আগত বংগদেশত যেতিয়া জাতীয় জাগৰণৰ সূত্ৰপাত হয়, তেতিয়া কবিবৰ দ্বিজেন্দ্ৰলাল ৰায়ৰ জাতীয় গীতবোৰে সমগ্ৰ বংগদেশকেই মুখৰিত কৰি তোলে **আৰু** সেই জাতীয় আন্দোলনৰ বিষয়ত সেই গীতবোৰেই জনসাধাৰণৰ ভাবপ্ৰকাশক উমৈহতীয়া ভাষা যেন হ'ল, এই জাতীয় ভাব সকলোৰে মনত বিস্তাৰ কৰিবলৈ তেওঁৰ ঐতিহাসিক নাটকবোৰেও কম প্ৰভাব বিস্তাৰ কৰা নাছিল। (পুৰণি অসমীয়া সাহিত্য, অংকীয়া ভাওনা, পৃষ্ঠা ঃ ৬৩-৬৪)

বাক্যবোৰ দীঘলীয়া হ'লেও সুৱলহৰসূচক বিৰাম চিনৰ ব্যৱহাৰৰ ফলত দীঘল বাক্যবোৰ বুজাত পাঠকৰ অলপো অসুবিধা হোৱা নাই।

**চুটি বাক্যৰ উদাহৰণ ঃ**

ক) চিত্ৰলেখাই মায়া-বিদ্যা জানে। (কুমৰ হৰণ, পৃষ্ঠা - ১৯)
খ) উষাৰ সপোনত স্বামী পালে। (কুমৰ হৰণ, পৃষ্ঠা - ১৮)
গ) হেমাসুন্দৰী বৰ চতুৰ। (হেমাসুন্দৰী, পৃষ্ঠা - ২৮)
ঘ) শ্যাবাশ্বৰ মনত বিষাদ। (নিশাদূত, পৃষ্ঠা - ৬৯)
ঙ) ৰজাৰ চেতনা নাই। (কামনাত কেৰোণ, সোণালীপৰশ, পৃষ্ঠা - ২১৩)

অসমীয়া ভাষাৰ বাক্যত পদৰ ক্ৰম কৰ্ত্তা-কৰ্ম-ক্ৰিয়া। কাকতিৰ গদ্যশৈলীত কেতিয়াবা ক্ৰিয়াপদৰ স্থান কৰ্মৰ স্থানলৈও গৈছে। যেনে -

উপায়ৰ সন্ধান দিলে বৰাহ বিষ্ণুমুৰ্ত্তিয়ে। (বধকাব্য, পৃষ্ঠা - ২২)
↓ ↓ ↓
সম্প্ৰসাৰক ক্ৰিয়া কৰ্ত্তা

কেতিয়াবা **কৰ্ত্তাহীন** বাক্যও দেখা পোৱা যায়। যেনে -

ফুলনিলৈ গলোঁ বসন্তই কিমানখিনি বিকাশ লাভ কৰিছে চাবলৈ।
↓ ↓ ↓
সম্প্ৰসাৰক ক্ৰিয়া সম্প্ৰসাৰক (পণ্ডিতৰ ভূমাস্পৃহা, পৃষ্ঠা - ১০০)

**ক্ৰিয়াহীন** বাক্যও পৰিলক্ষিত হয়। যেনে -

অৱতাৰীজন গাঁৱলীয়া খেতিয়ক।
↓ ↓
কৰ্ত্তা সম্প্ৰসাৰক (পখিলা, নাৰায়ণৰূপী জোঁৱাই, পৃষ্ঠা - ২১৮)

আলোচনাটিত আমি বাণীকান্ত কাকতিৰ গদ্যশৈলীৰ কিছু আভাসহে দাঙি ধৰিবলৈ যত্ন কৰিছোঁ। কাকতিৰ সমগ্ৰ ৰচনাশৈলী সম্পৰ্কে অধ্যয়ন কৰিলেহে তেওঁৰ গদ্যশৈলীৰ বিশিষ্টতা ভালদৰে নিৰূপণ কৰিব পৰা হ'ব। তথাপিও ক'ব পাৰি যে কাকতিৰ ব্যক্তিত্বৰ দাপোন স্বৰূপ গদ্যশৈলীয়ে অসমীয়া গদ্য সাহিত্যৰ বিকাশক এক নতুন মাত্ৰা প্ৰদান কৰিছে। জতুৱা খণ্ডবাক্য সীমিত ৰূপত ব্যৱহাৰ কৰিলেও চিত্ৰময় উপমা, ৰূপকৰ ব্যৱহাৰেৰে কাকতিয়ে মনোৰম আৰু সাৱলীল গদ্য ৰচনাত সফলতা লাভ কৰিছে। তেওঁৰ গদ্যশৈলীৰ স্বকীয়তা আৰু মৌলিকতাই তেওঁৰ ৰচনাৰাজিক সুকীয়া মানদণ্ড প্ৰদান কৰিছে।■

# ‘অৰ্ডাৰ অৱ মেৰিট’ সন্মান লাভ কৰা পাশ্চাত্যৰ প্ৰথম নাৰী “ফ্লোৰেন্স নাইটিংগেল”

তৰুণিমা চেতিয়া
স্নাতক ২য় বৰ্ষ (ইংৰাজী বিভাগ)

ইংৰাজী ১৮২০ চনত ইটালীৰ ফ্লোৰেন্স চহৰত ফ্লোৰেন্স নাইটিংগেলৰ জন্ম হৈছিল। অনিন্দ্য সুন্দৰী এই নৱজাতিকাৰ মুখলৈ চাই দুয়ো মাক-দেউতাকে আনন্দতে বিভোৰ হয়। ইটালীৰ ধুনীয়া নগৰীত জন্ম লাভ কৰা বাবেই নৱজাতিকাৰ নাম ৰখা হয় -ফ্লোৰেন্স। সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰা ফ্লোৰেন্সৰ জীৱনত কোনো অভাৱ হোৱা নাছিল। মাক-দেউতাকে জীয়েক ফ্লোৰেন্সক সৰুৰে পৰা সুশিক্ষাৰে শিক্ষিত কৰি তুলিছিল।

১৮৩৭চনত সোতৰ বছৰ বয়সতে মাক-দেউতাকৰ সৈতে ফ্লোৰেন্স লণ্ডনলৈ আৰু ইংলেণ্ডলৈ আহে। সেই সময়ত মহাৰাণী ভিক্টোৰিয়াই ইংলেণ্ডৰ সিংহাসন আৰোহণ কৰে। সৰুৰে পৰা অফুৰন্ত সুখ-সুবিধা আৰু লাহ-বিলাসৰ মাজত ডাঙৰ-দীঘল হ'লেও ফ্লোৰেন্সৰ মনত গতানুগতিক জীৱনৰ প্ৰতি কোনো আকৰ্ষণ নাছিল। আনৰ বাবে যি অসম্ভৱ তাক সম্ভৱ কৰি তোলাটোৱেই আছিল তেওঁৰ জীৱনৰ একমাত্ৰ লক্ষ্য। সেয়ে, জাৰ্মানীত ভালেমান দিন থাকি তেওঁ শুশ্ৰূষা কৰিবৰ বাবে আৱশ্যকীয় সকলো ধৰণৰ জ্ঞান আৰু শিক্ষাৰ আহৰণ কৰে। এই বিষয়ত অধিক জ্ঞান আহৰণৰ বাবে ছিষ্টাৰ্ছ অৱ চেৰিটিয়ে পৰিচালনা কৰা হাস্পাতালত প্ৰশিক্ষণ গ্ৰহণ কৰাৰ উদ্দেশ্যেৰে ইং ১৮৫৩ চনত তেওঁ ফ্ৰান্সৰ ৰাজধানী পেৰিছলৈ যায়। প্ৰয়োজনীয় শিক্ষা আহৰণ কৰাৰ পিছত ইং ১৮৬৩ চনতে তেওঁ লণ্ডনলৈ ঘূৰি যায়। লণ্ডনলৈ ঘূৰি যোৱাৰ পিছত ফ্লোৰেন্স মহিলাৰ হাস্পাতাল এখনত পৰিদৰ্শিকাৰ কামত যোগদান কৰে।

ইং ১৮৫৪ চনত হোৱা ক্ৰিমিয়াৰ যুদ্ধৰ পৰা ফ্লোৰেন্সৰ জীৱনত নতুন জীৱনৰ পাতনি মেলে। তুৰস্ক আৰু ৰাচিয়াৰ মাজত ক্ৰিমিয়া নামে ঠাইখনত ক্ৰিমিয়া যুদ্ধ সংঘটিত হয়। এই যুদ্ধখনকে বিশ্ব ইতিহাসত ক্ৰিমিয়াৰ যুদ্ধ বুলি কোৱা হয়। এই যুদ্ধক্ষেত্ৰত বহুতো সৈন্য বাহিনী আহত তথা নিহত হয়। কিন্তু আহতসকলৰ চিকিৎসা তথা শুশ্ৰূষাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী তথা চিকিৎসাৰ উপকৰণসমূহ পঠোৱা নাছিল। চিকিৎসাৰ অভাৱত হাস্পাতালত অধিক মানুহৰ বিনা চিকিৎসাত মৃত্যু হোৱাৰ খবৰ পায় তেওঁৰ মনত মৰ্মান্তিক বেজাৰ পায়। শেষত বহুতো গুণা-গঁথা কৰাৰ পিছত দুৰ্ভগীয়া মানুহবোৰক চিকিৎসা কৰিবৰ বাবে ফ্লোৰেন্সে ক্ৰিমিয়ালৈ যোৱাৰ সিদ্ধান্ত কৰে। আঠত্ৰিশ গৰাকী প্ৰশিক্ষণপ্ৰাপ্ত নাৰ্ছৰ সৈতে ফ্লোৰেন্সেও সকলো আৱশ্যকীয় উপকৰণসমূহ সামৰি লৈ এখন জাহাজেৰে কনষ্টাণ্টিনোপললৈ যায়। সেই সময়ত মহাৰাণী ভিক্টোৰিয়াই ফ্লোৰেন্সলৈ শুভেচ্ছা জ্ঞাপন কৰে আৰু সেই দিনাৰ পৰাই কুমাৰী ফ্লোৰেন্সৰ জীৱনত এক নতুন অধ্যায়ৰ পাতনি মেলে।

মানৱ সেৱা কৰাই আছিল তেওঁৰ প্ৰধান ব্ৰত। তেওঁ ৰোগী বা আহতসকলৰ সেৱা বা চিকিৎসা কৰোতে কোনো অৱহেলা কৰা নাছিল। কুমাৰী ফ্লোৰেন্সে থকা হাস্পাতালখনত সু-চিকিৎসাৰ বাবে আঠটা ৱাৰ্ডৰ ব্যৱস্থা কৰিছিল। কুমাৰী ফ্লোৰেন্সে আহত সৈনিকসকলৰ চিকিৎসা আৰু শুশ্ৰূষাৰ বাবে আঠটা ৱাৰ্ডৰ লগতে আন এটা ৱাৰ্ডো মুকলি কৰি সৈনিকসকলৰ প্ৰতি সেৱা আগবঢ়ায়। সেই ৱাৰ্ডটোৰ কাম হ'ল - সৈনিকসকলৰ পা-পইচা তেওঁলোকৰ পৰিয়াললৈ পঠিওৱা। তাত থকা অসুস্থ, পীড়িত মানুহে পঢ়া-শুনা কৰি জ্ঞান আৰু মনোবল বঢ়োৱাৰ লগতে মনোৰঞ্জনৰ খোৰাকো যাতে পাব পাৰে তাৰ বাবে এটা পুথিভঁৰালৰ ব্যৱস্থা কৰি দিছিল।

কেতিয়াবা কুমাৰী ফ্লোৰেন্সে একেৰাহে বিশ ঘণ্টালৈকে নিজ হাতেৰে আহতসকলৰ ক্ষতস্থানত বেণ্ডেজ বন্ধা, ক্ষতস্থান ধুই চাফা কৰা আনকি দৰৱ-পাতি খুৱাই বা মলমো লগাই দিছিল। প্ৰত্যেক নিশাই কুমাৰী ফ্লোৰেন্সে হাতত এগছি বন্তি লৈ প্ৰতিজন ৰোগীৰ ওচৰলৈ গৈ অতি আন্তৰিকতাৰে কথা-পাতি খা-খবৰ আৰু সান্ত্বনা দিছিল। এই সময়ত তেওঁ ৰোগীৰ বিচনাৰ কাষত থিয় হওঁতে বন্তিৰ পোহৰত ৰোগীসকলৰ গাৰুৰ ওপৰত পৰা কুমাৰী ফ্লোৰেন্সৰ শৰীৰৰ ছাঁটোত অতি পবিত্ৰভাৱেৰে ৰোগীসকলে চুমা খাইছিল। তেওঁৰ ব্যৱহাৰ, কাম-কাজ আৰু কথা-বতৰাৰ বাবে আটাইয়ে তেওঁক “নাইটিংগেল” নামেৰে অভিহিত কৰিছিল। সেইদৰে কুমাৰী ফ্লোৰেন্সৰ নাম হৈ পৰে ফ্লোৰেন্স নাইটিংগেল।

কুমাৰী ফ্লোৰেন্সে ভোগ-বিলাস, জাক-জমকতা আদি সম্পূৰ্ণৰূপে বিসৰ্জন দি সাত্ত্বিক জীৱন-যাপন কৰিছিল। যুদ্ধক্ষেত্ৰত দুবছৰ কাল কঠোৰ পৰিশ্ৰম কৰাৰ বাবে তেওঁৰ যথেষ্ট স্বাস্থ্যৰ অৱনতি ঘটিছিল। সেই সময়ত প্ৰচলিত সামাজিক প্ৰথা, কু-সংস্কাৰৰ প্ৰাচীৰ ভাঙি কুমাৰী ফ্লোৰেন্স নাইটিংগেলে ইংৰাজ নাৰী সমাজৰ বাবে এটি নতুন পথ, এটি নতুন বৃত্তিৰ সন্ধান দিয়ে।

ইংৰাজ চৰকাৰে তেওঁক “অৰ্ডাৰ অৱ মেৰিট” সন্মানেৰে বিভূষিত কৰে। এই ৰাজকীয় সন্মান লাভ কৰা কুমাৰী ফ্লোৰেন্স নাইটিংগেলেই হৈছে পাশ্চাত্যৰ প্ৰথম গৰাকী নাৰী। সময়ৰ লগে লগে বয়সো বাঢ়ি যায়। ইংৰাজী ১৯১০ চনৰ ১৩ আগষ্ট তাৰিখে এই গৰাকী মহীয়সী নাৰীয়ে বিশ্ববাসীক কন্দুৱাই পৰলোক গমন কৰে। মৃত্যুৰ সময়ত তেওঁৰ ৯০ বছৰ বয়স হৈছিল।■



# অসমৰ ব্যাস ৰাম সৰস্বতী

ঋতুস্মৃতা দিহিঙ্গীয়া
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

মধ্যযুগৰ অসমীয়া সাহিত্যলৈ যদি আমি দৃষ্টি নিক্ষেপ কৰো তেন্তে আমি দেখিবলৈ পাম যে তাৰ মাজত বুজন পৰিমাণৰ অংশ অধিকাৰ কৰি আছে অনুবাদ সাহিত্যই। মন কৰিবলগীয়া যে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্য লাভ কৰাৰ পাছৰে পৰাই অনুবাদ সাহিত্যই বৈষ্ণৱ কবিসকলৰ হাতত পৰি পূৰ্ণতা লাভ কৰে। আমাৰ বিশাল সাহিত্য ধাৰাৰ মাজত ই এক অমূল্য সম্পদ।

বৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ কবি শ্ৰীমন্ত শংকৰদেৱৰ পোনপটীয়া প্ৰভাৱ পৰা কবিসকলৰ ভিতৰত অন্যতম কবি ৰাম সৰস্বতীৰ কাব্য প্ৰতিভাই শতদলে পাহি মেলি সুবাস বিলাইছিল সেই সময়ৰ বৈষ্ণৱ সমাজত। সেই সুবাসে আজিও সমগ্ৰ অসমতেই আমোল মোলাই আছে। অনুবাদ সাহিত্যৰ আৰু এজন উল্লেখযোগ্য কবি অনন্ত কন্দলিক যিদৰে ৰামায়ণত কবি বুলি কোৱা হয় সেইদৰে ৰাম সৰস্বতীক কোৱা হয় মহাভাৰতৰ কবি বুলি। মহাভাৰতৰ বিভিন্ন পৰ্বসমূহক অনুবাদ কৰি ৰামসৰস্বতীয়ে মহাভাৰতীয় ঐতিহ্যক সফলভাবে প্ৰতিষ্ঠা কৰিলে।

পৌৰাণিক অসমীয়া কবিসকলৰ ভিতৰত অধিক সংখ্যক পদ ৰচনা কৰা ৰাম সৰস্বতীৰ তেওঁৰ ৰচনাৰ ব্যাপকতা আৰু বৰ্ণনীয় কথা বস্তুৰ ওপৰত লক্ষ্য ৰাখি তেওঁক অসমীয়া ব্যাস আৰু মহাভাৰতীয় গ্ৰন্থ সমূহৰ ওপৰত দৃষ্টি ৰাখি মহাভাৰতীয় কবি বুলি আখ্যা দিয়া হয়। ‘বনপৰ্ব’ তেওঁৰ ৰচনাৰ কীৰ্তিস্তম্ভ। বনপৰ্বৰ আখ্যানক কেন্দ্ৰ কৰি সৃষ্টি কৰা বধ কাব্যসমূহৰ ৰচনাৰ মাজেৰে ৰাম সৰস্বতীৰ প্ৰতিভাৰ পৰিস্ফুৰণ ঘটিছে আৰু মহাভাৰতৰ আৰম্ভ হৈছে বুলি বিশিষ্ট পণ্ডিতসকলে মতপোষণ কৰিছে।

কামৰূপ মণ্ডলৰ অন্তৰ্গত চমৰীয়া (কোনো পুথিত পছৰীয়া) গাঁৱত কবি চূড়ামণি নামেৰে এজন পৰম কৃষ্ণ ভক্ত ব্ৰাহ্মণ আছিল। চূড়ামণিৰ দুজন পুত্ৰ। জ্যেষ্ঠ কবি চন্দ্ৰ আৰু কণিষ্ঠ ৰাম সৰস্বতী। কবি চূড়ামণিৰ জ্যেষ্ঠ পুত্ৰ কবিচন্দ্ৰ শাস্ত্ৰজ্ঞ আৰু গুণাকৰ আছিল। কবি ৰাম সৰস্বতীয়ে ভীম পৰ্বত নিজে কৈ গৈছে এই বুলি -

> কামৰূপ মধ্যেগ্ৰাম নাহিকে উপাম।
> তাতে গ্ৰাম ভৈল চমৰীয়া যাৰ নাম।।
> সেটি গ্ৰামেশ্বৰ ভৈল কবি চূড়ামণি।
> পণ্ডিত গণৰ মধ্যে যাক অগ্ৰগণি।।
> গোবিন্দৰ ভকতিত যাহাৰ দিন ভৈল।
> আত অনন্তৰে তাৰ দুই পুত্ৰ ভৈলা।।
> জ্যেষ্ঠ ভৈল কবি চন্দ্ৰ অতি শুদ্ধমতি।
> তাহান অনুজ ভৈলা ৰাম সৰস্বতি।।

বিক্ৰমাদিত্যৰ ৰাজসভা যিদৰে নবৰত্নই বিৰাজ কৰিছিল, নৰনাৰায়নৰ ৰাজসভাতো পণ্ডিত মণ্ডলীয়ে বিৰাজ কৰিছিল। মহাপুৰুষ শংকৰদেৱেও জীৱনৰ অন্তিম কাল নৰনাৰায়নৰ ৰাজসভাতে বাস কৰি হৰি ভক্তি প্ৰচাৰ কৰিছিল আৰু সেই ৰাজ্যতে নৰনাট সামৰিছিল। সেই সভাতেই শংকৰদেৱৰ অনুজ্ঞামৰ্মে ৰাম সৰস্বতীয়ে বিশাল মহাভাৰত অসমীয়াৰ পদত ভাঙিবলৈ আদেশ পায়। ৰাম সৰস্বতীৰ কাব্য প্ৰতিভা প্ৰকাশ পাইছে ঘাইকৈ অসাধাৰণ কল্পনা শক্তি আৰু কল্পনাৰ নব নব উন্মেষেৰে সৃষ্টি কৰা মনোৰম কথা বস্তুত। তেওঁৰ বৰ্ণনাত নগৰ-ৰাজসভা, উদ্যান, কানন, নৈ, সৰোবৰ আদি প্ৰকৃতি চিত্ৰণ দেখা যায়। লগতে যুদ্ধ-বিগ্ৰহ, নাৰী সৌন্দৰ্য বৰ্ণনাৰ মনোৰম প্ৰকাশ মনকৰিবলগীয়া। ইয়াৰ উপৰিও কবিয়ে ঠায়ে ঠায়ে মিলনৰ আনন্দ, বিচ্ছেদৰ শোক, সম্ভোগ কামনাৰ দুৰ্বলতা আৰু ইয়াৰ প্ৰকাশত উন্মত্ততা, বিবেক দংশন আদি বৰ্ণনাত সুকোমল হৃদয় বৃত্তিৰ পৰিচয় দিব পাৰিছে। কবিয়ে এইবোৰৰ মনোহৰ প্ৰকাশতে ক্ষান্ত থকা নাই, লোক সমাজৰ মাজত কৃষ্ণৰ মহিমা প্ৰকাশতো সমানে গুৰুত্ব দিছে।

ৰাম সৰস্বতীৰ কবি প্ৰতিভাৰ গুণানুকীৰ্ত্তন কৰিবলৈ ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই এনেদৰে নিজৰ মন্তব্য প্ৰকাশ কৰিছে - “ৰাম সৰস্বতীৰ অনুবাদত দুৰ্বোধ্য তত্ব বিচাৰ নাই, ধৰ্ম মতৰ অযথা ব্যাখ্যা নাই আৰু দাৰ্শনিক মতবাদৰ দ্বাৰা ৰচনাৱলী ভাৰাক্ৰান্ত হোৱা নাই, ধৰ্ম মত স্থান বিশেষে আছে যদিও সৰল প্ৰাঞ্জল আৰু চমুকৈ দাঙি ধৰিছে আৰু বৰ্ণনীয় বিষয়ত স্থানীয় পৰিবেশৰ লগত খাপ খোৱাই জনগণৰ অন্তৰস্পৰ্শী কৰি তোলা হৈছে।

ডঃ কাকতিৰ মতে বধ কাব্য সমূহ এক প্ৰকাৰ ৰূপক কাব্য। এই বধ আখ্যানসমূহৰ মাজতে আখ্যানৰ পৰিস্থিতি চিত্ৰণৰ এটি আভাস পোৱা যায়। কবি নিজেই যিহেতুকে বৈষ্ণৱ কবি আছিল সেইবাবে তেওঁ আখ্যান উপাখ্যানত মাজে মাজে বৈষ্ণৱ ধৰ্ম সৰ্ম্পকীয় মূল তত্ববোৰো জনসাধাৰণৰ সহজসাধ্য হোৱাকৈ বুজাই দিছে। ডঃ হেমন্ত কুমাৰ শৰ্মাৰ মতে বন পৰ্বক ৰাম সৰস্বতীয়ে ‘বৈষ্ণৱ পৰ্ব’ আৰু পাণ্ডব সকলক ‘বিষ্ণু ভকত’ ৰূপত বৰ্ণনা কৰিছে। সংসাৰৰ সুখ-দুখ, হৰ্ষ-বিষাদ এই সকলোবোৰে দৈৱৰ অধীন। আনফালে মহাবৈষ্ণৱ হৈও পঞ্চপাণ্ডব দৈব্যৰ মায়াৰ হাত সাৰিব পৰা নাই।

> যুধিষ্ঠিৰ সমকোন আছয় ধৰাত;
> বিশেষত পাণ্ডব দেহৰ অংশ জাত।
> তথাপি প্ৰবন্ধ দুখ পাইলা নানা মত;

দৈবেহে মিলিয়ে সুখ-দুখ কাৰণ।

লগতে এই কথাও লোকসমাজত সোঁৰৱাই দিবলৈ কবিয়ে পাহৰা নাই যে ভগবানত বিশ্বাস ৰাখিলে পাণ্ডৱসকলৰ দৰে পিছত ৰক্ষা পাব পাৰি।

মণিচন্দ্র ঘোষ উপপৰ্বত কবি সৰস্বতীয়ে ভীম আৰু ধৃতৰাষ্ট্ৰৰ নাগ কন্যা আচুফীৰ সতে হোৱা বিবাহৰ কথা সুন্দৰকৈ বৰ্ণাইছে। এই পৰ্বতে মহাদেৱে মোহিনী খেদি ফুৰাৰ ৰসাল বৰ্ণনাত শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তনৰ হৰমোহনৰ খণ্ডৰ প্ৰভাব পৰা যেন লাগে।

পৰিলেক কাৰ্য চৰ্ম জঠা ভৈল আউল।
বিবস্ত্রে কন্যাক খেদে জগত বাউল।।

এই পৰ্বতে ধৃতৰাষ্ট্ৰ আৰু মহাত্মা বিদুৰৰ দিগ্বিজয়ৰ দৃশ্য অতি মোহনীয় ৰূপত বৰ্ণিত হৈছে। পুষ্পহৰণ পৰ্বত দ্বিতীয় পাণ্ডৱ ভীমে কণ্ব ব্ৰাহ্মণৰ সৰিয়হ এডৰাৰ মাজেৰে যাওঁতে ভীমৰ গাত লাগি "শতেক পঁশিচ পুৰা সৰিষাৰ ব্যয়"-ৰ দৰে ৰসাল বৰ্ণনাই পাঠকক হাস্যৰসৰ খোৰাক যোগাইছে।

বধ কাব্য সমূহত কবিৰ কল্পনাই পাখি মেলি অন্তৰীক্ষত বিচৰণ কৰে। বৰ্ণনাৰ অলৌকিকতাই পাঠকক বিস্ময় বিমুগ্ধ কৰি ৰাখে। কবিৰ যুদ্ধ বৰ্ণনাতে বেছি উৎসাহ থকা যেন অনুমান হয়। তথাপি কবিয়ে মানৱ হৃদয়ৰ সুকুমাৰ বৃত্তি প্ৰকাশতো সুক্ষ্ম অন্তৰ্দৰ্শিতাৰ পৰিচয় দিছে। এই কথা ফটফটীয়াকৈ ওলাই পৰিছে এনেদৰে-

কাকো কেৰে খুশু তুলি সন্মুখে ন-চাৰে,
গুৰু শিষ্য কন্দল কৰে বাপ পোৰে।

কবিৰ প্ৰতিভাই ইমান খিনিতে স্তিমিত হৈ পৰা নাই। অলঙ্কাৰ প্ৰয়োগতো কবি সমানে সিদ্ধহস্ত। নিপুণ কৌশলী হাতৰ পৰশত অলংকাৰ সমূহে কবিৰ বৰ্ণনাক দিছে চাৰুতা, আখ্যান সমূহ হৈ পৰিছে অতিকে মনোহৰ পাঠকৰ বাবে হৈ পৰিছে অধিক মনোগ্ৰাহী।

মালোপমা ঃ

প্ৰচণ্ড বতাসে যেন পৰ্বত ৰাকিলা।
যেন সমুদ্ৰৰ ঢৌ তীৰে নিবাৰিলা।। (ভীম পৰ্ব)

ব্যতিৰেক অলংকাৰ ঃ

নয়নে নিন্দয় তান কমলৰ পাশি।
পূৰ্ণচন্দ্ৰ মণ্ডল জিনয় তান হাসি।।

জতুৱা ঠাঁচ, প্ৰবাদ প্ৰবচনৰ প্ৰয়োগ মনকৰিবলগীয়া -


তৰা নৰা চিণ্ডি ভীমে বিপ্ৰক ভাঙিলা।
হাদিৰা হাদিৰ কৰি মুকলি কৰিলা।।

ৰাম সৰস্বতীয়ে বৰ্ণনীয় বিষয়বস্তুক উজ্জ্বল ৰূপত প্ৰকাশ কৰিবলৈ লোৱা ছন্দৰ প্ৰয়োগ মনকৰিবলগীয়া। বিষয়বস্তুৰ লগত সঙ্গতি ৰাখি কবিয়ে মাজে মাজে দুলড়ী, ছবি, লেচাৰী ছন্দৰ প্ৰয়োগ কৰি বৰ্ণনীয় বিষয় অতি সুন্দৰ কৰি তুলিছে। তেওঁৰ ঝুমুৰা বা ঝুমুৰী নামৰ আঠ আখৰীয়া এটা যুদ্ধৰ গতিৰ দৰে খৰতকীয়া ছন্দ হ'ল-

ওৰ্জন্ত গৰ্জন্ত ঘনে;
প্ৰহাৰন্ত ক্ষণে ক্ষণে।
দুয়ো মণ্ড সিংহ সম;
দুয়ো কালান্তক যম।।

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাম সৰস্বতীৰ বধ কাব্যৰ বিষয়ে কৈছে এনেদৰে - এই বধ কাব্য সমূহ একেধাৰে ধৰ্মগ্ৰন্থ, উপন্যাস গীত আৰু নাটক। কবি ৰামসৰস্বতীয়ে তেওঁৰ দীঘলীয়া জীৱনত মহাপুৰুষ শঙ্কৰদেৱৰ বাটেৰে বাট বুলি লোক মনোৰঞ্জনৰ বাবে কৃষ্ণ কথা, শ্ৰয়ণা, নুৰজসকলৰ বাবে হৰি ভকতিৰ অমৃত পান কৰিব পৰাকৈ মহাভাৰতৰ সৰহছোৱা পদ অসমীয়ালৈ ভাঙণি কৰে। ধৰ্মীয় বাতাবৰণ ব্যাপক কৰি তোলা, হৰি ভক্তিৰ প্ৰৱণতা জগাই তোলাত ৰাম সৰস্বতীৰ ৰচনাসমূহে অসমীয়া বৈষ্ণৱাদৰ্শৰ ব্যাপ্তিসাধনত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি গৈছে। অৱশ্যে আজিৰ আধুনিক যুগৰ দৃষ্টিয়ে মধ্যযুগৰ কবি ৰাম সৰস্বতীক বিচাৰ কৰিলে কবি জনাৰ যথাৰ্থ মুল্যায়ন হ'ব বুলি আমি নাভাবো। সেই যুগৰ নিৰক্ষৰ জনসাধাৰণৰ বাবে সংস্কৃত ভাষাৰ দুৰ্গমতা আৰু জটিলটা ভেদ কৰি কবিয়ে যি সৰল কাব্য নিৰ্মাণ কৰিলে তাৰ বাবে তেওঁ চিৰকালৰ কাৰণে আমাৰ সাহিত্যৰ পথাৰত এখন শাশ্বত আসনৰ অধিকাৰী হৈ থাকিব। ■





# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

**নিতীশ চেতিয়া ফুকন**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

সমগ্ৰ অসম তথা ভাৰতৰে এগৰাকী প্ৰখ্যাত কালজয়ী শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হয় ১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকাত। তেওঁৰ পিতৃৰ নাম আছিল গোপাল চন্দ্ৰ ৰাভা। দেউতাক ঢাকাত সামৰিক বিভাগৰ চুবেদাৰী মেজৰ আছিল। তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত ইংৰাজ চৰকাৰৰ পৰা দুশ-পঞ্চাশ বিঘা মাটি লাভ কৰি তেজপুৰত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

তেওঁ ঢাকাতেই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে আৰু হাইস্কুলীয়া শিক্ষা তেজপুৰত গ্ৰহণ কৰে। ১৯২৬ চনত প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰি কলিকতাৰ ছেণ্টপল কলেজৰ পৰা আই. এচ. চি. আৰু ১৯৩৩ চনত ৰিপন কলেজৰ পৰা বি. এচ. চি পাছ কৰিছিল। ইয়াৰ পিছত ৰংপুৰ কাৰ মাইকেলত বি. এ. শ্ৰেণীৰ চতুৰ্থ বাৰ্ষিকত নাম ভৰ্ত্তি কৰে যদিও নানান ৰাজনৈতিক বেমেজালিৰ কাৰণে সিমানতে শিক্ষাৰ অন্ত পেলাবলগীয়া হৈছিল।

ৰাভা আছিল সহস্ৰ গুণৰ অধিকাৰী। তেওঁ আছিল, সাহসী, কষ্টসহিষ্ণু, চিত্ত আৰ্কষক, শিল্পী, বিপ্লৱী, কঠোৰ মনোবলী। তেওঁ মৌবৰষা বক্তৃতা দিব পাৰিছিল। তেওঁ আছিল একেধাৰে কবি, নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, খেলুৱৈ, চিত্ৰকৰ, ৰান্ধনি, নৃত্য বিশাৰদ, স্বপ্নদ্ৰষ্টা, কথা সাহিত্যিক. কণ্ঠ শিল্পী, ভাস্কৰ্যবিদ, সুৰকাৰ, ৰাজনৈতিক নেতা, সশস্ত্ৰ বিপ্লৱী আদি। ৰাভাই অসমৰ কলা-সংস্কৃতিক বিশ্ব-দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সপোন বলীয়া হৈ পৰিছিল। কামৰূপৰ 'নাট্য-সংঘ' ৰাভাদেৱেই প্ৰতিষ্ঠা কৰিছিল। সংস্কৃতিৰ জয়ঢোলৰ বাদকৰূপে ৰাভাৰ খ্যাতি চাৰিওফালে বিয়পি পৰিছিল।

১৯৪০ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ত 'নটৰাজ' নৃত্য প্ৰদৰ্শন কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ সৰ্বপল্লী ৰাধা কৃষ্ণনৰ প্ৰশংসাৰ সৈতে 'কলাগুৰু' আৰু ভাৰতৰ শ্ৰেষ্ঠ কলাবিদ উপাধি লাভ কৰিছিল। দশাৱতাৰ নৃত্য প্ৰদৰ্শন কৰি বাৰানসী বিশ্ববিদ্যালয়তো উপাচাৰ্যৰ পৰা স্বৰ্ণ-পদক লাভ কৰিছিল।

ঢাকাত থাকোতে তেওঁ আঠ বছৰ বয়সতে প্ৰথম উৰ্দু নাটকত ৰাজকোঁৱৰৰ ভাও লৈ অভিনয় কৰিছিল আৰু অভিনয় জগতৰ পাতনি মেলিছিল। সেই দিনৰ পৰা নাট্য জগতৰ বিশাল ঢৌত সাতোঁৰিবলৈ লয়। চৰিত্ৰৰ সঠিক উপস্থাপনাৰে তেওঁ অভিনেতা, পৰিচালক, নাট্যকাৰ হিচাপে দৰ্শকৰ পৰা বিপুল সমাদৰ অৰ্জন কৰিছিল। তেওঁ একেখন নাটকতে দ্বৈত অভিনয় কৰিও সফল অভিনেতাৰ পৰিচয় দিয়ে। তেওঁ নাট্য জগতৰ ওজা।

জ্যোতি প্ৰসাদ আগৰৱালাৰ জয়মতী চিনেমাত তেওঁ অভিনয় কৰিছিল। ১৯৪৮ চনত নটসূৰ্য ফণী শৰ্মাৰ সৈতে যুটীয়াভাৱে চিৰাজ ছবি নিৰ্মাণ কৰিছিল। ৰোহিনী বৰুৱাৰ মনোমতী ছবিত তেওঁ নৃত্য পৰিচালনা কৰিছিল। এৰাবাটৰ সুৰ, মাহুত বন্ধুৰে, প্ৰতিধ্বনি আদি ছবিত কৰা বলিষ্ঠ গাৱলীয়াৰ চৰিত্ৰ অভিনয়ৰ কথা দৰ্শকে কোনো দিনে পাহৰিব নোৱাৰে। ৰাভা আছিল অসমীয়া ভাষাৰ যাদুকৰ। অসমীয়া সাহিত্যৰ মথাউৰি বান্ধি থৈ সাহিত্যৰ শুকাই যোৱা পুলিটো পানীৰে তিয়াই নতুন ৰূপ বা জীৱন দিছিল। বাঁহী, আবাহন, দৈনিক অসম, আমাৰ প্ৰতিনিধি আদিত বহুতো ছদ্মনামত গল্প, কবিতা, প্ৰবন্ধ আদি লিখিছিল। তেওঁ বহুতো উপন্যাস, কবিতা, প্ৰবন্ধ, গল্প, নৃত্য-নাটিকা, একাঙ্কিকা নাট আদি লিখি থৈ অসমৰ সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে।

সহস্ৰ গুণৰ অধিকাৰী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কৰ্কট ৰোগত আক্ৰান্ত হৈ ১৯৬৯ চনৰ ২০ জুনৰ নিশা শেষ নিশ্বাস ত্যাগ কৰে, যিটো অসমৰ বাবে এটা অপূৰণীয় ক্ষতি।■

# সমন্বয়ৰ সমাহাৰ ফাট বিহু

ভূপেন গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

'ফাট' তাই ভাষাৰ শব্দ। ফাটৰ অৰ্থ হ'ল নৈ বা গভীৰ পানী থকা ঠাইৰ দাঁতিত বেহা-বেপাৰ, কৰ-কাটল সংগ্ৰহ কৰাৰ বাবে সমবেত হোৱা ঠাই। আহোম সকলৰ ৰাজত্ব কালত জলপথেৰে কৰা বেহা-বেপাৰৰ বাবে ৰজাঘৰক মাৰ্জনা দিব লাগছিল। ৰাজ বিষয়সকলে নৈৰ পাৰত পানী ফাট পাতি খাজনা সংগ্ৰহ কৰিছিল। এই ফাটতে ব'হাগত সকলোৱে মিলি বিহু মাৰি ৰং আনন্দ কৰিছিল বুলি জনা যায়।

ফাট বিহু উৎপত্তি সম্পৰ্কে জনমানসত ভিন ভিন কাহিনী প্ৰচলিত হৈ থকা দেখা যায়। বৃটিছ চাহাব স্কাট গ্ৰীণ ঢকুৱাখনালৈ আহোঁতে তেওঁক বিহুৰে আদৰি আনিছিল। স্কাট আহোতে মৰা বিহুক স্কাট বিহু নামে জনাজাত হয়। এই স্কাটৰ পৰা কালক্ৰমত 'ফাট' শব্দটো হৈছে বুলি বহু গৱেষকে ক'ব খোজে। আন এটা কাহিনী মতে, আহোম ৰজাৰ দিনত চাৰিকড়ীয়াৰ পাৰত ফাট বিহু ইমান ডাঙৰকৈ পাতিছিল যে বহু দূৰদুৰণিৰ পৰা বিভিন্ন জাতি-জনজাতি লোক আহি বিহুতলি দলদোপ হেন্দোলদোপ কৰিছিল। বিহু চাবলৈ অহা মানুহৰ ভৰত মাটি ফাট মেলিছিল বাবে চাৰিকড়ীয়াৰ পাৰত হোৱা বিহুক 'ফাট' বিহু নামেৰে নামাকৰণ কৰা হয়। ফাট বিহুৰ উৎপত্তি কেতিয়া আৰু ক'ত হৈছিল তাৰ ইতিহাস এতিয়াও উদ্ধাৰ হোৱা নাই। এই বৃহৎ অঞ্চলৰ মিচিং, দেউৰী, কৈৱৰ্ত আদি নদীকেন্দ্ৰিক জনগোষ্ঠীসমূহ কেতিয়াৰ পৰা বসবাস কৰিবলৈ লৈছিল তাৰ সঠিক সময়টো উলিয়াব পাৰিলে থূলমূলকৈ এটা যুগ সম্পৰ্কে ধাৰণা কৰিব পাৰি।

১৬ শতিকাৰ পৰা পৰম্পৰাগত নীতি নিয়মেৰে পালন কৰি অহা ফাট বিহু এক ৰাজনৈতিক কাৰণত ১৯১৮ চনত পাতিব পৰা নগ'ল। ১৯৯৭ চনৰ ৰুচ বিপ্লৱৰ প্ৰভাৱে অসমকো চুই যায়। সেই সময়ত ঢকুৱাখনা অঞ্চলত বয়-বস্তুৰ নাটনিয়ে দেখা দিয়ে। কেবা বছৰো বিৰতিৰ পাছত ১৯৪৪ চনত ফাট বিহু পুনৰ অনুষ্ঠিত কৰা হয়। ১৯৪৮ চনত ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয় খেলপথাৰত আনুষ্ঠানিকভাৱে ফাট বিহু অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছত ১৯৯৬ চনৰ পৰা চাৰিকড়ীয়াৰ নৈৰ পাৰৰ মুকলি মঞ্চত ফাট বিহু পাতি অহা হৈছে। পুৰণি কালত এই নৈখন পাৰ হ'বলৈ ডাটুলৈক চাৰিটা কড়ি দিব লগা হৈছিল। সেইয়ে ইয়াৰ নাম চাৰিকড়ীয়া। ঢকুৱাখনাবাসীৰ চাৰিকড়ীয়া নৈখন অতি আদৰৰ, বুকুৰ আপান। এই নৈখনৰ পাৰত ঢকুৱাখনাৰ জনসাধাৰণৰ প্ৰচেষ্টাত গঢ় লৈ উঠিছে অসমৰ লোক উৎসৱৰ অন্যতম নিদৰ্শন 'ফাট বিহু'। এই ফাট বিহুৱে সকলো জনগোষ্ঠীকে একতাৰ ডোলেৰে বান্ধি গঢ়ি তুলিছে ঐক্য সংহতিৰ বৰ ভেটি।

প্ৰকৃতিৰ ৰমণীয় পৰিবেশত ফাট বিহুকেইদিন চাৰিকড়ীয়াৰ ম'হঘুলি চাপৰি হৈ পৰে জনগোষ্ঠীৰ মহামিলনৰ তীৰ্থভূমি। বৰ্তমান বিহু গাঁও, ভূঁই, চহৰ-নগৰ সকলোতে মঞ্চলৈ ধাৱমান হোৱাৰ সময়তো ফাট বিহু প্ৰকৃতিৰ নিৰ্মল পৰিবেশৰ মাজত স্ব-মহিমাৰে মহীয়ান হৈ আছে।

ম'হঘুলি চাপৰি আহিবা লাহৰি
ফাট বিহু বতৰা পাই,
মিচিং আহিব দেউৰী আহিব
আমাৰ বিহু ভাঙোতা নাই।

ম'হঘুলি চাপৰি ঢকুৱাখনা ৰাইজৰ সমন্বয়ৰ স্থলী। পুহ মাহৰ আৰম্ভণিতে বিভিন্ন অঞ্চলৰ ৰাইজ গোটখাই মিলিজুলি মাছ ধৰে। ব'হাগত ম'হঘুলি চাপৰিত বজা ঢোল-পেঁপাৰ শব্দত, বিহুনামৰ সুৰৰ নাচৰ ছন্দত সকলোৰে প্ৰাণ একহৈ পৰে আৰু হৃদয়ে হৃদয়ে বিয়পাই দিয়ে মানৱ প্ৰেমৰ বাণী-

ম'হঘুলি চাপৰিৰ ফাট বিহুতলীত
শুনিলো চেনাইৰে উকি,
শালৰে মেলা তাঁত শালতে এৰিলো
বিহুলৈ আহিলো লৰি।

এই বিহু তলীতে বিহু নাচি থাকোঁতে ডেকা-গাভৰুৰ মাজত হিয়া-দিয়া নিয়াৰো সূত্ৰপাত হয়। ম'হঘুলি চাপৰিৰ নৈসৰ্গিক পৰিবেশৰ দৰে অকৃত্ৰিম এই প্ৰেমৰ বীজ। ফাট বিহু চলি থকা সময়তে কোনো কোনো গাভৰুৱে আগৰবাৰ বিহুত কথা দিয়া মতে মনৰ গৰাকীৰ লগত পলাই গৈ সংসাৰ পাতে।

ফাট বিহুৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল বিভিন্ন জনগোষ্ঠীৰ লোকে নিজস্ব কৃষ্টি পৰিবেশন কৰি জাতীয় সংহতিৰ বুনিয়াদ গঢ়ি তোলাত যথেষ্ট অৰিহণা আগবঢ়াইছে। চাৰিকড়ীয়াৰ নৈৰ পাৰৰ ফাট বিহুত যোগদান কৰা জনগোষ্ঠীসমূহৰ ভিতৰত মিচিংসকল অন্যতম। ফাট বিহু মিচিংসকলৰ বুকুৰ আপোন। মিচিং লোকসকলে সুদূৰ অতীতৰ পৰাই ফাট বিহুত অংশ গ্ৰহণ কৰি আহিছে। পৰ্বতীয়া 'মিৰি' সকলে চাৰিকড়ীয়াৰ ফাটলৈ বেহা-বেপাৰৰ বাবে আহিছিল বুলি কথিত আছে। বিনিময় প্ৰথাৰ দ্বাৰা বস্তু বেচা-কিনা কৰোঁতে তেওঁলোকৰ লগত অ-মিচিং লোকৰ ভাৱ-ভাষা, কলা-সংস্কৃতি আদিৰ আদান-প্ৰদান হৈছিল। মিচিং লোকসকলে ফাট বিহুত ঐনিঃতম গায়, নাচে। মিচিং জনসমাজত প্ৰচলিত গীত সমূহৰ ভিতৰত সকলোতকৈ জনপ্ৰিয় গীত হ'ল ঐনিঃতম। ইয়াৰ সুৰৰ মাধুৰ্য্যই মানুহৰ অন্তৰৰ আনন্দৰ হিল্লোল তোলে। ঐনিঃতমৰ স্বকীয় সুৰ বিৰাজমান যদিও ফাট বিহুত অসমীয়া বিহুনামৰ সুৰতো কৃষ্টি দলসমূহে বিহুনাম গায় আৰু নচা দেখা যায়-

কাঃয়ুম্ কাঃপ কাঙানৌ
মৌঃ য়ুম্ মৌপ মৌঙানৌ
কাঃ বলাঙৌ কাপিয়েন
আম্মে বম্পাক্বম্দুনৌ

(অসমীয়া - তুমি ইমান যে ধুনীয়া, তোমাৰ মনটোও যে কিমান উচ্ছাস প্ৰৱণ। মোৰ পচন্দ হ'লেনো কি হ'ব, তোমাক যে আন কোনাবাই আঁতৰাই নিছে।)

ফাট বিহুৰ সম্পৰ্কে সাহিত্যিক হোমেন বৰগোহাঞিয়ে লিখিছে 'ঢকুৱাখনাৰ চাৰিওফালে অসংখ্য মিচিং গাঁও আছে। প্ৰতি বছৰে ব'হাগ বিহুৰ সময়ত বিহুৱলীয়া মিচিং ডেকা-গাভৰুৱে দল বান্ধি ঢকুৱাখনাৰ নৈৰ পাৰত বিহু মাৰিবলৈ আহে। সেই বিহু চাবলৈ গাঁও-ভূঁই ভাঙি আহি হেজাৰ হেজাৰ মানুহ ঢকুৱাখনাত জমা হয়। ঠাইখন লোকে লোকাৰণ্য হয়। সাতদিন সাতৰাতি এই ফাট বিহু চলে। কেৱল যে মিচিংসকলেই এই সাৰ্বজনীন বিহু উৎসৱত অংশ লয় এনে নহয়, ঢকুৱাখনাৰ আহোম, চুতীয়া, কৈৱৰ্ত আদি সকলো সম্প্ৰদায়ৰ মানুহেই আনন্দৰ এই বলিয়াবানত উটি যায়। সেই সাতদিনৰ কাৰণে মুকলি আকাশেই হয় ঘৰৰ চাল আৰু চাৰিকড়ীয়া নৈৰ পকা বালিয়েই হয় বিচনা। উজ্বল নীলা আকাশৰ তলত চাৰিকড়ীয়াৰ পাৰৰ ঘন সেউজীয়া অৰণ্যৰ মাজত সাতদিন সাতৰাতি চলে এই উদ্দাম বসন্ত উৎসৱ।'

ফাট বিহুত মিচিংসকলৰ দৰে দেউৰী জনগোষ্ঠীৰ লোকসকলেও সক্ৰিয় সহযোগিতা আগবঢ়াই অসমীয়া সংস্কৃতিৰ ইতিহাসক জনগোষ্ঠীয় ঐক্যমঞ্চৰ ভেটি অধিক সুদৃঢ় কৰাত অৰিহণা যোগাইছে। ফাট বিহুত ডিবঙীয়া ফৈদৰ দেউৰীসকলে অংশ গ্ৰহণ কৰে।

বিভিন্ন জাতি জনজাতিৰ মিলনস্থলী ফাট বিহুৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল, কৃত্ৰিমতাই এই বিহুক আজিও স্পৰ্শ কৰিব পৰা নাই। ফাট বিহুত অংশ গ্ৰহণ কৰা সকলোৱে পৰম্পৰাগত জাতীয় সাজপাৰ পৰিধান কৰে। খোপাত কপৌফুল মাৰে, কপৌফুল নাপালে ফুলৰ ঠাৰিকে মৰা দেখা যায় বা আন জীৱন্ত ফুল যেনে - ভাটৌ ফুল, তগৰ ফুল, নাহৰ ফুল আদি খোপাত মাৰে। কিন্তু কৃত্ৰিম ফুল খোপাত নামাৰে। পুৰুষসকলেও ধুতি-পাঞ্জাৱী পিন্ধি বিহুৰ অভ্যৰ্থনাৰ কাম-কাজৰ অংশ গ্ৰহণ কৰাৰ নিয়ম।

প্ৰকৃতিৰ স্থায়ী মঞ্চত তিনিবছৰীয়া অকণমানি নাচনীৰ পৰা ৮০ বছৰীয়া আইতালৈকে ফাট বিহুত নচা দৃশ্য সঁচাই অতি মনোমোহা। মহিলাসকলে পৰিবেশন কৰা টকা বিহু বিহুৱা ৰাইজৰ মাজত আনন্দৰ বন্যা বোৱাই দিয়ে। বাঁহেৰে সজা টকা বজাই চাৰিওফালে ঘুৰি ঘুৰি বিহু মাৰে-

টকাৰ সৰু সৰু মাত সমনীয়া
টকাৰ সৰু সৰু মাত,
ম'হ ঘুলি চাপৰিত টকাৰ মাতে শুনি
এৰি যাওঁ পেটৰে ভাত।

প্ৰকৃতিৰ কোলাত জন্ম লোৱা আমাৰ অসমৰ বাপতি সাহোন বিহুটি মঞ্চলৈ আহি বিকৃত ৰূপ লোৱা বুলি মাজে মাজে অপবাদ শুনাৰ সময়তো 'ফাট বিহু' নৈৰ পাৰত, গছৰ তলত, আই অসমীৰ সেউজী বুকুত নিজস্ব ঐতিহ্যৰে মহীয়ান হৈ আছে। এই ধাৰা অনন্ত কাললৈকে যেন চলি থাকে আমি তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰো আহক। ■

# মাজুলীৰ মুখা শিল্প

দেৱাশ্ৰী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

পৃথিৱীৰ বৃহত্তম নদীদ্বীপ হিচাপে পৰিচিত 'মাজুলী' অসমৰ যোৰহাট জিলাৰ উত্তৰ দিশত অৱস্থিত। যোৰহাট জিলাৰ দ্বিতীয় মহকুমা এই মাজুলী নদীদ্বীপ অঞ্চলটো এক বানপীড়িত আৰু খহনীয়া অঞ্চল হিচাপে সকলোৰে জ্ঞাত। মাজুলী হৈছে বিভিন্ন বিষয়ৰ অধ্যয়নৰ কেন্দ্ৰস্থল তথা পৰ্যটকসকলৰ নিবাসথলী।

মাজুলীৰ এক ঐতিহাসিক পৰিচয় আছে, মুখাশিল্প মাজুলীৰ এক সুকীয়া পৰিচয়। পাঠকসকলৰ বাবে এই প্ৰবন্ধত মাজুলীৰ মুখাশিল্পৰ সম্পৰ্কে এটি চমু আভাস দাঙি ধৰা হ'ল।

মুখা (Musk) মানুহৰ আদিম কৃতি। মুখাই প্ৰতীক হিচাবে ৰূপদান কৰে। কাৰণ মানৱীয় সত্বাক প্ৰকাশ কৰিবলৈ মুখাক প্ৰতীক হিচাপে লোৱা হয়। কালক্ৰমত মাজুলীত ই এক কলা হিচাপে স্বীকৃতি লাভ কৰে। অসমৰ সংস্কৃতি জগতৰ মহানগুৰু শ্ৰীমন্ত শংকৰদেৱে মুখাক এক সুকীয়া মৰ্যাদা প্ৰদান কৰে। শংকৰদেৱৰ ভক্তিধৰ্ম প্ৰচাৰৰ বাবে তেওঁৰ অভিনৱ সৃষ্টি 'ভাওনা'ত মুখাই এক সুকীয়া আসন লাভ কৰে। অসমৰ সংস্কৃতি জগতত মাজুলীৰ মুখা শিল্পৰ স্থান সুকীয়া। সাংস্কৃতিক আন্দোলনৰ গুৰিধৰা সত্ৰসমূহে আজিও এই পৰম্পৰা তথা ঐতিহ্য ৰক্ষা কৰি আহিছে। মাজুলীৰ ডেৰকুৰি সত্ৰৰ ভিতৰত প্ৰধানকৈ নতুন চামগুৰি, পুৰণি চামগুৰি, এলেঙি নৰসিংহ আৰু বিহিমপুৰ সত্ৰত মুখাৰ চৰ্চা অব্যাহত আছে। প্ৰাচীন কালৰপৰা বৰ্তমান সময়লৈকে অসমৰ সত্ৰসমূহে সাংস্কৃতিক দিশত আগবাঢ়ি যোৱা পৰিলক্ষিত হয়। সত্ৰসমূহত প্ৰধানকৈ খোল-তাল, গীত-মাত, নাট-ভাওনা, সবাহ আদিয়ে স্থান পোৱাৰ লগতে একোখন ভাওনাৰ প্ৰস্তুতিত অভিনেতা, গায়ন-বায়ন, গীতৰ চৰ্চা আদি আনুসাংগিক দিশসমূহক সমানে আগবঢ়াই নিয়া পৰিলক্ষিত হয়। অভিনয়ৰ সময়ত অভিনেতাই পৰিধান কৰিবলগীয়া মুখা তাৰ ভিতৰত অন্যতম।



মুখা বুলিলে সাধাৰণতে বাঁহ আৰু কাঠেৰে সঁজা মুখাকেই বুজা যায়। বৰ্তমান অসমৰ প্ৰায়বিলাক সত্ৰতে বাঁহেৰে নিৰ্মিত মুখা থকা দেখা যায়। অতি সহজে লাভ কৰা বাঁহৰ বাবেই অসমত বাঁহৰ মুখাৰ প্ৰচলন হোৱা দেখা যায়। প্ৰাচীন কালত গাঁৱৰ থলুৱা জনসাধাৰণেও জাতিলাও খোলা, কলহ, টেকেলি, তামোলৰ ঢকুৱা আদিৰে মুখা নিৰ্মাণ কৰিছিল। ভাৰতৰ অন্যান্য ৰাজ্যতকৈ অসমৰ মুখা-শিল্পৰ এক নিজস্ব বৈশিষ্ট্য আছে। থলুৱা সামগ্ৰীসমূহক লৈ মুখাসমূহ নিৰ্মাণ কৰা হয়। এই সামগ্ৰীসমূহৰ ভিতৰত বাঁহ-বেত, গোবৰ মাটি আৰু কাপোৰেই প্ৰধান। আধুনিক যুগত নতুন পদ্ধতিৰেও মুখা নিৰ্মাণ কৰা দেখা যায়। বাঁহ-কাঠেৰে তৈয়াৰী মুখা সঁজা সূত্ৰটো 'লখিমী সূত্ৰ' বুলি কোৱা হয়। অসমৰ কৃষক ৰাইজে এই সূত্ৰৰ সহায়ত শস্যৰ কঠীয়া ৰখাৰ বাবে টোম সাজি আহিছে।

মুখা সাজিবৰ বাবে এক নিৰ্দিষ্ট পদ্ধতি আছে। প্ৰথম পৰ্যায়ত আধা পৈণত দীঘল পাব থকা ৩/৪পাব মানৰ জোখৰ জাতি বাঁহৰ টুকুৰা ৪/৫ দিনমান পানীত বুৰাই তাৰ পাছত কাঠি তুলিব লাগে। বাঁহ টুকুৰা পানীত বুৰাই ৰখাৰ অৰ্থ হ'ল বাঁহৰ কাঠিবোৰত পোক বা ঘুণে নধৰে। মানুহৰে হওঁক বা জন্তুৰে হওঁক মুখাৰ আকাৰ সম্পূৰ্ণ হ'লে তাক পোনকৈ ধৰি ৰাখিবৰ বাবে বাঁহৰ শালি আৰু কামি কৰি বেতৰ সূতাৰে বন্ধা হয়। কুমাৰ মাটি গুলি বোকা কৰি কাপোৰত সানি কাপোৰখন বাঁহৰ খাংটোৰ ওপৰত লগাই কাঠিবোৰ ৰ'দত শুকাবৰ বাবে দিয়া হয়।

দ্বিতীয় পৰ্যায়ত, পোৱালি গৰুৰ গোবৰ আৰু আলতীয়া মাটি ভালদৰে মিহলাই কাপোৰ মেৰিওৱা মুখাৰ ওপৰত মাট লগাই মুখাৰ আকৃতি দিয়া হয়। মুখা শুকাবৰ বাবে ওপৰত বোকা লগোৱা





কাপোৰেৰে ঢাকি দিয়া হয়।

তৃতীয় পৰ্যায়ত, মুখা শুকোৱাৰ পিছত ৰং সনা কাম আৰম্ভ কৰা হয়। ইয়াৰ বাবে খনিজ পদাৰ্থ, পাথৰ জাতীয় হেঙুল, হাইতাল, নীল আৰু বগা মাটি ব্যৱহাৰ কৰা হয়। ৰং ভালকৈ ধৰিবৰ বাবে গোটা গম বা বেলৰ গুটিৰ পৰা ওলোৱা আঠা ৰঙৰ লগত ভালদৰে মিহলোৱা হয়। হেঙুলৰপৰা ৰঙা, হাইতালৰ পৰা হালধীয়া, নীলৰপৰা নীলা আৰু বগামাটিৰ পৰা বগা ৰং উলিওৱা হয়। এনেদৰে ৰং উলিওৱা প্ৰক্ৰিয়াত কিছু সময়ৰ আৱশ্যক হয়।

অৱশ্যে আজিকালি খনিকৰসকলে অত্যাধুনিক খনিজ পদাৰ্থ ব্যৱহাৰ কৰি পুৰণিকলীয়া পদ্ধতি এৰাই চলা পৰিলক্ষিত হয়। খনিকৰসকলে ৰং ব্যৱহাৰ কৰিবৰ বাবে বাঁহৰ চোঙা, পাৰ চৰাইৰ পাখি, ছাগলীৰ নোমেৰে তৈয়াৰী ব্ৰাচ ব্যৱহাৰ কৰে।

মুখা তৈয়াৰী সত্ৰসমূহত তিনিধৰণৰ মুখা সজা দেখা যায়। যেনে - ছোঁ-মুখা, লোটোকাই মুখা আৰু মুখ মুখা।

ছোঁ-মুখাবোৰ সাধাৰণতে ডাঙৰ মুখা। এনে মুখাৰ জৰিয়তে ভাওনাৰ ভাৱৰীয়াসকলে ডাঙৰ ডাঙৰ চৰিত্ৰ উপস্থাপন কৰিবলৈ ব্যৱহাৰ কৰে। উদাহৰণ স্বৰূপে - বানৰজা, ৰাৱণ, নৰকাসুৰ ইত্যাদি।

লোটোকাই মুখা এবিধ সৰু মুখা। মূৰ আৰু শৰীৰ অংশ এনে মুখাত পৃথককৈ সজা হয়। ভাৱৰীয়াই এনে মুখা পৰিধান কৰি ভাওনাত সুবিধামতে লৰচৰ কৰিব পৰাকৈ সজোৱা হয়। উদাহৰণ স্বৰূপে - পুতনা ৰাক্ষসী, তাৰকা ৰাক্ষসী, যক্ষ ইত্যাদি চৰিত্ৰত এনে মুখা ব্যৱহাৰ কৰা হয়।

মুখ মুখা হৈছে ভাৱৰীয়াই মুখমণ্ডলত পৰিধান কৰা এবিধ মুখা। এনে মুখা অতি প্ৰাচীন। উদাহৰণস্বৰূপে আঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ আদি।

শ্ৰীমন্ত শংকৰদেৱৰ নাতি শ্ৰীশ্ৰীচক্ৰপাণি আতাই শ্ৰীশ্ৰীচামগুৰি সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এই সত্ৰই প্ৰাচীন কালৰে পৰা বৰ্তমান সময়লৈকে মুখা-শিল্পৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুৱাই আহিছে।

মাজুলীৰ এই মুখা-শিল্পৰ পৰম্পৰা আৰু চৰ্চাই বিদেশী পৰ্যটকসকলকো আপ্লুত কৰি তুলিছে। এনে এক পুৰণি পৰম্পৰা যাতে হেৰাই যাব নোৱাৰে তাৰ বাবে সত্ৰাধিকাৰ সকলে বহু চেষ্টা কৰা পৰিলক্ষিত হয়। চামগুৰি সত্ৰত হেমচন্দ্ৰ গোস্বামীদেৱে ১৯৮০ চনত 'সুকুমাৰ কলাপীঠ' নামৰ এক মুখা-শিল্প প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছিল। বহুকলা প্ৰেমী উদীয়মান লোকে এনে প্ৰশিক্ষণৰপৰা লাভৱান হোৱা পৰিলক্ষিত হয়। ৰাস উৎসৱৰ ক্ষেত্ৰত মাজুলীৰ এক সুকীয়া নাম আছে। দেশী-বিদেশী বহুলোক ৰাস উৎসৱৰ সময়ত মাজুলীত সমবেত হোৱা দেখা যায়। ৰাস উৎসৱৰ সময়ত মুখা-শিল্পৰ ব্যৱহাৰ আৰু চৰ্চাই অসম তথা ভাৰতবৰ্ষত ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। সাধাৰণ জনসাধাৰণেও এনে শিল্পৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধা জনোৱাটো বৰ্তমান সময়ৰ বাবে অতি আৱশ্যক হৈ পৰিছে।■

(প্ৰশান্ত কুমাৰ মহন্তৰ সম্পাদিত 'মাজুলী' নামৰ গ্ৰন্থখনিৰ পৰা সংগ্ৰহ কৰা হৈছে)



# অসমত বৈষ্ণৱ ধৰ্ম

পাঙ্কি কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

বৈষ্ণৱ ধৰ্মত সমন্বয় সাধন, জ্ঞান মাৰ্গ আৰু সমাজ চেতনা সংলগ্ন হৈ আছে। এনেকুৱা এটা মাৰ্গ বা ধৰ্ম ভাৰতবৰ্ষত বিৰাজমান হৈ থকাটো ভাৰতবৰ্ষৰ কাৰণে এক গৌৰৱ। সেই গৌৰৱ বৈষ্ণৱ মাৰ্গক মহাপুৰুষ শংকৰদেৱে সভক্তিৰে হৃদয় গামোচাত টোপোলা বান্ধি আনি অসমত মেলি দিয়ে। বৈষ্ণৱ ধৰ্ম সমগ্ৰ অসমত ব্যাপক ৰূপ ধাৰণ কৰে। অসমীয়া সমাজখনক সজাই-পৰাই চাবলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আছিল একান্ত ইচ্ছা। তেওঁৰ ইচ্ছা পূৰণো হৈছিল। সেয়ে অসমৰ মাটিত সত্ৰ নামঘৰ প্ৰতিষ্ঠা কৰি এক ধৰ্মীয় জ্ঞান-মাৰ্গ প্ৰতিষ্ঠা কৰিছিল। অসমীয়া সমাজ জীৱন, সভ্যতা আৰু সংস্কৃতিয়ে ভাৰতৰ মাটিত এক নতুন অধ্যায়ৰ সৃষ্টি কৰিবলৈ সমৰ্থ হয়।

তাল-খোল, মৃদং, ডবা-কাঁহ, ঘণ্টাৰ ধ্বনি আৰু হৰিনামৰ জাউৰিয়ে অসমৰ গাঁও-ভুঁই একো একোখন পবিত্ৰ তীৰ্থ স্থানলৈ পৰিবৰ্তন কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে, এনে এটা ধৰ্ম আজি অসম ভূমিত বহুখিনি ম্লান পৰাই নহয় সংকোচনো ঘটিল। আগৰ ৰামো নাই অযোধ্যাও নাই বোলাৰ দৰে আজি বৈষ্ণৱ ধৰ্মৰ শাসন, অনুশাসন আৰু ধ্যান-ধাৰণা বহুখিনি সলনি হৈ গ'ল। ইয়াৰ বাবে অসমীয়া সমাজ-জীৱন দায়ী বুলি ক'লেই নিশ্চয় শুদ্ধ কোৱা নহ'ব. ইয়াৰ বাবে ধৰ্মগুৰু, সন্ত-মহন্ত, গোঁসাই এই সকলো কম বেছি পৰিমাণে জগৰীয়া বুলিব পাৰি। যি গোঁসাই বা ধৰ্মগুৰুৱে অসমীয়া ভক্তসকলক ধৰ্মোপদেশ বা জ্ঞান দিয়ে ৰাম বা কৃষ্ণক ঈশ্বৰ বুলি ক'বলৈ শিকায় সেইসকলৰ সতি-সন্ততি বা নাতি-পুতিয়ে ইংৰাজী ভাষাৰ বিদ্যালয়ত পঢ়ি পুৱাতে যীশু-খ্ৰীষ্টৰ গুণানুকীৰ্তন কৰা দেখা যায়। এইবোৰ দেখি শুনি ভক্তসকলৰ বহুতে নিজৰ ল'ৰা-ছোৱালীক পাশ্চাত্য শিক্ষাৰে শিক্ষিত আৰু দীক্ষিত কৰি তুলিবলৈ উঠিপৰি লাগিছে। ফলত সৰ্বসাধাৰণ মানুহ বিলাকৰ বৈষ্ণৱ গুৰুসকলৰ প্ৰতি অনাস্থা আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি পৌৰাণিক কালৰ অবিজ্ঞানসন্মত ৰীতি-নীতিৰ বাবেও মানুহৰ মনলৈ বৈষ্ণৱ ধৰ্মৰ প্ৰতি অনীহা ভাৱ অহা যেন লাগে। দেখা যায় বৈষ্ণৱ ধমৰ পৰা ওলাই গৈ খ্ৰীষ্টধৰ্মত দীক্ষিত হোৱা হাজাৰ বিজাৰ লোক আছে। নকৈ নোৱাৰো বৈষ্ণৱ ধৰ্মৰ পবিত্ৰ ধাম বৈকুণ্ঠ পুৰী আজি মাজুলীৰ অৱস্থা কি? এতিয়া মাজুলীত অসংখ্য বৈষ্ণৱ ধৰ্মৰ মানুহে খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈছে। আকৌ এই মাজুলীতে ত্ৰিশটাকৈ গীৰ্জাঘৰ নিৰ্মাণ কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি বাতৰি কাগজত পঢ়িবলৈ পাইছো। বিহ মেটেকাৰ দৰে বাঢ়িবলৈ ধৰা খ্ৰীষ্টান গীৰ্জাঘৰে সমগ্ৰ মাজুলীকে গ্ৰাস কৰিব এনে ধাৰণা হয়।


ব্ৰিটিছৰ ৰাজত্ব কালত খ্ৰীষ্টান বেপ্তিষ্ট মিছ্‌নেৰীসকলে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰে। নগাঁৱৰ আত্মাৰাম শৰ্মাই হৈছে প্ৰথমজনা ব্যক্তি যি খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰিছে। ব্ৰিটিছৰ ৰাজত্ব কালতে পাহাৰীয়া ৰাজ্যকেইখনত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ চেষ্টা কৰে আৰু এদিন সফলো হৈছিল। মেঘালয়, মিজোৰাম, নগালেণ্ড, অৰুণাচল আদি প্ৰদেশত থকা হিন্দুসকল ইতিমধ্যে খ্ৰীষ্টান ধৰ্মত দীক্ষিত হ'ল আৰু আজিও হৈ আছে। অসমত দিনক দিনে খ্ৰীষ্টান ধৰ্মত দীক্ষিত হোৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে। আমি কোনো ধৰ্মকে বেয়া বুলি ক'ব খোজা নাই। সকলো ধৰ্মই এক ঈশ্বৰ বিশ্বাসী। অৱশ্যে বৌদ্ধ ধৰ্মত বৌদ্ধ ধৰ্মাৱলম্বী লোকসকল ঈশ্বৰ বিশ্বাসী নহয়। তেওঁলোক জ্ঞানপ্ৰিয় আৰু মানৱ হিতৈষীহে। খ্ৰীষ্টান ধৰ্মত হিন্দু ধৰ্মৰ দৰে জাগ-যজ্ঞ অন্ধ বিশ্বাস আদি তুলনামূলক ভাৱে কম। এই ধৰ্মত খুব কম সময়তে অনুষ্ঠান সামৰা হয়। যেনে এটি উদাহৰণ Birth Day সময়ৰ সদ্-ব্যৱহাৰ আৰু অৰ্থৰ অপচয় নকৰাকৈ বহু সামাজিক কৰ্ম থাউকতে কৰা দেখা যায়। সেই একেবোৰ কৰ্মই বৈষ্ণৱ ধৰ্মত বহু সময় আৰু বহু মানুহৰ সমাগমৰ জৰিয়তে আজিৰ যুগত কৰ্মব্যস্ত মানুহে সকাম-নিকামবোৰ পালন কৰাটো অসম্ভৱ হৈ পৰিছে। এনে অসংখ্য কাৰণৰ হেতুকে সৰ্বসাধৰণ মানুহে নিজ ধৰ্ম ত্যাগ কৰি ক্ৰীষ্টান ধৰ্মত দীক্ষিত হৈছে। আজি খ্ৰীষ্টান ধৰ্মই অসম তথা ভাৰতত যি ব্যাপক সমাদৰ লাভ কৰিছে তাৰ মূলতে অসমীয়া সমাজ জীৱন আৰু ধৰ্মগুৰু, প্ৰচাৰক, গোঁসাই-মহন্ত তেখেতসকলে সময় উপযোগী সবল পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰাটো এটা প্ৰধান কাৰণ বুলি বিবেচনা কৰিব পৰা যায়।

অৱশ্যে কেৱল বৈষ্ণৱসকলেই খ্ৰীষ্টান ধৰ্মত দীক্ষিত হৈছে বোলাতো ঠিক উচিত নহ'ব। হিন্দু ধৰ্ম সম্প্ৰদায়ৰ অনেক লোকেও খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰিছে। এইদৰে এখন বিশাল অসমীয়া খ্ৰীষ্টান সমাজ গঢ়ি তুলিছে। ক্ৰীষ্ট ধৰ্মৰ যেন সূৰ্য উদয় হৈছে আৰু বৈষ্ণৱ ধৰ্মৰ সূৰ্য যেন অসমৰ পশ্চিম আকাশত মাৰ যোৱাৰ ইংগিত বহন কৰিছে। বৈষ্ণৱ ধৰ্মৰ লগত জড়িত থকা কৃষ্টি-সংস্কৃতি, দৰ্শন আৰু ৰীতি-নীতি ৰক্ষা কৰাটো আজি অসমীয়াৰ কৰ্তব্য। ই অসমীয়াৰ দায়িত্বও। 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব' বোলাৰ দৰে অসমৰ মাটিতে বৈষ্ণৱ ধৰ্মও মৈদামত পৰিণত হ'ব। সেয়ে আজি শংকৰদেৱৰ দৰে চিন্তাশীল মহানায়ক ধৰ্মগুৰু, ধৰ্মপ্ৰচাৰক আৰু সঁচা অৰ্থত সমাজপ্ৰিয় মানুহৰ অতিকৈ প্ৰয়োজন আছে।■



# আল্লা আৰু ক্ষমা

সংগীতা দে
স্নাতক তৃতীয় বৰ্ষ (শিক্ষা বিভাগ)




ক্ষমা আল্লাৰ এটি মহৎ গুণ। এই মহৎ গুণ নথকা হ'লে এই পৃথিৱীখন এক মুহূৰ্তৰ বাবেও তিষ্ঠি নাথাকে। কৰুণাময় আল্লাৰ মুহূৰ্তে মুহূৰ্তে নাফৰমানী কৰিছে তেওঁৰেই সৃষ্ট মানুহে। কত জুলুম-অত্যাচাৰ, নিৰ্যাতন, অন্যায়, অবিচাৰ, ব্যভিচাৰ কৰি আছে পৃথিৱীৰ বুকুত। পাপেৰে পৰিপূৰ্ণ এই পৃথিৱীৰ মানুহক ক্ষমাৰ চকুৰে নেদেখিলে মুহূৰ্ততে চাৰখাৰ কৰি দিলেহেঁতেন মানৱ জগতক। কিন্তু আল্লা ক্ষমাশীল। সেই কাৰণেই বৰ্তি আছে আমাৰ এই দুনিয়াখন। পৱিত্ৰ কুৰ্‌আনত আছে - আল্লাই ইচ্ছা কৰিলে পাপীসকলৰ পাপৰ কাৰণে সিহঁতক ধ্বংস কৰি দিব পাৰে।

পৱিত্ৰ কুৰ্‌আনত আৰু বৰ্ণনা কৰা হৈছে- 'আল্লা' তেঁৱেই - যিয়ে বান্দাসকলৰ তওবাহ (ক্ষমা প্ৰাৰ্থনা) কবুল কৰে আৰু তেওঁলোকৰ অসৎ কামবোৰ ক্ষমা কৰি দিয়ে। পৱিত্ৰ কুৰ্‌আনত আল্লা ক্ষমাশীল এই কথা বাৰংবাৰ বৰ্ণনা কৰা হৈছে।

অলপ চিন্তা কৰি চালে এই কথাটো অতি সহজেই উপলব্ধি কৰিব পাৰি যে, ক্ষমা এনে এটি গুণ যাৰ অবিহনে এই পৃথিৱীৰ অস্তিত্বই নাথাকে। দোষ কৰিলেই যদি শাস্তি দিবলগীয়া হয়, তাত ক্ষমাৰ কোনো অৱকাশেই যদি নাথাকে তেন্তে মানৱ জীৱন কিমান দুৰূহ হৈ পৰিব সেইটো চিন্তা কৰি যাব লাগে। দোষ কৰা আৰু শাস্তি দিয়া- এই দুটাই হৈ থাকিব মানুহৰ দৈনন্দিন কৰ্ম। স্বভাৱগত ভাৱে মানুহে দোষ কৰে, তাৰ কাৰণে যদি শাস্তিয়েই অনিবাৰ্য হয় - ক্ষমাৰ কোনো স্থলেই নাথাকে - তেন্তে মানৱ জীৱনৰ অৱস্থা কি হ'ব! আল্লাই পৃথিৱীখন সৃষ্টি কৰিছে, মানুহক সৃষ্টি কৰিছে, এইবোৰ তেওঁৰেই কৃপা মাথোন। কিন্তু মানুহে চিন্তাই নকৰে। এইবোৰ কথা ভাবিয়েই নাচায়। মুহূৰ্তে মুহূৰ্তে আল্লাৰ নাফৰমানী কৰিয়েই আছে। কিন্তু আল্লাই ক্ষমাৰ চকুৰে চাই গৈ আছে, ধৰা নাই। সেয়ে বাছি আছোঁ আমি, বাচি আছে এই পৃথিৱীখন।

আল্লাৰ সেই ক্ষমা গুণেৰে গুণবান হ'ব লাগে মানুহ। সেয়ে ইছলামৰ দৃষ্টিত ক্ষমাৰ গুৰুত্ব অতি বেছি। মানৱ জীৱনত ক্ষমাৰ গুৰুত্ব প্ৰকাশ কৰিবলৈ গৈ পবিত্ৰ কুৰ্‌আনে কৈছে -


'তোমালোকে মাফ কৰি দিব লাগে আৰু মাৰ্জনা কৰি দিব লাগে। তোমালোকে নিবিচৰা নেকি যে আল্লাই তোমালোকক ক্ষমা কৰি দিয়ক। আল্লা অতি ক্ষমাশীল আৰু দয়াবান'।

মানুহে যদি আল্লাৰ ক্ষমা আশা কৰে তেন্তে, তেওঁলোকে নিজে ক্ষমা কৰিব লাগিব। পবিত্ৰ কুৰ্‌আনত দুঠাইত 'গ্বাফিৰ', পাঁচঠাইত 'গ্বাফ্‌ফাৰ', সিমানবোৰেই 'আফুওৱুন' আৰু সত্তৰতকৈও অধিক আয়াতত 'গ্বাফুৰ' শব্দ ব্যৱহাৰ কৰা হৈছে। আটাইকেইটা শব্দৰ অৰ্থ হ'ল আল্লাহ ক্ষমাশীল, অতি ক্ষমাশীল আৰু অধিক পৰিমাণে মাৰ্জনাকাৰী। আল্লাৰ ক্ষমাগুণৰ কথা পৱিত্ৰ কুৰআনত বাৰে বাৰে উল্লেখ কৰাৰ উদ্দেশ্য হ'ল - মানুহৰ চৰিত্ৰ সাগৰত ক্ষমাৰ ঢৌ সৃষ্টি কৰা। মানুহৰ জীৱনত ক্ষমা গুণৰ বিকাশ সাধন কৰা আৰু মানুহক ক্ষমা আৰু মাৰ্জনাৰ আধাৰত নিজৰ জীৱন গঢ়ি তোলাৰ বাবে উদ্বুদ্ধ কৰা। জালীম-অত্যাচাৰীৰ পৰা নিৰ্যাতিত মানুহৰ প্ৰতিশোধ লোৱাৰ অধিকাৰ আছে। প্ৰতিশোধে ন্যায় বিচাৰ কৰে; কিন্তু সমস্যাৰ সমাধান কৰিব নোৱাৰে। বৰং বহু ক্ষেত্ৰত জটিলতাৰহে সৃষ্টি হয়; নতুনকৈ বহু সমস্যাৰ উদ্ভৱ হয়। দোষ কৰা জনক সংশোধিত হোৱাৰ সুযোগ প্ৰদান কৰা উচিত।■

# মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ উন্নয়নত ভি পি জয় সমিতিৰ অৱদান

নিৰ্জুমণি চাংমাই
সহকাৰী গ্ৰন্থাগাৰিকা

ভাৰতবৰ্ষত আজিলৈকে গঠিত প্ৰতিটো শিক্ষা আয়োগৰ প্ৰতিবেদনতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহত একোটা গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি আহিছে। আজিৰ তথ্য বিস্ফোৰণৰ যুগত মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত উচ্চ শিক্ষাৰ মূল উদ্দেশ্য আহৰণৰ পথত আশানুৰূপভাৱে গ্ৰন্থাগাৰসমূহে অৰিহণা যোগোৱাৰ ক্ষেত্ৰত বহু বাধাৰ প্ৰাচীৰৰ সন্মুখীন হ'ব লগা হৈছে। দুৰ্যোগৰ এই দিনবোৰত ১৯৫৬ চনত জন্ম হোৱা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা বিভিন্ন শিতানৰ ধনে যোৱা পাঁচটা দশকজুৰি গ্ৰন্থাগাৰসমূহক সেৱা আগবঢ়াবলৈ উৎসাহ যোগাই আহিছে। ১৯৫৭ চনত গ্ৰন্থাগাৰ বিজ্ঞানী ডঃ এছ আৰ ৰংগনাথনৰ নেতৃত্বত গঠন কৰি দিয়া গ্ৰন্থাগাৰ কমিটিৰ জৰিয়তে পোন প্ৰথমবাৰৰ বাবে বিদ্যায়তনিক দিশত গ্ৰন্থাগাৰবোৰৰ উন্নয়নৰ চিন্তা চৰ্চা কৰাৰ বাট মোকলাই দিয়ে। এই কমিটিৰ পৰামৰ্শ অনুযায়ী বিশ্ববিদ্যালয়, মহাবিদ্যালয়, গ্ৰন্থাগাৰিক তথা বৃত্তিটোৰ লগত জড়িত অন্যান্য ব্যক্তিৰ দৰমহা আৰু পদমৰ্যাদাক শিক্ষকসকলৰ সমহাৰত দিয়াৰ ব্যৱস্থা কৰা হয়। সেইয়া আছিল সামগ্ৰিক দিশত বিদ্যায়তনিক গ্ৰন্থাগাৰ সেৱাৰ উন্নতিকল্পে লোৱা পদক্ষেপ।



আনহাতে কেৱল মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ উন্নয়নৰ ক্ষেত্ৰত লোৱা পদক্ষেপ হিচাপে ভাৰতত একমাত্ৰ কেৰেলা চৰকাৰৰ অগ্ৰণী ভূমিকালৈ আঙুলিয়াব পাৰি। পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া শ্ৰী ভি পি জয়ৰ নেতৃত্বত ১৯৯৩ চনত মহাবিদ্যালয় গ্ৰন্থাগাৰৰ কাম কাজৰ নিৰীক্ষণ কৰি উপযুক্ত পৰামৰ্শ আগবঢ়াবলৈ ৰাজ্যিক পৰ্যায়ত এক বিশেষজ্ঞ কমিটি গঠন কৰি দিয়া হয়। তেতিয়াৰ কেৰেলা চৰকাৰৰ মহাবিদ্যালয় শিক্ষা সঞ্চালক এই গৰাকী বিষয়াক আহ্বায়ক হিচাপে লৈ গঠিত ন-জনীয়া এই কমিটিয়ে ১৯৯৪ চনৰ ২২ নৱেম্বৰত মহাবিদ্যালয় গ্ৰন্থাগাৰ সেৱাৰ উন্নতিকল্পে এক বিস্তৃত পৰামৰ্শৱলী আগবঢ়ায় আৰু ৰাজ্য চৰকাৰৰ ফালৰ পৰা এইবোৰৰ কাৰ্য্যকৰীকৰণৰ বাবে নিৰ্দেশ জাৰি কৰা হ'ল। কমিটিখনে মহাবিদ্যালয় গ্ৰন্থাগাৰ সেৱাৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে দায়ী বুলি কাৰককেইটামান চিনাক্ত কৰে। তাৰ ভিতৰত পাঠদানৰ কিটিপ্ উপযুক্ত আৰু উন্নতমানৰ কিতাপ যোগানৰ অভাৱ, গ্ৰন্থাগাৰ সেৱাৰ বিষয়ে অজ্ঞতা, আচবাব-পত্ৰ আৰু স্বাভাৱিক পৰিবেশৰ অভাৱ আৰু কাৰ্য্যপ্ৰণালীত থকা আসোঁৱাহ কিছুমানৰ কথা উল্লেখ কৰিব পাৰি। উপৰোক্ত কাৰকবোৰ দূৰীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শৱলীৰ অধ্যয়ন আৰু সঠিকভাৱে কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা কৰিব পাৰিলে অদূৰ ভৱিষ্যতে মহাবিদ্যালয় গ্ৰন্থাগাৰ সেৱাৰ উন্নতি অনিবাৰ্য্য বুলি ভবাৰ থল আছে।

বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থাটোৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল শিক্ষক প্ৰেৰিত শিক্ষা (Teacher transmitted education)। এই শিক্ষা প্ৰণালীত শিক্ষকক এক নিৰ্দিষ্ট পাঠ্য তালিকাৰ অন্তৰ্ভূক্ত বিষয়ৰ ওপৰত পাঠদান কৰিবলৈ দায়িত্ব অৰ্পিত হয়, আৰু যিহেতু শিক্ষক এজনৰ উপযোগ্যতা বিবেচিত হয় ছাত্ৰসকলৰ পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰৰ ওপৰত। সেয়েহে তেওঁলোক বাধ্য হয় নিৰ্দিষ্ট পাঠ্যতালিকাৰ ওপৰত ভিত্তি কৰিয়েই পাঠদান কৰিবলৈ। আনহাতে স্মৰণশক্তিৰ ওপৰত প্ৰতিষ্ঠিত পৰীক্ষা প্ৰাণালীত ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা দক্ষতাৰ ওপৰত। সেয়ে এই ক্ষেত্ৰত ভি পি জয় কমিটিয়ে 'শ্ৰেণীকোঠাত শিক্ষকে টোকা দিয়াৰ বিপৰীতে ছাত্ৰসকলক নিজে টোকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ পত্ৰ দিয়াৰ ব্যৱস্থা কৰিলে গ্ৰন্থাগাৰত গৈ উপযুক্ত পুথি-পাজি খৰচি মাৰি অধ্যয়ন কৰাৰ লগতে অইন প্ৰসংগ পুথিৰ সহায় ল'ব পাৰিব আৰু আগলৈ পঢ়াৰ প্ৰতি আগ্ৰহ বঢ়াৰ উপৰিও প্ৰতিযোগিতামূলক মনোভাৱৰো বিকাশ হ'ব' বুলি পৰামৰ্শ আগবঢ়ায়।



মহাবিদ্যালয় গ্ৰন্থাগাৰ এটাৰ গুণগত দিশটো ইয়াৰ কিতাপ সংগ্ৰহৰ কৌশল, পঢুৱৈ হাতত কিতাপ তুলি দিয়া কাৰ্য্যপ্ৰণালী, গ্ৰন্থাগাৰ কৰ্মীৰ সেৱাৰ মনোবৃত্তি আদিৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে ভি পি জয় কমিটিয়ে মহাবিদ্যালয় গ্ৰন্থাগাৰৰ কিতাপ সংগ্ৰহৰ ক্ষেত্ৰত প্ৰাৰম্ভিক মূল সংগ্ৰহটো যাতে অইন কিতাপৰ তুলনাত মূল কিতাপৰ সন্তুলিত সংগ্ৰহ হয় সেই দিশতহে গুৰুত্ব আৰোপ কৰে। যিবোৰ মহাবিদ্যালয়ত ইতিমধ্যে এক বুজন পৰিমাণৰ কিতাপ আছে সেইবোৰত গ্ৰন্থাগাৰ কমিটিয়ে প্ৰতিবছৰে ভালদৰে মূল্যাংকনৰ বাবে পৰামৰ্শ আগবঢ়ায়।

গ্ৰন্থাগাৰত সংগ্ৰহৰ বাবে কিতাপ বাছনি কৰা এটা বৰ দায়িত্বপূৰ্ণ কাম। গ্ৰন্থাগাৰ এটাৰ মূখ্য উদ্দেশ্য সাধনৰ ক্ষেত্ৰত থকা কাৰ্য্য তালিকাবোৰৰ কৃতকাৰ্য্যতা বা অকৃতকাৰ্য্যতা নিৰ্ভৰ কৰে এই বাছনি প্ৰক্ৰিয়াৰ ওপৰত। ভাল কিতাপৰ বাছনিয়ে যেনেদৰে গ্ৰন্থাগাৰ এটাক জনপ্ৰিয় কৰি তোলে বেয়া কিতাপৰ (ব্যৱহাৰ নোহোৱা) বাছনিয়ে তেনেদৰেই গ্ৰন্থাগাৰৰ গৌৰৱ ম্লান কৰি তোলে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সংগঠিত কৰাৰ ক্ষেত্ৰটো কিতাপ বাছনিৰ প্ৰক্ৰিয়াটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহাবিদ্যালয় গ্ৰন্থাগাৰিকে বিভিন্ন ধৰণৰ কাকত, আলোচনী, গ্ৰন্থসূচী, গ্ৰন্থ সমালোচনা, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীত দৃষ্টি গোচৰ হোৱা কিতাপ আৰু গ্ৰন্থাগাৰ অনুমোদনৰ বাবে পঠিওৱা কিতাপৰ ওপৰত ভিত্তি কৰি মাহিলী তালিকা এখন প্ৰস্তুত কৰি নিব লাগে। পিছলৈ বিষয়ক্ৰমত বিভিন্ন বিভাগীয় মূৰব্বীলৈ ন-সংযোজন আৰু এসপ্তাহমানৰ ভিতৰতে সংশোধিত আৰু সংবৰ্ধিত তালিকাখন বিভাগীয় মূৰব্বীৰ পৰা ঘূৰাই পোৱাৰ পিছত গ্ৰন্থাগাৰত মজুত কিতাপৰ লগত মিলাই দুই বা ততোধিক কিতাপৰ নাম থাকিলে সেইবোৰক বাদ দি অনুমোদিত কিতাপৰ চুড়ান্ত তালিকাখন প্ৰস্তুত কৰিব লাগে। যথা সময়ত এই তালিকাখন গ্ৰন্থাগাৰ মন্ত্ৰণা কমিটিলৈ অনুমোদনৰ বাবে দাখিল কৰিব লাগে। এই দীঘলীয়া প্ৰক্ৰিয়াটোৱে অন্তত উক্ত তালিকাৰ পৰাই ক্ৰয় তালিকা প্ৰস্তুত কৰি গ্ৰন্থাগাৰিকে যোগনিয়াৰ অনুযায়ী অগ্ৰগণ্যতাৰ ভিত্তিত আদেশপত্ৰ যুগুতাই অধ্যক্ষলৈ প্ৰেৰণ কৰিব আৰু অধ্যক্ষই প্ৰচলিত চৰকাৰী নিয়ম নাইবা বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়ম অনুযায়ী কিতাপ পঠিয়াবলৈ দোকানীক আদেশ দিব। ভি পি জয় কমিটিয়ে আগবঢ়োৱা কিতাপ বাছনি আৰু সংগ্ৰহৰ এই বিজ্ঞানসন্মত প্ৰক্ৰিয়াটোৰ সফল প্ৰয়োগে মহাবিদ্যালয় গ্ৰন্থাগাৰ সেৱাৰ উন্নতিৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ উপৰিও ভৱিষ্যত প্ৰজন্মৰ বাবে তথ্যৰ ভঁড়াল চহকী কৰাত সহায়ক হ'ব।

বৰ্তমানত অসমত মহাবিদ্যালয় গ্ৰন্থাগাৰিকসকলক ইতিমধ্যেই বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদিত শিক্ষকৰ সমহাৰত দৰমহা আদায় দিয়া হৈছে। গ্ৰন্থাগাৰ এটাত সৰ্বাংগসুন্দৰ ৰূপত গঢ় দিবলৈ লোৱা পৰিকল্পনাবোৰক বাস্তৱত ৰূপ দিবলৈ যাওঁতে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলোৰে সহায় সহযোগৰ প্ৰয়োজন আছে। সেয়েহে গ্ৰন্থাগাৰিক এজনে মহাবিদ্যালয়ৰ সাময়িক পৰিবেশৰ লগত নিজকে খাপ খুৱাই লোৱাৰ লগতে শিক্ষক কাউন্সিল, কৰ্মচাৰী গোট আদিৰ লগত চামিল হৈ শিক্ষক, কৰ্মচাৰী তথা ছাত্ৰ/ছাত্ৰীলৈ উপযুক্ত গ্ৰন্থাগাৰ সেৱা আগবঢ়াবলৈ যত্নবান হ'ব লাগে। গুণগত শিক্ষা আহৰণত যিহেতু তথ্য সৰবৰাহে নিৰ্ণায়কৰ ভূমিকা পালন কৰে সেয়েহে গ্ৰন্থাগাৰিকজনক মহাবিদ্যালয়ৰ সকলোবোৰ বিদ্যায়তনিক তথা প্ৰশাসনীক গোটত সভ্য কৰি ল'বলৈ ভি. পি. জয় কমিটিয়ে পৰামৰ্শ আগবঢ়ায়। গ্ৰন্থাগাৰ মন্ত্ৰণা কমিটি ৮ জনীয়া সদস্যৰে গঠন কৰিবলৈও পৰামৰ্শ দিয়ে য'ত মহাবিদ্যালয়ৰ অধ্যক্ষজন সভাপতি আৰু গ্ৰন্থাগাৰিকজন সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব। ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগ আদি প্ৰকাশৰ সুবিধা দিবলৈ ছাত্ৰ এজনক অধ্যক্ষই সদস্য হিচাপে বাছি ল'ব আৰু বাকী ৫ জন সদস্যক বিভিন্ন বিভাগৰ মুৰব্বীৰ মাজৰ পৰা পাল পাতি বাছি দিবলৈ অধ্যক্ষৰ ওপৰত দায়িত্ব ন্যস্ত থাকে। গ্ৰন্থাগাৰ মন্ত্ৰণা কমিটি গঠনৰ ক্ষেত্ৰত অসম চৰকাৰৰ শিক্ষা সঞ্চালকালয়ৰ সুকীয়া নিৰ্দেশনা আছে। গ্ৰন্থাগাৰৰ বিভিন্ন সংগ্ৰহৰ সদ্ব্যৱহাৰৰ জৰিয়তে পঢুৱৈ সমাজক উপকৃত কৰিবলৈ পঢুৱৈ ফ'ৰাম গঠন কৰি তাৰ জৰিয়তে গ্ৰন্থাগাৰিক দিৱস, ৰাষ্ট্ৰীয় পুস্তক সপ্তাহ, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস আদিত গ্ৰন্থাগাৰ আৰু কিতাপ সম্পৰ্কীয় বিভিন্ন ধৰণৰ প্ৰতিযোগিতা, কবিতা আবৃত্তি, শিল্পী-লেখক আদিৰ লগত মুখামুখি অনুষ্ঠান, আলোচনী চক্ৰ আদি অনুষ্ঠিত কৰিলেও গ্ৰন্থাগাৰৰ প্ৰতি সজাগতা বঢ়োৱাত সহায়ক হ'ব। প্ৰতিবছৰে শিক্ষাবৰ্ষৰ আৰম্ভণিতে গ্ৰন্থাগাৰিকৰ দ্বাৰা কমপক্ষেও পাঁচ ঘণ্টা সময় গ্ৰন্থাগাৰৰ বিষয়ে সূচনা দিবলৈ বক্তৃতা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই বক্তৃতালানিয়ে নৱাগত সকলোকে গ্ৰন্থাগাৰৰ বিষয়ে সম্যক জ্ঞান দিয়াৰ ওপৰিও পঠন সামগ্ৰীৰ শৃংখলা আৰু ব্যৱহাৰ নাইবা প্ৰসংগ পুথিত তথ্যৰ শৃংখলাৰ বিষয়েও জানিবলৈ সুবিধা দিব পাৰে।

আধুনিকীকৰণৰ ক্ষেত্ৰতো ভি. পি. জয় কমিটিয়ে যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। তথ্য প্ৰযুক্তিৰ প্ৰয়োগে দৈনন্দিন গ্ৰন্থাগাৰ সেৱাক ক্ষিপ্ৰতৰ কৰাৰ উপৰিও বহুমূলীয়া সময়ৰ অপচয় কমোৱাত সহায় কৰে। তথ্য সঞ্চালনৰ ক্ষেত্ৰত SOUL, LIBSYS, CBS/ISIS আদিৰ দৰে Software ৰ উচিত প্ৰয়োগৰ দ্বাৰা গ্ৰন্থাগাৰ সেৱাৰ উন্নতি কৰিব পাৰি। আজিকালি প্ৰায়বোৰ তথ্যৰ উৎসই CD-ROM, কেচেট, মাইক্ৰফিচ আদিত পোৱা যায় আৰু কম খৰচতে এইবোৰ গ্ৰন্থাগাৰত সংগ্ৰহ কৰিব পাৰি। সেয়েহে জয় কমিটিয়ে কিতাপ সংগ্ৰহৰ সকলো নীতি-নিয়মৰ ক্ষেত্ৰত উপৰোক্ত অনাপুস্তক সামগ্ৰী সাঙুৰি লৈ 'Document' শব্দটোৰ প্ৰয়োগত গুৰুত্ব আৰোপ কৰিছে আৰু INTERNET ব্যৱহাৰ কৰি INFLIBNET ৰ পৰা তথ্য আহৰণৰ সুবিধা গ্ৰহণত গুৰুত্ব দিয়াটো বাঞ্চনীয় বুলি বিবেচনা কৰে।

উপৰিউক্ত আলোচনাৰ পৰা এইটো স্পষ্ট হৈ পৰে যে মহাবিদ্যালয় গ্ৰন্থাগাৰ সেৱাৰ উন্নয়ন আৰু সংস্কাৰ সাধনৰ অৰ্থে কেৰেলা চৰকাৰে শ্ৰীভি. পি. জয়ৰ নেতৃত্বত গঠন কৰি দিয়া বিশেষজ্ঞ কমিটিখনৰ প্ৰতিবেদনে যথেষ্ট তাৎপৰ্য্য বহন কৰিছে।■

# প্ৰেমপত্ৰ

চয়নিকা কোঁৱৰ
স্নাতক দ্বিতীয় বৰ্ষ (শিক্ষা বিভাগ)

"অয়ে লব্ধ মে নেত্ৰ নিৰ্বাণম্" - হে দুৰ্দান্ত প্ৰেমিক দুষ্যন্ত, তুমি বাৰু নুবুজিলানে হঠাতে তুমি কেনে অজয়-অমৰ বাক্য এষাৰি উচ্চাৰণ কৰিলা? 'তোমাক দেখাৰ পাছত মোৰ চকুৱে নিৰ্বাণ লাভ কৰিলে' অৰ্থাৎ দৃষ্টিৰ তৃষ্ণা নিৰ্বাপিত হ'ল। ই জানো সম্ভৱ। এই জগতৰ কত সুন্দৰ বস্তু, নয়নাভিৰাম কত ৰমণীৰ দেহৰ লালিত্য তোমাৰ চাবলগীয়া আছে অথচ শকুন্তলাক দেখাৰ পিছত তুমি ঘোষণা কৰিলা- পৃথিৱীৰ সকলো বস্তু চোৱা হৈ গ'ল। এতিয়া মোৰ চকুৰ আৰু কোনো হাবিয়াস নাই"। শকুন্তলাজনী বাৰু কিমান ধুনীয়া? তাইৰ হাঁহিত চম্পা ফুল ফুলেনে? তাইৰ খোপাত আছে নে আবেলি আবেলি গোন্ধ? আচলতে শকুন্তলাক দেখাৰ লগে লগেই তোমাৰ হিয়াত অংকুৰিত হ'ল প্ৰেমৰ গজালি। 'লাভ এট ফাৰ্ষ্ট ছাইট'। প্ৰথম দৰ্শনতেই প্ৰেম, তোমালোক হ'লা মহাভাৰতৰ যুগৰ মানুহ। তেতিয়া ইংৰাজী ভাষাটো সেই দেশৰ মাটিত ভূমিষ্ঠই হোৱা নাই। অথচ তোমালোকে সফল কৰি তুলিলা সেই আপ্তবাক্য - লাভ এট ফাৰ্ষ্ট ছাইট! প্ৰেম! প্ৰেম আৰু প্ৰেম! প্ৰেমহীন জীৱনৰ মূল্যই বা আছে কি?

জীৱনৰ সৈতে প্ৰেমৰ সম্বন্ধ শেৱালিৰ সৈতে সুগন্ধৰ সম্বন্ধৰ দৰেই। শেৱালি ফুলিব আৰু তাৰ উন্মনা সুবাসে হিয়াত লহৰ নুতুলিব, এনে জানো হ'বলৈ পাৰে? কেতিয়াও নোৱাৰে। জীৱন আৰু প্ৰেমৰ কথাও একেই। সেই যে মহাবিস্ফোৰণটো সংঘটিত হৈছিল - যাৰ ফলত সৃষ্টি হ'ল এই পৃথিৱীৰ, প্ৰায় তেতিয়াৰ পৰাই এই জগতত প্ৰেমেও নিগাজিকৈ বাস কৰিবলৈ লৈছিল। আদ্যপ্ৰাণী সৃষ্টিৰ পৰাই প্ৰেমৰ গজালি লহপহকৈ বাঢ়ি আহিবলৈ ধৰে। নহ'লে এটা কোষৰ পৰা দুটা কোষ হ'বলৈ যাব কিয়?

সময়ে কঢ়িয়াই আনিলে প্ৰেমলৈ নতুন উপলব্ধি। হাতেৰে চুকি নোপাৱা কিবা এটাৰ অন্বেষণত নিমগ্ন হ'ল প্ৰেমিক-প্ৰেমিকা। হয়তু স্বৰ্গীয় কিবা এটা। ৰোমান্তিকসকলে প্ৰেমিকাৰ দেহৰ সুবাসৰ পৰিবৰ্তে মনৰ সুবাস ল'বলৈ আৰম্ভ কৰিলে। কত ডাণ্টে বিয়েট্ৰিছৰ অলক্ষিতে ৰচিলে ডিভাইন কমেডি। মাজত আকৌ এক অন্য জোঁকাৰণিত প্ৰেমৰ ভেটি কঁপি উঠিল। ফ্ৰয়ডে মনস্তত্ত্বেৰে দিলে এই জোকাৰ। লিবিডোৰ ধাৰণাৰে ব্যখ্যা কৰা হ'ল প্ৰেমৰ স্বৰূপ। আহ! কি সেই মৰ্মন্তুদ সত্য!

অৱশ্যে প্ৰেমৰ বাবে ইয়েই সৰ্বশেষ কথা হৈ নাথাকিল। একো এটা নোহোৱাকৈ প্ৰেমৰ গোপন ভূগোল গোপনে কঢ়িয়াই লৈ ফুৰাৰ প্ৰৱণতাও সময়ত উক দি উঠিল -

" প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি।
নিশব্দে ই বিচাৰি ফুৰে পোহৰৰ উৎস।
প্ৰেম আহে জোনাকৰ মিঠা শিহৰণখিনিৰ দৰে
প্ৰেম, মাথোন প্ৰেম। তাৰ পিছত .....
তাৰ পাছত আহে মন প্ৰাণ হৰি নিয়া



শব্দদ্বয়ৰ ব্যঞ্জনা বোধক প্ৰেম-পত্ৰ।
"বুজাব নোৱাৰো কিমান ৰাতি উজাগৰে
মই পাৰ কৰিছো। কত ৰাতি জোনাকৰ
পোহৰত তোমাৰ প্ৰেম-পত্ৰখন
বাৰে বাৰে পঢ়ি মই কান্দিছো।
কি তৃপ্তি! তাক জানো প্ৰেমিক প্ৰেমিকাক
কোৱাৰ প্ৰয়োজন হ'ব!

**ৰুক্মিণীৰ প্ৰেম পত্ৰ**

ৰুক্মিণীয়ে নিজৰ দেহৰ ৰক্তেৰে লিখা শ্ৰী কৃষ্ণ লৈ প্ৰেম-পত্ৰ-

"স্বস্তি শ্ৰীপৰমেশ্বৰ শ্ৰীশ্ৰী কৃষ্ণচৰণ সাৰোৰূহেষু;
স্বস্তি শ্ৰীপৰমেশ্বৰ সল সুৰাসুৰ বন্দিত পাদ,
পদ্ম-প্ৰপন্ন জনতাৰণ-নাৰায়ণ শ্ৰীশ্ৰীকৃষ্ণচৰণ সৰোৰূহেষু।

ৰুক্মিণ্যাঃ সহস্ৰ প্ৰণাম লিখনম্। শিৱমিহ নিবদনঞ্চ।" হে স্বামী ভিক্ষুকৰ মুখত তোমাৰ ৰূপ গুণৰ বৰ্ণনা শুনি কায়বাক্যমনে বিবাহৰ নিমিত্তে পতি হিচাপে তোমাকেই বৰণ কৰিছোঁ। এতিয়া পাপী শিশুপালে মোক বিবাহ কৰিবলৈ আহিছে। যেনেদৰে সিংহৰ ভাগ নিবলৈ লুকাই লুকাই শৃগাল আহে। তাকে দেখি হে স্বামী এই কথা বুজি নিজৰ দাসীক অতি শীঘ্ৰে পলুৱাই নিয়াহি প্ৰাণনাথ।

যদি ভাবিছো, তাই অন্তেষপুৰত থাকে মই কেনেদৰে লগ পাম' তেনেহ'লে উপায় কওঁ শুনা - স্বয়ম্বৰৰ আগদিনাখন মই ভৱানীৰ মঠলৈ যাম। সেই সময়তেই তুমি মোক হৰণ কৰি নিবা।

যদিহে তুমি হেলা কৰি মোক নিনিয়া তেতিয়া হ'লে তোমাৰ ওপৰত অভিমান কৰিয়েই মই প্ৰাণত্যাগ কৰিম। পাপী শিশুপালৰ ছাঁটোকো মই মোৰ ওপৰত আহিবলৈ নিদিও। এই কথা জানি দীনদাসীক হে নাথ উদ্ধাৰ কৰাহি।

তব চৰণ সাৰোৰূহে কিং বহু লেখ্যামিতি পত্ৰমিদম্।

ইতি, ৰুক্মিণী।

(শ্ৰীশ্ৰী শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটৰ আধাৰত)

এনে এখন চিঠি পোৱাৰ পাছত কোনো বল্লভে জানো থিৰেৰে থাকিব পাৰিব? কৃষ্ণইও নোৱাৰিলে। সমস্ত কণ্টক আঁতৰাই হৰণ কৰিলে ৰুক্মিণীক।

**শকুন্তলাৰ প্ৰেমপত্ৰ**

আকাশত জোনটো ইমান ডাঙৰকৈ ওলাইছে। আশ্ৰমৰ ফুলি থকা ফুলবোৰৰ পৰাও মন-প্ৰাণ উতলা কৰা সুবাস উৰি উৰি আহিছে। হৰিণাকেইজনী চঞ্চল হৈ পৰিছে প্ৰেমাস্পদৰ সান্নিধ্যত। অথচ শকুন্তলাই উশাহ ল'বলৈ পাহৰিছে। দুষ্যন্তক দেখাৰে পৰা জানো কি হ'ল। একোতেই মন নবহে। সকলোতেই কেৱল সেই সুদৰ্শন পুৰুষৰেই প্ৰতিচ্ছবি। কেনে সুঠাম বাহু বিস্তীৰ্ণ বুকু? চকুত যেন সনা আছে শাৰদী জ্যোৎস্নাৰ অযুত হাঁহি। কেনেকৈ দৰ্শন পাব সেই বাঞ্চিত পুৰুষৰ? প্ৰিয়ম্বদা আৰু অনুসূয়া সখীৰ বুজনিতহে তাইৰ মনলৈ আশাৰ ৰেঙণি উভতি আহিল। আৰু সখীৰ পৰামৰ্শক্ৰমে পদুমৰ পাতত নখেৰে শকুন্তলাই প্ৰেমপত্ৰ লিখিবলৈ আৰম্ভ কৰিলে -

হে নিৰ্দয়,

"তব ন জানে হৃদয় মম পুনঃ কামো দিবাপি ৰাত্ৰাৱপি।
নিৰ্ঘৃণ ওপতি বলীয়স্ত্বয়ি বৃত্তমনোৰথান্যঙ্গানি।"

তোমাৰ হৃদয়ৰ কি দশা হৈছে এই কথা মই নাজানো; কিন্তু এই কুমাৰীৰ শৰীৰৰ প্ৰতিটো অংগৰ সুখ তোমাৰ হাততেই অৰ্পিত হৈছে। দিবা-ৰাত্ৰি তোমাৰ ভাবনাতেই নিমগ্ন হৈ আছোঁ। প্ৰতি পলে পলে মই মদনৰ পীড়াত দহিব লাগিছোঁ।

মোৰ প্ৰত্যেক অংগই তোমাৰ সৈতে মিলিত হ'বলৈ ব্যাকুল হৈ পৰিছে। বাহুৱে আলিংগনৰ বাবে, নয়নে দৰ্শনৰ বাবে, কৰ্ণই বচনামৃত পান কৰিবৰ বাবে, নাসিকাই তোমাৰ মুখত সুগন্ধ ল'বৰ বাবে, ওঁষ্ঠদ্বয়ে তোমাৰ ওঁঠৰ মৃদু স্পৰ্শৰ বাবে লালায়িত হৈ পৰিছে। অথচ, হে নিৰ্দয়, এই কথাৰ প্ৰতি তোমাৰ কাণসাৰেই নাই! এনেদৰে জানো মই জীয়াই থাকিব পাৰিম?

ইতি - শকুন্তলা।"

প্ৰিয়ম্বদা আৰু অনুসুয়াৰ আগত নিজে লিখা প্ৰেমপত্ৰ পঢ়ি থাকোতেই মনে মনে দুষ্যন্ত; আহি উপস্থিত হ'লহি। শকুন্তলাই লিখা প্ৰেমপত্ৰখন দুষ্যন্তই শকুন্তলাৰ মুখেৰেই শুনিলে। দুষ্যন্ত ধন্য হ'ল!

**চাহজাহানৰ সেই অমৰ প্ৰেম পত্ৰখন**

আচালামু মমতাজ,

তোমাক যে কেতিয়াবা লগ পাম সপোনতো ভবা নাছিলোঁ। বহুতে কয় তোমাৰ হেনো মৃত্যু হৈছে। অৱশ্যে মই তেনেদৰে নাভাবোঁ। তুমি লক্ষ লক্ষ চাহজাহানৰ প্ৰাণত চিৰসেউজ হৈ জীয়াই আছা। তথাপিও তুমি দুষ্প্ৰাপ্য। তুমি বিমূৰ্ত কিবা এটা। তোমাৰ প্ৰাসাদৰ ভিতৰলৈ সোমাই আহি মই নিজকে সম্ৰাট যেন অনুভৱ কৰিছোঁ। ইমান প্ৰেম আছিল সম্ৰাটৰ বুকুত? উন্মাদৰ দৰে তোমাক ভাল পাইছিল। তুমি আছিলা সম্ৰাটৰ নয়নৰ মণি। যুদ্ধ অথবা শান্তি কোনো ক্ষণতেই সম্ৰাট তোমাৰ পৰা আঁতৰি যোৱা নাছিল। তুমিও সম্ৰাটক উপহাৰ দিছিলা চৈধ্যটা সন্তান। শেষৰ সন্তানটোৰ প্ৰসৱ কালতেই তোমাৰ কায়িক মৃত্যু হ'ল। অৱশ্যে এইবোৰ সকলোৱেই জনা কথা। আজি মই আহিছো তোমাৰ পৰা এটা গোপন কথা জানিবলৈ। সম্ৰাটে কেতিয়াবা তোমালৈ প্ৰেমপত্ৰ লিখিছিলেনে? প্ৰেমপত্ৰ?

ঃ লিখিছিল। কিন্তু সেই পত্ৰ মোৰ মৃত্যুৰ পাছতহে লিখিছিল।

ঃ লিখিছিল? তাকো তোমাৰ মৃত্যুৰ পাছত; কি কোৱা এইবোৰ?

ঃ কিয় তুমি সেই পত্ৰ পঢ়া নাই? এবৈশ বছৰ জোৰা সাধনাৰে লিখিছিল সেই পত্ৰ। তাৰ ৰং শুভ্ৰ- সমুজ্জ্বল। তোমাৰ দেশৰ গায়কেইতো সেই পত্ৰৰ ৰস বিয়পাই দিছে দৰদী কণ্ঠেৰে-

"কঁপি উঠে কিয় তাজমহল ... "

ঃ অ' তুমি তাজমহলৰ কথা কৈছা?

ঃ ওঁ ইয়াতকৈ বাৰু শ্ৰেষ্ঠ প্ৰেমপত্ৰ কিবা হ'ব পাৰেনে? এইখনেই পৃথিৱীৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ প্ৰেমপত্ৰ। ইয়াৰ বাবেই আজি মই মৰিও অমৰ।

ধন্যবাদ মমতাজ।-

**মৃণালিনীলৈ ৰবীন্দ্ৰনাথৰ প্ৰেম পত্ৰ**

কবিগুৰুৰ হৃদয় প্ৰেমেৰে পূৰ্ণ। সেই বাবেই তেওঁ মৃণালিনীলৈ বহুকেইখন প্ৰেমপত্ৰ লিখিছিল। সেই প্ৰেম আজি সাগৰৰ দৰেই গভীৰ। বাংলাত লিখিত বহুকেইখন চিঠিৰ ভিতৰত এখন অসমীয়াত অনুবাদ তলত উদ্ধৃত কৰা হ'ল।

ভাই ছুটি,

আজি একেদিনাখনেই তোমাৰ দুখন চিঠি পাই বৰ সুখী হৈছোঁ। কিন্তু ইয়াৰ উপযুক্ত প্ৰতিদান দিবলৈ অৱসৰ নাই। আজি বোলপুৰলৈ যাব লাগিব। দেউতাক মোৰ লিখনি পঢ়ি শুনাইছোঁ। তেওঁ দুই এটা কথা সংযোজন কৰিবলৈ কৈছে। সেইবাবহে এতিয়া কিছুসময় বহিব লাগিব আৰু এঘণ্টামান সময় মাত্ৰ হাতত আছে... মোক সুখী কৰিবলৈ তুমি বিশেষ কোনো চেষ্টা কৰিব নালাগে। আন্তৰিক ভালপোৱাই যথেষ্ট। অৱশ্যে আমাৰ দুজনৰ পৰস্পৰৰ সকলো কাৰ্য আৰু ভাবনাত যদি সহযোগ থাকে খুব ভাল হয়। কিন্তু সেয়া কাৰো ইচ্ছায়ত্ত নহয়। যদি তুমি মোৰ লগত সকলো ধৰণৰ বিষয় সকলো ধৰণৰ শিক্ষাতে যোগ দিব পাৰিলাহেঁতেন- মই অত্যন্ত সুখী হলোহেঁতেন- মই যি কথা জানিবলৈ খোজো সেই কথা তোমাক

জনাবলৈ পাৰিলে - মই যি শিকিবলৈ বিচাৰোঁ তুমিও মোৰ সৈতে শিকিলে বৰ সুখী হয়! তোমাৰ পৰা নিলগত মই কোনো বিষয়তে আগবাঢ়ি যোৱাৰ ইচ্ছা নকৰোঁ। কিন্তু জোৰ কৰি তোমাক বাধ্য কৰাবলৈ মোৰ শংকা হয়। সকলোৰেই স্বতন্ত্ৰ ৰুচি, অনুৰাগ আৰু অধিকাৰৰ বিষয় আছে- মোৰ ইচ্ছা আৰু অনুৰাগৰ সৈতে তোমাৰ সমস্ত প্ৰাকৃতিক সম্পূৰ্ণভাৱে মিলাবৰ ক্ষমতা তোমাৰ নিজৰ হাতত নাই - সদ্যহতে মই সেই সম্বন্ধে তিলমাত্ৰও দ্বিধাবোধ নকৰি ভালপোৱা আৰু যত্নৰ দ্বাৰা মোৰ জীৱনক মধুৰ কৰিবলৈ তথা আনাৱশ্যক দুখ-কষ্টৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে সেই চেষ্টা মোৰ পক্ষে বহুমূলীয়া হ'ব। (কলিকতা, ডিচেম্বৰ ১৯০০)

ৰবি-

**মমতাৰ চিঠি**

হেম বৰুৱাৰ মমতাজনী বৰ দুৰ্ভগীয়া। তাইৰ দেহৰ পৰা মাহ-হালধিৰ গোন্ধ আঁতৰিছে যদিও মনত তাইৰ এতিয়াও জেতুকাৰ বোল লাগিয়েই আছে। কিমান দিনৰনো কথা? সাত বছৰ আগতে মাত্ৰ তাইৰ যৌৱনলৈ নামি আহিছিল পূৰ্ণতা। প্ৰিয়তমৰ 'কঁহুৱা ফুল' আঘাতত মুকুলি হৈছিল তাইৰ যৌৱনৰ দুৱাৰ। সিদিনা আছিল কাতিৰ কুঁৱলি সনা এটা কোমল পুৱা। পদূলিত তলসৰা শেৱালিবোৰ উপচি আছিল। অচিন পখী এটাই জুৰিছিল নাম নজনা এটা গীতৰ সুৰ। সেই সুৰতে বুজা যায় এইয়া ব'হাগৰ বতৰা; কিন্তু নিয়তি বৰ নিষ্ঠুৰ। মমতাৰ সকলো মৰম নেওচি এদিন প্ৰিয়তম গুচি গ'ল এক অজান দেশলৈ। মমতাক দি গ'ল এটা প্ৰেমৰ উপহাৰ- বাবুল। মমতাই সপোন দেখিছিল, এদিন প্ৰিয়তম আহিব, আহি তাইৰ উঠন বুকুত কাণ থৈ শুনিব ফুল ফুলাৰ গান। সেয়ে তাই চিঠি লিখে প্ৰিয়তমলৈ এনেদৰে

মৰমৰ-

এয়া মম এডাল জ্বলাই লৈছো। আজি বহুত দিনৰ
মূৰত তোমালৈ চিঠি লিখোঁ বুলি। বাহিৰত উৰুঙা
বতাহজাকে
মমডাল আহি কোবাইছেহি। চাওঁ খিৰিকীখন জপাই দিওঁ ...
.....
আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ
আমাক যে
বিছিয়াই মাতিছিল তৰাৰ দেশলৈ। ...
মই লোৱা কঁকালৰ ৰঙা ৰিহাখনলৈ তুমি বাৰু
তেনেকৈ
কিয় একেথৰে চাইছিলা?
মোৰ কেনে লাগিছিল, জানা? তুমি যেন কেনিবা দূৰ
বিদেশৰ স্বপ্নাতুৰ আলোক মানুহ ....
.....
.....
আৰু কি লিখিম? বিশেষ একো নাই। মোৰে
শপত,
তুমি যিদিনা উলটি আহিবা, মোক আগতীয়াকৈ
জনাবা দেই। মই ভোগদৈয়েদি ভটিয়াই গৈ বুঢ়া লুইতৰ
বুকুৰ পৰা তোমাক বিছিয়াই মাতিম, তুমি যিদিনা
উলটি আহিবা। মোক আগতিয়াকৈ জনাবলৈ
নেপাহৰিবা দেই।
মৰম ল'বা। ইতি-
তোমাৰ মমতা।

লাহে লাহে ৰুক্মিণীয়ে লিখা শ্ৰীকৃষ্ণলৈ বুলি, শকুন্তলাই দুষ্যন্তলৈ লিখা, চাহজাহানে লিখা সেই অমৰ প্ৰেমপত্ৰবোৰ যি প্ৰেমপত্ৰই কঠিনকো তৰললৈ পৰিবৰ্তন কৰিব পাৰিছিল সেই প্ৰেমপত্ৰ আৰু তেনে প্ৰেম আজি হৈ পৰিছে কৃত্ৰিম।

যেনে-

মৰমৰ

আকাশ, সিদিনাখন তোমালৈ মোৰ ইমানযে খং উঠিছিল। ভাৰ্ছিটি উইক হ'ল বুলিয়েই তুমি এনেদৰে ব্যস্ত থাকিবা নেকি? তোমাৰ জীৱনত মোৰ কোনো গুৰুত্ব নাই নেকি? জানা মোৰ মন যায় তোমাৰ সৈতে পিঠিত পিঠি লগাই যেন বহি থাকিম কোনোবা ওখ পাহাৰত। কোনো দামী ৰেষ্টুৰেন্টত বহি প্ৰেমৰ কথা পাতি থাকিম সময়ৰ হিচাপ পাহৰি। তুমি যে কৈছিলা বাইকখন বিক্ৰী কৰি নতুন CBZ এখন ল'ম বুলি কেতিয়াকৈ লবা বাৰু? মোৰ যে ইম্মান মন গৈছে - CBZ ত উঠি দুয়ো উৰি ফুৰিবলৈ সন্ধিয়া। ... ২ বাজিল শুওঁ দিয়া। বহুত বহুত চুমা আৰু চুমাৰে-

তোমাৰ মাথোন তোমাৰেই
সীমা (জান)

মৰমৰ

জান,

হনুমান হোৱা হ'লে বুকু ফালি দেখুৱালোঁহেঁতেন আৰু তেতিয়া দেখিলাহেঁতেন মাথো তোমাৰেই নাম। অহ! ছুইট হাৰ্ট, I Love U So So Much, .... December ৰতে পাপাই CBZ এখন দিব বুলি কৈছে। তেতিয়া পাৰ্টি এটা দিম। তুমি তোমাৰ বান্ধৱীবোৰকো লৈ আহিবা। পৰহিলৈ তোমাৰ কলেজ আগত লগ ধৰিম আৰু তাৰ পৰাই অলপ ফুৰিবলৈও যাম। তোমালৈ বুলি বহুত মৰমৰ চুমা।

ইতি
মাত্ৰ তোমাৰ
আকাশ।

হাজাৰ আকাশৰ সীমা বগাই লিখা প্ৰেমপত্ৰ। সময়ে প্ৰেমৰ স্বৰূপ সলনি কৰিছে, অৱধাৰিত ভাৱে সলনি হৈছে প্ৰেম পত্ৰৰ স্বৰূপ। কোনোবাই প্ৰেমত পৰিছে দেহৰ সুখ বিচাৰি। আনহাতে এনে প্ৰেমিক-প্ৰেমিকাও আছে যাৰ বাবে দেহতকৈ প্ৰেমৰ মূল্য শতগুণে বেছি। তথাপিও সময় গতিশীল, লাহে লাহে প্ৰেমপত্ৰৰ সলনি ব্যৱহাৰ হৈছে Science এ নিৰ্মাণ কৰি উলিওৱা Mobile SMS, Net ইত্যাদি। আজিৰ প্ৰেমিকাই নঙলাৰ মুখত প্ৰেমিকে দিয়া প্ৰেমপত্ৰৰ অপেক্ষাত চাটি ফুটি কৰি নাথাকে। তথাপিও স্বীকাৰ কৰিবই লাগিব, এতিয়াৰ প্ৰেম আৰু প্ৰেমপত্ৰ (SMS ৰ যোগেদি দিয়া) যথেষ্ট Exposed। হয়তো এয়া সময়ৰেই আহ্বান।■



# বহুত বেদনা, অশ্রু মাথো এটোপি ...

ৰাকেশ গগৈ
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

সোণাক জোপাৰ খিলি খিলি পাতৰ মাজেৰে ক্ৰমশঃ হাবিৰ বনৰীয়া জোপোহাত সোমাই পৰা বঙচুৱা বেলিটো চাই আছে সি। পিছফালৰ এন্ধাৰজাক বহু দূৰৰ পৰা যেন আহি আছে। কেইটিমান ক্ষণ যোৱাৰ পাছতেই হয়তু পাবহি। ৰাতি ফুলা ফুলবোৰ, সাজু হৈছে ছাগে। বিষাদৰ বেদনাজাকেও পাহি মেলি উঠিব, ফুলবোৰ ফুলাৰ পাছতে ...

এজাক নিঁয়ৰ, এজাক নীৰবতা আৰু এজাককমান জোনাকীৰ তিৰ্‌বিৰ মৌনতাই বিষাদক যেন কৈ আছে কবিতাৰ ছন্দেৰে ...

"এআকাশ এন্ধাৰৰ মাজত
তুমি কোন সখা?
নিথৰ সন্ধিয়াৰ বুকুত
অকলশৰে পদুলিমুৰত
কোন তুমি?
নাই জানো তোমাৰ দুখ-ভাগৰ?
অথবা নাইনে
কণমান জিৰণি লোৱাৰো হেঁপাহ?
আন্ধাৰৰ বুকুত
কিবা বিচাৰিছা?
কিবা পাবা?
কোন তুমি?
আন্ধাৰৰ মাজত অকলে সখা! ..."

বিষাদজ্যোতি সোমাই আহিল দীঘল পদুলিটোত চুটি চুটি কেইটিমান খোজ দি। চোতালৰ কাষৰ গোলাপজোপাই উচুপি উঠিল। গোলাপজোপা সি সদায় চাই, এবাৰ হ'লেও! আজি তাৰ মন যোৱা নাই। সি আজি আন্ধাৰ চাব, আন্ধাৰৰ ৰং চাব, দেহ-মন-হৃদয় সকলো জুখিব, তাৰ হৃদয়ৰ আন্ধাৰৰ স'তে। গোলাপজোপাই, হয়তু বুজা নাই তাৰ অভিমানী অশ্ৰুক! ...

মন ... অ' মন, কিবা কৰিছ ভিতৰত?

না, না ... বিশেষ একো কৰা নাই। - কবিমনো কিতো? ঘৰত আজি মাইতো নাইযে ধূপ এডালিৰো গোন্ধ নাই। তাকে অলপ গোন্ধ লওঁ বুলিহে ...।

ঠিকেই আছে দে, গধুলি পৰত ধূপ-ধুনা জ্বলাব লাগে। আনটোনো কি মনটোকে ভাল লাগে দেচোন।

হয় দেই, কথাযাৰ কিন্তু ঠিক। বাবতু আছে?

এ' আছে আছে, নাথাকিনো ক'ত যাব? পিছে তোৰ মাইতনো ক'লৈ গ'ল?

মাহী-মহাৰ ঘৰলৈ গ'ল। বহুদিন যোৱা নাই বোলে। ভাই-বোৱাৰী দুটাও ভাড়াঘৰতে থাকে, ঘৰৰ পৰা সদায় অহা-যোৱা কৰিবলৈ অসুবিধা হয় যে ...

ঠিকেই আছে দে, তোৰ দেউতাৰৰ ওচৰলৈ আহিছিলোঁ অ', অলপ কথা আছিল। বেছি পৰ নবহো বুজিছ' আলহী এজন অহাৰ কথা আছে।

ৰব পেহা, অলপ বহক, চাহ একাপ খাই যাওক।

এ' আজি নাখাওঁ দে, বেলেগ এদিন আহিম, আজি অলপ লৰালৰি অ'।

ঠিক আছে হ'ব তেনে ...

বাহিৰলৈ ওলায় আন্ধাৰলৈ চাই ৰ'ল সি, পেহা যোৱাৰ ফালে। তিৰ্‌বিৰ এমুঠি জোনাকী আহিব নেকি? নাই, জোনাকী আজি নাই। আন্ধাৰজাক বৰ ডাঠ, বৰ গভীৰ, কিবা যেন এমুঠি নিষ্ঠুৰতাও ভাঁহি আছে, তেনে লাগে। কিন্তু বিষাদৰ হৃদয়ৰ আন্ধাৰজাকৰ লগত ফেৰ মাৰিব পৰা নাই। হৃদয়ৰ আন্ধাৰজাকৰ লগত আঁউসীৰ আন্ধাৰ জুখি-জুখি কেতিয়ানো সি ভিতৰ সোমাল, গমেই নাপালে। টেবুলৰ ওপৰত সযতনে থোৱা কবিতাৰ পাহিবোৰ বুকুৰ মাজত সাৱটি বহি ৰ'ল কাষৰ চকীখনত। কলমৰ মুখনি খুলি কিবা এটা লিখিলে সি। ধূসৰিত কিছুমান শব্দেৰে, ক্লান্ত এমুঠি অনুভৱেৰে, একাজলী বিবৰ্ণ-বিবস্ত্ৰ-বিদীৰ্ণ হেঁপাহৰ ছন্দেৰে মনক বুজাবৰ মানসেৰে ...

"মোৰ প্ৰায়বোৰ আগনিশাই
কিবা ভাবি ৰয় ...
মাজনিশাত অন্ত হয় সেই ভাবনাৰ
তাৰ পাছত ...
ক্লান্ত হৃদয়ৰ চাৰিওকাষে
অবলা উচুপনিৰ কিছু ধূসৰ সেমেকা শব্দ (!) ...
নিজানৰ মৌনতাত
আবেগে বিচাৰি যায়
হৃদয়ৰ দুৱাৰেদি
সেইবোৰ মৰম, সেইবোৰ ভালপোৱা
যিবোৰ কলিজাৰ দৰে,
কলিজাৰ তেজৰ দৰে ৰং ...।

কিন্তু,

বিবস্ত্র হৃদয়ৰ বিৱৰ্ণ ভালপোৱাই জানো পাব
কলিজাৰ ৰঙৰ দৰে সেইবোৰ ভালপোৱা?
সেইবোৰ মৰমৰ উম্?
অথচ নুবুজি অবলা ভালপোৱাই
আজিও ৰৈ আছে চোৰা
আন্ধাৰৰ ফাঁকে ফাঁকে জুমি
জোনাক কেতিয়া আহিব?
শেষনিশালৈকে অপেক্ষাৰেই
কেতিয়া আহিব
কলিজাৰ ৰঙৰ দৰে সেইবোৰ মৰম
সেইবোৰ ভালপোৱা
অথবা সেই প্ৰেম? ..."

বিষাদৰ ঘৰত মতা নাম মন। ওখনতো মন নামেৰেই পৰিচিত। বিষাদজ্যোতি বৰুৱা বুলি কলে গাঁওত প্ৰায় তাৰ লগৰবোৰেহে জানে। সৰুৰে পৰাই গাঁওৰ পৰা বাহিৰত থকাৰ কাৰণেই হয়তু বিষাদজ্যোতি নামটো অচিনাকী। কিন্তু মন বুলি কলে চিনি নোপোৱা হয়তু গাঁৱত নায়েই। সকলোৱে জানে তাক মন বুলি, মনৰ মনকো জানে সকলোৱে।

ঘৰখনত মন নবহে তাৰ। মাজে-সময়ে নয়ন, বিনয়, ৰাজহঁত আহি থাকে। দুই-এযাৰ পাতে, হাঁহে, স্ফুৰ্তি কৰে, খাই-বৈ যায়গৈ। কবিতাৰ খেলা প্ৰায়েই বহে তাত। আজি পিছে এটাও নাই, কিবা কামত ব্যস্ত ছাগে।

লাইটবোৰ অফ্ কৰি লাহেকৈ সি বিচনাত পৰিল। টোপনি নাহিলেও এনেয়ে পৰি থাকে, মৰহা আশাবোৰ লিৰিকি-বিদাৰি, ক্লান্ত হৃদয়ৰ বুকু মোহাৰি-মোহাৰি, ধূসৰিত হেঁপাহৰ অনুভৱৰ স'তে কবিতাৰ গুণগুণনি তুলি, এনেয়ে ...

স্মৃতাৰ ঘৰখনৰ কথা ভাৱে সি! কি কৰিছে মা-দেউতাই? কিবা অসুবিধা হৈছে নেকি? স্মৃতাৰ বিয়াৰ দিনাৰ পৰা মা-দেউতাই ছাগে বৰ নিঃসঙ্গতা অনুভৱ কৰিছে। কি কৰিব উপায়োযে নাই! ...

বহুত কথাই ভাৱে সি। অতীতৰ সোণোৱালী দিনৰ জোনালী পৃষ্ঠাৰ বুকুত ওলমি থকা ধূসৰ স্মৃতিবোৰ, পাহিৰে সৈতে সৰি পৰা আশাৰ ফুলকলিবোৰ, আৰু শত শত হাঁহিৰে গুঠা ছবিৰ কান্দোনৰ ৰূপ! বহুত স্মৃতি। বহুবোৰ ৰাতি একেৰাহে কটালে, এইবোৰ কথাই ভাৱি ভাৱি। আজি কণ্মান টোপনি আহি সাৱটি ধৰিলে তাক। টোপনিতো সি সপোন দেখি ৰ'ল ...

"স্মৃতা, তাই ঠিকেই আছে। তাইৰ তিনিবছৰীয়া
অনুৰাগ, সিও ঠিকেই। সি বেছ ধুনীয়া হৈ আছে,
ঘৰৰো সকলো ঠিকেই। স্মৃতা ঘৰলৈ আহিছে,
অনুৰাগৰ লগত। মা-দেউতাৰ বেছ স্ফুৰ্তি, আনন্দ।
স্মৃতাৰ মানুহজনৰ Office-ত কাম বহুত, আগত
এবাৰ চাৰিদিন Leave লোৱাৰ বাবে এইবাৰ Leave
নাপালে। তথাপিতো তাইক ঘৰত থৈ গ'লহি।
অনুৰাগে সুন্দৰকৈ খেলি থাকে, আমনি নাই, বৰ
মৰম লগা। তাক মামা বুলি ক'বলৈ, সি নিজেই
শিকাই লৈছে। সিও মামা বুলিয়েই কয়। কিন্তু
শিকোৱা নাই 'বিষাদ মামা' ক'বলৈ। নিশিকাই
সি!"

সপোনৰ অন্ত পৰিল। তাৰ পাছত আকৌ আহিল, তাৰ স্বপ্নিল যৌৱনৰ স্মৃতা! সি আকৌ ভাৱি ৰ'ল ...

সঁচাই স্মৃতা আহিছে নেকি? তাইক বহুত দিন লগ পোৱা নাই, চাবৰ হেঁপাহ আছে বুকুত। কেনে আছে তাই? ঠিকেই আছেতো? থাকক, তাই ঠিকেই থাকক! ...

সি মনে-প্ৰাণে কামনা কৰে স্মৃতাৰ সুখ, শান্তি, হাঁহি, আনন্দ আৰু শত শত ৰঙীণ, অথবা সেউজ আশাৰ পূৰ্ণতা! ...

সঁচাই কণ্মানো নাপালোঁ তাইৰ ভালপোৱাবোৰ! অথচ, তাইলৈ হৃদয়ত থকা ভালপোৱাবোৰ আজিও হেৰাই যোৱা নাই। যাবনে বাৰু? ওঁহো মই পৰা নাই। তাইলৈ থকা ভালপোৱাবোৰ হৃদয়ৰ পৰা দলিয়াই পেলাব নোৱাৰোঁ মই! ...

আন্ধাৰৰ গভীৰতা ক্ৰমশঃ কমিল। পোহৰৰ ৰেঙণি ওলাল। পুৱাৰ আকাশত প্ৰভাতী পক্ষীয়ে গীত জুৰিলে। খিৰিকিৰ ফাঁকেৰে এছাটি ৰ'দালি আহি তাৰ বিচনাত পৰিল। লাহেকৈ উঠি মুখ-হাত ধুই ললে সি। বাহিৰলৈ ওলাই চালে, আজি ৰ'দালিজাক বৰ সুন্দৰ লাগিছে। ৰ'দালিজাকক যেন তাৰ ক'বৰ মন যায়...

'তোমাক সুন্দৰ লাগিলেও কি হ'ব? তুমি মোলৈ কিবা এটা আনি দিছানে আজিলৈকে? একোতো অনা নাই! অন্তত এটা আশা, হেঁপাহ, অথবা এটি তপত সুখৰ হুমুনিয়াহ!"

তথাপিও, ৰ'দালিৰ কোমলতাৰ ওঁম লোৱাৰ মানসেৰে বাৰাণ্ডাৰ চকীখনতে বহি ৰ'ল, বুকুত ৰ'দছাটি লৈ।

Mobile ৰ Incoming tone ত Save কৰি থোৱা তাৰ ভাললগা জুবিনৰ কণ্ঠৰ গীতটোৱে হঠাৎ মৌনতা ভাঙি আৰ্তনাদ কৰি উঠিল ...

"কোমল মাটিত খোজ দিলে
ভৰিৰ চাপ থাকিবই
হেৰালেওবা প্ৰথম মৰম
সদায় মনত পৰিবই
অ' ... অ' ... ঐ সোণ
পাৰা যদি জ্বলাই দিবা
তুমি মোৰে চিঠিবোৰ
উৰি মিলি যাব
ডাৱৰৰ সতে ধোঁৱাবোৰ
সাৰি-মেলি পেলাই দিবা
মই বুলি ছুইবোৰ
গ'ল কথা গুছিল বুলি মোক এৰিবা
বেয়া সপোন বুলি মনতে ভাৱিবা
মনতে ভাৱিবা সকলো এৰিবা ...?"

অশান্ত কান্দোন এটাই তাৰ কাষ চাপিছিল যদিও স্মৃতাৰ মাকৰ নাম Mobile ৰ Screen ত দেখি অশ্ৰুবোৰ থমকি ৰ'ল চকুৰ ভিতৰতেই! সি যেন এপলক শান্তি বিচাৰি পাই স্মৃতাৰ মাকৰ নামত! ...

ওঁ মা ...
বেটা, তুমি উঠিলা?
উঠিলোঁ মা? কেনে আছে আপুনি? ঠিকেইনে?
ওঁ মই ভালেই আছোঁ।
দেউতাৰ ভালনে?
ওঁ ভালেই। তুমি ঠিকেই আছাতো?
ওঁ মোৰ ঠিকেই মা।
আজি ক'ৰবাত যাবা নেকি?

না, না ... বিশেষ Programme বনোৱা নাই। মা-দেউতা ঘৰত নাই, মাহীৰ ঘৰলৈ কালিয়েই গ'ল। এক সপ্তাহমান থাকিহে আহিব বোলে।

অ' ... তেনে ব'লা, আজি ফুৰি আহোঁগৈ?
কোনফালে যাব?
জুনৰ ঘৰলৈ যাম বুলি ভাৱিছোঁ।

ওঁহ বুকুখনত যেন কিবা এটাই খুন্দিয়াই থৈ গ'ল তাক! চক্ খাই উঠা মানুহৰ দৰে সি কৈ উঠিল ...

ওঁ.... ওঁ.... ঠিক আছে, মই অলপ পাছতেই গৈ আছো বাৰু। ...

নিৰ্লজ হেঁপাহবোৰ আকৌ আহি ৰ'ল তাৰ কাষত। জুনৰ ঘৰলৈ ...! ....!

স্মৃতা, সপোনত দেখিছিলোঁ তুমি আহিছা। কিন্তু এতিয়া দিঠকত আমিহে যাম তোমাৰ ঘৰলৈ। Call - এটা কৰি দিওঁ নেকি? নিজকেই যেন প্ৰশ্ন কৰি নিজেই উত্তৰ দিলে ... না, না মায়ে কৰিলেই ছাগে, হ'ব, এতিয়া নকৰোঁ! ...

বিষাদৰ বেদনাবোৰ অলপ সৰি পৰিল। যেন ডালতে পকি থকা জামুবোৰ থৰ্-থৰ্কৈ সৰিছে।

আজি স্মৃতাৰ ঘৰলৈ যাব। অকণমান চাব তাইক, হৃদয়খন অলপ হ'লেও শান্ত হব! ভালেই হ'ব, বহুদিনৰ পৰা তাইক চোৱাৰ হেঁপাহ আজি পূৰ হ'ব! হৃদয় পূৰ নহ'লেও চকু দুটাই অন্তত মেলাৰ পৰা চাই থকা মুখখন দেখি অলপ শান্তি পাব। হ'ব, এয়াই যথেষ্ট ... !

বিষাদৰ মনটো উৰা মাৰিলে অতীতৰ সোণোৱালী দিনৰ বুকুলৈ। ১৮/১৯ বছৰ বয়সৰ পৰা বিষাদে ভালপাই আছে স্মৃতাক! আজি ৩৮ বছৰৰ বুকুত উশাহ লৈছে সি। স্মৃতাক বিয়া দিলে, অথচ সি তাইকেই ভালপায়। তাৰ ভালপোৱাই বিচাৰে স্মৃতাৰ সুখ, শান্তি, হাঁহি, আনন্দ আদিবোৰ! ... কিন্তু ভালপোৱাৰ বিনিময়ত তাইৰ পৰা মাথো বিচাৰে কণ্মান ভালপোৱা! সি ভালপাই থাকিব স্মৃতাৰ ভালপোৱাক, তাইৰ হৃদয়ক, মৰমক! ... হয়তু এবাৰ মাথো শুনিব বিচাৰিব স্মৃতাৰ মুখৰ পৰা ... "বিষাদ, মই তোমাক ভালপাওঁ!" ... এইটো আশা, হয়তু এতিয়াৰ আশা নহয়, সেই তেতিয়াৰ যৌৱন বয়সৰ পৰাই বুকুত ওলমি আছে! অথচ অলপো সলনি হোৱা নাই এতিয়াও!

পূৰ হব জানো এইটো আশা তাৰ? হয়তু কবৰৰ মাজতো জিলিকি থাকিব, পূৰ নোহোৱাকৈয়ে!

স্মৃতা, তুমি সঁচাই নকবানে বিষাদক ভালপোৱাৰ ভাষা, শব্দ, বাক্য? তুমি তাক ভালপোৱাৰ কণ্মান সঁহাৰি দিছিলা, হয়তু ভুলতেই! কিন্তু বিষাদে সেইকণ সঁহাৰিকেই আলফুলে বুটলি, সাৱটি লৈছিল কিতাপৰ বুকুৰ পৰা, তুমি দিয়া কামনা পত্ৰৰ পৰা, তাৰ বুকুত, হৃদয়ত। তোমাৰ মনত নাইনে, কিতাপৰ সেই শেষ পৃষ্ঠাৰ কথা? তুমি আলফুলে, গোপনে লিখা সেই এটি বাক্যৰ কথা? তুমি কণ্মানো নাভাৱানে, কণ্মানো নুবুজানে বিষাদৰ হৃদয়ৰ হেঁপাহৰ কথা? তুমি আজি বহুত দূৰত তাৰ পৰা। কিন্তু, তাৰ হৃদয়ৰ কাষত মাথো তুমি, তাৰ হৃদয়ৰ মাজত মাথো তোমাৰেই অনুভৱ! অনুভৱে নিতৌ সঁজা ভালপোৱাৰ টৌবোৰত তোমাৰ নাম 'স্মৃতা'। আৱেগৰ খলকণিত নাচি উঠা প্ৰেমডলাৰ মাজতো মাথো তুমি, তোমাৰ অনুভৱ! তুমি জানো পাৰিবা, তোমাৰ অনুভৱক কাঢ়ি আনিব বিষাদৰ হৃদয়ৰ পৰা? পাৰিবানে, তাৰ হৃদয়ৰ পৰা মোহাৰি পেলাব তোমাৰ নাম? নোৱাৰা, নোৱাৰা স্মৃতা নোৱাৰা! তোমাৰ সেইকণ শক্তি নাই। তাৰ অনুভৱ, তুমি নোৱাৰা কাঢ়িব! কাৰণ, তাৰ যৌৱন-জীৱনৰ প্ৰথম প্ৰেম, ভালপোৱা তোমাৰেই অনুভৱত! ...

হাতৰ Mobile টো হঠাৎ কঁপি উঠাত সি ঘূৰি আহিল অতীতৰ পৰা। Mobile টো চাই দেখিলে Screen খন উজ্বল। এটা Message আহি ৰৈ আছে ...

1. Message received ... opening কৰি দেখিলে .. Sender "Priom".

My dear friend Bikhad, Ma-deuta ulai ase, 2mi olop hunkale ahiba. Ei just ma-e phone korisile ... by... P.M...

তাৰ ক্লান্ত চকুযুৰিৰ পৰা সেমেকা দুগালেদি একাজলী ধূসৰ অশ্ৰু বাগৰি গ'ল।! অশ্ৰুৰ মূল্য বিচাৰি বিচাৰি সি পালেগৈ শেষত, এমুঠি কবিতা যেন লগা শব্দৰ হেঁচা-ঠেলা ...

"হয়, কোনোবাই জোৰ দি
ভালপোৱা খুজিলেই
ভালপোৱা দিব নোৱাৰি,
জোৰ দি ক'লেই
কাৰোবাক ভালপাব নোৱাৰি! ...
কিন্তু,

তোমাক মই জোৰ দিছিলোঁ জানো ?
তোমাকতো মই জোৰ দিয়া নাছিলোঁ
তুমি ...
তুমি ভালপাওঁ বুলি লিখাৰ বাবেহে
মই ...
মই শুনিব বিচাৰিছিলোঁ
তোমাৰ মুখৰ পৰা এবাৰ..
"তোমাক ভালপাও।"....!

নোৱাৰিলা, নোৱাৰিলা স্মৃতা নোৱাৰিলা, তুমি কোনোদিন নোৱাৰিলা মোক বন্ধু নুবুলি, আৰু আৰু মইও নোৱাৰিলোঁ তোমাক বান্ধবী বুলিব। মই, মই সদায় তোমাকেই ভালপাই থাকিলোঁ স্মৃতা। তোমাকেই ... ! তোমাৰ হৃদয়ৰ কণমান ভালপোৱা পোৱাৰ হেঁপাহ আজি ২০ বছৰে হৃদয়ৰ পৰা মোহৰিব নোৱাৰিলোঁ! না- নোৱাৰিম স্মৃতা নোৱাৰিম। এৰাবাৰীৰ জপনা খুলি সদায় তোমালৈয়ে বাট চাই থাকিম। এদিন কবাহি .. 'বিষাদ তোমাক ভালপাও'!

ওলাই অহা চকুলো দুটোপি মোহাৰি মোহাৰি সি স্মৃতাৰ ঘৰলৈ বুলি ওলাই গ'ল। তাৰ সমস্ত আৱেগ, সহস্ৰ অনুভূতি, শ-শ অনুভৱ, হাজাৰ-হাজাৰ উচুপনিয়ে যেন সমদল সংগীত গোৱাৰ দৰে একেস্বৰে একেকণ্ঠে, একেই ভাৱত কৈ উঠিল ...

"স্মৃতা,
তোমাক ভালপোৱাতো মোৰ জানো ভুল ?
যদিও ভুল তেনে
মোৰ হৃদয়ৰ ভুল!
লোৱা মোৰ হৃদয়খন লোৱা
গৰকি ৰঙা ৰহটোপী উলিয়াই
মোককৈ দিয়া
মই হাঁহি-হাঁহি পাণ কৰোঁ ...
আৰু
তোমাক ভালপোৱাৰ বাবে
উপহাৰ বুলি লওঁ
এই পিয়লা ভালপোৱাৰ তেজ।
দিয়া স্মৃতা দিয়া,
লোৱা,
মোৰ হৃদয়খন লোৱা
গৰকি ৰঙা ৰহটোপি উলিয়াই
মোৰ দুহাতত তুলি দিয়া! " ...

চকুলোৰে কবিতাটো দুগালত লিখি সি যেন ক'ব ...
"স্মৃতা, পঢ়া ... তুমিটো মোৰ কবিতা পঢ়ি
বৰ ভাল পাইছিলা, এইটোও পঢ়া। হয়তু
ইয়েই মোৰ শেষ কবিতা!" ...

বিষাদজ্যোতি স্মৃতাৰ ঘৰৰ ওচৰ পালেগৈ। মা-দেউতাই আলিলৈকে চাই আছে, হয়তু তাকেই। মায়ে তাক দেখি সন্তুষ্টিৰ হাঁহি এটি মাৰিলে। হয়, স্মৃতাৰ Message ৰ দৰে মা-দেউতা ওলায়েই আছে। যাব, আজি বিষাদ যাব, স্মৃতাৰ ঘৰলৈ যাব! ... তাইক এবাৰ চাব সি! ...

স্মৃতাই দিয়া ৰুমালখন জেপৰ পৰা টানি উলিয়াই সি বিষাদৰ চকুহালি মোহাৰি ল'লে। স্মৃতাৰ ঘৰলৈ যাব! .. ! ... ■

## মহৎ লোকৰ বাণী

১। শ্ৰমেই সকলো সম্পদ আৰু সংস্কৃতিৰ উৎস। - এফ লাছেল।
২। তোমাৰ যদি আত্মবিশ্বাস আছে তেনেহ'লে লোকৰ সন্দেহলৈ ভয় নকৰিবা। তোমাৰ জয় অৱশ্যম্ভাৱী। - ৰুডিয়াৰ্ড কিপ্লিং।
৩। বলিষ্ঠ মনৰ পৰিচায়ক হ'ল অফুৰন্ত অনুসন্ধিৎসা। - ছেমুৱেল জন।
৪। মানুহক সাজ-পোছাকে ভদ্ৰ কৰি তুলিব নোৱাৰে। সৎ চিন্তা আৰু সৎ শিক্ষাৰ দ্বাৰাহে এজন প্ৰকৃত ভদ্ৰলোক হ'ব পাৰে। - মহাত্মা গান্ধী।
৫। পৃথিৱীৰ সকলোবোৰ মহৎ কামৰ মূলতে আছে এগৰাকী নাৰী। - লেমাৰষ্টীন।
৬। আনে তোমাক সহায় কৰিব নোৱাৰে, তুমি নিজেই নিজৰ সহায় হোৱা। - বুদ্ধদেৱ।





# মোৰ অনুভৱৰ কৰণিত 'এলপাইন ই'ক'

বাণী দেৱী
প্ৰাক্তন গ্ৰন্থাগাৰিকা

এটা সময়ত ধাৰণা আছিল গাঁওবোৰ ঈশ্বৰৰ আৰু নগৰবোৰ মানুহৰ সৃষ্টি, অতীজতে মানুহে গুহাত বাস কৰিছিল আৰু ভ্ৰাম্যমান আছিল। পাচত কৃষি কৰ্মৰ পাতনিৰ লগে লগে মানুহে গাঁও পাতি বাস কৰিবলৈ ধৰিলে। প্ৰকৃতিৰ বদান্যতাত, অনুপম প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত অতীতত ঋষি মুণি সকলে কুটীৰত বসবাস কৰিছিল, এটা সময়লৈকে নগৰ নাছিলেই, কালক্ৰমত প্ৰশাসনীয় কেন্দ্ৰ স্থানক ভিত্তি কৰি নগৰ স্থাপিত হ'ল। তাৰ পাচত লাহে লাহে যন্ত্ৰ সভ্যতাই মানুহৰ জীৱন ধাৰণত আমূল পৰিবৰ্তন ঘটালে, কালক্ৰমত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই পৃথিৱীখন সৰু কৰি পেলালে, সকলো ক্ষেত্ৰতে পৰিবৰ্তনে গা কৰি উঠিল।

সৌ সিদিনালৈকে 'ঘৰ' - বুলি ক'লে যি বুজা গৈছিল বা ঘৰৰ যি সংজ্ঞা আছিল সেই সংজ্ঞা আজি নাই বুলিব পাৰি। ঘৰ এটা সজা, ঘৰ সাজিলনে- বোলা কথাবোৰ যেন আজিৰ পটভূমিত মূল্যহীন হৈ পৰিছে। কিন্তু 'ঘৰ' বুলি ক'লে এনে এটা ধাৰণাই মনত থিতাপি লয়হি যে আগচোতাল, পিছচোতাল, কাতি বিহুত ৰোপন কৰা তুলসীৰ ভেটিৰে এখন ফুলনিবাৰী, এখন শাকনিবাৰী নহলে যেন ঘৰ বুলি ভাবিবই নোৱাৰি। অৱশ্যে আজি সেই 'ৰামো নাই অযোধ্যাও নাই' বুলি ক'ব পৰাৰ সময় আহি পৰিছে। কাৰণ গাঁৱৰ বাহিৰে নগৰ চহৰত ঘৰৰ এনে পৰিবেশ কমি আহিছে। অসম আৰ্হিৰ ঘৰেই অসমত আছিল যদিও আজিকালি লাহে লাহে মানুহে দুই-তিনিমহলীয়া ঘৰ সাজিবলৈ ল'লে। কিন্তু দেখা যায় যোৱা দুটামান দশকৰ পৰা অসমৰ মানুহৰো মাটি কিনি ঘৰ সজাৰ বিপৰীতে ফ্লেট কিনাৰ মানসিকতা গঢ় লৈ উঠিছে। গাঁওবাসীতকৈ নগৰবাসীৰ জীৱনধাৰণৰ মান উন্নত হোৱাৰ বাবে মানুহে নগৰমুখী হৈছে। ফলস্বৰূপে অসমতো নগৰবোৰত বৃহৎ আকাৰৰ অট্টালিকা গঢ়লৈ উঠিল আৰু মানুহৰ ফ্লেটৰ প্ৰতি হেপাঁহ বাঢ়িল।

এযাৰ কথা আছে শিশুৰ ঘৰখনেই প্ৰথম পঢ়াশালী। ল'ৰা-ছোৱালীৰ দৈহিক, মানসিক, আৱেগিক, সামাজিক, নৈতিক আদি দিশবোৰৰ বিকাশত ঘৰ খনে প্ৰভাৱ পেলায়। ল'ৰা-ছোৱালীৰ সুস্থ দৈহিক বিকাশৰ বাবে সুষম আৰু পুষ্টিকৰ খাদ্যৰ লগতে পৰিস্কাৰ পৰিচ্ছন্নতা, অংগ সঞ্চালনৰ উপযুক্ত সুবিধা, মুক্ত আৰু স্বতঃস্ফুৰ্ত খেলা-ধূলাৰ সুবিধা আৰু পৰিবেশ থকা ঘৰ এখনৰ ল'ৰা ছোৱালীৰ হে দৈহিক আৰু মানসিক বিকাশ সবল হয়।

ফ্লেটত ডাঙৰ দীঘল হোৱা আজিৰ নৱ প্ৰজন্মই এনে এটা মুক্ত পৰিবেশ নাপায় বুলি আমাৰ বহুতৰে এটা ধাৰণা আছে। বহুতৰে ধাৰণা ফ্লেটত ডাঙৰ হোৱা ল'ৰাছোৱালীৰ উপযুক্ত ভাবে শাৰিৰীক মানসিক বিকাশ নঘটে। কাৰণ এটা বন্ধ বাকচত সোমাই থকাৰ দৰেই ফ্লেটৰ এক আবদ্ধ জীৱন। পুৱাৰ উদিত সূৰ্য্যৰ পোহৰ, জোনৰ হাঁহি, মুকলি আকাশ, বতাহ এই সকলোবোৰৰ পৰাই তেওঁলোক বঞ্চিত হয়। আটাইতকৈ ডাঙৰ কথাটো হ'ল য'ত এখন সমাজ পোৱা নাযায়, একেলগে একেটা অট্টালিকাতে থাকিলেও কোনেও কাকো চিনি নাপায়, তথা কোনেও কাৰো লগত চিনাকী হোৱাৰো আগ্ৰহ নেদেখুৱাই। বিপদে সম্পদে সঁহাৰি জনাবলৈকো কাৰো ক'তো আহৰি নাথাকে গতিকে ফ্লেট যেন কেতিয়াও ঘৰ হ'ব নোৱাৰে। এনে এটা ধাৰণা মোৰ মনটো কিছুদিন আগলৈকে আছিল যদিও এদিন মই উপলব্ধি কৰিলো যে আমি কৰা সকলো ধাৰণা সদায় শুদ্ধ নহবও পাৰে।

হয় মই ক'ব খুজিছো বাঙ্গালুৰুৰ মাৰামাহলিৰ পৰা কে. আৰ. পুৰমলৈ যোৱাৰ পথত দুদ্‌নাকুণ্ডি এলেকাত থকা এটা এপাৰ্টমেণ্টৰ কথা য'ত আছে সাতশ পঞ্চাশটা ফ্লেট নাম যাৰ 'এলপাইল্ ই'ক' (Alpine Eco) আমি আছিলো চি. ব্লকৰ ৬০৩ (ছয়শ তিনি) নম্বৰ ফ্লেটত। প্ৰথম দিনা যেতিয়া তললৈ নামি গৈছিলো, সঁচাকৈয়ে অবাক হৈ পৰিছিলো। চব্বিছ ঘণ্টাই বিজুলী সৰবৰাহ হৈ থকা এই এপাৰ্টমেণ্টটোৰ মাটি কালি কিমান জনা নাছিলো যদিও আন্দাজ কৰিছিলো দীঘলে এহেজাৰ ফুট আৰু বহলে আঠশ ফুটমান হয়তো হ'ব তাৰ উপৰি মাজত এখন সেউজীয়া ঘাঁহনি, য'ত কন কন ল'ৰাছোৱালীবোৰে খোজ কাঢ়ি ফুৰিছিল। ঘাঁহনিৰ দুয়োপাৰে ৰঙা টাইল্‌চৰ মসৃণ চল্লিশ ফুট মান বহলৰ এটা আহল বহল পথ তাৰে গাতে লাগি আছিল পানীৰ এটা পকা নলা য'ত আছে পানীৰ ফোৱাৰা (fountain) যি নিশা লাইটৰ পোহৰত মনোমোহা হৈ পৰে।

আবেলি সময়খিনিত ল'ৰাছোৱালীৰ লগতে বহুতো মানুহে তললৈ নামি আহি মুকলি আকাশৰ তলত মসৃণ পথত খোজ কঢ়াৰ লগতে খেলাই খেলে, কথা পতাই কথা পাতে। সৰু ল'ৰাছোৱালীবোৰ নিজৰ নিজৰ চাইকেল লৈ খেলাত মতলীয়া হৈ পৰে। বিভিন্ন ভাষা-ভাষীৰ ল'ৰাছোৱালীবোৰে নিজৰ মাজত যেতিয়া ইংৰাজীত কথা পাতি বন্ধুত্বৰ এনাজৰী ডাল গঢ়ি তোলা দেখিছিলো তেতিয়া ভাব হৈছিল এনে পৰিবেশত থকা ল'ৰাছোৱালীৰ বুদ্ধি আৰু জ্ঞান নিশ্চয় বাঢ়িব। আমি তাত থকা দিনবোৰত আবেলি সদায় কিছু সময় খোজ কাঢ়িছিলো। তেতিয়া এটা কথা লক্ষ্য কৰিছিলো তাত গোট খোৱা সকলোৱেই পৰিস্কাৰ পৰিচ্ছন্ন আৰু পৰিপাটিকৈ সাজ-পাৰ কৰিছিল।

প্ৰপাৰ ড্ৰেছ কৰি অহাটো যেন তাৰ নিয়মানুবৰ্ত্তিতাৰ ভিতৰত পৰে। আমিয়ো খোজকঢ়াৰ বাবে "Sport Shoe" কিনিহে খোজ কঢ়া আৰম্ভ কৰিছিলো।

'এলপাইন ই'ক' - ত যেন নথকা একোৱেই নাই। সেউজীয়া বননি, সেউজীয়া গছ-গছনি, সাঁতোৰাৰ বাবে পুখুৰী, বালি-মাটিৰে পৰিপূৰ্ণ এডোখৰ ঠাই য'ত সৰু সৰু ল'ৰাছোৱালীয়ে 'বালি ঘৰ' সাজি আনন্দ পোৱাৰ লগতে মাটিৰ পৰশ অনুভৱ কৰিব পাৰে, তেনে ব্যৱস্থাও আছে।

প্ৰাৰ্থনাই মানুহক মানসিক শক্তি দিয়ে, পুৱা গধূলি পূজা-অৰ্চনা হোৱা এটা সুন্দৰ মন্দিৰ নিচেই সমীপতে নিৰ্মাণ কৰি দিয়াৰ বাবে প্ৰায়বোৰ মনুহেই গধূলি ওপৰলৈ উঠাৰ আগতে মন্দিৰত সেৱা জনাইছিল আৰু এক মানসিক তৃপ্তি লভিছিল। ইয়াত আছে বাস্কেটবল, বেডমিণ্টন, ভলীবল আদিৰ কৰ্ট, লগতে Indoor games ৰ সকলো সুবিধা তথা জিম্, এৰবিক, চোনাবাথ, ষ্টিমবাথ, লাইব্ৰেৰী আদি সকলো। এয়া যেন এপাৰ্টমেণ্ট নহয় এখন সৰু চহৰ। এইবোৰ দেখি মই মনে মনে সেইজন মানুহৰ দূৰদৰ্শিতাক প্ৰশংসা কৰিছিলো- যি জনে এনে এটা সপোন দেখি বাস্তৱত ৰূপায়ন কৰাৰ প্ৰয়াস কৰিলে।

তাত লগ পালো জীৱন-বৰ্ণালী, ঘন-পাৰিজাত, স্মিতা-ভাস্কৰ, হেমেন-লিপি, মনোজ-মৌচুমী, নবীন-পূজা, প্ৰবীৰ-জয়া, সঞ্চন দেবুহঁতক। একো একোখন ঘৰ, চহৰ নগৰৰ পৰা আহি ইয়াত তেওঁলোক একত্ৰিত হৈছেহি। হয়, কোনোবা আহিছে শিৱসাগৰৰ কোনোবা এখন গাঁৱৰ পৰা, কোনোবা মণিপুৰৰ বিষ্ণুপুৰীয়া সম্প্ৰদায়ৰ, কোনোবা যদি গুৱাহাটী মহানগৰীৰ কোনোবা বিশ্বনাথ চাৰিআলিৰ, কোনোবা গৌৰীপুৰিয়া, কোনোবা কিন্তু শলগুৰিৰ, কোনোবা কাৰ্বিৰ বোৱাৰী, কোনোবা বঙ্গৰ, কোনোবা বিহাৰৰ - কিন্তু সিহঁত আটায়ে আজি সহোদৰ ভাই-ককাইৰ দৰে। এটা আনটোৰ দুখত যেনেকৈ দুখী ঠিক তেনেকৈ এটাৰ সুখত সকলো সুখী সিহঁতৰ আচৰণ আৰু মিলাপ্ৰীতি দেখি মই অভিভূত হৈ পৰিছিলো আৰু ভাবিছিলো এইখন এখন বিদ্বান সমাজ।

ঘন নীল ফুকন, সহজে মানুহক আপোন কৰি ল'ব জনা বিহুৱলীয়া ঘনই বাঙ্গালুৰুৰ পথৰ ওপৰতে বিহুগাই সকলোকে অবাক কৰে কেতিয়াবা, গাঁৱৰ ল'ৰা, ভাল চাকৰি, দৰমহা বহুত, অথচ গপ ভেম নোহোৱা প্ৰয়োজনত সহায়ৰ হাত আগবঢ়োৱা সহজ, সৰল, এটা মুকলি মনৰ অধিকাৰী ঘন। পাৰিজাত ঘন নীল ফুকনৰ পত্নী, ছবি আঁকি বাহিৰত লাঞ্চ ডিনাৰ কৰি ভালপোৱা পাৰিজাত কিন্তু ভিতৰুৱা গাঁৱৰ বোৱাৰী, অসমলৈ আহিলে উদং ভৰিৰে গাঁৱৰ সামাজিক নীতি নিয়মৰ মাজেৰে বোৱাৰীৰ দায়িত্ব পালনেৰে সকলোকে আপোন কৰি লয় তাই। এইহাল মানুহক লগ পোৱাৰ পাচত ভাবিছিলো জীৱন উপভোগ কৰিবলৈ গৈ গুৰি শিপা ডালক কেতিয়াও পাহৰি যাব নালাগে। পৰিবেশৰ লগত খাপ খাব জনাটোও এটা কলা।

জীন-বৰ্ণালীৰ বিয়া হোৱা বেছি দিন হোৱা নাছিল তেতিয়া। লংস্কাৰ্ট পিন্ধি ওলাই অহা বৰ্ণালীক দেখি ভাব হৈছিল তাই বাৰু অসমত কি কৰে? কিন্তু পাচত জানিছিলো শাহু, শহুৰ আৰু শাৰিৰীক মানসিক ভাবে অসুস্থ দেওৰৰ সৈতে বৰ্ণালীৰ সংসাৰ খন বৰ্ণিল। জীৱনৰ জীৱনসঙ্গীহে অহা বৰ্ণালীয়ে হাঁহি, আবেগ আৰু মৰমৰ এনাজৰীৰে বান্ধি ৰাখিছে তাহাঁতৰ সংসাৰখন, তেতিয়া ভাবিছিলো অসমৰ প্ৰতিজনী ছোৱালীয়ে যেন জীৱন অনুভূতিৰে সুন্দৰ কৰি তুলিব পাৰে নতুন সংসাৰখন, ঘৰখন আৰু সমাজখন, য'ত থাকে সুখ, শান্তি আৰু আনন্দ।

নেপালী সম্প্ৰদায়ৰ ভাস্কৰ ভট্টৰায় আৰু স্মিতা, এজনী সৰু ছোৱালীৰে এখন সুখৰ সংসাৰ। কিন্তু পাছত জানিছিলো জীৱনৰ কোনো এটা বিপদ সংকুল মুহূৰ্তত দুৰ্ঘটনাত পতিত হৈছিল ভাস্কৰ, সেইদিনা হয়তো কোনেও ভাবিব পৰা নাছিল, ভাস্কৰো এনে এটা মধুময় জীৱনে অপেক্ষা কৰি আছিল। ভীষণ ইচ্ছা শক্তি, ডাক্তৰৰ চেষ্টা আৰু ভগৱানৰ কৰুণাৰ সংযোগত আজি আন ল'ৰাৰ দৰেই সুস্থ সবল পিতৃ। ভাস্কৰে যেন আমাক শিকালে ইচ্ছা শক্তিৰে কৰিব নোৱাৰা কাম একো নাই। সফলতাৰ আঁৰত সদায় ইচ্ছা শক্তি (Will Force) লুকাই থাকে। ইচ্ছা শক্তি আৰু আধ্যাত্মিক চিন্তা এটা টকাৰ দুটা পিঠি। ভাস্কৰৰ এই ইচ্ছা শক্তিৰ প্ৰভাব যেন সকলোৰে ওপৰত পৰিছিল এনে অনুভৱ হ'ল।

তাত লগ পোৱা মণিপুৰৰ জয়া প্ৰবীৰ, বিহাৰৰ নবীন পূজা, গৌৰিপুৰৰ মৌচুমী, বঙ্গৰ মনোজ, বৰপেটাৰ হেমেন মৰাণৰ লিপি এওঁলোক আটায়ে বিশেষ একোতাহঁত গুণৰ অধিকাৰী অথচ তাঁহাতৰে ক্ৰোধ, অহংকাৰ বা হিংসা একো নাই, সকলো যেন একেখন গাঁৱৰ ভাই-ককাই, কৰ্ম ব্যস্ততাই সদায় লগ হোৱাৰ আহৰি নিদিলেও সপ্তাহৰ শেষ দিন দুটাত আটায়ে প্ৰায়ে লগ হৈ ভোজ ভাত খাই, গানৰ আচৰ পাতে, লং ড্ৰাইভত যায় ইত্যাদি। এনেদৰে তেওঁলোকে সমাজখন গঢ়াৰ লগতে নৱ প্ৰজন্মৰ সুস্থ সবল মানসিক বিকাশৰ বাবে অহৰহ চেষ্টা চলাইছে।

এটা কথা ঠিক, আমাৰ অজ্ঞাতেই আমাৰ মনটোৰ, আমাৰ লগভাগবোৰৰ কথা-বাৰ্ত্তা আৰু ভাব চিন্তাৰ দ্বাৰা প্ৰতিদিনে প্ৰভান্বিত হয়। সেইবাবে সামাজিক জীৱনতো লগৰীয়া বাচনি সঠিক হ'ব লাগেষ কৰ্মতৎপৰতা আৰু উৎসাহী লগৰীয়াৰ লগত পৰিলে অকৰ্মন্য মানুহৰো মনৰ অলসতা দূৰ হয়। আমাৰ জীৱনটো যিমান পাৰি উজ্বলতৰ আৰু অধিক সুখদায়ক কৰিব পৰা লোকৰ লগতহে সম্পৰ্ক স্থাপন কৰিব লাগে। যি এযাৰ সাৰুৱা বা মন ভাল লগাব জনা কথা ক'ব জানে, ভাল চিন্তাৰ খোৰাক যোগাব পাৰে, সহানুভূতিৰে বিপদ আপদত সাহস দিব জানে, আনৰ আনন্দ আৰু ৰংৰহইচত ভাগ ল'ব পাৰে, মনত কৰ্তব্যবোধ জীৱন্ত কৰি তুলিব পাৰে, তেনেলোকৰ লগত উঠা বহা কৰা ভাল। এই এপাৰ্টমেণ্টত থকা দিনখিনিত ইয়াত লগপোৱা মানুহখিনিৰ মাজৰ বহুজনৰে এনেেৰ গুণ থকা কথাটো অনুভৱ কৰিছিলো।

তাৰোপৰি এই এপাৰ্টমেণ্টত থকা সকলো সা-সুবিধা আৰু পৰিবেশটোৱে মোৰ মনৰ মাজত সোমাই থকা ফ্লেটৰ ধাৰণাটো যেন সলনি কৰি পেলালে। মই ভাবিবলৈ বাধ্য হ'লো এনে প্লেটত ডাঙৰ হোৱা ল'ৰাছোৱালীৰ শাৰিৰীক মানসিক বিকাশত বাধা নপৰে। এপাৰ্টমেণ্টবোৰত মুকলিমূৰীয়া পৰিবেশ এটা থাকিলে 'জুইশলা বাকচ' ৰ দৰে ফ্লেটৰ পৰিবেশ বোলা কথাষাৰৰ অন্ত পৰিব আৰু আমাৰ ল'ৰাছোৱালীহঁতেও আমি তাহানিতে পঢ়া কবিতা ফাঁকি


"ঘৰে ঘৰে ৰং ধেমালিৰ হাট ঘৰে ঘৰে হাঁহি মুখ'
ঘৰে ঘৰে ভাল চেনেহা-চেনেহী ঘৰে ঘৰে দেখো সুখ" -

ৰ অৰ্থ বুজিবলৈ হয়তো অসুবিধা নহ'ব।■



# দিল্লী আৰু জয়পুৰৰ স্মৃতিৰ টুকুৰা

শিল্পীকা ভূঞা
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)





সৰুৰে পৰাই মোৰ আগ্ৰাৰ তাজমহল দৰ্শন কৰাৰ লগতে ৰাজধানী চহৰ দিল্লী ফুৰাৰ সপোন আছিল। ইমান সোনকালে যে এই সপোন এদিন মোৰ বাস্তৱত ৰূপায়িত হ'ব এই কথা মই কল্পনাই কৰিব পৰা নাছিলো।

যোৱা বছৰ অৰ্থাৎ ২০১০ চনৰ ১৩ অক্টোবৰ দিনটো মোৰ বাবে চিৰস্মৰণীয়, কিয়নো এই দিনটোতেই মোৰ দিল্লীলৈ যোৱাৰ সৌভাগ্য ঘটিল। সেই দিনা দুপৰীয়া ১১ বজাত মই মোৰ মা, দেউতা, দাদা আৰু দেউতাৰ সহকৰ্মী বন্ধুৰ পৰিয়াল এটাৰ সৈতে গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰপৰা 'ইণ্ডিগ' বিমানেৰে দিল্লী অভিমুখে যাত্ৰা কৰিছিলো। সময় লাগিছিল মাত্ৰ ২ ঘণ্টা। প্ৰায় ২ ঘণ্টাৰ পিছতেই আমি উপস্থিত হৈছিলো দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত। বিমান বন্দৰৰ পৰা দুখনকৈ টেক্সি লৈ আমি দিল্লীৰ পাহাৰগঞ্জত থকা 'ময়ুৰ অসম' হোটেললৈ বুলি ৰাওনা হৈছিলো। ময়ুৰ হোটেলত অলপ সময় জিৰণি লৈ আমি হোটেলৰ আশে-পাশে থকা অঞ্চলবোৰ খোজ কাঢ়িয়েই ফুৰিলো। উল্লেখযোগ্য যে সেই সময়ত দিল্লীত কমনৱেলথ্ গেমছ চলি আছিল। সেই সময়ত ৰাষ্টাৰ দাঁতিত বজাৰ এলেকাত লগাই দিয়া প্ৰজেক্টৰ পৰ্দাৰ জৰিয়তে ভালে সংখ্যক দৰ্শকৰ লগতে আমাৰো কমনৱেলথ্ গেমছ উপভোগ কৰাৰ সৌভাগ্য ঘটিছিল।

১৪ অক্টোবৰত আমি পুৱা ৬ বজাত এখন গাড়ী ভাড়া লৈ পৃথিৱী বিখ্যাত 'তাজমহল' চোৱাৰ উদ্দেশ্যে আগ্ৰালৈ বুলি যাত্ৰা কৰিছিলো। পৃথিৱীৰ আচৰিত বস্তুসমূহৰ ভিতৰৰ যমুনা নদীৰ পাৰৰ তাজমহলটো ওচৰৰ পৰা দৰ্শন কৰিবলৈ পাই আনন্দিত হৈছিলো। চাহজাহানে নিৰ্মাণ কৰা এই অপূৰ্ব তাজমহলটো দৰ্শন কৰিবলৈ পোৱাটোও কম ভাগ্যৰ কথা নহয়। বগা মাৰ্বলেৰে নিৰ্মিত তাহানিৰ এই ইতিহাস প্ৰসিদ্ধ তাজমহলটো আজিও নিখুঁট হৈ জিলিকি আছে। তাজমহল আৰু ইয়াৰ আশে-পাশে থকা দৃশ্যবোৰ উপভোগ কৰি খুউব ভাল লাগিছিল। তাজমহল চাই উভটি অহাৰ পিছত আমি আগ্ৰাৰ লালকিল্লা আৰু আকবৰ সমাধি চাইছিলো। তাৰ পিছত ভগৱান শ্ৰীকৃষ্ণৰ জন্মস্থান বুলি বিশ্বাস কৰা মথুৰা আৰু বৃন্দাবন দৰ্শন কৰিছিলো। মথুৰাত আমি প্ৰথমে প্ৰৱেশ কৰিছিলো। মথুৰাত প্ৰৱেশ কৰিয়েই আমি মথুৰা মন্দিৰ; তাৰ পিছত ভগৱান শ্ৰীকৃষ্ণ জন্ম হোৱা কাৰাগাৰটোত প্ৰৱেশ কৰিছিলো। সঁচায়ে ভগৱান কৃষ্ণ জন্ম হোৱা এই কাৰাগাৰটোৰ বিষয়ে আগতে কিতাপত পাইছো বা শুনিছো যদিও কাৰাগাৰটো ওচৰৰ পৰা প্ৰত্যক্ষ কৰি বৰ ভাল লাগিছিল। শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰা আৰু বৃন্দাবনত প্ৰায় দুঘণ্টা সময় অতিবাহিত কৰি আমি দিল্লী অভিমুখে যাত্ৰা কৰিলো। আমি নিশা ১১-৩০ বজাত দিল্লী পালোহি।

পিছদিনা অৰ্থাৎ ১৫ তাৰিখে আমি দিল্লীৰ স্থানীয় উল্লেখযোগ্য অঞ্চলসমূহ চোৱাৰ উদ্দেশ্যেৰে এখন গাড়ী লৈ দিনটোৰ বাবে যাত্ৰা কৰিছিলো। তাৰ ভিতৰত উল্লেখযোগ্য ইণ্ডিয়া গেট, ৰাষ্ট্ৰপতি ভৱন, সংসদ ভৱন, প্ৰধান মন্ত্ৰীৰ বাসভৱন, ইন্দিৰা গান্ধীৰ বাসভৱন (বৰ্তমান মিউজিয়াম), ভাৰতীয় ৰিজাৰ্ভ বেংক, মহাত্মা




গান্ধীয়ে তেওঁৰ জীৱনৰ অন্তিম সময়ত কটোৱা বিৰলা ভৱন, কুতুবমিনাৰ, জুম্মা-মছজিদ, লালকিল্লা আৰু ৰাজঘাট চাইছিলো। শেষত বাহাই মন্দিৰ চাই দিল্লীৰ স্থানীয় ভৱন ইমানতে সমাপ্ত কৰিলো। বাহাই উপাসনা মন্দিৰটো পদুম ফুলৰ নক্সাৰে নিৰ্মিত সঁচায়ে আকৰ্ষণীয়। পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা বাহাই উপাসনা মন্দিৰসমূহৰ ভিতৰত কমল মন্দিৰ বা পদুম মন্দিৰ সবাতোতকৈ নতুন আৰু সুন্দৰ। এই



মন্দিৰৰ সাধাৰণ বৈশিষ্ট্য হৈছে - ইয়াৰ ৯ খন দুৱাৰ। ৯ হৈছে আটাইতকৈ ডাঙৰ সংখ্যা। ই ব্যাপকতা, একতা আৰু অভিন্নতাৰ প্ৰতীক। বাহাই উপাসনা মন্দিৰটো দৰ্শন কৰি আমি থকা ঠাইলৈ উভটি আহিলো।

পিছদিনা অৰ্থাৎ ১৬ তাৰিখৰ দিনা আমি ৰাতিপুৱা ৯ বজাত মেট্ৰ'ট্ৰেইনেৰে নয়ডালৈ যাত্ৰা কৰিছিলো। উদ্দেশ্য আছিল নয়ডাৰ বিখ্যাত স্বামীনাৰায়ন অক্ষৰধাম মন্দিৰটো ওচৰৰ পৰা দৰ্শন কৰা। এই মন্দিৰটো এটা গুজৰাটী মন্দিৰ। এই মন্দিৰটোত প্ৰাচীন ভাৰতীয় সাহিত্য আৰু সংস্কৃতিৰ এক সুন্দৰ নিদৰ্শন ফুটি উঠিছে। চালে-চকুত লগা এই মন্দিৰটোত দেশী-বিদেশী ভালে সংখ্যক পৰ্যটকৰ ভিৰ আমি দেখিবলৈ পাইছিলো।

১৭ তাৰিখৰ দিনা ৰাতিপুৱাই আমি এখন গাড়ীৰে উত্তৰাঞ্চলত (উত্তৰাখণ্ড) থকা হৰিদ্বাৰ আৰু ঋষিকেশলৈ যাত্ৰা আৰম্ভ কৰিছিলো। প্ৰায় ১ মান বজাত আমি হৰিদ্বাৰত উপস্থিত হৈছিলো। প্ৰথমে আমি হৰিদ্বাৰত নোসোমাই ঋষিকেশ অভিমুখে যাত্ৰা কৰিছিলো। হিমালয়ৰ গাতে লাগি থকা ঋষিকেশ এখন মনোমোহা ঠাই। ইয়াত বহুতো মঠ-মন্দিৰ আছে। আমি প্ৰায়খিনি মঠ-মন্দিৰ দৰ্শন কৰিলো আৰু ইয়াত থকা ৰাম ঝুলা আৰু লক্ষ্মণ ঝুলাও অতিক্ৰম কৰিলো।



ঋষিকেশৰ পৰা ঘূৰি আহি হৰিদ্বাৰত প্ৰবেশ কৰিলো। হৰিদ্বাৰৰ সন্ধিয়াপৰত গংগাৰ আৰতি দৃশ্য উপভোগ কৰি বৰ ভাল লাগিছিল। শ শ দৰ্শনাৰ্থীৰ মাজত আমিও গংগা স্নান আৰু আৰতি কৰিলো। এনেদৰে আমি হৰিদ্বাৰত কিছুসময় কটাই ওলাই আহি স্বামী ৰামদেৱৰ পতঞ্জলিৰ যোগপীঠ আৰু আশ্ৰমত সোমাইছিলো। স্বামী ৰামদেৱৰ আশ্ৰমখন সঁচায়ে বৰ মনোমোহা আছিল।

১৮ আৰু ১৯ তাৰিখে স্থানীয়ভাৱে ফুৰি-চাকি দিল্লীতে কটালো।

২০ তাৰিখৰ দিনা পুৱা ৬ বজাত আমি এখন গাড়ী লৈ জয়পুৰ অভিমুখে যাত্ৰা কৰিছিলো। উল্লেখযোগ্য যে ভাৰতৰ অন্যান্য ৰাজ্যবোৰৰ পথ আৰু পৰিবহন ব্যৱস্থা অসমতকৈ উন্নত মানদণ্ডৰ হোৱাৰ বাবে আমি জয়পুৰত প্ৰৱেশ কৰোঁতে মাত্ৰ ৫ ঘণ্টাহে সময় লাগিছিল। আমি গৈ গোলাপী নগৰ পাওঁতে দুপৰীয়া ১১ বাজিছিল। জয়পুৰক কিয় গোলাপী নগৰ বুলি কোৱা হয় এই কথা নিলিখিলে ভাল নালাগিব। মহাৰাজ চাৱাই ৰামসিংহই ১৮১৮ খ্ৰীঃত সমগ্ৰ জয়পুৰতে গুলপীয়া ৰং সানিছিল ইংলেণ্ডৰ ৰাণীৰ পুত্ৰ 'প্ৰিন্স অৱ ৱেলছক' আদৰিবলৈ। সেইদিনাৰ পৰাই জয়পুৰক গোলাপী নগৰ বুলি কোৱা হয়। আমি জয়পুৰৰ বিভিন্ন স্থানসমূহ দৰ্শন কৰিবলৈ যাওঁতে একোজনকৈ গাইড লৈছিলো। সেয়ে স্থানসমূহৰ ওপৰত বিস্তৃতভাৱে জানিবলৈ সক্ষম হৈছিলো। আমি জয়পুৰৰ উল্লেখযোগ্য স্থান- হাৱামহল, চিটিপেলেচ, জলমহল, জয়গড় ফৰ্ট ইত্যাদি দৰ্শন কৰিছিলো। শেষত যন্তৰ-মন্তৰ চাই উভটিছিলো। এই যন্তৰ-মন্তৰ সজাইছিল মহাৰজা চাৱাই জয় সিঙে। এই যন্ত্ৰটোক সময় যন্ত্ৰ বুলিও কোৱা হয়। চাৱাই জয় সিং জ্যোতিবিদ্যাত বৰ পাৰ্গত আছিল। তেওঁ বহু সময় এই যন্তৰ-মন্তৰটোত কটাইছিল। ইয়াৰপৰাই তেওঁ গ্ৰহ-নক্ষত্ৰবোৰৰ গতিবিধি নিৰূপণ কৰিছিল আৰু শিলৰ ওপৰত অংকন কৰিছিল। সেই ঠাইত এতিয়াও সূৰ্যৰ পৰা জয়পুৰৰ সময় নিৰূপণ কৰিব পাৰি আৰু বহু স্থান চাবলৈ থাকিল যদিও আমাৰ হাতত সময় কম থকাৰ বাবে আমি গোলাপী নগৰৰ ভ্ৰমণসূচী ইমানতে সামৰণি মাৰিলো।

২১ তাৰিখৰ দিনা আমি দিনৰ ২ বজাত ৰাজধানী এক্সপ্ৰেছত ঘৰমুৱা হ'লো।

এই ভ্ৰমণে মোক দিলে এক অনাবিল আনন্দ আৰু অভিজ্ঞতা। এই ভ্ৰমণৰ মধুৰ স্মৃতিবোৰ মোৰ মানসপটত চিৰ যুগমীয়া হৈ ৰ'ল।■





# "বেলিয়ে আঁতে মানে, কাঁচিয়ে কাটে মানে"

বিজয়লক্ষ্মী গগৈ
প্ৰবক্তা, অসমীয়া বিভাগ

"ধুমুহা গতিৰে আহে
জীৱনৰ অক্ষয় সংগ্ৰাম
মানুহৰ শকতিক কৰি প্ৰত্যাহ্বান।
জীৱশ্ৰেষ্ঠ সত্তাৰূপে
মানুহৰ পৌৰুষেৰে
সেই প্ৰত্যাহ্বান আমি কৰিলোঁ গ্ৰহণ।"

সময় গতিশীল আৰু গতিশীলতাই জীৱন। এই গতিশীলতাক আমি কোনেও উলাই কৰিব নোৱাৰোঁ, যাক আমি মূল্য দি কিনিবও নোৱাৰোঁ। এই সময়ৰ মূল্যক কিন্তু আমি নিৰূপণ কৰিব পাৰোঁ কেৱল কৰ্মেৰে। সঁচা অৰ্থত সময়ৰ কোনো শুভ-মুহূৰ্ত নাই কৰ্তব্যত আগবাঢ়ি গৈ থকাই শুভ মুহূৰ্ত যাৰ বাবে প্ৰয়োজন নহয় কোনো দৈৱজ্ঞৰ অথবা বেদান্তীৰ। আজিৰ প্ৰতিযোগিতা সৰ্বস্ব জীৱনত পদে পদে প্ৰজ্ঞা আৰু মনীষাৰ প্ৰতি প্ৰত্যাহ্বান। সেয়েহে, সময়ৰ কাড়ৰ লগত সমানে ফেৰ মাৰিবলৈ হ'লে আমি কৰ্মঠ হ'ব লাগিব। উপযুক্ত সময়ত উপযুক্ত কাম নকৰিলে সেই কামও কিন্তু মূল্যহীন হৈ পৰে। বাল্মিকীৰ ধ্যানভঙ্গৰ সময়তে ব্যাধে শৰ মাৰি ক্ৰৌঞ্চ পক্ষীজনীক ধৰাশায়ী নকৰা হ'লে হয়তো জগতৰ অনুপম ৰামায়ন মহাকাব্য সৃষ্টি নহ'লহেতেন চাগে। এই সময়ৰ অপব্যৱহাৰে পিছে মানুহৰ জীৱনলৈ বিপৰ্যয় নমাই আনে। দ্বিগ্বিজয়ী নেপোলিয়ন তাৰ জলন্ত উদাহৰণ। ইংলিছ চেনেল আক্ৰমণত তেওঁ 'পাঁচ মিনিট' সময় পলম কৰাৰ বাবেই ট্ৰফালগাৰ যুদ্ধত তেওঁ পৰাজিত হৈছিল। ছাত্ৰ জীৱনতেই সময়ৰ মূল্য আটাইতকৈ বেছি। কাৰণ

"অনন্ত পাৰং কীল শব্দ শাস্ত্ৰং
শ্বল্পং তথায়ুৰ্বহৰ্বশ্চ বিঘ্নাঃ"

অৰ্থাৎ সময় তাকৰ কিন্তু অধ্যয়নৰ বাবে সমল বহুতো। ইফালে জীৱনৰ পথও সুচল নহয়, সেইবাবে ছাত্ৰ জীৱনেই হ'ল উপযুক্ত সময় নিজৰ ভেটি সুদৃঢ় কৰাৰ। সেয়েহে 'চৰৈৱতি চৰৈৱতি' গৈ থাকা ৰবৰ সকাম নাই। যোগ্য জনৰ বাবেহে 'যোগ্য ভোগ্য বসুন্ধৰা'।

সময়ৰ লগত খোজত খোজ মিলাই যাওঁতে কিন্তু আমি মানবীয় প্ৰমূল্যবোধক হেওজ্ঞান কৰিলে নহ'ব। আজিৰ অৰ্থ সৰ্বস্ব জীৱনত আমি অৰ্থৰ পিছে পিছে দৌৰোঁতে দৌৰোঁতে আমাৰ সত্ত্বাক হেৰুৱাই পেলাইছোঁ। আজিৰ মানুহে যুগৰ দুহাই দি আত্মকেন্দ্ৰীক হৈছে। আমাৰ চকুৰ আগতেই পুৰণি বান্ধ বহুখিনি ঢিলা হৈছে; ইয়াৰ ঠাইত স্থান লৈছে বৰ্হিজাগতিক জীৱনে, যাক কোনো কোনো ক্ষেত্ৰত বস্তুবাদী আৰু জড়বাদী যেন লাগে। য'ত হৃদয়, আবেগ, অনুভূতি আদি 'আউটডেটেত' হৈছে। ইয়াত ধন আৰু যন্ত্ৰই জীৱনৰ মূল চালিকাশক্তি। এটা কতা নিতান্তই সত্য যে যন্ত্ৰশক্তিয়ে মানুহৰ কায়িক শ্ৰম লাঘৱ কৰিছে, কিন্তু ইয়াৰ অতিপাত ব্যৱহাৰে মানুহৰ জীৱনলৈ পঙ্গুত্ব নমাই আনিছে। যন্ত্ৰই উৎপাদন বঢ়াইছে পিছে মানুহক কক্ষচ্যুত হোৱাত বাধ্য কৰাইছে। সেয়েহে নতুন ব্যৱস্থা আৰু সমন্বয়েৰে সমাজৰ উন্নতি কৰিব লাগিব। ডাঃ মেয়ৰ মতে - "সামাজিক কৌশলৰ উদ্দেশ্য হৈছে সমাজ আৰু ব্যক্তিৰ মাজত সমন্বয় স্থাপন কৰি লক্ষ্যস্থানৰ অভিমুখে অভিযান চলোৱা।"

শিক্ষা নতুন সমাজ ব্যৱস্থাৰ মাপকাঠি। আনহাতে বৈজ্ঞানিক দৃষ্টিভঙ্গী নহ'লে বৰ্তমান অৰাজকতা, উশৃংখলতাৰ হাবি কাটি শান্তিৰ আলি বান্ধিবলৈ হ'লে সৃষ্টি হ'ব লাগিব এচাম আদৰ্শবাদী সাহসী যুজাৰুৰ। যাৰ বাবে লাগিব উপযুক্ত শিক্ষা, প্ৰয়োগ হ'ব লাগিব বিজ্ঞানৰ প্ৰকৃত গঠনমূলক চিন্তা। সেয়েহে যিজনে সময়ক হাতৰ মুঠিত ৰাখি কৰ্ম কৰিব তেওঁলোকেই জীৱনত উন্নতিৰ শিলৰ সাকোঁ বান্ধিব পাৰিব। সময়ৰ কাম সময়ত কৰি যোৱাৰ পণ গ্ৰহণ কৰিব লাগিব এই ছাত্ৰ অৱস্থাতেই। বাহিৰৰ এন্ধাৰে যাতে ভিতৰৰ পোহৰক ৰুধিব নোৱাৰে তাৰ বাবে সদা সতৰ্ক হৈ থাকিব লাগিব।

শিক্ষা, সময়ৰ অৰ্থ মানুহৰ পৰা আছুতীয়াকৈ ৰখা 'বতাহত মৰহা' গছ নহয়। ই কোনো এচাম ভাগ্যবান মানুহৰ সম্পদৰ বৰপেৰাও নহয়। সেয়েহে সময়ক গাৰ ছাঁৰ দৰে ৰাখি মন আৰু মগজুৰে শিক্ষাৰ লগত মিতিৰালি কৰিহে সমাজ গঢ়িব পাৰি, জীৱন সজাব পাৰি, নিজক চিনিব পাৰি।■

# কলেজৰ কথাৰে ...

**পৰিস্মিতা গগৈ**
স্নাতক প্ৰথম বৰ্ষ

-Good Morning Sir.
- Morning.

গেটৰ সন্মুখত মূৰটো দুপিয়াই Principal Sir ৰ সাধাৰণ সম্ভাষণ। হয়তু সকলোৰে বাবে সাধাৰণ কথা। কিন্তু মোৰ বাবে নহয়। এই কলেজখনলৈ সোমাই আহোঁতে চাৰক, মই জনোৱা সম্ভাষণৰ যোগেদিহে মোৰ গোটেই দিনটো যেন সুন্দৰকৈ পাৰ হয়।

শাৰী শাৰী শৃংখলাবদ্ধ বিভিন্ন গছৰ কাষেদি অতি শান্ত মন্দিৰসদৃশ পৰিবেশৰ কলেজখনলৈ সোমাই আহোঁতে মই ৰাস্তাটোতে প্ৰায়ে লগপোৱা ব্যক্তিজন হ'ল মালী। ছাৰৰ পিছতেই লগ পোৱা এই মালীজনে কলেজখন চাফ্-চিকুণ তথা সুন্দৰকৈ ৰখাত অকণো কৃপণালী কৰা নাই। দেখাত অতি ঠাণ্ডা, নিজৰ কাম অতি সুন্দৰকৈ কৰি যায়। ভাবিছিলো তেওঁ বেছি কথা নহয়। কিন্তু কলেজৰ সাধাৰণ নিৰ্বাচনৰ দিনা Eco Park ত সোমাওঁতে তেওঁ কেঁচুসাৰ কেনেদৰে প্ৰস্তুত কৰা হৈছে তাক ইমান সুন্দৰকৈ বুজাই দিলে যে মোৰ ভুলটোও তেতিয়াহে ভাগিল। তেওঁক মই ধন্যবাদ জ্ঞাপন কৰিছো।

ইয়াৰ পিছতেই ৮.৪৫ বজাত আমাৰ ক্লাচৰ সময় হয়। ছাৰ-বাইদেউসকলে খুব সুন্দৰকৈ বুজাই আৰু সেইদৰে আমিও বুজিবলৈ যত্ন কৰো। কিন্তু এইখিনিতে অলপ লেঠা লাগে দিপাঞ্জলী মেমৰ বাবে। আচলতে মেমে আমাক ব্যৱহাৰিভাবে কথাবোৰ কয়। গতিকে আমি অলপ ভয় কৰো। বাইদেউৰ প্ৰশ্নৰ উত্তৰ দিয়াতো বাদেই সঁহাৰিও নিদিও। আচলতে আমাৰ লৰচৰ কৰিবলৈও বৰ ভয় লাগে। গতিকে গালি খোৱাটো স্বাভাৱিক। বাইদেউৰ সাতটা ক্লাছৰ হয়তু পাঁচটাতেই আমি গালি খাওঁ, কিন্তু বাইদেউৰ প্ৰতি মোৰ শ্ৰদ্ধা সিমানে বৃদ্ধি পায়। হয়তু মই ঘৰত যিকন পঢ়ো বাইদেউৰ কাৰণে বুলি ক'লেও মিছা নহয়। আচলতে গালি দিওঁতেই তেওঁ কথাবোৰ ইমান সুন্দৰকৈ কয়, মই ভাবো আমি কথাবোৰ ধনাত্মকভাবে গ্ৰহণ কৰিলে নিশ্চয় সফল হ'ম।

ইয়াৰ পিছতেই আৰম্ভ হয় আমাৰ আড্ডা। যিহেতু পুথিভঁৰালটো ১০ বজাতহে খোলে গতিকে প্ৰথম ক্লাছ ৯.৩০ বজাত শেষ কৰি বাকী ৪৫ মিনিট আমাৰ কথা পাতি সুন্দৰকৈ পাৰ হয়। তিনিবছৰীয়া মোৰ কলেজ যাত্ৰাত মোৰ চিনাকী গোটেইবোৰকে 'আহিলা' বা 'ভালনে' নামৰ Ready made শব্দ দুটা কওঁতেই প্ৰায় ১৫-২০ মিনিট যায়। বাকী ২৫ মিনিটত আমাৰ কথাবোৰ শেষেই নহয়। গতিকে পুনৰ লগপোৱাৰ প্ৰতিশ্ৰুতিৰে ক্লাছলৈ আহো। ক্লাছৰ পিছত পুনৰ আড্ডা বা পুথিভঁৰাললৈ যাওঁ।

নিজুমণি বাইদেউ, পুলিনদা, ৰাজীৱদাহঁতৰ সুন্দৰ পৰিচালনাত পুথিভঁৰালটো অতি সুন্দৰ হৈ আছে। হায়াৰ ছেকেণ্ডাৰীত এই লাইব্ৰেৰীৰ লগত মোৰ কোনো সম্পৰ্কই নাছিল বুলিব পাৰি।

মোৰ তিনি বছৰীয়া কলেজ জীৱনত মই নকৰা দুটা কাম হ'ল - ১। মই কেন্টিনলৈ এদিনহে গৈ পাইছো, আৰু ২। আজিলৈকে কম্পিউটাৰ ৰুমত সোমাই পোৱা নাই। ইয়াতে মোৰ নজনা কথা জনাৰ আগ্ৰহ কিমান তাকে প্ৰমাণ কৰে।

মোৰ লগৰবোৰে কোনো কোনো চাৰ-বাইদেউক বেয়া পায়। বেয়া অৱশ্যে তেওঁলোকৰ একান্ত ব্যক্তিগত কথা। কিন্তু মোৰ কাকো বেয়া নালাগে। দিন যোৱাৰ লগে লগে কলেজ আৰু কলেজৰ সমূহ পৰিয়ালৰটোৰ প্ৰতি মোৰ আন্তৰিকতা, শ্ৰদ্ধা বাঢ়ি গৈছে। প্ৰথম আহোঁতে ভয় লগা কলেজখন মই ইমান ভাল পাই পেলাইছো যে মোৰ মনলৈ আহি থকা এই সাধাৰণ কথাকেইটা প্ৰকাশ কৰিলো।

আমাৰ কলেজখন এনে সুন্দৰৰূপত থিয় দিয়াৰ মূলতে হ'ল অধ্যক্ষৰ সু-পৰিচালনা। এই বৃহত্তৰ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানৰ ছাত্ৰী হিচাপে মই গৰ্ব অনুভৱ কৰোঁ আৰু এই কলেজৰ গৌৰৱ অক্ষুন্ন ৰখাৰ চেষ্টা অব্যাহত ৰাখিম। মই মোৰ সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।■



# কথা শিল্প ...

"একেটা বৈঠকত পঢ়ি শেষ কৰিব পৰা গল্পই চুটি গল্প"

— চমাৰছেট

# জীৱনৰ মাধূৰ্য

অভিলেখ গগৈ
স্নাতক প্ৰথমবৰ্ষ (ৰসায়ন বিজ্ঞান বিভাগ)

চিকিমিকি সন্ধিয়াৰ
চিপ্‌চিপিয়া বৰষুণত তিতি তিতি
তোমাৰ খিলখিলিয়া হাঁহিটিৰ
কথা ভাবোতেই
মোৰ চকুলোবোৰ
বৰষুণৰ সতে সুতি মিলাই
নামি আহিছিল
আৰু ...
ফেৰফেৰীয়া বতাহজাকে
নিশ্বাসৰ দুখৰ হুমুনিয়াহবোৰ তল পেলাই
বিৰিষৰ পাতৰ সৈতে হাঁহিছিল ...

ৰাতিপুৱা শুই উঠিয়েই কবিতাতো লিখিবলৈ বহিছিল সি। কিন্তু সম্পূৰ্ণ কৰিব নোৱাৰিলে। কিমান দিনৰ মূৰত যে সি কবিতা এটা লিখিম বুলি লৈছিল। বাৰে বাৰে চেষ্টা কৰিও কবিতাটো সম্পূৰ্ণ কৰিব নোৱাৰিলে।

মাধুৰ্য তাৰ নাম, কিন্তু জন্মৰ পাচৰ পৰাই সি জীৱনৰ মাধুৰ্যতাক বিচাৰি নাপালে। কিযে দুভৰ্গীয়া আছিল সি। তাৰ বয়স তিনি কি চাৰিবছৰ দেউতাক মটৰ দুৰ্ঘটনাত ঢুকাইছিল। আৰু মাক আছিল অপত্য স্নেহ নোহোৱা এগৰাকী কঠোৰ হৃদয়ৰ তিৰোতা। দেউতাকৰ মৃত্যুৰ এমাহ পাৰ নহওঁতেই তাৰ মাক আন এটা মানুহৰ সৈতে পলাই গৈছিল। তাৰ দেউতাকৰো কোনো ককায়েক ভায়েক নাছিল। সেয়েহে গাঁৱৰ মানুহে তাক মোমায়েকৰ ঘৰতেই গটাইছিল। কিন্তু মোমায়েকৰ ঘৰৰ মানুহেও তাক এখন অনাথ আশ্ৰমত গতাই দিছিল। মাধুৰ্যই তাৰ শৈশৱতোও বাকী ল'ৰা-ছোৱালীয়ে পোৱাৰ দৰে একো বস্তুৱেই নাপালে।

ঈশ্বৰো হয়তো তাৰ প্ৰতি দয়া জন্মিছিল। ল'ৰা-ছোৱালী নোহোৱা এহাল দম্পতীয়ে তাক অনাথ আশ্ৰমৰ পৰা নিজৰ ল'ৰা হিচাবে থম বুলি কথা দি লৈ আনিছিল। তোলনীয়া সেই মাক-দেউতাকৰ তত্বাৱধানতেই সি হাইস্কুল পাৰহৈ কলেজত ভৰি দিলেহি। তাৰ তোলনীয়া মাক-দেউতাক অৰ্থাৎ পূৰ্ণানন্দ ভৰালী আৰু নমিতা ভৰালী আছিল অতি সৎ চৰিত্ৰৰ। পূৰ্ণানন্দ ভৰালী আছিল চহৰৰ এজন নামী ব্যৱসায়ী আৰু নমিতা ভৰালী এগৰাকী সু-গৃহিনী। তেওঁলাকে মাধুৰ্যই অলপ জনা বুজা হোৱাৰ পাচতেই তাৰ জন্মৰ পৰা আৰম্ভ কৰি অনাথ আশ্ৰমলৈকে সকলো কথা তাক কৈ দিছিল। কথাবোৰ জনাৰ পাচত মাধুৰ্যই প্ৰথমে একো প্ৰতিক্ৰিয়া দেখুওৱা নাছিল। কিন্তু যিমানে জনা বুজা হৈ আহিল মাধুৰ্য সিমানে উশৃংখল হৈ আহিল।

'তোজছে নাৰাজ নাহী জিন্দাগী' ৰিংটনটো বাজোতেহে যেন সি প্ৰকৃতিস্থ হ'ল। কিমান পৰ যে সি টেবুলত মুৰ থৈ টোপনি গৈছিল গমকে নাপালে। ম'বাইলটো চালে নৱজিতৰ ফোন আহিছে।

হেল্ল, নৱজিত, কি হ'ল ক? ৰাতিপুৱাই ফোন কৰিলি যে।

ঐ দোস্ত এটা ভাল খবৰ আছে। পাৰ্টি দিব লাগিব কিন্তু। সোনকালে কলেজ আহ বুলি কৈয়ে নৱজিতে ফোনৰ লাইন কাটি দিলে। মাধুৰ্যই সোনকালে গা-পা ধুই, ভাত খাই কলেজলৈ যাবলৈ ওলাল। যাওঁতে মাত্ৰ এটা কথাকেই ভাবি গ'ল কি ভাল খবৰ হ'ব পাৰে বাৰু তাৰ বাবে ...। নৱজিতো যেন তাৰ বাবেহে ৰৈ আছিল। কলেজৰ গেটৰ ভিতৰত সোমোৱাৰ পাচতেই আজি পাৰ্টি দিব লাগিব পাৰ্টি লাগিব বুলি একেবাৰে মাধুৰ্যৰ ওচৰ পালেহি।


আৰে নৱ কি ভাল খবৰ আছে ক'না। তাৰ পাছতহে পাৰ্টি দিম।

তই UGC ৰ ফালৰ পৰা Scholarship পাইছ, গতিকে আজি পাৰ্টি।

ইতিমধ্যে বাকী লগৰ অমৰ আৰু হেমন্তও পালেহি। সিহঁত গোটেই কেইটাই এখন ধাবালৈ গৈ পাৰ্টি কৰাৰ সিদ্ধান্ত ল'লে। ধাবাত সিহঁতে মদ আৰু মাংসৰে পাৰ্টিৰে আয়োজন কৰিলে। পাৰ্টি মানে দুই তিনিদিনৰ মুৰে মুৰে সিহঁতে পাৰ্টি মানিয়েই থাকে। আজি Scholarship কাইলৈ Birthday ইত্যাদি। পাৰ্টিত অকল হেমন্তইহে মদ নাখালে বাকী কেইটাই টেটুগুৰিলৈকে গিলিলে। মদৰ নিচাত মাধুৰ্যই তাৰ শৈশৱৰ কথা কৈ কৈ উৰাই ঘুৰাই কান্দিলে। হেমন্তই বুজাই বঢ়াই বহুত দেৰিৰ মূৰত তাক ঠাণ্ডা কৰিলে। বিল দিয়াৰ সময়ত ধাবাৰ মালিকজনে হেমন্তক ভাল অৱস্থাত দেখি ক'লে-

'খাই লৈ এনেকৈ কন্দা কটা কৰা ল'ৰাক পাৰিলে নানিবা দেই'।

মদৰ নিচাত মাধুৰ্য কেতিয়ানো ঘৰ সোমালেহি সি গমকে



নাপালে। ৰূমৰ দৰ্জা মাৰি চিধা বিচনাত শুই দিলেহি। সি ৰূমত সোমোৱাৰ গম পাই মাকে বাহিৰৰ পৰাই ভাত খাবলৈ বুলি দৰ্জা টুকুৰিয়ালে

- বাবা ভাত খাই ল'হি।

মা আজি ভাত নাখাও দিয়া। মই শুলোৱেই। মাধুৰ্যৰ কথাৰ পৰাই মাকে গম পাইছিলে সি মদ খাই আহিছে। কিন্তু মাক নমিতাই তাক এষাৰো নক'লে। মাকে মাধুৰ্যই দুখ পাব পাৰে বুলি আজিলৈকে টানকৈ কথা এষাৰো কৈ পোৱা নাই। মাকে তাৰ অতীতৰ দুখৰ কথা জানিছিল সেইকাৰণে টানকৈ কিবা এষাৰ কৈ তাৰ মনত দুখ দিব বিচৰা নাছিল।

সেই পাৰ্টিৰ পৰা আহি মাধুৰ্য যি শুলে মাজনিশা প্ৰায় দুই মান বজাতহে সি সাৰ পালে। তেতিয়াপৰ্যন্ত তাৰ নিচা এৰা নাছিল। সি যেন জীয়াই থকাৰ যোগ্যই নহয় তেনে কিছুমান ভাবে তাৰ মূৰত ক্ৰিয়া কৰিব ধৰিলে। তাতে নিচাৰ জালত ভাৱনাবোৰ যেন আৰু উঠলি উঠিছে। কিন্তু হঠাৎ তোলনীয়া মাকৰ কথা মনলৈ অহাত তাৰ ভাৱনাবোৰো যেন পলাই ফাট মাৰিলে। মাকে যে সঁচাকৈয়ে তাক বহুত মৰম কৰে তাৰ যেন এই মুহূৰ্ততে ধাৰণা হ'ল। এই মাজনিশা সি মাকৰ বাবেই এটা কবিতা লিখিলে -

চেনেহী আই-
হিয়া ভৰা মৰম উবুৰিয়াই
দুখৰে জৰ্জৰিত মোৰ
মন আকাশৰ কলীয়া ডাৱৰ আঁতৰাই
গঢ়ি দিলা এক নৱ জীৱন।

কবিতাটো লিখাৰ পাচতহে যেন তাৰ মনলৈ শান্তি ঘূৰি আহিল। যি কি নহওঁক আপোন মাকৰ মৰম নাপালেও ঈশ্বৰে তাক সঁচা মৰম দিব পৰা এজনী মাক দিলে। ইতিমধ্যে পাঁচ নিশা চাৰি বাজি গৈছিল। চোপনিয়ে যেন তাৰ চকুহাল জাপখোৱাই নিছিল। ৰাতিপুৱা ৭ মান বজাতহে সি সাৰ পালে। মুখ হাত ধুৱাৰ পাচত মাকে তাক চাহ দিলেহি। চাহ খোৱাৰ সময়তে মাকৰ অজ্ঞাতে যে সি মদ খায় পাৰ্টি কৰে সেই ভাবি মনতে নিজকে কিবা দুখী-দুখী অনুভৱ কৰিলে। আগ গুৰি একো নাভাবি সি মাকক সকলো কথা কৈ পেলালে। কোৱাৰ পাচত মাকেনো কি ক'ব বুলি মাকৰ ফালে ছোৱাত মাধুৰ্যই দেখিলে যে মাকৰ দুচকোৰে চকুপানী বাগৰি আহিছে। সি আৰু ৰৈ থাকিব নোৱাৰিলে। সৰু ল'ৰা এটাৰ দৰে মাকৰ বুকুত মূৰ থৈ হুকহুকাই কান্দি দিলে আৰু নিজৰ ভুলৰ বাবে মাকৰ ওচৰত ক্ষমা বিচাৰিলে।

সেই দিনাৰ পৰাই হয়তু মাধুৰ্য সলনি হৈছিল। আগৰ দৰে ট্ৰেজেডি কবিতা নিলিখা হ'ল। তাৰ সলনি আজিকালি তাৰ কবিতাত প্ৰকাশ পায় পৃথিৱীৰ সেউজীয়া আৰু ভৱিষ্যতৰ ৰঙীন সপোনৰ মালিতা।

আনদিনাৰ দৰে ৰাতিপুৱা শুই উঠিছেহে কি জানো মন গ'ল মাধুৰ্যই তাৰ আগৰ ডায়েৰীখনৰ পাত বিলাক লুটিয়াই বগৰাই পঢ়াত লাগি গ'ল। আগৰ কথাবোৰ পঢ়ি তাৰ নিজৰ ওপৰতেই খং উঠিল। নিতৌ মদ খাই আহি ট্ৰেজেডি কবিতা লিখাটো তাৰ এক অভ্যাসত পৰিণত হৈছিল। কিন্তু মাকৰ বাবে তাৰ এই অভ্যাস সলনি হৈছিল। গতিকে আনৰ বাবে নহ'লেও সি মাকৰ বাবে ভালহৈ থাকিব লাগিব। সি এটা কবিতাকে লিখিলে -

অন্ধকাৰ কোঠালিৰ
ডাঠ আন্ধাৰ
কুহেলিকা ফালি
ক'ৰ পৰা জানো এমুঠি
পোহৰ সোমালেহি
পোহৰ দেখি
চকু চাট মাৰি ধৰিছিল।
অন্ধকাৰতে ৰচা বুকুৰ
আলসুৱা সপোনবোৰ
পোহৰত উজ্জ্বলি উঠিছিল।
সাতোৰঙী ৰঙৰ স'তে সপোনবোৰ
বৰকৈ জিলিকিছিল।

এই কেইদিনমানৰ পৰা সি লক্ষ্য কৰিছে যে এজনী ছোৱালীয়ে তাক বৰকৈ চাই থাকে। ছোৱালীজনী দেখাত ধুনীয়াই। কলেজৰ পৰা ঘূৰি আহি মাধুৰ্য ঘৰতে থাকি ছোৱালীজনীৰ কথাকে ভাবি থাকিলে। কোন হ'ব পাৰে মোক কেনেবাকৈ চিনি পায় নেকি বাৰু? নানা প্ৰশ্ন তাৰ মনলৈ আহিব ধৰিলে। যিহেতু সি এইবাৰ স্নাতক দ্বিতীয় বৰ্ষলৈ পাইছে গতিকে ছোৱালী জনীও হয়তো কলেজত নতুনকৈ এডমিচন লৈছে। সি কাইলৈ কলেজত ছোৱালীজনীৰ লগত যেনে তেনে হ'লেও চিনাকি হম বুলি থিৰাং কৰিলে।

পাচদিনা কলেজ পায়েই মাধুৰ্যই ছোৱালীজনীক বিচাৰি ফুৰিলে। সি তাইক বেছি দেৰি বিচাৰি ফুৰিবলগীয়া নহ'ল। তাইক সি গেটৰ সন্মুখতে দেখিলে। মাধুৰ্যই ছোৱালীজনীৰ ওচৰ পায়েই চিধা চিধি প্ৰশ্ন কৰাতহে লাগি গ'ল।

কি নাম তোমাৰ? ক'ৰ পৰা আহিছা?

তুমি মোলৈ কিয় সদায় একেৰাহে চাই থাকা? একেলগে ইমানবোৰ প্ৰশ্নৰ সন্মুখীন হৈ ছোৱালীজনীয়েও আজি তাইক ৰেগিঙে পালে বুলি ভয়ত কান্দি দিলে। মাধুৰ্যই একো তত ধৰিব নোৱাৰিলে। ছোৱালীজনীয়ে কান্দি দিয়াত সি আন কিবা সমস্যাত পৰাৰ শংকাত তৎমুহূৰ্ত্ততে তাৰ পৰা পলায়ন কৰিলে। কলেজৰ পৰা ঘৰত গৈ ঘটি যোৱা ঘটনাটোৰ কথা ভাবি তাৰ নিজৰ ওপৰতে খং, হাঁহি উঠিল। কাইলৈ ছোৱালীজনীক লগ কৰি নিজৰ ভুলৰ বাবে ক্ষমা খুজিম বুলি ভাবি থলে। সন্ধিয়া মাকক ঘটনাটোৰ কথা কলে। শুনাৰ পাচত মাকে পাৰে মানে হাঁহিলে। মাকে হঁহা দেখি মাধুৰ্য লাজতে দৌৰ মাৰি ৰূমত সোমালেগৈ।

পাচদিনাও কলেজলৈ গৈ মাধুৰ্যই ছোৱালীজনীক বিচৰাত লাগিল। কিন্তু ছোৱালীজনীক ক'তো দেখা নাপালে। সি ভাবিলে ছোৱালীজনীয়ে হয়তু কোনোবা নতুন কলেজত এডমিচন ললেগৈ। কিন্তু সি থিৰাং কাৰিলে যে যতে লগ নাপাওক লাগে তাইৰ লগত এইবাৰ ভালকৈ চিনাকি হ'ব আৰু আগৰ ভুলৰ বাবে ক্ষমা খুজিব।

ইতিমধ্যে মাধুৰ্যই BA পাচ কৰি বিশ্ববিদ্যালয়ত ভৰ্তি হৈছিলগৈ। বিশ্ববিদ্যালয়ৰ পৰা মাধুৰ্যৰ ডিপাৰ্টমেণ্টৰ সকলো ছাত্ৰ-ছাত্ৰী ভালুকপুঙলৈ পিক্‌নিকৰ বাবে গৈছিল। পিক্‌নিকত মাধুৰ্যও গৈছিল। ভালুকপুঙৰ পাহাৰীয়া শিলৰ ওপৰত উঠি লগৰ কেইটাৰ সতে ফটোৰ প'জ দি থাকোতেই ছোৱালী এজনী মাধুৰ্যৰ চকুত পৰিল। তাইক যেন সি ক'ৰবাত দেখিছে তাৰ তেনে অনুভৱ হ'ল। হঠাৎ তাৰ মনলৈ আহিল সেই যে কলেজত তালৈ চাই থকা ছোৱালীজনী সেইজনীয়েইচোন এইজনী। সি আৰু এক মুহূৰ্তও বিলম্ব নকৰি চিধাই তাইৰ ওচৰলৈ দৌৰ মাৰিলে। তাইৰ ওচৰ পাই সি যাতে আগৰ দৰে একো নঘটে তাৰ প্ৰতি সাৱধান হ'ল। ছোৱালীজনীয়েও মাধুৰ্যক দেখা মাত্ৰকে চিনি পালে। কেইবা মিনিট ধৰি সিহঁত দুয়োটাই ইটোৱে সিটোৰ ফালে থৰ লাগি চাই থাকিল। লগৰবোৰে মাত লগোৱাতহে যেন দুয়োতাই বাস্তৱলৈ ঘূৰি আহিল। মাধুৰ্যই খোনাখোনিকৈ তাৰ পৰিচয় দিলে। তাইয়ো ক'লে যে তাই মাধুৰ্যক চিনি পাইছিল। আগৰ ঘটনাটোৰ বাবে সি তাইৰ ওচৰত ক্ষমা খোজাৰ লগে লগে তাই হাঁহি হাঁহিয়েই ক'লে যে তাইৰ মেডিকেল এন্ট্ৰেন্সৰ ৰিজাল্ট দিছিল আৰু তাই পৰীক্ষাত পাচ কৰি ডাক্তৰী পঢ়িবলৈ ডিব্ৰুগড়লৈ গুচি আহিছিল। সেই কাৰণে তাই কলেজ যাব পৰা নাছিল। ইতিমধ্যে সিহঁত দুয়োটাৰে যাবৰ সময় হৈছিল। বিদায় মুহূৰ্তত এটা বিষন্ন মনলৈ দুয়োটাই ইজনে সিজনক পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় ল'লে।■

## মহৎ লোকৰ বাণী

৭। ছাত্ৰ জীৱন অতি সুখৰ, অতি মধুৰ, কিন্তু ইয়াক অতি কঠোৰ বাধা নিষেধৰ দ্বাৰা সংযত কৰি ৰাখিব পাৰিলেহে সাৰ্থক হ'ব। - তৰুণৰাম ফুকন।

৮। জীৱন জুখিবা হাঁহিৰে, বয়স জুখিবা কৰ্মৰে। - লক্ষ্যধৰ চৌধুৰী।

৯। "শিক্ষা মানে প্ৰজ্ঞাৰ প্ৰশিক্ষণ, অন্তৰৰ পৰিশুদ্ধতা আৰু আত্মাৰ সংযম।" - সৰ্বপল্লী ৰাধাকৃষ্ণণ।

১০। নিজ মাতৃক অৱহেলা কৰি দেশ মাতৃৰ সেৱাৰ চেষ্টা ভণ্ডামিহে মাথোন। - তৰুণৰাম ফুকন।

# বন্ধুত্বৰ এনাজৰী

মন্দাকিনী দত্ত
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)



মাঘ বিহুৰ পুৱাৰ মেজিৰ তাপ পদুমণি গাঁৱৰ সকলো ৰাইজে লৈছে। বিহুৰ পিঠা-পনা, চিৰা সান্দহৰ গোন্ধে চৌদিশ আমোল-মোলাই গৈছে। ডাঠ কুঁৱলীৰ মাজত ঠাণ্ডা বতাহজাকে সকলোৰে মন চুই গৈছে। এই সময়ত এনে লাগে যেন আমাৰ সকলো দুখ-কষ্ট এই মেজিৰ জুইতেই দাহ গৈছে আৰু সুখে যেন বতাহৰ ৰূপ লৈ আমাৰ কাষ চাপিছে। এইখিনি সময়তে মনত পৰে তৰা আৰু গীতিকালৈ। যি দুজনী ছোৱালীয়ে মাঘ বিহুত সদায় ইমান ফুৰ্তি কৰে যে সকলোৱে সিহঁতৰ অবিহনে মেজিৰ ভোজৰ কথা ভাবিই নোৱাৰে। সিহঁত দুজনীৰ বন্ধুত্ব আৰু সকলোৰে প্ৰতি থকা মৰম, শ্ৰদ্ধাৰ কথা সেই গাঁৱৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে। এনেকৈয়ে এদিন হঠাৎ এটা ঘটনা ঘটিল।

তৰাহঁতৰ ঘৰখন বৰ মৰমীয়াল আছিল। সিহঁতৰ ভাই-ভনী বুলিবলৈ তিনিটা, তৰা ডাঙৰ তাইৰ পিছৰ ভায়েক আৰু ভনীয়েক। মুঠতে ঘৰখনত মাক-বাপেক আৰু তিনিটি ল'ৰা-ছোৱালীৰে এটি সুখী পৰিয়াল। আনফালে গীতিকাহঁতৰ ঘৰত মাক-বাপেক, আইতাক, গীতিকা আৰু তাইৰ ককায়েক। তৰাহঁতৰ ঘৰখনতকৈ গীতিকাহঁতৰ ঘৰখন আৰ্থিক অৱস্থা স্বচ্ছল। প্ৰথম অৱস্থাত তৰা আৰু গীতিকাৰ বন্ধুত্ব ইমান গভীৰ নাছিল। কিন্তু একেলগে স্কুললৈ অহা-যোৱা কৰা আৰু দুয়োজনীয়ে ইজনী সিজনীৰ ঘৰলৈ অহাত সিহঁতৰ ঘনিষ্ঠতা বাঢ়িল। স্কুলতো দুয়োজনী একেলগতে বহে। সিহঁত দুয়ো নৱম শ্ৰেণীৰ ছাত্ৰী আছিল। দুয়োজনী পঢ়াত সমানেই ভাল। সিহঁতৰ বন্ধুত্ব দেখি বহুতে হিংসা কৰে। ইজনীয়ে সিজনীৰ পৰা কেতিয়াও কোনো কথা লুকুৱাই নথয়। সাধাৰণভাৱে ক'বলৈ গ'লে দাঁতত ভাত এটা লাগিলেও ইজনীয়ে সিজনীক কয়। একেবাৰে আকাশৰ জোন-তৰাৰ দৰে সিহঁতৰ মিল আছিল।

এনেদৰে স্কুললৈ গৈ থাকোতে এদিনাখন গীতিকাক হঠাৎ পিছফালৰ পৰা এখন গাড়ীয়ে খুন্দা মাৰি দিলে লগে লগে গীতিকা গৈ দূৰৈত ছিটিকি পৰিল। চিঞৰ বাখৰ লাগিল তৰা আৰু লগৰ আটাইকেইজনী মাক-বাপেকে গীতিকাক লৈ মেডিকেল পালেগৈ। গীতিকাই মূৰত আৰু কঁকালত বেছি দুখ পাইছে। মূৰ ফাটি গ'ল, হাত ভৰিতো যথেষ্ট দুখ পাইছে, তেজ বহুত গ'ল। এতিয়া চিন্তা হ'ল তাইক তেজ কোনে দিব? তাইৰ ব্লাড গ্ৰোপ $AB^+$ দেউতাকৰ লগত তাইৰ তেজৰ গ্ৰোপ মিলে, কিন্তু দেউতাকৰ শৰীৰটো ইমান ভাল নহয়। দেউতাকে কোনোপধ্যেই তেজ দিব নোৱাৰে। ইফালে মাকহঁতে কান্দি কাতি পাৰ নোপোৱা হৈছে। কাৰো লগতে তেজ নিমিলে। মেডিকেলতো এনেকুৱা তেজ নাই। তেনেতে তৰাই কলে 'মই দিম তেজ, মই মোৰ বান্ধৱীক এনেদৰে মৰিবলৈ দিব নোৱাৰো। তাইৰ কথা শুনি সকলোৱে তাইৰ ফালে ঘূৰি চালে। গীতিকাৰ মাকে যেন সৰগ ঢুকি পালে। তৰাই তেজ দিলে আৰু অৱশেষত তাই জ্ঞান ঘূৰাই পালে। তাইক মেডিকেলত কেইদিনমান ৰাখিলে। তাৰ পিছত ঘৰলৈ আনিলে। লাহে লাহে তাই আকৌ আগৰ দৰে স্কুল যাবলৈ ধৰিলে। এনেকৈয়ে দিনবোৰ বাগৰিল। দুয়োজনীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষা ভালদৰে পাছ কৰিলে। একেখন কলেজত নামভৰ্তি কৰি একেলগে কলেজ যাবলৈ ধৰিলে। কলেজতো সিহঁতে বহুত ফুৰ্তি কৰিলে, গাঁৱত যেনেদৰে মাঘ বিহুত ভোজ-ভাত খাই আনন্দত আত্মহাৰা হয়, তেনেদৰে কলেজতো নৱাগতা আদৰণি সভা, সৰস্বতী পূজা, খেল-ধেমালি আদি নানা অনুষ্ঠানত যোগদান কৰি আনন্দ কৰে। এনেদৰে তিনি-চাৰিটা বছৰ কেনেদৰে পাৰ হ'ল গ'মেই নাপালে। অৱশেষত এই সকলোবোৰ সপোন যেন হৈ পৰিল। বৈ থকা নদীখনো যেন হঠাৎ ৰৈ গ'ল।

গীতিকাহঁতৰ ঘৰখনো যেন এনেদৰে নিস্তব্ধ হৈ গ'ল। বাপেকৰ কৰুণ মৃত্যুত সকলো ভাগি পৰিল। ইমানদিনে তেওঁ এটা দুৰাৰোগ্য বেমাৰত ভুগি আছিল। এই কথা ঘৰৰ আটায়ে অলপ পলমকৈ গম পাইছিল। আচলতে বিধাতাই হয়তো এইটোৱেই বিচাৰিছিল। বাপেকৰ মৃত্যুত গীতিকা পাগলৰ দৰে হৈ পৰিল। মাক-আইতাক, ককায়েকে হিয়া ভুকুৱাই কান্দিছে। এনেকুৱা নিষ্ঠুৰ সময়ত তৰাহঁতৰ ঘৰখনে তাইৰ বাপেক নথকাৰ অনুভৱ নোহোৱাকৈ সহায় কৰিলে। ইফালে গীতিকা আৰু ককায়েকৰ পঢ়া-শুনাত বহুত টকা খৰচ হৈছিল। বাপেকৰ বাকী থকা টকাৰে সকামৰ পৰা আদি কৰি কেইমাহমান ঘৰ চলাবলৈ হ'ল। ককায়েকে গ্ৰেজুৱেচন লোৱাৰ পিছতো কোনো চাকৰি নাপালে। সৰুসুৰাকৈ কিবা এটা কৰিবলৈও টকাৰ প্ৰয়োজন। তথাপিতো ঘৰ তেনেদৰে চলি আছিল। কিন্তু লাহে লাহে এনেকুৱা হ'ল ককায়েকৰ মনটো যেন সলনি হৈছে। আজিকালি কাৰো সৈতে বেছি কথা নাপাতে, নুফুৰে। প্ৰায় অকলে অকলে মনে মনে থাকে। এনেতে গাঁৱৰ এজনী মেলেকীয়ে গীতিকাহঁতৰ ঘৰত জনালেহি যে তৰাই সিহঁতৰ দুৰাৱস্থাৰ কথা সকলোৰে আগত কৈ ফুৰিছে আৰু তৰাৰ দেউতাকে হেনো গীতিকাৰ দেউতাকৰ পৰা টকা ধাৰে লৈছিল। এইবুলি নানা কথা লগাবলৈ ধৰিলে। প্ৰথম অৱস্থাত গীতিকাই বিশ্বাস কৰা নাছিল। কিন্তু যেতিয়া কথাষাৰ সঁচা বুলি প্ৰমাণিত হ'ল তেতিয়া গীতিকাই তৰাক প্ৰায় দেখিব নোৱাৰাৰ দৰে হ'ল। আচলতে কথাটো আছিল এনেধৰণৰ - গীতিকা তৰাৰ দৰে সিহঁতৰ দেউতাকহঁতো ইজনে সিজনক বৰ ভাল পাইছিল। এদিন তৰাৰ দেউতাকে বজাৰ কৰোতে কেই টকামান কম হৈছিল, তাকে গীতিকাৰ দেউতাকে দি দিছিল। প্ৰায় তিনিশ টকামান। তৰাৰ দেউতাকে ঘৰলৈ আহি ঘূৰাই দিব লৈছিল কিন্তু গীতিকাৰ দেউতাকে নললে আৰু ক'লে "এই কেইটকা মই তৰাৰ নামত দিলো, তাই জানো মোৰো ছোৱালী নহয়? এই টকা ঘূৰাই দি মোক লাজ নিদিব।" এই কথাষাৰকে মেলেকীজনীয়ে কণটোকে ধানটো কৰি গীতিকাহঁতৰ আগত ক'লে। কিন্তু এই কথা তৰাই জনা নাছিল। সেয়ে তৰাই গীতিকাহঁতৰ ঘৰলৈ আহোতে গীতিকাই অলপ বেয়া ব্যৱহাৰ কৰি ক'লে - "তৰা তহঁতৰ দেউতাই যি টকা ধাৰে লৈছিল সেই টকা আজিৰ ভিতৰত মোক লাগে।" তৰাই মনত বৰ দুখ পালে আৰু ক'লে - 'হ'ব বাৰু' এইখিনিতে গীতিকা ক্ষান্ত নাথাকি তৰাক আৰু বহু কিবা কিবি ক'লে যিবোৰ তৰাই সহ্য কৰিব পৰা নাছিল। তথাপিও তাই গীতিকাক বহুত বুজালে - যে এইবোৰ সকলো মিছা কথা। অৱশেষত তৰাই কান্দি কান্দি ঘৰলৈ ঘূৰি আহি ঘৰত সকলোকে ক'লে- দেউতাকেও মনতে কষ্ট পাই সেই টকা তিনিশ ঘূৰাই দিলে। এনেকৈয়ে সিহঁত দুজনী বেলেগ হৈ পৰিল। জোন, তৰা যেন আকাশৰ পৰা সৰি পৰি বেলেগে বেলেগে থাকিবলৈ ল'লে। কিন্তু বন্ধুত্ব জানো ইমান নিষ্ঠুৰ হ'ব পাৰে?

সেই তেতিয়াই গাঁৱৰ হাইস্কুলখনৰ শিক্ষকৰ এটা পোষ্ট খালি হৈছিল আৰু ইয়াৰ বাবে তৰাক সেই স্কুলৰে এজন শিক্ষকে সেই পোষ্টটো পাবৰ বাবে সহায় কৰিছিল। কিন্তু তৰাই গীতিকাক নিজতকৈ বেছি ভাল পাইছিল আৰু সেয়ে বহুখিনি চিন্তা কৰি এই পদটো গীতিকাৰ ককায়েকক দিবলৈ সেই শিক্ষকজনক অনুৰোধ কৰিলে। অৱশেষত গীতিকাৰ ককায়েকে চাকৰিটো পালে। ককায়েকৰ মুখত সেই হাঁহিটো দেখি গীতিকা আনন্দত আত্মহাৰা হৈ পৰিল। সিহঁতলৈ যেন ভগৱানে চকু মেলি চালে। এই চাকৰিটো ককায়েকে একমাত্ৰ তৰাৰ বাবেহে যে পালে এই কথা গীতিকাই পিছত গম পাই মনতে বৰ কষ্ট পালে। তাই যে তৰাক কিমান বেয়া ব্যৱহাৰ কৰিলে আৰু তৰাই দিয়া তেজৰ বলতে যে তাই ইমান জীয়াই আছে, সেইকথা ভাবি কান্দিবলৈ ধৰিলে। পিছদিনা তাই লগে লগে ভুল বুজাবুজিবোৰ দূৰ কৰিবলৈ তৰাহঁতৰ ঘৰলৈ গ'ল। তৰাক ক্ষমা বিচাৰি সাৱটি ধৰি কান্দিবলৈ ধৰিলে। সিহঁত বহুতপৰ এনেদৰে থাকিল।■

## মহৎ লোকৰ বাণী

১। "ল'ৰা ছোৱালীক কোবাই ভয়াতুৰ কৰাৰ বাহিৰে একো কৰিব পৰা নাযায়। যুক্তি, বুদ্ধি আৰু কৌশল প্ৰয়োগ কৰি যি কাম কৰিব নোৱাৰি সেই কাম বল প্ৰয়োগেৰে সিহঁতৰ পৰা আদায় কৰিব নিবিচাৰিব।"

- মাইকেল ডি মণ্টেইন।

২। " নিজৰ মনত উদয় হোৱা প্ৰশ্নবোৰ দকৈ ভাবি চোৱা এটা ডাঙৰ গুণ। মনত এটা ভাল প্ৰশ্ন উঠিলে তাৰ উত্তৰ নিবিচাৰি নাথাকিবা।"

- আইনষ্টাইন।

# বিদায় সন্ধিক্ষণত অনুভৱৰ একলম ...

**মনালিচা লাহন**
স্নাতক তৃতীয় বৰ্ষ (অৰ্থনীতি বিভাগ)

বিদায়! এই তিনিটা আখৰেৰে পৰিপূৰ্ণ এই সৰু শব্দটি কিযে কৰুণ। ভাৱিলেই অন্তৰ বিষাদেৰে ভৰি পৰে। সঁচাকৈ এই শব্দটি সৰু হ'লেও বৰ বিশাল। ময়ো এই বিদায় মুহূৰ্তত যি অনুভৱ কৰিছো তাকেই লিখিলো।

মই যিদিনাই সোণাৰি মহাবিদ্যালয়ত পদাৰ্পন কৰিছিলোহি সেইদিনাৰ পৰাই এই মহাবিদ্যালয়খনক এটি পবিত্ৰ জ্ঞানৰ মন্দিৰ বুলি অনুভৱ কৰি আহিছো। সঁচাকৈ ভাৱিলেই কিযে আচৰিত। ইমান পিছপৰা অঞ্চল এটাত ইমান মহান এটা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান আছে বুলি সকলোৱে অনুভৱ কৰিব নোৱাৰে। আমাৰ মহাবিদ্যালয়ৰ চাৰিওফালে এটি সুন্দৰ সেউজীয়া পৰিবেশ। সন্মুখত এখন সুন্দৰ ফুলনি বাগিচা, শাৰী শাৰীকৈ সঁজাই থোৱা ফুলৰ তাববোৰ আৰু তাত ফুলি থকা ৰঙা, হালধীয়া আৰু বিভিন্ন ধৰণৰ ফুলৰ থোপা আৰু শাৰী শাৰীকৈ থকা জুপুহা আমলখী গছবোৰ। সঁচাকৈ ভাৱিলেই মনটো কি যে আমেজ ভৰি যায়। ৰ'দত শুকাই, বৰষুণত তিতি, মনটো বেয়া লাগি গ'লেও এই পবিত্ৰ মন্দিৰত পদাৰ্পন কৰাৰ লগে লগেই মনটো সঁচাকৈ সজীৱ হৈ উঠে। বগা চাৰ্ট কলা পেণ্ট পিন্ধি ল'ৰাবোৰ আৰু বগা চুৰিদ্দাৰ সেউজীয়া উৰ্ণাৰলৈ ছোৱালীবোৰ জাক জাক যেতিয়া কলেজলৈ আহে সিহঁতৰ মুখবোৰত ফুটি উঠে উদ্যম হেঁপাহৰ আৰু আশাৰ ৰেঙণি। এইবোৰ দেখি দুখ ভাগৰ সকলো পাহৰি যাওঁ।

কলেজত ব্যস্ততাৰ মাজেৰে সময় পাৰ কৰো। ৮.৪৫-২.৪৫ এই সময়ছোৱাত যদিও ইটোৰ পাছত সিটো Class লওঁ তথাপিতো মই আমনি অনুভৱ নকৰিছিলো। ইয়াৰ কাৰণ বহুতো। আচলতে এইটো সঁচা যে যি কোনো এটা বি[illegible] ভাল লাগিলে সেই বিষয়টো পাঠ দান কৰা শিক্ষকজনো ভাল লাগিব লাগে। কাৰণ মোৰ আমাৰ Department ৰ প্ৰতিজন শিক্ষাগুৰুকে ভাল লাগিছিল।

ইয়াৰ উপৰিও Class নথকা সময়ত আমাৰ লগৰ সকলোৱে প্ৰধানকৈ Samu, Lakhi, Apurba, Sunny, Plabita, Bulbul, Dulu, Sourav, Mridu, Utpal, Rantu, Bandipa, Rimpi, Ananya, Piaksee, Abdul আৰু বহুতো মাজে সময়ে আন Department ৰ পৰা অহা ৰাকেশ, কৰবী, অংকুৰ আমি সকলোৱে মিলি আমলখি গছৰ তলত বহি বিভিন্ন ধৰণৰ আলোচনা, হাঁহি উঠা গাজা, বিভিন্ন আড্ডা পিতি আৰু সকলোৱে সুখ-দুখৰ কথা পাতি সময় পাৰ কৰিছিলো। সঁচাকৈ সেই সময়বোৰ এটি এটি মধুৰ ক্ষণ আছিল।

নিয়তিৰ কি যে পৰিহাস। নিষ্ঠুৰ সময়; লাহে লাহে সংকেত দিব খুজিছে। তুমি এতিয়া বিদায় সন্ধিক্ষণত উপনীত হৈছা। কিন্তু! কেনেকৈ জনাওঁ তোমাক বিদায়। সঁচাকৈ বিদায় শব্দটো অনুভৱ কৰিলে মোৰ বুকুত শূলে বিন্ধাদি বিন্ধে। কেনেকৈ পাহৰো আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰাজেন তামুলী চাৰক প্ৰমুখ্যে কৰি শ্ৰদ্ধাৰ শিক্ষা গুৰু সকলৰ মৰম তথা সাৰগৰ্ভ উপদেশবোৰৰ কথা আৰু মহাবিদ্যালয়ত অনুষ্ঠিত কৰা কলেজ উইক, চেমিনাৰ, বিভিন্ন উৎসৱ। আৰু Field Study ৰ বাবে লোৱা Gibbon ৰ যাত্ৰা Sencus ৰ বাবে আইদেউ পুখুৰী গাঁওলৈ কৰা যাত্ৰা, পিকনিকলৈ যোৱা দিচাংমুখৰ কথা ইত্যাদি। মহাবিদ্যালয়ৰ লাইব্ৰেৰী, কেণ্টিন, আমাৰ অতীকৈ মৰমৰ তিনি মহলাৰ ওপৰত থকা Economics Department। এই সকলোবোৰ এটি এটি মধুৰ স্মৃতি। এই স্মৃতিবোৰ মোৰ মানসপটত কাহানিও মচিব নোৱাৰাকৈ সজীৱ হৈ থাকিব। সজীৱ হৈ থাকিব সোণাৰি মহাবিদ্যালয়।

আৰু কিছুদিনৰ পাছতে বহুমূলীয়া তথা মধুময় কলেজীয়া জীৱনৰ পৰিসমাপ্তি ঘটিব। 'সোণাৰি মহাবিদ্যালয়' তোমাৰ ওচৰলৈ আহিছিলো জ্ঞানৰ মুকুটা বুটলিবলৈ। তোমাৰ সাক্ষী কৰিয়েই বহু সপোন ৰচিলো। এই সপোন বাস্তৱত ৰূপায়িত হোৱা নোহোৱাৰ দুমুজাতে তোমাৰ পৰা বিদায় ল'বলৈ ওলাইছো। বিদায় ললেও তোমালৈ মনত পেলাব সুখ-দুখৰ স্মৃতিবোৰে।

মৰমৰ মহাবিদ্যালয়খন এৰি যোৱাৰা আগতে প্ৰতিজন শিক্ষাগুৰু লগতে বিশেষকৈ অধ্যয়নৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আৰু প্ৰেৰণা আগবঢ়োৱা শ্ৰদ্ধাৰ অৰ্পন বৰুৱা ছাৰ, দিলীপ ৰঞ্জন বৰুৱা চাৰ, মিণ্টু গগৈ চাৰ, পৰানন কোঁৱৰ চাৰ আৰু মৰমৰ ৰেণু বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সু-স্বাস্থ্যৰে জীৱনৰ প্ৰতিটো পল সুখে-শান্তিৰে সফল ব্যক্তিৰূপে পৰিচালিত হওক তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। আৰু বৰ্তমান অধ্যয়নত ব্ৰতী হৈ থকা সোণাৰি মহাবদ্যালয়ৰ সকলো ভাইটি-ভণ্টিকে মোৰ আন্তৰিক হিয়া ভৰা শুভেচ্ছা জনাইছো।

দিনবোৰ গ'ল
মাহবোৰ গ'ল
বছৰবোৰো গ'ল
যাবৰ বেলিকা অশ্ৰুৰ ঢল বোৱাই কৈ যাম-
" জয়তু সোণাৰি মহাবিদ্যালয়"
" জয়তু সোণাৰি মহাবিদ্যালয়"



# মাতাল ৰাতিৰ গদ্য

**অলিম্পিকা বুঢ়াগোহাঁই**
স্নাতক প্ৰথম বৰ্ষ

"সময় হেনো এখন বোৱতী নদীৰ দৰে। নদীয়ে যিদৰে একেৰাহে বৈ থাকে, ঠিক তেনেকৈ মানুহৰ জীৱনটোও যেন এখন চিৰপ্ৰৱহমান নদী। নদীয়ে নিজৰ সন্মুখৰ কোনো বস্তুকেই এৰি থৈ নাযায়, ইয়াৰ অক্লান্ত সোঁতে এফালৰ পৰা সকলো উটুৱাই নিয়ে। কিন্তু এই চিৰ প্ৰবাহিত খৰস্ৰোতও কেতিয়াবা পথভ্ৰষ্ট হয় আৰু জীৱশ্ৰেষ্ঠ মানুহো ইয়াৰ ব্যতিক্ৰম নহয়।"



ইয়েতো সত্য। ইয়ে বাস্তৱ নহ'লেনো মানুহৰ জীৱনেও এনেকৈ পথভ্ৰষ্ট হৈ নিজৰ গতি সলনি কৰেনে? মূল্যবান জীৱনকো ধ্বংসৰ গৰাহত ঠেলি দিয়েনে? ঘৰৰ বাৰাণ্ডাত বহি চাহ কাপ হাতত লৈ অৰিন্দম চৌধুৰীয়ে এৰি অহা জীৱনৰ কথাবোৰ ভাবি বিভোৰ হৈ থাকে।

অৰিন্দম চৌধুৰী এজন নামজ্বলা চৰকাৰী অভিযন্তা। এজন সৎ কৰ্মপটু নিকা ব্যক্তিত্বৰ অধিকাৰী। প্ৰকৃততে এজন ভাল মানুহ বুলিয়ে সকলোৱে জানে। তেওঁৰ পত্নী সত্যপ্ৰভা চৌধুৰী।

তেওঁলোকৰ একমাত্ৰ কন্যা ৰিণি; তাইক লৈয়ে তেওঁলোকৰ এখন সুখৰ সংসাৰ, সৰু কালৰ পৰাই কোনো কামতে অকণো কষ্ট নোপোৱাকৈ ডাঙৰ দীঘল হৈছিল। তাই স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। পঢ়া-শুনাত বৰ ভাল বুলিব নোৱাৰি। ৰাতিপুৱাই স্কুটিখন লৈ ওলাই যায় কলেজলৈ বুলি; কিন্তু দিনটো ক্লাচ নকৰি লগৰবোৰৰ লগত আড্ডা মাৰি গধুলিৰ আগে আগেহে ঘৰ সোমায়হি। মাজে মাজে দেউতাকে এই ক্ষেত্ৰত প্ৰশ্নৰ অৱতাৰণা কৰিলে মাকে তাইৰ হৈ উত্তৰ দিয়ে - 'ৰিণি এতিয়া ডাঙৰ হৈছে ভাল বেয়াৰ বিচাৰ কৰিব পৰা হ'ল তাইক লৈ ইমান চিন্তা কৰাৰ কোনো প্ৰয়োজন নাই।'

তেতিয়া কিন্তু দেউতাকৰ মুখত কোনো উত্তৰ নাথাকে। তেওঁ তেতিয়া মৌন হৈ থাকে। অনাগত দিনবোৰৰ বাবে চিন্তা কৰি তেওঁ গহীন হৈ যায়। তেনেকৈয়ে এদিন ৰিণিয়ে বি.এ. পাছ কৰাৰ পাছত লগৰ ছোৱালী দুজনী মানৰ লগত ফেশ্বন ডিজাইনিঙৰ ক'ৰ্চ কৰিবলৈ যাবলৈ মন কৰিলে। দেউতাকে প্ৰথমে বাধা দিছিল কিন্তু ৰিণিৰ বহুত ওজৰ-আপত্তি আৰু মাকৰ পক্ষপাতিত্বত তেওঁ অনিচ্ছাকৃতভাৱে যাবলৈ মত দিলে। নিজৰ যাৱতীয় বস্তু-বাহানিবোৰ লৈ লগৰ ছোৱালী নিশিতা আৰু প্ৰস্তুতিৰ লগত ৰিণি যাবলৈ ওলাল। মাকে তাইক বাছত উঠাবলৈ গৈ অশ্ৰুসিক্ত নয়নেৰে বিদায় জনালে আৰু কলে - 'ৰিণি তাত গৈ ভালকৈ থাকিবা, মাজনী মাজে মাজে খবৰ জনাবা আৰু টকা পইচা যি লাগে কবা।'

বাছ চলি গ'ল সুদূৰ গুৱাহাটী মহানগৰীলৈ। মাকে বাছখনে নেদেখালৈকে চাই থাকিল।

ৰাতিপুৱা প্ৰায় ছয় বজাত ৰিণিহঁত গুৱাহাটী পালেগৈ। সিহঁতে অট' এখন লৈ আগতে বন্দোবস্ত কৰি ৰখা ঠাইলৈ গতি

কৰিলে। ভাড়াঘৰত তিনিওজনীয়ে আনন্দ উল্লাসৰ মাজেৰে দিন কটাবলৈ ধৰিলে। ইয়াৰ মাজতে ডিজাইনিঙৰ ক'চটোও সুকলমে চলাই গ'ল। এনেকৈয়ে সিহঁতে জনসমাগমেৰে ভৰা গুৱাহাটী মহানগৰীৰ চৰিত্ৰৰ সৈতে একাত্ম হৈ পৰিল। ইয়াৰ মাজতে ৰিণিয়ে নিজৰ আৰু ঘৰৰ খবৰ লৈ থাকিল।

এনেদৰে ক্লাচ কৰি থকাৰ মাজত ৰিণিয়ে ববিতা ইংতি নামৰ জনজাতীয় ছোৱালী এজনীৰ লগত চিনাকী হয়। প্ৰথম চিনাকীতেই তাইৰ প্ৰতি ৰিণিৰ আন্তৰিকতা ওপজিল। সেইদিনাৰ পৰাই দুয়োজনী একেবাৰে সু-হৃদ বান্ধৱী হৈ পৰিল। ববিতাই সিহঁতৰ তালৈ মাজে মাজে আহে আৰু ৰিণিও যায়। ৰিণিৰো তাইৰ দৰে বান্ধৱী এজনী পাই যেন আনন্দৰ সীমা নোহোৱা হ'ল। ববিতাই এদিন ৰিণিক চহৰৰ এখন পৰিচিত ডিস্ক' বাৰলৈ লৈ গ'ল য'ত তাই ৰঙীন লাইটৰ চিক্‌মিকনি দেখি বুজাব নোৱাৰা কিবা এক আনন্দত আত্মহাৰা হৈ পৰিল। ডিস্ক'বাৰৰ ৰঙীন মায়াভৰা পৃথিৱীখনে ৰিণিক ক্ৰমে বিমোহিত কৰি অনাৰ পৰিণতিতে তাই তালৈ প্ৰায়ে যাবলৈ ইচ্ছা কৰিলে।

এনেকৈ এদিন তাই বিলাতী সুৰাও মুখত দিলে। বিলাতী সুৰাৰ নিচাতে আপোনপাহৰা হৈ পৰা ৰিণিয়ে সেইদিনা কেতিয়া আৰু কেনেকৈনো আহি 'ৰুম' পালেহি তাই নিজেই গম পোৱা নাছিল। সেইনিশা নিচাগ্ৰস্তা ৰিণিজনীক লগৰ কেইজনীয়ে ধৰা বন্ধাকৈ আনি বিচনাত শুৱাই দিছিল। পিচ দিনা যেতিয়া তাই শুই উঠিলে তেতিয়া তাইৰ মূৰটোত এটা বিষ অনুভৱ কৰিলে। তাইৰ এনেকুৱা অৱস্থা দেখি প্ৰস্তুতিয়ে কৰি দিয়া কাঢ়া আদা দিয়া চাহকাপ খাইহে ৰিণি যেন বাস্তৱলৈ ঘূৰি আহিছিল। প্ৰস্তুতিয়ে ৰিণিলৈ চাই গহীন হৈ ক'লে - 'ৰিণি তই ববিতাৰ লগ এৰি দে। তাই ভাল ছোৱালী নহয়, তাই বহুত বেয়া কামৰ সৈতে জড়িত।'

তাইৰ কথা শুনাৰ লগে লগে ৰিণিৰ খংটো যেন মূৰৰ ওপৰলৈকে উঠি আহিল। তাই খঙেৰে ক'লে - 'মই তাইৰ লগত ফুৰিছো কথা পাতিছো তহঁতৰ কি হ'ল। তাই ভালনে বেয়া মই জানো। তহঁতে মোক শিক্ষা দিব নালাগে। তহঁতৰ যদি ইমানেই অসুবিধা হৈছে তেনে মই ইয়াৰ পৰা যাওঁগৈ তহঁতে থাক।' এইবুলি কৈ তাই নিজৰ বস্তুবোৰ লৈ ববিতাৰ ৰুম পালেগৈ।

ৰিণিক পাই ববিতাইও ভালেই পালে। তাই ৰিণিক কলে - ভালেই কৰিলা ৰিণি তুমি ইয়ালৈ গুচি আহিলা। মই ভাবিয়েই আছিলো তোমাক কথাটো কম বুলি। সেই কাৰ্টুন কেইটাৰ লগতযে তুমি কেনেকৈ আছিলা? ৰিণিও কথাটোত সহাৰি জনাই মিচিকিয়াই হাঁহি মাৰি নিজৰ বস্তুবোৰ ঠিক কৰাত লাগিল।

ববিতাৰ সৈতে মহানগৰীৰ ৰঙীন স্বপ্নময় পৃথিৱীত খোজ কাঢ়িবলৈ গৈ ৰিণিজনীক যথেষ্ট টকা-পইচাৰ প্ৰয়োজন হৈছিল। যাৰ বাবে তাই ঘৰলৈ ঘনাই টকা বিচাৰি দিগ্‌দাৰ কৰিব ধৰিলে।

ইফালে দেউতাকৰ মনত এনেকুৱা হাজাৰটা প্ৰশ্নৰ উদয় হ'ল। ৰিণিক হঠাতে ইমান টকাৰ প্ৰয়োজন হ'ল কিয়? তাইক ইমান টকা লাগে কিয়? মাকে তেতিয়া কয় - 'কিযে অনৰ্থক কথাবোৰ চিন্তা কৰি থাকে আপুনি? মহানগৰ এখনত অধ্যয়ন কৰা ছোৱালীজনীক কিমান টকাৰ প্ৰয়োজন, সেয়া আপুনি জনা উচিত।

ৰিণিয়ে ঘৰৰ পৰা টকাৰ অভাব নাপায় নিজৰ চখ তামাচত দিন কটাব ধৰিলে। ববিতা তাইৰ সাৰথি যেতিয়া তাইৰ কিহৰ শংকা, কিহৰ ভয়? সদায় ড্ৰিংকচ্ কৰাটো যেন তাইৰ অভ্যাসত পৰিণত হ'ল। আজি কালি তাই ডিজাইনিঙৰ ক্লাচলৈও নোযোৱা হ'ল। কেৱল ঘুৰা-ফুৰা, মদ খোৱা, ডিস্ক'ত উন্মাদৰ দৰে নচা আদি কাৰ্যতেই তাই ব্যস্ত। এনেকৈয়ে এদিন ববিতাৰ লগত ঘূৰা-ফুৰা কৰি থাকোতেই ববিতাৰ লগৰ বন্ধু কেইজনমানৰ লগতো চিনাকী হ'ল। তাৰে মাজৰে বিৰাজৰ লগত এক ঘনিষ্ঠতা বাঢ়ি গ'ল। লাহে লাহে দুয়োৰে মাজত এক নীবিড় সম্পৰ্কও গঢ় লৈ উঠিল। এই সম্পৰ্ক অৱশেষত ভালপোৱাত পৰিণত হ'ল। এই সম্পৰ্কত যে কিবা এক স্বাৰ্থ জড়িত থাকিব পাৰে তাই সেই কথা এবাৰো ভবা নাছিল। সিদিনাখন তাই বিৰাজৰ চলাহী কথাত ভুলগৈ মহানগৰীৰ সেই অভিজাত হোটেলখনত তাৰ জন্ম দিনৰ অন্তৰংগ মুহূৰ্ত উপভোগ কৰিবলৈ গৈছিল।


বহুতো আনন্দ উল্লাসৰ মাজেৰে সেই সন্ধ্যাতে বিৰাজে তাইৰ নিচাসক্ত শৰীৰটি উপভোগ কৰাৰ মানসেৰে সি আগতেই বন্দোবস্ত কৰি থোৱা এটি বিশেষ কোঠালৈ দাঙি লৈ যায়। তাৰ পিছত আৰু তাই একো গম নাপায়।

যেতিয়া নিজকে তাই এটা বিশৃংকল কোঠাত অসংযত ৰূপত আৱিষ্কাৰ কৰে, তেতিয়াহে তাইৰ মনলৈ চেতনা ঘূৰি আহে। তেতিয়া তাইৰ বুজিবলৈ বাকী নাথাকিল এয়া যে তাইৰ বন্ধু বিৰাজৰ লগত কৰা বন্ধুত্বৰেই কুফল। সেই সন্ধ্যাটোতে তাই চিৰদিনৰ বাবে হেৰুৱাই পেলাইছিল নিজৰ সতীত্ব। তাইৰ অজ্ঞাতে দুচকুৰে দুধাৰি তপত চকুলো বৈ আহিল। উপায় বিহীন হৈ তাই ঘৰলৈ বুলি খোজ ললে।

পিছদিনা ঘৰ পাই তাইৰ সন্মুখত প্ৰথমতে দেউতাকক দেখা পালে। দেউতাকে তাইলৈ এক অবাক দৃষ্টিৰে তাইলৈ ছোৱাত এক বুজাব নোৱাৰা শোকে তাইক খোন্দা মাৰি ধৰিলে আৰু একো নকৈ তাই ভিতৰলৈ গৈ বিছনাত গাৰুটোকে সাৱটি লৈ হুকহুকাই কান্দিবলৈ ধৰিলে। সেই সময়তে মাকে তাইক কন্দাৰ কাৰণ সোধাত তাই কান্দি কান্দি মাকক সকলোখিনি বিৱৰি ক'লে। মাকে তেতিয়া তাইক সান্ত্বনা দি কলে যি হ'ব লগা আছিল হৈ গ'ল। সকলো বিলাক লাহে লাহে ঠিক হৈ যাব। তথাপিও তাই কান্দিয়ে থাকিল আৰু কান্দি কান্দি কেতিয়ানো তাই টোপনি গ'ল গমকে নাপালে। হঠাতে তাই সাৰ পাই বিচনাতে ভাবিবলৈ ধৰিলে তাই নিজকে শেষ কৰি পেলাব। হঠাৎ আকৌ তাইৰ বিবেকে তাইক বাধা দিলে নাই নাই তাই তেনে কাম কৰিব নোৱাৰে, তাই আকৌ মহানগৰলৈ ওভটি যাব আৰু তালৈ গৈ মায়াৰে ভৰা মহানগৰীত আবাটে বাট বুলি যোৱা তাইৰ দৰে দহজনী ৰিণিক শুদ্ধ পথলৈ ঘূৰাই আনিব।■







# শেষ চিঠি

কৃষ্ণ কাগ্য়ুং
স্নাতক তৃতীয় বৰ্ষ (ইংৰাজী বিভাগ)

অপ্ৰত্যাশিতভাৱে দেখা সপোনটোৱে প্ৰশান্তৰ মনৰ পৰা স্থিৰতাবোৰ কাঢ়ি নিছে। ক্ৰমান্বয়ে দুৰ্ভাৱনাৰে মনটো ভৰি পৰিছে। মুনমীৰ পৰা অহা চিঠিখনে তাক জুৰুলা কৰি পেলাইছে। প্ৰশান্তৰ অফিচতো সহকৰ্মীৰ দৃষ্টিত সি ধৰা পৰিছে। তুলিকা চুমীহঁতে বাৰে বাৰে তাক মনৰ অৱস্থাৰ বুজ লোৱাত সি অজ্ঞতা প্ৰকাশ কৰাৰ চেষ্টা চলাইছে। কোনমতে বাৰু কয় মুনমীয়ে তা ...।

ঃ তই থাক গুৱাহাটীত, তাই থাকে গাঁৱত। তাই তাত যদি কাৰোবাৰ সৈতে ডেটিং মাৰি আছে, তইতো নাজানিবি। আমাৰ দেখিছ, সি ক'ত যায় কি কৰে চবতে চকু ৰাখোঁ। - কোনো এটা ধেমেলীয়া মুহূৰ্তত সহকৰ্মী তুলিকাই গৰ্বেৰে কোৱা কথাষাৰ তাৰ মনত পৰিছিল।

ঃ প্ৰকৃত প্ৰেমৰ সম্পদ হ'ল বিশ্বাস আৰু আপোনজনৰ প্ৰতি থকা নিঃস্বাৰ্থ মৰম। দৈহিক সুখৰ প্ৰসংগ ইয়াত অবান্তৰ। - প্ৰশান্তৰ প্ৰত্যুত্তৰ।

ঃ হ'ব হ'ব, বৰ বৰ লেকচাৰ বন্ধ কৰ। নেদেখাকৈ কাকো কোনেও ভাল পাব নোৱাৰে। যদি কেতিয়াবা পায়ো, বিয়া কিন্তু নহয়। দেখা মানে এক শাৰীৰিক আকৰ্ষণ। শৰীৰৰ পাছতহে অন্তৰ বা অন্তৰৰ আঁৰতো লুকাই থাকে শৰীৰেই।

তুলিকাৰ যুক্তি অৰ্থহীন নাছিল, ইয়াৰ সত্যতা নুই কৰিব নোৱাৰি।

চেন্নাইৰ পৰা প্ৰশান্ত অহা ট্ৰেইনখনত কটকত তিনিজনীয়া এটা অসমীয়া পৰিয়াল উঠিছিল। জন্মভূমিৰ তেজৰ এটা সুবাস আহি তাৰ নাকত লাগিছিল। সেইটো কমপাৰ্টমেণ্টৰে তাৰ সহযাত্ৰী হৈছিলহি মাক দেউতাকৰ সৈতে এজনী মৰমলগা ছোৱালী, নাম মুনমী। প্ৰথম সাক্ষাততে প্ৰশান্তই অজ্ঞাতে আঁকি পেলালে হৃদয়ৰ কেনভাচত এখন প্ৰতিচ্ছবি। পিঠিত পৰা দীৰ্ঘ চুলিটাৰি, প্ৰসাধনহীন মুখমণ্ডল, হঠাতে কোনোজনৰ হৃদয়ত চুনামি সৃষ্টি কৰিব পৰা দুনয়ন, গোলাপী ৰঙৰ ওঁঠযুৰি, উঠন বুকুত বসন্তৰ গান, ধেনুভিৰীয়া চেলাউৰিত মৰমৰ বান ...।

দক্ষিণ ভাৰত ভ্ৰমণলৈ যোৱা শিক্ষক পৰিয়ালটোৰ সৈতে প্ৰশান্তৰ চিনাকিৰ পিছত ঠিকনাৰ প্ৰশান্তৰ খুৱ কম সময়ৰ ভিতৰতে পৰিয়ালটোৰ তিনিওজনৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল।

চেন্নাইস্থ প্ৰশান্তৰ ঠিকনাত মুন্‌মীয়ে চিঠি লিখিবলৈ আৰম্ভ কৰিছিল। প্ৰথমে মাহেকত এখন, তাৰ পিছত এসপ্তাহত এখনকৈ আৰু তাৰ পিছত ...।

আজি দুদিন হ'ল। মুনমীৰ পৰা অহা চিঠিখন প্ৰশান্তই খুলিবলৈ সাহস কৰা নাই। ভয় শংকাৰে ভাৰাক্ৰান্ত প্ৰশান্তৰ মন। খুলিলে জানোচা উদ্‌গিৰণ হয় জ্বালামুখীৰ, দীৰ্ঘদিনীয়া সুখ-আনন্দবোৰ যেন লাভাই গ্ৰাস কৰিব। বৈ যাব বিষাদৰ বন্যা ...।

চিঠিখন খুলিম বুলি হাতত লৈয়ো নোখোলাকৈয়ে টেবুলৰ ওপৰতে থ'লে। ছোৱালীবোৰেই যত কূটৰ ঘাই - মিছলীয়া, ঠগ, প্ৰৱঞ্চক, বিশ্বাসঘাটক- খঙত ভোৰভোৰাই উঠিল প্ৰশান্ত।

যোৱা দুদিন ধৰি প্ৰশান্তই ম'বাইলৰ ছুইচ অফ্ কৰি ৰাখিছে। মুনমীৰ চিঠিখন পোৱাৰ পিছত কথা পতাৰ মানসিকতা হেৰুৱাই পেলাইছে, যাক জীৱনৰ সৰ্বস্ব উজাৰি ভাল পায়, তেনে এজনী ছোৱালীয়ে বিশ্বাসঘাটকতা কৰাৰ পিছত কাৰ সৈতে মন খুলি কথা পাতিব। ঘৰৰ একমাত্ৰ সন্তান হিচাপে মাকে প্ৰতি নিশা ফোনতে তাৰ খবৰ লয়। দিনটোৰ খোৱা বোৱাকে ধৰি সকলো খতিয়ান দিব লাগে। সেইজনী মাকে যোৱা দুদিন ফোনেৰে যোগাযোগ কৰিব নোৱাৰাত সি থকা ঘৰটোৰ মালিকলৈ ফোন কৰিছিল। এই খবৰটো পুৱা মালিকৰ জীয়েকজনীয়ে তাক দিছিল।

বিশ্বাসঘাতক কৰিছে মুনমীয়েহে মাকৰ কি দোষ! বিনাদোষত মাকক কষ্ট দিয়া বাবে প্ৰশান্তৰ দুখ লাগিল। কিবা ভাবি প্ৰশান্তই ম'বাইলৰ ছুইচ্‌টো অন কৰি দিলে। লগে লগে ম'বাইলৰ স্ক্ৰিণত এটা অচিনাকি নম্বৰ। ফোনকলটো ৰিচিভ কৰি কাণৰ কাষলৈ নিয়াত এটা নাৰীকণ্ঠ ভাহি আহিল। ধাতৱ তাঁৰেৰে ভাহি অহা দুটা মান শব্দ শুনাৰ পিছত সেই নাৰীকণ্ঠ কাৰ বুজাত প্ৰশান্তৰ অকণো অসুবিধা নহ'ল। খং আৰু হতাশাই আৱৰি থকা প্ৰশান্তক যেন জ্বলা জুইত ঘিউহে ঢালিছে। প্ৰশান্তক কোৱাৰ সুবিধা নিদিয়াকৈ মুনমীয়ে কৈ গ'ল -

ঃ তোমালৈ ফোন কৰি ভাগৰি পৰিছোঁ। যোৱা দুদিনেই ম'বাইলৰ ছুইচ অফ্ কৰি ৰাখিছো। এই দুদিন মোক বহুত কষ্ট দিলা। চিঠিখন পঢ়াৰ পিছতো এনেদৰে কষ্ট দিবা বুলি ভবা নাছিলোঁ।

প্ৰশান্তই বিশ্বাসেই কৰিব পৰা নাই প্ৰকৃততে হৈছে কি? টান মাৰি টেবুলৰ ওপৰৰ পৰা চিঠিখন আনি ভাঁজবোৰ খুলি এফালৰপৰা পঢ়ি গ'ল, প্ৰতিটো শাৰীত মৰমৰ ঢৌউৱে জোৱাৰ তুলিছে। বন্ধ চিঠিখনৰ পিছফালে উল্লখ থকা 'মোৰ শেষ চিঠি' শব্দ তিনিটাই প্ৰশান্তৰ মনৰ পৰা সুখ আনন্দবোৰ কাঢ়ি নিয়া বুলি অনুভৱ হৈছিল। সেই শব্দকেইটাৰ অৰ্থ বুজি প্ৰশান্তই আনন্দতে চিঠিখনৰ শেষৰ তিনিশাৰী চিঞৰি পঢ়িবলৈ ধৰিলে - 'প্ৰশান্ত' আজিৰ পৰা আৰু চিঠি নিলিখোঁ। এইখনেই মোৰ শেষ চিঠি। নতুনকৈ এটা ম'বাইল ফোন লৈছো ৯৯৫৪ ... ফোন কৰিবা, বৰ আশাৰে তোমাৰ ফোনটোলৈ বাট চাই আছোঁ।'■

# থুই বিছা দেখিলে মিছা

ত্ৰিভুৱন গগৈ
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভগ)

মেচা খুকুৰীখন তাৰ কমৰৰপৰা নুগুচেই অনবৰতে। কোনোবাই নেগুৰত ঘাপ দিয়া কুকুৰটোৰ দৰে লাগি থাকে সেইখন লেটেপ লেটেপ। ঘৰৰ ভিতৰে-বাহিৰে ৰাস্তাই-পদুলিয়ে বজাৰে-সমাৰে সকলোতে। দেখিলে হাঁহি উঠিব খুজে, কিন্তু হাঁহিব নোৱাৰি জানোচা ঘেচেং?? সেইদেখি মই নেহাঁহো কিন্তু আনে- আনে কি কৰে মই নেজানো। মই জানো সেইটো তুমিহে জানিবা।

গাঁৱত বুইছা নাই ওচৰ চুবুৰীয়াৰ ঘৰত বিশেষকৈ আমাৰ গেন্ধেলাকাইটিৰ ঘৰত তাৰ প্ৰৱেশ নিয়মীয়া বুইছা নাই। অৱশ্যে ফুল দেখিলে পখিলা আহিবই নহয়জানো? সেইটো স্বাভাৱিক। কিন্তু কলা ৰঙৰ ফুল হ'লে আজিলৈকে এই পৃথিৱীত দেখা নাই দেই। সেই দেখি কব পাৰি যে সি গেন্ধেলা ফুলনিৰ ফুলৰ মৌ চুহিবলৈকে সি সদায় তালৈ যায়। গেন্ধেলাকাইটিৰ চাৰি নম্বৰ জীয়েক চেপেতিয়ে ইষ্টিলৰ বাটিত দিয়া সেই ৰাংচি তিতা চাহপানী টোপাৰ সোৱাদেই বেলেগ।

স্থানীয় বুইছা নাই লোকেল মানুহখিনিৰ ঘৰত নানা ওফাইদাং মৰা কথা কৈ সেই সুযোগতে সি চাহৰ জুতি, চাধাৰ তিপা, আনকি ওঁঠ পেটুলোকা চৰাইৰ তিকাটো যেন ৰঙাকৈ চূণে চাধাই ভালকৈ তামোল এমকা খোৱাটো তাৰ হেবিতেল এক্সন। সেহেন ভাল ধোদৰ পচলাই যদি মন কৰে ভালকৈ মাটি দুবিঘা খেতি কৰিয়েচোন তাৰ গজিন্দ হুলুঙা পেট পুঁহিব পাৰে। চালা পাবত গঁজাই বুইছা নাই আতিপুৱাই অঙা বেলিটো নৌ ওলাওঁতেই লোকৰ বাহিচোতালত প্ৰথম পদাৰ্পন নকৰিলে তাৰ যেন গত্যন্তৰেই নাই।

নকলেও নহয় ফটা মুখ কলেও পায় ভকতে দুখ। বুইছা নাই, মোৰ ঘৰলৈ অহা এই আলিটো দেখিছা যে দেখিছা নহয় সেইটো বোলে সি সঁচ কঠিয়াই টেবুল ঢকিয়াই অনাহে আলি, মোৰ কণা গোঁসাই ঔ তুমি ক'ত আছা ঔ মই ক'তে মৰো ঔ। সেই বাঁৰী মালতীজনীক বোলে সিহে হেনো চৰকাৰী ঘৰ, টিউৱেল দিয়াইছে। গাঁৱৰ পঞ্চায়তৰ অফিচলৈ গলে তাক হেনো পেচিদেনে চালাম জনায়। ভয়তে বোলে মেলেৰীয়াই পোৱাটোৰ দৰে থক্‌থক্‌কৈ কঁপে। এইবোৰ তাৰ ওখহা মুখৰ ওখহা কথা। তাৰ কথাবোৰ শুনিলে মোৰ এই উকা তালোখনত চুলিবোৰে পিৰ্‌পিৰ্ কৰি মৌমেল পাতে।

এদিন আকৌ শনিবৰীয়া বজাৰত বুইছা নাই, শক্তিমানৰ তাণ্ডৱলীলা নহয়। মইযে তাত আছোঁ তাৰ খবৰেই নাই। এটুপি ধৰি দিয়াত তাৰ পাৰা গলিছিল হপায়। ইতিমধ্যে বজাৰত মানুহৰ গোপগোপনি বাহিব ধৰিছে। কেজি কেটকা, আধাকেজি দহটকা, কিমান দিম আদি। সৰু বুইছা নাই অন্ততঃ তাতকৈ বহু সৰু ল'ৰা এটাই শাক বেচি আছিল নহয় বুইছা নাই। সি তাৰ পৰা শাক লৈছে বুইছা নাই পইচা দিয়া নাই। ল'ৰাটোৱে পইচা খুজিছে বুইছা নাই তাৰ জেপত পইচা নাই। আছে মাথোঁ ছিগা নেগুৰ ডোখৰ। ল'ৰাটোৱে শাক মুঠি তাৰ হাতৰ পৰা কাঢ়ি লগৰখিনিৰ লগত থৈ দিলে। সি হাউলি শাকমুঠি ল'ব লওঁতেই ল'ৰাটোৱে তাক এক থেলুক মাৰি দিলে নহয়। সি উফাল খাই পৰিল। তাৰ পিছত সি কাকাং মাকাংকৈ উঠি আহিছিল বুইছা নাই ল'ৰাটো আগে পিছে কিবা অলপ জনা আছিল হপায় বুইছা নাই এপাক ঘূৰি থেচ্ কৰাহে শুনিলোঁ বুইছা নাই সি গৈ সৌমানত চকুৱে জোনাকী নে সৰিয়হ ফুল দেখিলে জানো পায়। তাৰ পিছত এই কথাই কথা নহয় বুলি ভাবি সি খুকুৰী উলিয়াই উঠি আহকচোন বুইছা নাই কুকুৰা বান্ধি থোৱা সৰু খুটি এটিত চেক্ মিলাওতে মুখ থেকেচা খাই বুইছা নাই চিলিলিক ধাই। তাৰ খুকুৰীয়ে তাকহে কাণৰ ওচৰৰ এইখিনিতে আঁচুৰিলে।

ইচ্ছা কৰা হ'লে ল'ৰাটোৱে তাৰ সেইখনে তাৰ ডিঙিতেই ঘেঁচুকেনে -?-? বুলি জানিছা নাই সি একোৱেই নাই কৰা, সি কি কৰে সি চাই আছে বুইছা নাই।

মই বুলু এই কথাই কথা নহয় বুলি ভাবি মোৰ বুঢ়া চাইকেলত লপিয়াবলৈ লওঁতেই কেৰেককে চেৰেনডাল পৰি থাকিছে বুইছা নাই। তাৰ পিছত চেৰেন তুলিছোঁ। চেৰেন তুলি ঘৰ পালোঁহি। তাৰপিছত আহি দেখিছোঁ বুইছা নাই সি গজ গোবিন্দই চাহপানীৰ লগত গাহৰীয়ে কেঁকোৰা চোবোৱাৰ দৰে কৰকৰাই ৰিং পাপৰ চোবাব ধৰিছে। চোবাই আছে বুইছা নাই।

মই একো কোৱা নাই। সি কি কৰে মই চাই আছোঁ। মনতে ভাবিছো বুলু ..........।■





# নাট্যশিল্প

নাটক হ'ল, "জীৱন সংক্ৰান্ত ধাৰণাসমূহৰ অভিব্যক্তিৰ এনে এক শিল্পকলা, য'ত সেই অভিব্যক্তি অভিনেতা সকলৰ দ্বাৰা ব্যাখ্যাত হোৱাৰ উপযোগী আৰু যি অভিব্যক্তি তাৰ শ্ৰৱণীয় বচন আৰু দৰ্শনীয় ক্ৰিয়াশীলতাৰ সমবেত দৰ্শকমণ্ডলীৰ মনোৰঞ্জনৰ কাৰণ হ'ব পাৰে।" —

এলাৰভিছ নিকল

# হাঁহিৰে জীৱন গঢ়ি

(একাংকিকা নাটক)

**নিৰ্মল কুমাৰ গগৈ**
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

(মঞ্চসজ্জা ঃ মঞ্চত পোহৰ পৰাৰ লগে লগে মঞ্চত কেইখনমান চকী, টেবুল, বাতৰি কাকত, আলোচনী আদি থাকিব। মঞ্চৰ ব্ৰেকস্কীনত গান্ধী, বিষ্ণুৰাভা, শংকৰদেৱৰ ফটো থাকিব। মঞ্চৰ ড্ৰপস্কীন খোলাৰ লগে লগে সুন্দৰ বাঁহীৰ ৰাগ ভাহি আহিব আৰু ৰত্ন মাষ্টৰক ধুতি, পাঞ্জাৱী, চশমা পিন্ধি বাতৰি চাই থাকিব।)

ৰত্নমাষ্টৰ ঃ (ভিতৰলৈ মন কৰি) হেৰা পদুমী, শুনিছানে, এস্ মোৰ কাৰণে চাহ একাপ আনাচোন। চাহত হ'লে চেনি নিদিবা।
(বাতৰিখনলৈ আকৌ চকু ফুৰাই হুমুনিয়াহ কাঢ়ে)
ছিঃ ছিঃ এইবিলাক ঘটনা আৰু কিমান শুনিবা। অ'ত ডকাইত, ত'ত চুৰি, ক'ৰবাত ধৰ্ষণ, ক'ৰবাত বিস্ফোৰণ, বাঃ এই বিলাকেই পেপাৰ ভৰ্তি। অন্যতো আৰু নায়েই ...।
(অলপ সময়ৰ পাছত পদুমীয়ে হাতত চাহ লৈ সোমাই আহে।)

পদুমী ঃ কি হ'ল আপোনাৰ। অকলে যে কথা পাতি আছে। মই ভাবিছিলো বেলেগ কোনোবা আহিছে হবলা।

ৰত্নমাষ্টৰ ঃ অ' আহিছেতো? (এক বিশেষ ভঙ্গীমাত।)

পদুমী ঃ কোনকোন ...?

ৰত্নমাষ্টৰ ঃ (হাঁহি মাৰি) এই পেপাৰখন আ'ক। দেখা নাই জানো তুমি ...।

পদুমী ঃ পেপাৰখনহে; তাতে আপোনাৰ কি হ'ল।

ৰত্নমাষ্টৰ ঃ কিনো হ'ব হে ...। পেপাৰখন ছোৱাৰে পৰা মনটো একেবাৰে অশান্তি লাগি গ'ল। একেখন পৃথিৱীৰ মানুহেই, একেখিনি মানুহক হত্যা, ধৰ্ষণ কৰিব, চুৰি কৰিব- এইবিলাক শুনি জানো আমিবোৰে শান্তিত থাকিব পাৰো। আমিওতো এইখন পৃথিৱীৰ মানুহ ...।

পদুমী ঃ তেতিয়া হ'লে পেপাৰ খন নপঢ়িলেই হ'ল।

ৰত্নমাষ্টৰ ঃ তুমিও যে আৰু কথা কোৱা। সদায় পোৱা গধুলি চাই থকা বাতৰি কাকতখন মই বাৰু নোচোৱাকৈ থাকিব পাৰোনে?

পদুমী ঃ আপুনিয়েই দেখোন কৈছিলে এতিয়া, বাতৰি কাকতখন চালে আপোনাৰ মনটো হেনো একেবাৰে অশান্তি লাগি যায় বুলি। সেই কাৰণে নালাগে চাব বুলি কৈছো।

ৰত্নমাষ্টৰ ঃ আঃ ... হা ..। মইতো বাতৰি কাকতখনৰ কথা কোৱা নাই। মাত্ৰ কৈছো বাতৰিত থকা শিৰোনামা কেইটা আৰু প্ৰতিচ্ছবিত দেখুওৱা কিছুমান দানৱীয় মানুহৰ কথাহে কৈছো ...।

পদুমীঃ (বিৰক্তিভাবে নিজৰ কপালত হাত ঢকিয়াই কয়) হাঁয় ... হাঁয়। এই মানুহটোৱে যেন একেবাৰে এক্টিংহে কৰে।

ৰত্নমাষ্টৰ ঃ (হাঁহি হাঁহি কয়) আচ্চা ... আচ্চা .. মই এক্টিংহে কৰিছো, আৰু দৰ্শক হৈ তুমি মোক চাই আছা। এইয়া ছোৱা মই এতিয়া এক্টিং কৰিম ...। (ৰত্ন মাষ্টৰে পদুমীক চকী এখনত বহুৱাই)
ইয়াত তুমি বহা আৰু মই ...
(হাতত চাহ কাপ লৈ সোহা এটা মাৰি জোৰকৈ হাঁহে)
- এইয়া ছোৱা পদুমী, মই এক্টিং কৰিছো ...।

পদুমী ঃ (খঙেৰে) হুঁ ...। মোৰ এই ধান খেৰ জ্বলাদি জ্বলি অহা আপদীয়া খংটো উঠাই নলব। আজি আপোনাৰ মুখত কিয় ইমান হাঁহি, কিয় ইমান ...। এখন আশ্ৰমৰ স্কুলৰ পৰা শিক্ষকতা কৰি অৱসৰ লৈ বৃদ্ধ হ'ল আৰু এতিয়া বৃদ্ধৰ মুখত বৰ হাঁহি ...।

ৰত্ন মাষ্টৰ ঃ (লাহেকৈ কয়) অ' পদুমী তুমি ঠিকেই কৈছা বৃদ্ধৰ মুখত বাৰু কেতিয়াবা বৰ হাঁহি ওলাইনে ...। কিন্তু কি কৰিবা ...। এই হাঁহিবোৰকতো আমি জীয়াই ৰাখিব লাগিব। আৰু ইয়াত তুমি কিয় সঁহাৰি দিব নোৱাৰা পদুমী। তুমি আজিও অনুভৱ কৰিব পৰা নাইনে, যে ৰত্ন বৰাৰ জীৱনৰ বহুবোৰ সময় দোষ আৰু চকুৰ পানীৰে পাৰ কৰোৱাৰ কথা ...। কিন্তু কি পালো, কি পালো, এই জীৱনত। মাত্ৰ সময়বোৰক অপব্যয়হে

করিলো। সেয়ে পদুমী এতিয়া জীৱনৰ বিয়লি বেলিকা হ'লেও এবাৰ প্ৰাণ খুলি হাঁহিবলৈ চেষ্টা কৰো।
(ভিতৰৰ পৰা মাজনী বিষন্নতাৰে সোমাই আহে)

মাজনী ঃ দেউতা তোমাৰ কি হৈছে। এই বিলাক তুমি কি কৈছা দেউতা .....।

পদুমী ঃ (অভিমান কৰি) দেউতাৰৰ এইবোৰ অভিনয়, জানা মাজনী ...।

ৰত্ন মাষ্টৰ ঃ অ' পদুমী মই অভিনয় কৰিছো আৰু এজন অভিনেতাই যিদৰে কাল্পনিক চৰিত্ৰত অভিনয় কৰে আৰু আজি মই তেনে এটা বাস্তৱিক চৰিত্ৰত অভিনয় কৰিছো তাৰ যৱনিকা পৰিবৰ বাবে বহু বাকী আছে -।

পদুমী ঃ আপুনি চাগে বৰ আবেগিক হৈ পৰিছে...।

ৰত্নমাষ্টৰ ঃ পদুমী ...।

পদুমী ঃ মই গম পাইছো। ৰক্তিম আৰু বিপ্লৱৰ কথাই আপোনাক হ'বলা বৰ দুৰ্বল কৰি পেলাইছে। মোৰো সিহঁতলৈ কেতিয়াবা বৰ মনত পৰে। কিন্তু কি হ'ব, সময় আৰু সভ্যতাৰ সোঁতৰ প্ৰেমত পৰি সিহঁত উত্ৰাৱল হৈ গ'ল। নিজৰ পিতৃ-মাতৃ আৰু একমাত্ৰ ভনীয়েক জনীকো সিহঁতে এৰি যাব পাৰিলে ...।

মাজনী ঃ সময় বৰ নিষ্ঠুৰ মা ...। এই সময়ৰ ওপৰত ভিত্তি কৰিয়েই মানুহৰ জীৱনৰ সুখ দুখৰ চকৰী ঘূৰি থাকে। নহ'লেনো সুখ আৰু স্বাচ্ছ্যন্দৰে ভৰা আমাৰ ঘৰখন জানো থানবান হৈ যায়। ভাবিছিলো বিপ্লৱ আৰু ৰক্তিম ককাইদেউৰ আকলুৱা মৰমে মোক সজীৱ কৰিব? কিন্তু কি হ'ল ...।

ৰত্ন মাষ্টৰ ঃ মাজনী, তই সেইবিলাক চিন্তা কৰি নিজৰ দেহাটোক কষ্ট নিদিবি। চিন্তা কৰি থাকিলে তোৰ নিজৰে ক্ষয় হ'ব। এতিয়া তোৰ পঢ়াৰ সময়, আৰু এই সময়ত তই অমূৰ্ত্ত চিন্তা কৰি থাকিলে পৰীক্ষাৰ ৰিজাল্ট বেয়া হ'ব নহয়। যা এতিয়া বহু ৰাতি হ'ল শুই থাকগৈ ...।
(এখোজ দুখোজকৈ মাজনীৰ প্ৰস্থান)

পদুমী ঃ মাজনীৰ হয়তো ককায়েকহঁতলৈ বৰকৈ মনত পৰিছে। আপুনি তেনেকৈ মাজনীক কিয় ক'লে ...।

ৰত্ন মাষ্টৰ ঃ হৈ যোৱা কথাৰ পুনৰাবৃত্তি ঘটিলে মোৰ ধৈৰ্য্য বাহিৰ হৈ যায় পদুমী। যিমানে হেৰাই যোৱা জীৱনৰ অতীতৰ কথা পাহৰি যাবলৈ চেষ্টা কৰো সিমানে মোৰ বুকুৰ মাজত দোলা দিয়ে। জানা পদুমী, সেই কাৰণে মোৰ হৃদয়খনো কেতিয়াবা কঠিন শিলৰ দৰে ৰূপান্তৰ হ'ব খোজে।

পদুমী ঃ নোৱাৰো, কেতিয়াও সিহঁতক পাহৰিব নোৱাৰো। যিমানে লাজ, অপমান পালেও সমাজৰ পৰিচয় হেৰুৱাব কেতিয়াও নিবিচাৰো।

ৰত্ন মাষ্টৰ ঃ পৰিচয়, এতিয়া ৰত্ন মাষ্টৰৰ পৰিচয় কি জানা - এটা দুধৰ্ষ সংগঠনৰ সদস্য বিপ্লৱ বৰাৰ ওৰফে ৰানাৰ পিতৃ, আৰু চহৰৰ ৰাজ অট্টালিকাৰ গৰাকীৰ ঘৰ জোঁৱায়েকৰ পিতৃ। এতিয়া সমাজৰ আগত এইয়ে পৰিচয় জানা পদুমী।

পদুমী ঃ (চকুলো টুকি) সিহঁতে এনে কৰিব বুলি সপোনতো ভবা নাছিলো। অতি সযতনে সিহঁতক তুলি তালি ডাঙৰ কৰি এইয়াই নেকি বৃদ্ধ- পিতৃ-মাতৃলৈ দিয়া উপহাৰ...।

ৰত্ন মাষ্টৰ ঃ শিক্ষকতা কৰাৰে পৰা অন্য ল'ৰা-ছোৱালীক যিদৰে শিক্ষা দিছিলো, ঠিক সেইদৰে নিজ পুত্ৰ ৰক্তিম আৰু বিপ্লৱকো সেই একে শিক্ষা দিছিলো। অন্যবোৰৰ কথা নকওঁৱেই, নিজৰ ল'ৰাৰ কথাকেই কৈছো। সিহঁতে কিয় মূল্যবোধক চৰম অৱজ্ঞা কৰি নিজ পিতৃ-মাতৃৰ হৃদয়ত আঘাত দি গুচি গ'ল।

পদুমী ঃ বিপ্লৱ যেনিবা সংগঠনত যোগ দি ক'ৰবালে গ'ল কিন্তু চহৰত থকা ৰক্তিমেও দেখোন এবাৰ ঘৰলৈ আহিব পাৰে ...।

ৰত্ন মাষ্টৰ ঃ (শোক কৰি) আচলতে ময়েই ভুল কৰিলো ঐ পদুমী। মই কিজানি সৌ সিদিনালৈকে স্বাৰ্থপৰ আছিলো। কেৱল মাত্ৰ মোৰ ল'ৰা মোৰ ল'ৰা বুলি উচ্চ শিক্ষা দি জহাই ফুৰাটোৱেই মোৰ পাপ আছিল আৰু এইয়া পাপৰে ফল ...।
(ৰত্ন মাষ্টৰে কাঁহি কাঁহি মঞ্চৰ মাজলৈ যায়। মঞ্চত ক্ৰমে ক্ষীণ পোহৰ হৈ ৰত্ন মাষ্টৰৰ মুখত ফ'কাচ লাইটৰ পোহৰ পৰে আৰু বিশেষ ভঙ্গীমাত বৈ নেপথ্যৰ পৰা শুনা যায়)

নেপথ্যত ঃ (পুৰুষৰ কণ্ঠত) দেউতা মই আহিছো ...।

ৰত্ন মাষ্টৰ ঃ কোন তই ...।

নেপথ্যত ঃ (পুৰুষৰ কণ্ঠত) মই বিপ্লৱ, তোমাৰ সৰু পুত্ৰ, যাক তোমালোকে দহ বছৰে দেখা নাই। আজিৰে পৰা সংগঠন ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহিছো। দেউতা তুমি মাক চিন্তা কৰিবলৈ নিদিবা। মই অতি সোনকালে গৈ তোমালোকৰ মুখৰ হাঁহিবোৰ ঘূৰাই আনিম।

ৰত্ন মাষ্টৰ ঃ অহ! তই বিপ্লৱ, আহ মোৰ সোণ, তোৰ বাবে আমি বৈ আছো ...।

নেপথ্যত ঃ (অন্য এক পুৰুষৰ কণ্ঠস্বৰ) দেউতা মই ৰক্তিম। দূৰ দূৰণিত মুকলি চৰাইৰ দৰে উৰি উৰি ফুৰি এতিয়া বাঁহলৈ আহিছো। তোমালোকে মোক খং নকৰিবা।
(মঞ্চত ৰত্ন মাষ্টৰে ইফালে সিফালে চাই আৰু লাহে লাহে ফ'কাচ লাইট নাইকিয়া হৈ পোহৰে আবৃত কৰে)

পদুমী ঃ হেৰি আপোনাৰ কি হৈছে। অলৌ তলৌখন কৈ সেইবিলাক কি বলকি আছে হে ...।



ৰত্ন মাষ্টৰ ঃ নাই নাই মোৰ একো হোৱা নাই। (বাহিৰত চাৰ চাৰ বুলি মতা শব্দ শুনা যায়।)
পদুমী চোৱাচোন চোৱা, বাহিৰত কোনোবাই চিঞৰিছে হ'বলা...।
(পদুমীয়ে বাহিৰলৈ চায়। গৌতম, জীৱন, সপোন আৰু অন্য কেইজনমান ল'ৰা সোমাই আহে)

ৰত্ন মাষ্টৰঃ ছাৰ আপানাৰ ঘৰত ...।

ৰত্ন মাষ্টৰ ঃ কি হ'ল মোৰ ঘৰত ...।

গৌতম ঃ ছাৰ আপোনাৰ ঘৰৰ মূধত থকা লাইটটো ৰাতি বাৰ বজা পৰ্যন্ত নোমোৱা নাই। আনকালেটো সোনকালে নোমায়। সেই দেখি আমি ভাবিলো ছাৰৰ ছাগে কিবা অসুখ বিসুখ হৈছেনি বুলিয়েই আহিলো ছাৰ ...।

ৰত্ন মাষ্টৰ ঃ ক'তা মোৰ দেখোন গা ভালেই। একো অসুখ হোৱা নাই। এতিয়া বহা খন্তেক...।
(আটাইকেইজন চকীত বহে আৰু পদুমীৰ প্ৰস্থান)
কি হ'ব বোপাইহঁত। ৰাতি অত পৰলৈকে তহঁতৰ সুখ-দুখৰ কথাবোৰকে চিন্তা কৰি আছো অ' ...।

সপোন ঃ ছাৰ আমাৰ আগত আপুনি কিয় মিছা মাতিছে।

ৰত্ন মাষ্টৰ ঃ মই একো মিছা কোৱা নাই ...।

জীৱন ঃ ছাৰ আপুনি আমাক নকলেও হ'ব। আমি সকলোখিনি কথা বুজি পাইছো। পুত্ৰ শোকৰ বেদনাই যে আপোনাৰ অন্তৰখন খুলি খুলি খাইছে এই কথা আমি বুজিছো...।

ৰত্ন মাষ্টৰ ঃ তহঁতক আৰু কি কম (শোক প্ৰকাশ কৰি) জীৱনত জীয়াই থকাৰ সম্বল যাক পাইছিলো, সেয়াও আজি বুকুৰ মাজৰ পৰা হেৰাই গ'ল। নিষ্ঠুৰ সময়ৰ সোঁতত পৰি। তথাপিতো জীয়াই আছো বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে।

গৌতমঃ ছাৰ শোক নকৰিব। জীৱনত হেৰাই যোৱা সেই সোণালী দিন আকৌ আহিব ছাৰ। কেৱল আপুনি ধৈৰ্য্য ধৰক।
(এনেতে পুতুকণে বাহিৰৰ পৰা দা এখন আৰু জোঁৰ এটা লৈ সোমাই আহে)

ৰত্ন মাষ্টৰ ঃ তই আকৌ কি বেশত ওলালহি। তোৰ লগৰ কেইটা দেখোন একো নোহোৱাকৈ ইয়াত পালেহি। তই আক' সেইপাত দা আৰু জোঁৰ লৈ ...

পুতুকন ঃ (বিশেষ ভঙ্গীমা প্ৰদৰ্শন কৰি) অপৰাধ মাৰ্জনা কৰিব ছাৰ। আপোনাৰ চৰণত পৰি শৰণাপন্ন হৈছো ...।
পাৰে যদি আপুনি কৰক ক্ষমা-
পুতুকণৰ এই অস্ত্ৰ নানিলে, নাই ৰক্ষা -
দোকানৰ ধাৰ নি কৰিলো বাকী -
সদায়ে মোৰ কাৰণে, পেটুৱা দোকানী
থাকে খাপ পিতি।
তাকে বোলো ভাবি,
ল'লো অস্ত্ৰ দাঙি -
মাৰিলো একেকোবে ল'ৰ,
তাৰ পাছত পালোহি ছাৰৰ ঘৰ -
(এনেতে বাহিৰত গুৰুম গুৰুম শব্দ শুনা যাব। তাৰ পাছত সকলোৱে ইফালে সিফালে ভয়ত কঁপি থাকে। পুতুকণে কৌতুক ভঙ্গীমা প্ৰদৰ্শন কৰে। বাহিৰৰ পৰা দুবাৰ-তিনিবাৰ পুৰুষৰ কণ্ঠত মাত ভাহি আহে - দেউতা, মই আহিছো, দেউতা মই বিপ্লৱ ...। মাত শুনাৰ পাছত ৰত্ন মাষ্টৰ শংকিত হৈ পৰে।

ৰত্ন মাষ্টৰ ঃ হেৰা পদুমী এইফালে আহা, আমাৰ বিপ্লৱ আহিছে - আহা আহা, ওলাই আহা ...।
(পদুমীৰ ভিতৰত নাকৰ গোৰগুৰণি মাৰি শুই থকা শুনা যাব)
হেৰৌ তহঁতি শুইয়ে থাক। (বাহিৰলৈ চাই আৰু চিঞৰি চিঞৰি কয়) আহ বিপ্লৱ তোৰ বাবে দুৱাৰ খোলা আছে, তই আহ ..।
(বিপ্লৱে এখন হাতে আন এখন হাতৰ বাউসীত ধৰি লাহে লাহে সোমাই আহে)

বিপ্লৱ ঃ (কোনো ৰকমে কয়) দেউতা তোমালোক আছা।

ৰত্ন মাষ্টৰ ঃ মোৰ পিতাই তোৰ কি হৈছে ...।

বিপ্লৱ ঃ মোৰ বাউসীত গুলি লাগিছে।
(বিপ্লৱ মাটিত পৰিব খোজোতেই গৌতম, সপোন আদিয়ে ধৰি মাটিত শুৱাই দিয়ে)

ৰত্ন মাষ্টৰ ঃ ভাল হৈ যাব পিতাই। মই এতিয়াই ডাক্তৰ মাতি আনিম। চাওঁ তহঁতি ইয়াক গৰম পানী কৰি দে। মই যাওঁ। (যাব খোজোতে গৌতমে কয়)

গৌতম ঃ ছাৰ এতিয়া আপুনি ...

ৰত্ন মাষ্টৰ ঃ অ' মই যাবই লাগিব।

বিপ্লৱ ঃ দে-উ-তা, তুমি যাব নালাগে। মোৰ বাবে তুমি ইমান কষ্ট কিয় কৰিছা। তুমি নাজানা দেউতা মই আৰু বেছি সময় জীয়াই থাকিব নোৱাৰিম। (সকলোৱে আচৰিত হয়) মোৰ ইয়াত বেয়াকৈ আঘাত পাইছো।

ৰত্ন মাষ্টৰ ঃ (আচৰিত হৈ বিপ্লৱৰ মূৰত হাত থয়) বিপ্লৱ, তই এইবোৰ কি কৈছ'। তোৰ এই দশা হ'লে মই কাক লৈ জীয়াই থাকিম।

বিপ্লৱঃ তোমাৰ বাবে হাজাৰ পুত্ৰ ওলাই আহিব দেউতা, যদিহে সঁচা মৰম চেনেহ তুমি বিলাই দিব পাৰা। কিন্তু মই এই জনমত তোমাৰ পুত্ৰ হৈ মুখৰ হাঁহি বিৰিঙাব নোৱাৰিলো দেউতা, তাৰ বাবে - তাৰ বাবে ক্ষমা কৰিবা।
(বিপ্লৱৰ মৃত্যু হয়। সকলোৱে একেথিৰে চাই ৰয় আৰু

ৰত্ন মাষ্টৰ শোকত বিয়াকুল হৈ চিঞৰি চিঞৰি কয়)

ৰত্ন মাষ্টৰ ঃ বিপ্লৱ (কান্দে) তহঁতক মই শিক্ষা দিছিলো থিকেই কিন্তু বৰ্তমান সময় আৰু মূল্যবোধৰ শিক্ষা দিয়া নাছিলো। যাৰ বাবে আজি এই শিক্ষা তই মোক দিলি ... বোপাই ...।

সপোন ঃ ছাৰ আপুনি শোক নকৰিব ছাৰ। আমি আছো নহয় ছাৰ ...।

অন্য এজন যুৱক ঃ ছাৰ আমিও একো একোজন আশ্ৰমৰ ল'ৰা। আমাৰো পিতৃ-মাতৃ বুলিবলৈ এই জনমত আৰু নাপালো। কিন্তু ...।

ৰত্ন মাষ্টৰ ঃ কি কিন্তু ...।

অন্য এজন যুৱক ঃ কিন্তু আপুনি কিয় পাহৰি গ'ল। যিদিনা আপুনি আমাৰ আশ্ৰমৰ পিতৃ-মাতৃহীনা ল'ৰা ছোৱালীবোৰক শিক্ষা দিছিল সেই দিনাই আপুনি জানো কোৱা নাছিল যে - মই তোমালোকৰ শিক্ষাগুৰু আৰু তোমালোকৰ পিতৃ গুৰুও। তোমালোকৰ সকলো দায়িত্ব আজিৰ পৰা মই পালন কৰিম। এই কথা ছাৰ আপুনি কিয় পাহৰি গ'ল।

ৰত্নমাষ্টৰ ঃ তহঁতি মোক এতিয়া আকোঁৱালি লবিনে -।

গৌতম ঃ কিয় নলম ছাৰ। শিক্ষকতা কৰি নিজৰ জীৱনটা মম বাতিৰ দৰে গলাই দিলে আৰু এতিয়া আমি কিয় আপোনাক আদৰি নলম-।

ৰত্নমাষ্টৰ ঃ তহঁতি বাৰু আজিৰ পৰা মোক পিতা বুলি মাতিবি নে?

সকলোৱে একেলগে ঃ মাতিম ছাৰ ...

ৰত্নমাষ্টৰ ঃ তেতিয়াহে মোৰ জীৱনৰ অন্ধকাৰ দিনবোৰৰ মাজত পোহৰ দেখা পাম, জীৱনত হেৰাই যোৱা হাঁহিবোৰ ঘূৰাই পাম। আহ মোৰ ল'ৰাহঁত, মোৰ বুকুৰ মাজলৈ আহ, পুত্ৰসব, পিতৃ হিচাপে অকনমান আমেজ লওঁ। (সকলোৰে চকুৰ পানী ওলাই, উচুপি থাকে। ৰত্ন মাষ্টৰৰ কাষলৈ যায় আৰু সকলোৱে একেলগে কয়)

সকলোৱে একেলগে ঃ পিতা আমি আপোনাৰ দৰেই বিচাৰো আমাৰ জীৱনৰ পিতৃত্বৰ সোৱাদ লাভ কৰিবলৈ। আমিও বিচাৰো আনৰ দৰে হাঁহিৰে জীৱন গঢ়িবলৈ, হাঁহিৰে জীৱন গঢ়িবলৈ।

(সকলোৱে একে ভঙ্গীমাত ৰয় আৰু আঁৰ কাপোৰ নামি আহে) ■

## তিনিৰ মহত্ব

তিনিটা বস্তুৱে জীৱনত কাকো অপেক্ষা নকৰে - জন্ম, মৃত্যু আৰু সময়।

তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে - কাম, ক্ৰোধ আৰু মোহ।

তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায় - পিতৃ, মাতৃ আৰু যৌৱন।

তিনিজনক সদায় সন্মান কৰিব লাগে - পিতৃ, মাতৃ আৰু গুৰু।

তিনিটা বস্তুৰ পৰা নিজকে বচাই চলিব লাগে - কু-সংগ, আত্মস্বাৰ্থ আৰু পৰনিন্দা।

তিনিজনৰ প্ৰতি দয়াশীল হ'ব লাগে - নাবালক, ভোকাতুৰ আৰু পাগল।

তিনিটা বস্তু ওলাই গ'লে ঘূৰি নাহে - শৰ, মুখৰ কথা আৰু প্ৰানবায়ু।

তিনিটা কথা কেতিয়াও পাহৰিব নালাগে - কৰ্তব্য, ঋণ আৰু আত্মসন্মান।

তিনিটা বস্তুৱে জীৱন নষ্ট কৰে - কু-চৰিত্ৰ, অলস্য আৰু অহংকাৰ।

তিনিটা বস্তুৱে আয়ুস কমায় - অসৎচিন্তা, পৰৰ অনিষ্ট আৰু পৰচৰ্চা।

তিনিটা বস্তুৱে জীৱন মহৎ কৰি তোলে - সৎচিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন।




# ছন্দ শিল্প...

কবিতা হ'ল, "আবেগময় আৰু ছন্দস্পন্দিত ভাষাৰ মাধ্যমত মানৱীয় মনৰ মূৰ্তমান আৰু শিল্পিত অভিব্যক্তি" —

থিয়েডাৰ ৱাটছ ডাল্টন

# অনুভৱৰ স্তৱক

ননীমাধৱ ফুকন
প্ৰাক্তন ছাত্ৰ



(১)
আন্ধাৰবোৰ চকুত থোপ খাই নপৰালৈকে
মই ৰাতিবোৰৰ বুকুত মুখ গুজি শুই থাকো
'তেনেতে লুণীয়া হ'বলৈ ধৰে সমুদ্ৰ ...
সুদূৰত এজন নাৱিক, ... সদাগৰ
হাত বাউলি দি মাতে আৰু মোৰ টোপনি ভাঙে'

এই যে ধনী মানুহজন, তেওঁ সুখী হ'ব পৰা নাই,
মোৰ টোপনিত যোবা কেইবাদিনো ধৰি তেওঁৰ বিজ্ঞাপন
ভাহি আছেহি;
কিবা হেৰুৱাইছে তেওঁ ...
মাৰ্কশ্বিট, ফোন নম্বৰ, চাকৰি, প্ৰেমিকা নে ভাড়াঘৰৰ ঠিকনা ...
বজাৰৰ কোলাহলতে ... কিবা পাহৰিলে ... নে কি হেৰুৱালে বাৰু?
ভুল নিৰ্দ্দেশনাৰে ঘৰমুৱা আলিবাট ...
সাগৰৰ জোৱাৰবোৰ যে আৰু
... বন্ধ জীৱন, সুখৰ ধ্ৰুপদী দুৱাৰ;

(২)
তোমাৰ দুহাতত গজি উঠিছে ক্ৰমশঃ
শোকাকুল ঋতুৰ পাতবোৰ, ডাল ভৰি ভৰি
তুমি সুধিলা,
'মোৰ দুহাতৰ ভৱিষ্যতত কি পালা?'
মই বোলো বেলি লহিয়ালে, যাওঁগৈ ব'লা ...
ক'ব নোৱাৰিলো মুখ ফুটাই
মোৰ বুকুতে যে পৰি থাকিবাই দুখৰ কজলা ছাঁ ...

(৩)
কাজিৰঙা,
তই কন্দুৱা মোক
তোৰ চোলাৰ তলত, গুপনে ইমান ঘাঁ
কিয় দিয় জমিদাৰৰ পুতেকক বুকুৰ ছাঁ ..
মোলৈ চা ...
তই যে মোৰ ভোকৰ ভাত,
ওঠৰ তৃষ্ণা,
সৌৱা চা, এচেম্বলীত আলোচনা
কোন আছিল বেশ্যা
আপুনি নে মাদাৰ টেৰেছা,
পুৰণা ফাইলৰ ধূসৰিত পৃষ্ঠা
কাৰ বুকুত চলে চোৰাং বেহা।

## তুমি মোৰ জীৱনৰ এটি জীয়া সপোন

মিণ্টু তাঁতী
প্ৰাক্তন ছাত্ৰ

তুমি সেইজীয়া মাটিৰ জীয়াৰী
তোমাৰ গাত মোৰ গাঁৱৰ কেঁচা-মাটিৰ সুমিষ্ঠ গোন্ধ
তোমাৰ চুলিৰ মেঘত নাচি উঠে
চাৰি বছৰে খেদি ফুৰা মোৰ জীৱনৰ জীয়া সপোন,
নিমাখিত কবিৰ নিচলা পঁজাৰ লখিমী তুমি
তুমিতো জানাই কবিৰ কথা
এডাল নীলা কলম আৰু কবিতাৰ বাহিৰে
স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি বুলিবলৈ যে একোৱেই নাই
পকী অট্টালিকা দাপোনযুক্ত টাইলছ্ৰ মজিয়া
ডান্‌লপ্ ফ্ৰিজ
নতুবা এ.চি. যুক্ত চেণ্ট্ৰ' স্কৰপিঅ' মোৰ সপোনৰ আলহী
ভোকৰ দিনত কবিতাই মোৰ কাঁহীৰ আহাৰ
নিসঙ্গতাৰ লগৰীয়া
বিষয় তুমি।
অভিজাত্যৰ চোলা পিন্ধি মন মোৰ হৈ উঠে
দুৰন্ত প্ৰেমিক,
গজি উঠে লহ্‌পহ্‌কৈ হৃদয়ত মোৰ
মৰম আৰু ভালপোৱাৰ দুজোপা সেউজীয়া গছ
সেই সেউজীয়াৰ শীতল ছাঁত এদিন জিৰণি লবা তুমি
মই ৰৈ থাকিম...
তুমি হ'বা পথৰ ভাগৰুৱা পথিক
মোৰ হিয়াৰ লখিমী
তুমি মোৰ জীৱনৰ আলহী
তুমি মোৰ জীৱনৰ চাৰি বছৰীয়া প্ৰাচীন
তেজ-মঙহৰ এটি জীয়া সপোন।

## কবিতা

দুলুমণি বড়া
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

চনকা ডালত ভৰি দিয়েই
গম পালোঁ
ভুল কৰিলোঁ

তললৈ চাবলৈও ভয়
ওপৰলৈও

নিতাল মাৰি থাকি সপোনকে ৰচিলোঁ
সপোনবোচোন আঁত হেৰুৱালোঁ
বুজিলো ভুলেই কৰিলোঁ
চুলিৰ আগেৰে আন্ধাৰ নামিল
ভাঙো ভাঙো হ'ল শুকান গছৰ চনকা ডাল

আকাশী কণ্ঠেৰে আকাশে ক'লে -
যোৱাগৈ গছৰ মায়া এৰি
খহাই থৈ যোৱা পত্ৰ পল্লৱিত নদী
নিজেই হৈ যোৱা আগলি কলাপাত
বান্ধি লোৱা বুকুত স্মৃতিপ্ৰপাত
ভুলখিনি শুহি লৈ
শিলৰ বাগিচা এখনকে পাতাগৈ
সৰাপাতৰ স্মৃতিৰে শোকাকুল হ'ব পাৰিবা
গজি উঠিব তাতেই
কতনা হেপাঁহৰ হৃদয়বিহীন গধূলি

এৰা, কাৰ বাবে মই ৰম
মোৰ বাবে ৰৈ থাকিব কোন
আন্ধাৰৰ হাতত দি দিব পাৰোঁ
বিবৰ্ণ হৈ পৰা পুলকিত পূৰ্ণিমাৰ জোন

বৰ সহজেই ক'ব পাৰোঁ এতিয়া-
চকুৰ পানীতেই থাকক ভাহি
শুকান গছৰ চনকা হৃদয়
থাকক ভাহি
সৰ্বতিকাল।



## অনুভৱৰ দুটিমান স্তৱক

সৌৰভজ্যোতি চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

(১)
দিহিঙে দিপাঙে
উজাই আহে
বুকুৰ কাঁচলি উদঙোৱা দুখ
জীয়াঢলৰ পলসত গজি উঠা সুখ
অঘৰী অ' ... মোৰ কণমানি চৰাই।
(২)
এৰাল চিগা যান্ত্ৰণাত
খুপি খুপি আগবাঢ়িছো
ফাগুনৰ নৈপৰীয়া বাট
ঘামত শিমলু-পলাশৰ উত্তাপ
ভৰদুপৰীয়াৰ দেও লগা ছাঁ ...
(৩)
চকুহালত টিপ্‌টিপাই বিৰিঙি উঠা দুখ
সৰকি পৰা নাই হেন্দুলীয়া পতাত
হৃদয়খন আজাৰ ৰঙে
উপচি পৰাৰ দিনাই কৰাল বান্ধিছিল
এচুকত
ওৰেটো ৰাতি আখৰা কৰি কৰি
নিসংগ নাৰীৰ বেঙুনীয়া আঙুলিত ধৰি
সিদিনা সুৰাৰ অৰণ্যত ডুব গৈ
লওঁ বুলিও ল'ব পৰা নাছিলো
শূণ্যতাৰ জোখ
স্বচ্ছ গিলাচৰ ৰঙচোৱাত
উপঙি ফুৰিছিল ৰঙচোৱা মুখ
'বৰকৈ ৰঙচোৱা হৈ পৰিছিল
তোমাৰ অভিজাত্য চকাৰ হালধীয়া দাগ'
(৪)
টেলিফোনৰ তাঁৰৰ পাক
বগাই বগাই উটি আহিল
অচিন-চিনাকী নাৰীৰ
হিম চেঁচা কঁপা ... কঁপা ... মাত
'... জন্মদিনৰ শুভেচ্ছা থাকিল"
যন্ত্ৰবৎ সময়ৰ নিগনি দৌৰ
খোজ থমকিল এখোজ।

এখন হৃদয়ে জন্ম দিলে
আন এখন হৃদয়,
জন্মদিন, এখন হৃদয়ৰ জন্মদিন
ডিচেম্বৰ ১৮
অ'হঃ তোমাৰতো জন্মদিন
আন এখন হৃদয়ৰ।

## নষ্টালজিয়া

শ্যামলীমা গগৈ
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

জেঠমহীয়া পংকিলৰ পৃথিৱীখনত
ককাদেউতাৰ নাঙলৰ পৰশ,
বহুত সপোন বুঢ়া ককাৰ
নাঙলৰ সীৰলুত গজাবযে সোণ।

বুঢ়ী আইতাৰো গাত ততেই নাই,
শ্যামলীৰ পৰশ লাগিলেই যে
সোণগুটিবোৰ সঁজাল হৈ
ভৰাই পেলাব ভঁৰাল।
আইতাৰ তামোলৰ পিক্ সনা গোলাপী ওঁঠত
মাথো তাৰেই ব্যঞ্জনা।

ব্যস্ততাৰ অন্ত নাই সোণ মইনাৰো
দুদিন পিছতেই যে কঠিয়া বোলাব লাগিব
তাৰ পাছত বাট চাব আঘোণলৈ ...
আঘোণযে সোণগুটি চপোৱাৰ সময়।

কুঁৱলী ফালি ওলাই অহা ৰ'দজাকত
সোণগুটি চপোৱাত ব্যস্ত ৰাংঢালীহঁতে
সোণালী পথাৰত ল'ব চোকাটেঙাৰ জুটি।
আসঃ কিযে সেই সময়
আৱৰ্তন, বিৱৰ্তন আৰু পৰিবৰ্তনৰ পৰিক্ৰমাতো
লৰচৰ নহয় সেই নষ্টালজিয়া যেন লগা সপোনবোৰ।



## জীৱন

প্ৰান্তীময়ী দত্ত
উঃ মাঃ দ্বিতীয় বৰ্ষ

হঠাৎ
এটুকুৰা মেঘে আহি
গীতৰ লহৰ তুলি
বৈ যায় বোৱতি নদীৰ সোঁতৰ দৰে।

দুখ-যন্ত্ৰণা, হাঁহি-ফুৰ্তি
হতাশা নিৰাশাৰ
এজাক দোপালপিটা বৰষুণ ...

এদিন আহি মায়াপী সপোনেৰে
নূপুৰ বজায় পশ্চিমত বেলি অস্ত গ'লে
শীতল মায়ালৈ পুনৰ উভতি যায়।

এদিন হয়তো আকাশৰ একাদশী জোনে আহি
কাঢ়ি নিয়ে মুখৰ মাত
এখনি খৰস্ৰোতা নদীৰ
প্ৰচণ্ড সোঁতৰ দৰে
এয়ে জীৱন
পুনৰ শুকুলা ডাৱৰৰ আগমন ...।

## ৰচোঁ কিয় কবিতা

দুলু গগৈ
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া বিভাগ)


ক্ষণিকৰ বাবে আহে মনলৈ বহুতো স্মৃতি
ধৰি ৰাখো মই কবিতাৰ যোগেদি।

বিভিন্ন গছ-লতিকাৰে স্বাদৰ সম্ভাষণত
মই হওঁ উত্ৰাৱল
মনত তেতিক্ষণে হয় আনন্দৰ জোৱাৰ
ৰচোঁ মই তেতিয়া কবিতা।

বিষাদ নামি আহে কলীয়া ডাৱৰলৈ
শাঁত পৰে মন
তেতিয়া ৰচোঁ মৰ্মান্তিক কবিতা
পখীৰ কাকলি শুনি ভাল পাওঁ মই
এই কাকলিয়ে মন কৰে অধীৰ ব্যাকুল
তেতিয়াই কবিতা ৰচোঁ।
বিষাদ আঁতৰি যায়, সময় ধাৱলি যায়
বসন্ত আহে, কুলি, কেতেকীৰ বিননিত
দেহ-মন নাচি উঠে, নতুন পুলক
তেতিয়া ৰচোঁ মই চৰাইৰ কবিতা।

খেতিয়কৰ ক্ষুধা তথা কষ্ট দেখি
ৰচো মই সান্ত্বনা লভাৰ কবিতা
বৰ্তমান সমাজৰ বৰ্বৰ কু-কাৰ্য দেখি
সেইবোৰ মোচন কৰিবলৈ ৰচোঁ মই
মানুহৰ কবিতা।






## প্ৰেমৰ অনুভৱ

দীপামণি বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

যেন ই এক মৰুভূমিৰ
বলোকাস্তূপ
যাক স্পৰ্শ কৰিব নোৱাৰি
পাব পাৰি মাথোঁ
সৰগী সুখৰ অনুভূতি
কাৰণ, ই যে এক
অন্তৰ কঁপোৱা মলয়া বতাহ
কিনো ই?

য'ত কেতিয়াবা পোৱা যায়
সীমাহীন আনন্দ উল্লাহ
আৰু কেতিয়াবা পোৱা যায়
ক্ষণে ক্ষণে কেৱল বিভীষিকা
ছলনাৰ বাৰেৰহণীয়া ৰূপ

স্নিগ্ধময় শুভ্ৰ হৃদয়ত ই
ফাঁকুগুৰি ছটিয়াই জীৱনটো
কৰি তোলে ৰসসিক্ত
কি নাম দিম বাৰু ইয়াৰ?
প্ৰেম ... (?)
ঠিকেই হয়তো প্ৰেমেই।




## এটা আধৰুৱা সপোন

ববিতা গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

এনেকৈয়ে জ্বলে ছাগে হৃদয়
তাৰ পিছত আৰু একোৱে নাথাকে
ছাইৰে জানো কবিতা লিখিব পাৰি?

তথাপিও ...
দুচকুত সপোন বান্ধি
হৃদয়ৰ বন্তি থাপি ভাবিছিলো
আশাৰ চেকুঁৰাবোৰে
পাখি দাঙি দৌৰিব

কিন্তু
সময়ৰ নিষ্ঠুৰ চক্ৰত পৰি
পাক ঘুৰণি খাই গ'ল সপোন
তল পৰি ৰল
শেতা পৰা হাঁহি।




## অহেতুক বাৰ্ধক্য

উৰ্মিলা গগৈ
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

হৃদয় ভৰি গধুৰ হ'লে বিষাদেৰে
শৰীৰৰ ওজন কমে ক্ৰমান্বয়ে...
ভৰিৰ খোপনি টুটি আহে
হাতলৈ নামি আহে অহেতুক বাৰ্ধক্যৰ কঁপনি।

মগজুৰ দায়িত্ব পাতলে
সাগৰ শুকাই
মৰুভূমি বাঢ়ে।

একোটা দ পুখুৰী হয় একালৰ মায়া সনা চকু
জীৱন যুঁজত হাৰি ক্ৰমে
অৱসৰ লয় ডেকা বাহুৱে
নিতাল নিস্তব্ধতাবোৰ প্ৰিয় সঙ্গী হয়
প্ৰতি মুহূৰ্তত ...
মুক হৈ পৰে কণ্ঠাভৰণ
শুকান জেওৰাখুটি চেপি
উলিওৱা ৰসৰ দৰে হয়
তেজাল তেজাল দেহৰ বৰণ।
একাল দুখ একাল সুখ
বুলি ভাবিয়ে সান্ত্বনা লভে হৃদয়ে ...
মাথো উচুপে বৰযুণৰ দিনবোৰত
এই বৰষাসিক্ত দিনবোৰতেই যে
নামিছিলা প্ৰতিটো বিন্দু
টোপালত প্ৰেমৰ মদিৰা ....

## চকুলো তেজ আৰু বিষ

ববিতা ছেত্ৰী
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

কলমটো যেতিয়া লিখিবলৈ তুলি লওঁ
তেতিয়া তোমালৈ মনত পৰে
মনত পৰে অতীতৰ স্মৃতি
লিখিবলৈ ধৰো কৰুণ ভাষাৰে
মোৰ হৃদয়ৰ দুখবোৰ
তেতিয়া অন্তৰে কান্দিবলৈ লয়

তথাপিও ...
আপোনমনে লিখি যাওঁ
দুখৰ কথাবোৰ
তেতিয়া মোৰ কেঁচা কলিজাৰ চিৰিয়েদি
চকুলোবোৰ বাগৰি আহে
দুটোপাল তেজ হৈ
সেই তেজ পিছত গোট মাৰে
বুকুত বিষ হয়

আকৌ অকণমান সঁহাৰিৰ বাবে
মানসিক শান্তিৰ বাবে
তোমাৰ স্মৃতিক টানিলেই
সেই বিষৰ পুনৰাবৃত্তি ঘটে
পুনৰবাৰ তেজৰ চকুলো
আৰু পুনৰবাৰ বুকুত অজস্ৰ বিষ।





# কবিতা

ডলীৰাণী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (ইংৰাজী বিভাগ)

তোমাৰ হাতত হাত ধৰিয়েই
এখন নতুন পৃথিৱীত
খোজ দিয়ে বহুতে -

হেঁপাহ আৰু সপোনবোৰক
নতুন ৰং আৰু সুৰ দিয়ে
জোন-তৰা-ফুলৰ দৰে
তোমাৰ স'তে খেলাৰ লগৰী পাতে -
কিমানৰ যে দুখ-নিসংগতা
কান্ধ পাতি লোৱা সযতনে

ভগ্ন হৃদয়ৰ হুমুনিয়াহবোৰো
নদীখনৰ দৰে কঢ়িয়াই ফুৰো আলফুলে -
পৰিধি নহয় নেকি তোমাৰ
আকাশৰ সীমনা !

কাঁজলিয়ে কাঁজলিয়ে পি খোৱা
প্ৰেম-ভালপোৱা ও যন্ত্ৰণা -
অভিমানী নহ'বা তুমিয়েই জানা বুলি
একোখনি হিয়াৰ সকলো বতৰা
মোৰো যে হেঁপাহ বহুদিনৰ
তোমাৰ বুকুতে থিতাপি লোৱা -

কোনোবাইতো জানিব
কোনোবাইতো বুজিব
মোৰ বুকুতো ফুলি আছে সৰিয়হ এডৰা -

## হৃদয়খন ডিচমেনচিয়া ৰোগী হওঁক

উদ্দিপ্তী মহন
দ্বাদশ বৰ্ষ (কলা শাখা)

তোমাৰ মৌনতাতে লুকাই থকা শব্দবোৰত
বিচাৰি পাইছিলো চকুপানী,
সপোনত ভাঙি পৰা কল্পনাৰ বালিঘৰটো
সজাৰ সমাধান নাছিল তাত
নাছিল তাত কোনো ৰাজমিস্ত্ৰিৰ ঠিকনা।
চাৰিওফালে অভাৱ, অভাৱ আৰু অভাৱ
ৰংবোৰৰ, হাঁহিবোৰৰ ...
আলফুলে ৰুই থোৱা গোলাপৰ পাপৰিবোৰ
যাতনাৰ বলধে মোহাৰি খালে;
আৰু দি গ'ল, অবিশ্বাসৰ পচন সাৰ,
সকলো জহি খহি গ'ল ...
সকলো জহি খহি গ'ল ...
ৰৈ গ'ল মন বননিত এক ধূসৰ স্কেচ্।

আশা কৰিছিলো হৃদয়খন ডিচমেনচিয়া ৰোগী হওঁক
আৰু পাহৰি যাওঁক তাৰ অতীত অৱস্থিতি -
কিন্তু যন্ত্ৰণাবোৰৰ কিলবিলনিলৈ ৰোগটোৰো যে বৰ ভয়
কিজানিবা মোৰ হৃদয়ত সোমাই
সিয়ে হেৰুৱাই পেলাই তাৰ অস্তিত্ব।



# বিশ্বাস যেতিয়া চিৰসেউজ হয়

দেৱযানী গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

কোনোবা দিগন্তত
যদিও তুমি শয্যাগত,
সুপ্ত তোমাৰ শংখলিত চোতাল
জোনাকী সন্ধ্যাতো তুমি
ভাস্বত!
শ্যামলী আভাৰে সজ্জিত
তোমাৰ মসৃণ পথৰ যাত্ৰাই
অনন্যা, এক অনাবিল অনুভৱ!
তোমাতেই আবদ্ধ।
শীতৰ নিহালিতো তুমি সিঁচি যোৱা
হাঁহিৰ ফুলজাৰি
শাৰদী আবেলি পথাৰখনে
হালি-জালি নাচোতে,
তুমিও মাৰা এটি ৰহস্যময়ী হাঁহি...
কাৰণ, তুমি যে নিজেই শ্যামলী!
ফেঁচাটিৰ উৰুলিত
ন-চিন্তাৰে আলোকিত হৈ
তুমি যে সিঁচি যোৱা
শ্যামলী সপোনৰ গুটি
তোমাৰ শ্যামলী বাটত ...
আমাৰ জোনাকী চোতালত ...

# বৰষুণ

সুৰজিৎ বুঢ়াগোহাঁই
উঃ মাঃ দ্বিতীয় বৰ্ষ

তুমি আহিবা মই জানো
মইতো তোমাৰ সেই
আজন্ম প্ৰেমিক।
ভাবিছিলোঁ তুমি আহিবা কিন্তু নাহিলা
তুমি বৰ কঠোৰ, নিষ্ঠুৰ
জেঠৰ শেষৰ পৰা বাট চাই আছো
তুমি জানো দেখা নাই নে
মোৰ চিৰা চিৰ কৈ ফটা বুকুখন
তুমি দেখা নাইনে কিদৰে তোমাৰ অপেক্ষাত
মোৰ চকুহাল স্থিৰ হৈ পৰিছে।
তুমি ক'ত অনুভৱ কৰিব পাৰিবা
তোমাৰ জানো আছে মোৰ দৰে
এখন আনক বুজাব নোৱাৰা
বেদনা গধুৰ হৃদয়??...




# আহিনৰ কুঁৱলী ফালি

পবিত্ৰ চেতিয়া
স্নাতক প্ৰথম বৰ্ষ

আহিনৰ কুঁৱলি ফালি
এজাক চেচাঁ বতাহ
সোমাই আহিছে প্ৰকৃতিৰ গালৈ।
ৰিৰ ৰিৰকৈ বলা বতাহজাকে
দেহ-মন চুই গৈছে
কঁপাই তুলিছে হৃদয়
এয়া যেন আহিনৰ আগমন।
এই বতাহজাকে কঢ়িয়াই আনিছে
এটি নতুন সুবাস
যাৰ আশাৰ নতুন বতৰা বিয়পাইছে।
শেৱালি ফুলৰ সুগন্ধই
কোঠাতো বিয়পাই পেলাইছে
যেন এয়া শৰতৰহে আগমন।
দুৰ্গা পূজাৰ সময় এয়া
প্ৰকৃতিও যেন সাজু হৈছে
দুৰ্গাদেৱীক আদৰিবলৈ
কেৱল এটা মাথো শৰতৰহে আগমন।
এই আহিনৰ বতৰাতে
কঢ়িয়াই আনিছে ন প্ৰেমিকৰ জোৱাৰ
ন-জোনৰো আশাৰ বতৰা আনিছে।
এই আহিনৰ কোলাতে
জাগি উঠিছে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্য
প্ৰাণ পায় উঠিছে নতুন পুৱা
লগতে বোৱাই আনিছে ন-জোৱাৰৰ ঢৌ।
এই আহিনৰ সুগন্ধিয়ে
লৈ আহিছে হা-হতাশা, হাঁহি-কান্দোন
কুঁৱলী ফালি আনিছে
এটি নতুন আশাৰ ঢৌ।





# নিৰৱ দৰ্শক

ৰূপশ্ৰী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (ইংৰাজী বিভাগ)

জীৱন নামৰ নাটখনৰ
মই এজন নিৰৱ দৰ্শক

নাটকখনত মোৰ চৰিত্ৰ এজন বোবাৰ।

বিৰিষৰ এখিলা সৰাপাতৰ দৰেই মোৰ চৰিত্ৰটি।

ইচ্ছা স্বত্তেও যে ক'ব নোৱাৰে বুকুৰ সেউজীয়াবোৰ।
আজীৱন কঢ়িয়াই অৰ্থহীনভাৱে
সৰি পৰে এদিন একো নোকোৱাকৈ
পূৰ্ণিমাৰ জোনাক ৰাতি, ধাৰাষাৰ জলধাৰাৰ সৈতে কৰা
বাৰ্তালাপত,
ৰূপোৱালী জোনৰ লগত ধেমালিৰ কণ কণ মুহূৰ্তবোৰৰ কথা
নাইবা মনৰ অমানিশাৰ আন্ধাৰখিনি।

হয়তো মোৰ দৰেই হৈ পৰিল
এজন নিৰৱ দৰ্শক।

# নিহাৰীকা

জ্যোতিষ বুঢ়াগোহাঁই
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া বিভাগ)

নিহাৰীকা তুমি জিলিকি আছিলা মোৰ হৃদয়ত এখনি
ধুনীয়া ছবি হৈ,
ফুলিছিলা মোৰ হৃদয়ত
এপাহি ৰঙা গোলাপ হৈ।
তুমি আছিলা মোৰ হৃদয়ৰ মাজত
জিলিকি ধ্ৰুবতৰা হৈ।

তোমাৰ দুচকুৰ মায়াভৰা চাৱনিত
মুগ্ধ হৈ পৰিছিলো মই
প্ৰেমৰ মিঠা সুবাসেৰে ভৰি আছিল মোৰ হৃদয়খনি
বহুতো মিঠা সপোন ৰচিছিলো তোমাক লৈ,
মোৰ নিৰাশাৰে ভৰা জীৱনলৈ
তুমি আহিছিলা আশাৰ ৰেঙণি হৈ।
জীৱনৰ প্ৰতিটো সুখ দুখৰ মুহূৰ্তত
তোমাক পাইছিলো কাষতে।
তুমি আহিছিলা মোৰ জীৱনলৈ
প্ৰেৰণা হৈ।
তোমাৰ প্ৰেণাত
আগুৱাই গৈছিলো জীৱনৰ বাটত।
হঠাৎ মোৰ সপোনবোৰ ভাঙি চিঙি চুৰমাৰ হৈ
তুমি হলা মাথো সোঁৱৰণী।
মোক এৰি গুছি গ'লা দূৰ দিগন্তলৈ
নোপোৱাৰ বেদনাৰে ভৰি পৰিল মোৰ হৃদয়
মই হ'লো অসহায় নিসংগ,
নিহাৰীকা তুমি উভটি আহিবানে?
মোৰ জীৱনলৈ
মোৰ ভগা হৃদয়খন জোৰা লগাবলৈ।
তুমি উভটি আহা
মোৰ মুখত হাঁহি বিৰিঙাবলৈ
আশাৰ ৰেঙণি হ'বলৈ
আন্ধাৰেৰে ভৰা জীৱনলৈ পোহৰ বিলাবলৈ
বাট চাই ৰৈ আছো তোমালৈ
তুমি উভটি আহিবা বুলি,
নিহাৰীকা তুমি আহিবানে উভটি?

# তোমাৰ ভালপোৱাই মোৰ ভৱিষ্যৎ

অভিজিৎ ফুকন
স্নাতক দ্বিতীয় বৰ্ষ (বুৰঞ্জী বিভাগ)

তোমাৰ ভালপোৱাই মোৰ ভৱিষ্যৎ
সঁচাকৈ তোমাৰ ভালপোৱাই মোৰ জীৱনটো
নতুনকৈ গঢ়ি তোলাত প্ৰেৰণা জগাইছে।

তোমাৰ যি দৃষ্টিভঙ্গী
তোমাৰ যি অনুভৱ
মোৰ ভাল লাগে।


যেতিয়া মই নিঃসঙ্গতা অনুভৱ কৰো
তেতিয়া তুমি আহি
মোক ধৰা দিয়াহি।

ভাল লাগে তোমাৰ কাজল সনা দুচকু
আৰু সেই হাঁহিটো।
ভালপোৱাই বাৰু কি কৰিব নোৱাৰে
মোৰ জীৱনটো সলনি কৰি দিলে।
মই তোমাৰ ভালপোৱাই
জীৱনটো গঢ়িব বিচাৰো।



# প্ৰতিশ্ৰুতি

প্ৰবীন গগৈ
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান শাখা)




প্ৰতিশ্ৰুতি
কেৱল চাৰিটা আখৰতেই আবদ্ধ নেকি?
এয়াই আছিল নেকি তোমাৰ
আস্থাহীন প্ৰতিশ্ৰুতি?
মৰম দিগন্তই বুজি নোপোৱা
এক চলনাসিক্ত কৌশল।
তোমাৰ কৃত্ৰিমতাৰ প্ৰলেপসনা
সজল নয়নযুৰিৰ মতলীয়া হাঁহিটিলৈ
আজি মোৰ হৃদয় কম্পিত
চিয়ঁৰি উঠে হৃদয়ে অসহ্য যন্ত্ৰনাত
তথাপিও স্মৃতিৰ পাপৰি পাহক
মই পেলাই দিব পাৰো জানো
আজিও ৰিণিকি ৰিণিকি ভাঁহে ...
সেই দিনটোৰ কথা ...
শৰতৰ স্নিগ্ধ সন্ধিয়াত
শেৱালিৰ মৃদু মৃদু সৌৰভত
তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ
কেচা মাটিৰ সতে মিলি
সৃষ্টি কৰিছিল মোৰ মনত
নৱ বসন্তৰ ফাগুণ সমীৰণ
সেই মলয়াত তুমিও উৰিছিলা
মোৰ সমকক্ষ দুপাখি মেলি
কিন্তু তুমি মুক্ত বিহংগিনীৰ দৰে
উৰি গুছি গ'লা আন এক
বিহংগ পক্ষীৰ সতে
আৰু মই ...
প্ৰতিশ্ৰুতিৰ শিকলিৰে প্ৰেমৰ সজাত বন্দী
নিৰৱ বিহংগ আজি মই
যি নিবিচাৰে মুক্তি এই সজাৰ পৰা
মাথো অপেক্ষা প্ৰিয় বিহংগিনীৰ।

## শান্তিৰ নিজৰা

শান্তি বনিয়া
স্নাতক তৃতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

বিষাদেৰে আৱৰা আমাৰ হিয়াখনি
নাপায় বিচাৰি কতো শান্তি
কেৱল দেখা পোৱা যায়
চাৰিওফালে অশান্তি।
আমাৰ বিষাদগ্ৰস্ত মনলৈ
কোনে আনিব পাৰিব
এচমকা আশাৰ সুখৰ ৰেঙনি।
পাৰিব জানো আনিবলৈ কোনোবাই,
মানুহে সুখ বিচাৰি জীৱনত দুখহে পায়
বিষাদেৰে আৱৰা হিয়াখনি
শান্তি বিচাৰি নাপায় ক'তো
চাৰিওফালে কেৱল বোমা-বাৰুদৰ ৰাজত্ব
হত্যা-হিংসাৰে আৱৰা পৃথিৱী,
কেতিয়া আহিব সেই পৃথিৱী
য'ত সকলোৰে মিলি জুলি বাস কৰিব
আহিব নিশ্চয় সেই যুগ,
বিষাদৰ সলনি থাকিব সুখ
সকলো দিশৰ পৰা বব শান্তিৰ নিজৰা।



## স্মৃতিৰ অৱগুণ্ঠন

চন্দন দাস
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান বিভাগ)

স্মৃতিৰ কোঠালিত আজিও জিলিকি উঠে
জীৱনৰ সোণালী দিনৰ মিঠা অনুভৱবোৰ।

সময়ৰ সোঁতত উটি যোৱা অতীতৰ দিনবোৰ
সঞ্জীবিত আজিও মোৰ হৃদয়ৰ গভীৰ কোঠাত

ঢৌ খেলা লুইতৰ প্ৰতিটো তৰংগই যেন
মোৰ মন অতীতলৈ ঠেলি নিয়ে।

শৈশৱত ওমলা বসন্তৰ প্ৰতিটো পুৱা
শাৰদীয় জোনাকৰ তৰালী ভৰা মিঠা গধূলিবোৰ
পাৰ কৰিছিলো সপোনৰ সেউজবুলীয়া ৰঙেৰে।

জোনাক গলা জাৰৰ ৰাতি বোৰত
জাগি উঠিছিল কল্পনাৰ সাম্ৰাজ্যবোৰ।





# ENGLISH SECTION

# Waste/Management with Special Reference to E-Waste

**Jyoti Prosad Phukon**
Asstt. Prof. Deptt. of Zoology

Waste is unwanted or unusable material which has been carelessly disposed of and dumped

<u>According to the Basel Convention (UNEP):</u> "Substances or objects which are disposed of or are intended to be disposed of or are required to be disposed of by the provisions of national law" (Basel Convention).

<u>Produced by the United Nations Statistics Division (UNSD:</u> "Wastes are materials that are not prime products for which the generator has no further use in terms of their own purposes of production, transformation or consumption, and of which they wants to dispose. Wastes may be generated during the extraction of raw materials, the processing of raw materials into intermediate and final products, the consumption of final products, and other human activities. Residuals recycled or reused at the place of generation are excluded.

There are different types of waste defined by modern systems are as

* Municipal solid waste (MSW)
* Construction waste and demolition waste (C&D)
* Institutional waste, commercial waste, and industrial waste (IC&I)
* Medical waste (also known as clinical waste)
* Hazardous waste, radioactive waste, and electronic waste
* Biodegradable waste

**Waste management**

Waste management is the collection, transport, processing, recycling or disposal, and monitoring of waste materials.

**Methods of disposal**

* Integrated waste management (reduce, re-cycle, reuse)
* Plasma gasification
* Landfill
* Incineration
* Recycling
* Sustainability
* Biological reprocessing
* Energy recovery
* Avoidance and reduction methods.

<u>**Electrical waste, e-waste, e-scrap, or Waste Electrical and Electronic Equipment (WEEE):**</u> describes loosely discarded, surplus, obsolete, or broken electrical or electronic devices. Environmental groups claim that the informal processing of electronic waste in developing countries causes serious health and pollution problems. Some electronic scrap components, such as CRTs, contain contaminants such as lead, cadmium, beryllium, mercury and brominated flame retardants.

"Electronic waste" may be defined as all secondary computers, entertainment device electronics, mobile phones, and other items such as television sets and refrigerators, whether sold, donated, or discarded by their original owners.

In the United States, an estimated 70% of heavy metals in landfills comes from discarded electronics.

Critics of trade in used electronics maintain that it is too easy for brokers export unscreened electronic waste to developing countries, such as China, India and parts of Africa. The developing countries are becoming big dump yards of e-waste due to their weak laws.

**Electronic waste substances**

Substances found in large quantities include epoxy resins, fiberglass, PCBs, PVC (polyvinyl chlorides), thermosetting plastics, lea, tin, copper, silicon, beryllium, carbon, iron and aluminum.

Elements found in small amounts include

cadmium, mercury and thallium.

Elements found in trace amounts include americium, antimony, arsenic, barium, bismuth, boron, cobalt, europium, gallium, germanium, gold, indium, lithium, manganese, nickel, niobium, palladium, platinum, rhodium, ruthenium, selenium, silver, tantalum, terbium, thorium, titanium, vanadium and yttrium.

Almost all electronics contain lead and tin and copper though the use of lead-free solder is now spreading rapidly. The following are ordinary applications:

Disposal of e-wastes is a particular problem faced in many regions across the globe. Computer wastes that are landfilled produces contaminated leachates which eventually pollute the groundwater. Acids and sludge obtained from melting computer chips, if disposed on the ground causes acidification of soil. For example, Guiyu, Hong Kong a thriving area of illegal e-waste recycling is facing acute water shortages due to the contamination of water resources.

This is due to disposal of recycling wastes such as acids, sludges etc. in rivers. Incineration of e-wastes can emit toxic fumes and gases, thereby polluting the surrounding air. Improperly monitored landfills can cause environmental hazards. Mercury will leach when certain electronic devices, such as circuit breakers are destroyed. The same is true for polychlorinated biphenyls (PCBs) from condensers. When brominated flame retardant plastic or cadmium containing plastics are landfilled, both polybrominated dlphenylethers (PBDE) and cadmium may leach into the soil and groundwater. It has been found that significant amounts of lead ion are dissolved from broken lead containing glass, such as the cone glass of cathode ray tubes, gets mixed with acid waters and are a common occurrence in landfills.

Not only does the leaching of mercury poses specific problems, the vaporization of metallic mercury and dimethylene mercury, both part of Waste Electrical and Electronic Equipment (WEEE) is also of concern. In addition, uncontrolled fires may arise at landfills and this could be a frequent occurrence in many countries. When exposed to fire, metals and other chemical substances, such as the extremely toxic dioxins and furans (TCDD tetrachloro dibenzo-dioxin, PCDDs- polychlorinated dibenzodioxins. PBDDs- polybrominated dibenzo-dioxin and PCDFspoly chlorinated dibenzo furans) from halogenated flame retardant products and PCB containing condensers can be emitted. The most dangerous form of burning e-waste is the open-air burning of plastics in order to recover copper and other metals. The toxic fallout from open air burning affects both the local environment and broader global air currents, depositing highly toxic by products in many places throughout the world.

If these electronic items are discarded with other household garbage, the toxic pose a threat to both health and vital components of the ecosystem. In view of the ill-effects of hazardous wastes to both environment and health, several countries exhorted the need for a global agreement to address the problems and challenges posed by hazardous waste The Convention Secretariat, in Geneva, Switzerland, facilitates and implementation of the Convention and related agreements. It also provides assistance and guidelines on legal and technical issues, gathers statistical data, and conducts training on the proper management of hazardous waste.

**Problems**

Rapid change in technology, low initial cost, and planned obsolescence have resulted in a fast-growing surplus of electronic waste around the globe.

An estimated 50 million tons of E-waste is produced each year. The USA discards 30 million computers each year and 100 million phones are disposed of in Europe each year. The Environmental Protection Agency estimates that only 15-20% of e-waste is recycled, the rest of these electronics go directly into landfills and incinerators.

Basel Action Network (BAN) estimates that the 500 million computers in the world contain 2.87 billion kgs of plastics, 716.7 million kgs of lead and 286,700 kgs of mercury.■

**Sources -**

1. e-media.
2. e- websites.etc.



# Devastating Earthquake

**Puja Kumari Chowdhury**
T.D.C. Final Year

The killer earthquake, which rocked northern Pakistan, including the whole of Pakistan- occupied Kashmir (Pok) on Oct. 8, 2005 lasted 2-5 minutes. In fact, it changed the lives of millions for decades to come. Moreover, it also shook the Pakistani establishment.

The trail of devastation left by the earthquake, which measured 7,6 on the Richter scale, can be gauged from cold statics. It encompassed an area of 20,000 square kilometers. Till now the projected death toll stood at 54,000 over 60,000 people suffered injuries of varying degrees. The quake was followed by 400-odd after shocks, each a reminder of that horrific morning.

With an estimated 80 percent of the structures damaged and vulnerable, 3.3 million people in the worst affected areas have been rendered homeless, infrastructure has collapsed. Road, particularly in Pok to other parts of Pakistan have been damaged heavily and those that were fully blocked were reopened only on day three. Heaps of mud and debris have contaminated virtually all sources of water. Torrential rain respectedly disrupted the rescue and relief operations, heightening the misery of the quake victims. The temperatures plummeted to 7° Celsius.

**International Aid to Pakistan.**

Gulf States : Kuwait, UAE announce $200m.

USA : $50m, sending 8 helicopters to Pakistan, 7 member team will assess that aid needed.

China: $ 6.2m. sending 49 member rescue team.

UK: $21m, its disaster emergency committee is finalizing the report on immediate requirement.

E.U. : $4.4m, the money will be used for food, medicines, water, sanitation.

World Bank: $40m, to rebuild homes.

ADB: $ 10m, to be directed to the worst hit areas.

Red Cross : 1,20,000 people will be given emergency food and shelter.

India: Has sent first consignment of 25 tonnes of relief supplies. It may open three-five points at the LOC to help the world aid to reach Pakistan. Infosys has contributed about Rs. 3 crore.

**Internet's Defence Hacking**

Australian researchers have said that the internet can withstand more attacks on its infrastructure better than many people may generally believe, because it is not networked in the classic model of a hub-and-spoke structure.

Australian researcher Dr. Mathew Roughan, from the University of Adelaide, said that although the Internet worked like a hub and spoke network, the system was different in the sense that most nodes(Computers) were connected to another, and a few nodes were connected to one another.

This model tends to look a bit like a hub-and-spoke network, where you have one node in the middle and it connects everything else together. The key underlying principle is distribution,. You don't put critical resources in one place, you distribute them across the network so if any one bit gets broken, the rest can still keep operating.

Using data collected from a high capacity academic network in North-America, called Abilene, Dr. Roughan and his colleagues found that although some nodes were highly interconnected, they were not at the centre of the network, so that in case of an attack, the whole system would not collapse. This was one of the reasons that the Internet did not collapse during the 9/11 WTC twin tower attack.

The network of the Internet as a classic spoke and hub network would make it very vulnerable to attacks and a single strike on the central hub would result in the collapse of the whole system.■

# Tips for success and Happiness

**Madhu Poli Gogoi**
TDC 3rd Year (Deptt of Eng.)

Do not postpone
Be prompt in all your dealings
Consider well before you commit
Dare to do right, fear to do wrong
Be away from evils
Feed the needy and the hungry
Avoid the company of the vicious
Hold integrity sacred
Do not injure another's reputation
Think twice before you decide
Do not lie under any circumstance
Never try to appear what you are not
Observe good manners
Pay your debts promptly
Do not doubt the intentions of a friend
Respect the advice of parents.
Save when you are young, spend when you are old
Do not take intoxicating drinks
Extend to everyone a kindly smile
Do not yield to discouragement
When you are in Rome, do as the Romans do
Zealously labour for the right, success is certain.

# Pure Heart

**Bhupen Gogoi**
T.D.C. 2nd year

In a lonely evening
Sitting on the riverbank rock
I got absorbed in feeling nature.
Suddenly an invisible entity
Sat beside me and asked...
"Do you have a pure heart!"
I said, "I do not know" and
Returned to my thought.
My emotional drowsiness dreamed
By the music of stream.
Floating inside my heart.
She asked me again ...
Where can I find a peaceful heart?
I replied, 'If you find'
That unknown traveller
Who is thrown by the whirlpool
Rolling around life ...
He must inform you
The actual existence of a pure heart.

# Life Cycle

**Korobi Kurmi**
TDC 1st Year (Dept. of English)

Life; a floating boat
Useless, all useless,
Generations come and generations go
But, the world, does not change
The sun still rises in the east
And, it still goes down in the west.
River flows into the sea
But the mighty sea is not yet full
Lovers extend their hours of merry making
Hopeful of binding unity forever
In the midst of happiness
My love grows by the day
Perhaps I be blessed by Almighty
With all sweetness of life
With hope that love builds bridge
Where there is none.



# WHICH IS THE SMALLEST NATION IN THE UNITED NATIONS?

**Hansang Konwar**
Ex-Student

Monaco was admitted to the U.N. in May 1993, making it the smallest country represented there Monaco is a small country in southeastern Europe. Monaco lies on the Mediterranean Sea at the foot of the Mariline Alps, forming an enclave in southeastern France. After Vatican City, Monaco is the smallest nation in the world, with a land area of just 1.95 Km (0.75sqm). Located just east of Nice on the French Riviera and near the border with Italy, Monaco in one of Europe's most popular resort areas. Sheltered by the lower slopes of the rugged Alps, Monaco enjoys a Mediterranean climate. Tourism is the economic mainstay of Monaco, which is famed for its fine beaches and hotels, its casinos and the annual Monaco Grand Prix automobile race.

Tiny Monaco is highly urbanized, making it the most densely populated nation in the world. Villas, hotels, shops, and high-rise apartments climb up the rocky hills 70 feet, demands for more space, Monaco has created new land by dumping rock and earth along the shore. Monaco's small harbor provides anchorage and docking facilities for crusie ships, luxury yachts, and smaller pleasure crafts. Although independent, Monaco is closely associated with France in economic matters and foreign affairs. Princes of the Grimaldi family from Genoa have ruled Monaco for most of the last seven centuries. Today, Monaco remains a principality (a territory ruled by a prince). Under a constitution adopted in 1962, the prince shares power with an elected legislature. In 1993, Monaco became a full member of the United Nations and in 2004 it joined the Council of Europe.

**Noise Kills**

We see pollution everyday, everywhere. Today noise pollution has become a major problem, especially in our country. It seems that no creature on Earth can escape this menace. Noise pollution sources may include barking dog, loud music, fireworks, traffic jam etc. And most of us are rarely aware that noise pollution kills the brain in many ways.

People living in cities suffer from hearing problems. The main reason for this is noise pollution. Noise not only causes irritation and annoyance, but is also harmful for our health. Noise pollution may cause temporary or permanent hearing loss. It does not let people concentrate in their work. It is one of the reasons why we suffer from a headache. Most people contribute to noise pollution in the name of playing music. They do not understand that what is pleasing to someone's ears, may be unpleasant for another person. Today, everywhere, we can find youths playing music at a very high volume.

However, there are many ways to control noise pollution. People should be educated about pollution hazards. Elders can teach the young to keep their music volume low. Loud-speakers must be used only for important announcements, etc. Moreover, a "Noise pollution control Act" should be passed. Contributing to noise pollution, like honking the horns of one's car during a traffic jam, should be declared punishable by law. Noise pollution can also be harmful for animals. High noise levels may interfere with the natural cycles of animals, including feeding and migration.

So the next time you want to play your music loud, give it a second thought.

**Traditional Assamese Jewellery**

Assam has a rich collection of traditional jewellery, unique and exclusive to the state. Jorhat is the main jewellery making centre of the state. The district also has a number of small scale and cottage industries, wherein skilled jewellery makers work to promote this art. The most famous ornaments of Assam are those made of gold. A especial tribe of people called Sonowal Kacharis was particularly involved in gold washing in the various rivers. During the region of Ahom Kings, this task was done on an elaborate scale. The traditional ornaments of Assam include the dug-dugi, kerumoni, thuriya, gam-kharu, muthi-kharu, junbiri, dholebiri, lokaparo, bena, gol-pata and keru. Gam-kharu is a large bracelet made of gold or silver with a clasp. Loka-paro is an earring embellished with twin birds, placed one after the other. This may be in gold, ruby, mina or even plain enamel coating. Jethi pota is a wideband of cloth placed as a row of small medallions with a central pendant. There is a special type of earring, resembling the orchid kopou phool. The exquisite design and sheen of these ornaments make them truly captivating.

**Sualkuchi - The Silk Village**

Sualkuchi is situated 35 kilometers from Guwahati. The place is also known as the 'Manchester of the East'. The tradition of weaving in this little hamlet (a small village) can be traced back to the 11th century, when the then king Dharam Pal of the Pala dynasty brought 26 families from Tantikuchi (Barpeta) to Sualkuchi. The village took shape as a weaving village when the Shams occupied Sualkuchi after defeating the Mughals in mid 17th century. In Assam there are three types of silk - Muga - the golden silk, pat silk and eri silk. The golden silk was the royal fabric of the Ahom kings who ruled Assam for 6 centuries, till 1826. It is non-mulberry silk obtained from semi domesticated silkworm knows as Antheraea Assamesnsis, found only in Assam. Most of this is exported to Japen, where it is used to make kimones. ■

# LITHOTRIPSY

**Shantanu Chowlik**
B.Sc. 2nd Year (Deptt. of Zoology)

What is Lithotripsy : It is one of the latest invention of medical science which performs in breaking up the stones that form in the kidney, urinary bladder & ureter.

The alternative names of Lithotripsy procedure are -

1. Extracorboeral shock wave Lithotripsy (ECSWL).
2. Intracorporeal shock wave Lithotripsy (ICSWL).
3. Laser Lithotripsy.
4. Percutaneous Lithotripsy.

Usually Lithotripsy is performed when the size of the stone(s) is big or unusual shaped in the kidney.

Lithotripsy procedure in brief:

First of all the patient will be instructed not to eat or drink anything at least 12 hours before the Lithotripsy procedure. The entire Lithotripsy procedure completes within one hour. To minimize pain and discomfort, the patient has to receive local anesthesia with sedation. There might be a little discomfort or pain during the procedure.

For this procedure there are two equally effective and widely used techniques are available. One of the methods is that the patient will lay on a cushion through which 2-8 thousand sock waves are needed to pass to crush and fragment the stone(s). And the another is that the patient will be asked to lay in a special tub filled with warm water, stones will be visualized by X-Ray or Ultrasound and sock waves will be directed from the Lithotripsy machine. The machine is called Lithotripter. This sock waves will pass through the skin and are completely harmless. The procedure described above is ECSWL.

For Intracorpoeal sock wave Lithotripsy an endoscope or cystoscope is used to get close to the stone(s) inside the urinary tract and to fragment the stone(s) into sand like particles laser waves are applied. Intracorporeal sock wave Lithotripsy or Laser Lithotripsy is usually used when Extracorporeal sock wave Lithotripsy technique fails. The sand like particles are extracted out or naturally passed out during urination.

The patient will have to spend the next couple of hours in the recovery room under observation for bleeding or any other immediate complications. The patient will be allowed to go home after one or two days.

Lithotripsy is a safe, non-invasive procedure which is used commonly worldwide for the treatment of the kidney stones. A patient of kidney stone can completely recover by Lithotripsy procedure and return back to his/her daily activities within a week.■



# Women : A Tribute to You

**Sangeeta Roy**
Librarian



I have seen you as a child;
Lighting the face of your parents with joy,
You become the happiness of your parents,
Leading a happy, carefree and joyful life.

I have seen you as a daughter,
Giving love to your parents and siblings,
Supporting your family in their hard times,
Becoming a support system to your family,
Earning for their livelihood without thinking for yourself.

I have seen you as a lover,
Giving emotional support to him,
If everybody deserts him,
You are there to hold his hand, love him and
Beside him for his lifetime.

I have seen you as wife,
Adjusting completely to a new world,
Becoming a transformed lady as a daughter-in-law,
Giving love, care and support to everyone.

I have seen you as a mother,
Taking care of your children,
You love, understand and support your family,
You become a figure of sacrifice, motherhood and kindness.

I have seen you as a grandmother,
Becoming as child, jealous and moody as your grandchildren,
Sharing and imparting your lifelong knowledge and experiences to everyone.

I have seen you dying,
Without complaining anything from anybody,
Sacrificing everything for others,
You only gave but never asked for anything in return.

I have seen you as woman,
A figure of love, care and sacrifice,
God's greatest creation on this earth,
I salute you from the bottom of my heart,
Because you are as rare as a diamond.

# Look for Good

**Prabin Gogoi**
H.S. 2nd Year (Science)

In everything the good is there,
Our goal is to find it
In every person, the best is there,
Our job is to recognize it,
In every situation, the positive is there
Our opportunity is to see it.
In every problem the solution is there.
Our responsibility is to provide it
In every setback, the success is there.
Our adventure is to discover it.
In every crisis, the reason is there,
Our challenge is to understand it.
If we look for good,
We will be very enthusiastic
Yes our lives will be richer and brighter.

# Puissant legions

**Sorita Tanti**
B.A. Part III (English Deptt.)

It is a robust language!
How can I awaken from my dreams?
So instantly!!!
They haven't even warned me of that,

I've put my sleeves on,
So join the legions I have been waiting for;
And my hands are slipping from my darling things,
One after another ...
How could it be so unfair???
All at an instance!
Cordial hugs, ecstatic youth, innocent smiles, leisurely chats;
It was not a market of exchange;
'Hopes' versus 'Ambitions'.
Oh sorry! Time is slipping;
No more cries.

They might meet me someday,
Somewhere in my midst of drudgeries.
When life will desire to share.
A break in leisures;
Whiles might wipe the wetted eyes;
And again towards the others ...
Get to hasten for the race.
'Times' evaluate 'Achievements.'
It is a robust language!
While mean lives are glorified.

# Life Start

**Sundipa Hazarika**
TDC 1st Year

Here,
The life starts,
To touch the sun,
To touch the sky
But the cup of life is never full,
For the heart soaks its contents.
A touch of gold
A touch of gray.

Here,
The life starts,
To keep you in mind.
Don't forget,
The greenery of the land
The sweetness of your hand.

Thus,
The life starts here,
To touch your heart
To touch your mind.



সোণাৰি মহাবিদ্যালয়ৰ প্ৰবক্তাসকল



সোণাৰি মহাবিদ্যালয়ৰ প্ৰবক্তাসকল



সোণাৰি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ
কৰ্মচাৰী বৃন্দ



সোণাৰি মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



# মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব



পৰিস্মিতা গগৈ, ৩৪ তম ৰাষ্ট্ৰীয় ক্ৰীড়াৰ লন বল প্ৰতিযোগিতাত ৰূপ আৰু ব্ৰঞ্জ পদক বিজেতা



আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত বিহুগীতত প্ৰথম, পেঁপাবাদনত তৃতীয় স্থানপ্ৰাপ্ত প্ৰশান্ত বৰুৱা।



ৰঞ্জী ট্ৰফীত অসম দলক প্ৰতিনিধিত্ব কৰা মানসপ্ৰতীম গগৈ



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকা প্ৰিয়াশ্ৰী গগৈ



ধেমাজিত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ বিহু দল।



বাঁওফালৰ পৰা ক্ৰমে মহাবিদ্যালয়ৰ ষ্ট্ৰং মেন ডিম্বেশ্বৰ খাকলাৰী, ষ্ট্ৰং ৱ'মেন আলিচা (নাপ্চা), মিঃ সোণাৰি কলেজ গৌৰৱ ঘোষ।



ধেমাজিত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত ঘোষিত শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল।

# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন

# উপসভানেত্ৰীৰ প্ৰতিবেদন



জয়জয়তে দেশমাতৃৰ চৰণ বুকুৰ তেজেৰে ধুৱাই নিকা কৰা সেই শত শত শ্বহীদৰ আত্মালৈ অশ্ৰু অঞ্জলি অৰ্পণ কৰি সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰটি গঢ় দিওঁতা বৰেণ্য মহানুভৱ ব্যক্তিসকলক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ আৰু শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° ৰাজেন তামুলী ছাৰ, উপাধ্যক্ষ শ্ৰীযুত অৰ্পন বৰুৱা ছাৰকে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা আৰু সমূহ কৰ্মচাৰী তথা সমূহ বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিলোঁ।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল প্ৰতিদ্বন্দিতাৰ মাজেৰে উপ-সভানেত্ৰী হিচাপে জয়ী হৈ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। এই ছেগতে মোক ২০১০-১১ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভানেত্ৰী হিচাপে নিৰ্বাচিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২০১০-১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত উপ-সভানেত্ৰী হিচাপে বহুতো কাম কৰিম বুলি ভাবিলেও মাত্ৰ কেইটামান দিনত সকলো কাম কৰি উঠাটো সম্ভৱ নহ'ল। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহৰ দায়িত্ব লৈ মই সুকলমে পালন কৰিলোঁ আৰু লগতে অন্যান্য বিষয়ববীয়াসকলৰ প্ৰতিটো কাৰ্যত সহায় সহযোগ আগবঢ়ালোঁ। ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে মোৰ পূৰ্ণ সহযোগিতা আগবঢ়াই মোৰ দায়িত্ব মই পালন কৰিছিলোঁ। মহাবিদ্যালয়খনৰ বাবে কিছুমান কাম কৰিম বুলি মনতে ভাবিছিলোঁ কিন্তু বাস্তৱত সম্পূৰ্ণৰূপে ৰূপায়িত কৰিব নোৱাৰিলোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে মোৰ বান্ধৱী কাকুমণি, ভাগ্যশ্ৰী, আনুৰাৰা, ৰুমী, আফছানা, ফাৰহানা, প্ৰিয়াশ্ৰী, অলিম্পিকা, চুমু মোৰ বন্ধু দেৱ, দেৱানন্দ, চন্দন, সন্দীপ, অমূল্য, প্ৰাণজিতৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ নিৱাস আৰু ছাত্ৰী নিৱাসৰ সকলো আৱাসী আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত অনিচ্ছাকৃতভাৱে মোৰ যদি কিবা ভুল-ভ্ৰান্তি হৈছিল তাৰ বাবে মই সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

শেষত সোণাৰি মহাবিদ্যালয় এখন আদৰ্শ মহাবিদ্যালয় হওঁক আৰু মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱ কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

পল্লৱী বৰঠাকুৰ
উপ-সভানেত্ৰী
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-২০১১ বৰ্ষ।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ কলম ধৰাৰ পদূলিমুখতে মই সেইসকল ব্যক্তিক স্মৰণ কৰিছো যি সকলৰ ত্যাগে আমাক আজি জীয়াই থকাৰ সাহস দিছে আৰু দিছে আত্ম প্ৰত্যয় তথা স্ব'দেশপ্ৰেমৰ উমাল অনুভৱ।

১৯৭০ চনৰ ৫ আগষ্ট, যিটো দিনত কেইজনমান স্বনামধন্য শিক্ষিত ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত সোণাৰি মহাবিদ্যালয় নামৰ এই শিক্ষানুষ্ঠাটিৰ জন্ম হ'ল। এইয়া যেন সৰল গ্ৰাম্য চহা জীৱনৰ উচ্চ শিক্ষাৰ হৃদয়স্পন্দন, প্ৰগতিৰ উক্‌মুকনি। সেই স্বনামধন্য ব্যক্তিক আজি আমি এইক্ষণত কৃতজ্ঞতাৰে সিক্ত সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

তেখেতসকলৰ দূৰদৰ্শিতা আৰু প্ৰচেষ্টাত আমাক যি জ্ঞানৰ মন্দিৰ দিলে তাৰ আৰতিৰ সুবাসে চৰাইদেউ নালাগে ইয়াৰ দাঁতিকাষৰীয়া সকলো অঞ্চলকেই সুবাসিত কৰিছে। যাৰ জ্ঞানৰ জ্যোতিয়ে সভ্যতাৰ সোণালী কিৰণক অধিক উজ্বল কৰি সময় তথা সমাজখনক প্ৰতিক্ষণতে মূৰ্ত তথা সংবেদনশীল কৰি ৰাখিছে অনস্বীকাৰ্য, সোণাৰি মহাবিদ্যালয়ৰ এই যাত্ৰাত বহুতো ঘাত-প্ৰতিঘাটে অগা-দেৱা কৰিছিল, কিন্তু শুদ্ধ আৰু সৎ লক্ষ্যৰ বাবে এইয়া আছিল মাথোন সাধাৰণ শিলনী। সোণাৰি মহাবিদ্যালয়ৰ ইতিহাসৰ এইখিলা পাত উন্মুক্ত কৰিবলৈ পাই নিজকে ধন্য মানিছো। কাৰণ ইতিহাস মৃত, মূক মৌন বিগত মানুহৰ স্তুপীকৃত কাহিনী নহয়। ইতিহাসৰ দাপোনত আমি আমাৰ অতীতক দেখিবলৈ পাওঁ, বৰ্তমানক চিনিব পাৰোঁ আৰু ভৱিষ্যতৰ পথৰ সন্ধান পাওঁ।

ইয়াৰ লগতে মহাবিদ্যালয় শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা কৰ্মচাৰীবৃন্দ। আপোনালোক সকলোলৈ মই কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো আৰু লগতে সেইসকল ব্যক্তিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যি সকলে মোক মহাবিদ্যালয়ৰ এই সাধাৰণ সম্পাদকৰ দৰে গুৰু পদটোত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ সাহস যোগাইছিল। তেওঁলোকক এই ক্ষণতে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু দায়িত্ব হ'ল সাধাৰণ সম্পাদকৰ দৰে এই গুৰু পদটিৰ। মই জানো মহাবিদ্যালয়ৰ ইতিহাসৰ পাতনি মেলিলে দেখা যায় যে মই প্ৰথমজন ব্যক্তি যিজনে যি পাঁচ শতাধিক ভোটত জয় লাভ কৰিছিলো। ই মোৰ বাবে গৌৰৱ। এগৰাকী সাধাৰণ সম্পাদক হিচাপে হয়তো আপোনালোকে মোৰ পৰা বহুতো নতুনত্বৰ আশা কৰিছিল আৰু কিমান আপোনালোকৰ সেই সপোন বাস্তৱত পৰিণত কৰিব পাৰিলো সেয়া মই নাজানো কিন্তু মই আপোনালোকৰ আশাবোৰ সফল ৰূপায়ন কৰাত আপ্ৰাণ প্ৰচেষ্টা ৰাখিছিলো। মহাবিদ্যালয় ইতিহাসৰ পাঠ লুটিয়ালে আপোনালোকে দেখা পাব যে এইখন ছাত্ৰ একতা সভাৰ দিনতে মোৰ নেতৃত্বত মই প্ৰথমবাৰলৈ মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই ভৱিষ্যতৰ এক নতুন পথৰ সন্ধান দিলো আৰু ইয়াৰ লগতে মহাবিদ্যালয় সপ্তাহত সোণাৰি নগৰৰ মাজমজিয়াত এক চাফাই কাৰ্যসূচী কৰিলো। মোৰ কাৰ্যকালতে মহাবিদ্যালয় সপ্তাহৰ বঁটা-বিতৰণী অনুষ্ঠানত ৰূপা মিলিৰ দৰে অসমৰ এগৰাকী বিখ্যাত শিল্পীৰ গীতৰ অনুষ্ঠান আপোনালোকে দেখিলে। মই আটাইতকৈ গৌৰৱ কৰো যে মোৰ কাৰ্যকালতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ দৰে এই কঠিন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সৰ্বমুঠ ১৯ টা অৰ্থাৎ যুৱ-মহোৎসৱত আটাইতকৈ অধিক পুৰস্কাৰ লাভ কৰি সোণাৰি মহাবিদ্যালয়ক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুকুত আমাৰ মহাবিদ্যালয়ৰ নাম উজলাই ৰাখিলে। এই ক্ষণতে মই যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিশেষভাৱে নিজৰ কঠোৰ



শ্ৰমেৰে যুৱ মহোৎসৱৰ দৰে আগশাৰী প্ৰতিযোগিতাত যিজনে শ্ৰেষ্ঠ বিহুৱা-সন্মান অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে মোৰ বন্ধু প্ৰশান্ত বৰুৱাই। ইয়াৰ পাছতেই যুৱ মহোৎসৱত শ্ৰেষ্ঠ হুঁচৰি দলৰ সন্মান অৰ্জন কৰিলে আমাৰ মহাবিদ্যালয়ে। সমবেত সংগীতত ২য় শ্ৰেষ্ঠ সন্মান অৰ্জন কৰিলে। পেঁপা বাদনত প্ৰশান্ত বৰুৱাই ৩য় শ্ৰেষ্ঠ সন্মান অৰ্জন কৰিলে। আৰু আলোচনীত ৩য় শ্ৰেষ্ঠ সন্মান অৰ্জন কৰাৰ বাবে মই আলোচনী সম্পাদক সৌৰভ চেতিয়াক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু লগতে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছো শ্ৰদ্ধাৰ বাইদেউ বিজয়লক্ষ্মী গগৈ আৰু ছাৰ দেৱজ্যোতি গগৈ দেৱলৈ যিজনৰ আপ্ৰাণ প্ৰচেষ্টাত মহাবিদ্যালয়ে সমবেত সংগীতত ২য় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিলে। আৰু এই বছৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত যি ফলাফল দেখুৱালে তাক আমি মহাবিদ্যালয় ছাত্ৰ একতা সভাই গৌৰৱ কৰোঁ। ভৱিষ্যতে মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীয়ে অধিক সুনাম কঢ়িয়াই সোণাৰি মহাবিদ্যালয়ৰ নাম বিশ্ব দৰবাৰত তুলিব বুলি আশা ৰাখিলো।

**মোৰ কাৰ্যকালত পালন কৰা কৰ্মসূচীসমূহ ঃ**

১। চ্যুকাফা দিৱসৰ সংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচীত অংশ গ্ৰহণ কৰা হয়।
২। ১০ ডিচেম্বৰত ছাত্ৰ সংহতি দিৱস পালন কৰা হয়।
৩। ১৩ ডিচেম্বৰত মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়।
৪। মহাবিদ্যালয় সপ্তাহ উপলক্ষে ১৭ ডিচেম্বৰত চফাই কাৰ্যসূচী লোৱা হয়।
৫। ১৮ ডিচেম্বৰত মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক লোৱা হয়।
৬। ২০ ডিচেম্বৰত মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠান পতা হয় আৰু বঁটা-বিতৰণী অনুষ্ঠানত উপস্থিত থাকে কণ্ঠশিল্পী ৰূপা মিলি।
৭। ১১ জানুৱাৰীত প্ৰবক্তা শ্ৰীযুত মাণিক বৰুৱা আৰু উপাধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউক বিদায় সম্ভাষণ জনোৱা হয়।
৮। ২০ জানুৱাৰীত আন্তঃমহাবদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা হয় আৰু সৰ্বমুঠ ১৯টা অৰ্থাৎ যুৱ মহোৎসৱত আটাইতকৈ অধিক পুৰস্কাৰ আনি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা হয়।
৯। ৮ ফেব্ৰুৱাৰীত শ্ৰীশ্ৰীসৰস্বতী পূজা অনুষ্ঠিত কৰা হয়।
১০। ১০ ফেব্ৰুৱাৰীত প্ৰয়াত শৈলেন্দ্ৰ নাথ ফুকন ছাৰৰ পৰিয়াল বৰ্গলৈ শোক প্ৰস্তাৱ দিয়া হয় মহাবিদ্যালয় ছাত্ৰ একতা সভাই।
১১। ১৪ ফেব্ৰুৱাৰীত পৰীক্ষাৰ্থী সকলক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা শুভেচ্ছা জনোৱা হয়।
১২। ১২ জুলাইত নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়।
১৩। মোৰ কাৰ্যকালৰ দিনতে মহাবিদ্যালয়ৰ খেল পথাৰ উন্নত কৰা হয়।
১৪। মোৰ কাৰ্যকালৰ দিনতে মহাবিদ্যালয়ত চি.চি. কেমেৰা লগোৱা হয়।

**আমাৰ সমস্যাসমূহ ঃ**

১। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাত পাঠদান কক্ষৰ লগতে থকাত মাজে সময়ে পাঠদানত ব্যাঘাত হোৱাৰ বাবে পৃথকলৈ ছাত্ৰ জিৰণি চ'ৰা নিৰ্মাণ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰুধ জনালোঁ।
২। বিজ্ঞান শাখাৰ দিশত খালি হৈ থকা মাটি অংশত পকী কৰিব লাগে।
৩। ছাত্ৰাবাসৰ চাৰিওফালে দেৱালৰ ব্যৱস্থা কৰিব লাগে।
৪। মহাবিদ্যালয়ত এক নিৰ্দিষ্ট বেডমিণ্টনৰ কৰ্ট স্থাপন কৰিব লাগে।
৫। মহাবিদ্যালয়ত ভলীবলৰ এক নিৰ্দিষ্ট কৰ্ট স্থাপন কৰিব লাগে।
৬। ছাত্ৰী নিবাসৰ পথ পকী কৰিব লাগে।
৭। মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ বাবে অত্যাধুনিক আৰু বিজ্ঞান সন্মত জিম স্থাপন কৰিব লাগে।
৮। মহাবিদজ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে চাইকেল, মটৰ চাইকেল আদি ৰাখবৰ বাবে নতুন গেৰেজ স্থাপন কৰিব লাগে।

**সমবেদনা জ্ঞাপন ঃ** আমাৰ কাৰ্যকালত অকাল বিয়োগ ঘটা শ্ৰদ্ধাৰ শিক্ষাগুৰু স্বৰ্গীয় শৈলেন্দ্ৰনাথ ফুকন ছাৰৰ লগতে মহাবিদ্যালয়ৰ লগত জড়িত যিসকলৰ অকাল বিয়োগ ঘটিল তেখেত সকলৰ আত্মাৰ চিৰশান্তিৰ বাবে আজি এই পবিত্ৰ ক্ষণত ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা গঠনমূলক পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ

অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। প্ৰতিটো কাৰ্যসূচীতে বিভিন্ন সময়ত মোক সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সদস্যসকল। ছাত্ৰ নিবাসৰ সমূহ বন্ধুসকল। ছাত্ৰীনিবাসৰ সমূহ বাইদেউ, ভণ্টি তথা বান্ধৱীসকল। লগতে প্ৰতিটো ক্ষণতে মোৰ লগত থকা ভাস্কৰ, দিলিপ, ৰিতু, অনুজ, ৰিকু, দিতু সমীৰ, পবিত্ৰ, মনোজ, সুৰজিৎ, অভিজিৎ, প্ৰাঞ্জল, ৰাণী, প্ৰান্তী, প্ৰিয়ঙ্কা, দয়া, সুমীত, বিজিতা, দিপ্তী, চুমি বা, ৰিজুবা, ময়ুৰী, মৌ-পিয়াকে প্ৰমুখ্য কৰি সকলো ছাত্ৰ বন্ধু সকলক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**আমাৰ কৰিবলগীয়াঃ**

সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰোঁতে অনেকবাৰে অনেক কথা থাকিব পাৰে। বছৰটিত আমি পালন কৰা কাৰ্যসূচী সমূহত আমাৰ ভুল-ত্ৰুটিৰে যাব পাৰে। আপোনালোকে সেই ভুল বিলাক নিজৰ পুত্ৰ, ভাতৃ, বন্ধু-শিষ্য হিচাপে ক্ষমা কৰাৰ লগতে গঠনমূলক আলোচনাৰে আঙুলিয়াই দিয়ে যেন।

**সামৰণিঃ**

প্ৰতিবেদনৰ ভৱিষ্যতৰ ছাত্ৰএকতা সভালৈ আমাৰ অনুৰুধ যে আমাৰ কাৰ্যকালত সফল কৰিব নোৱাৰা কাৰ্যসমূহ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত আগুৱাই যায় যেন। আপোনালোকে যি মানসেৰে নেতৃত্ব দিবলৈ আগুৱাই আহিব 'ছাত্ৰশক্তি'ৰ দৰে মহান পবিত্ৰ শক্তিক আগত ৰাখি সবল ৰূপে দায়িত্ব ভাৰ পালন কৰিব বুলি আশা ৰাখিলো।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তোৰোত্তৰ কামনা কৰি এই মহাবিদ্যালয়ৰ নাম বিশ্বদৰবাৰত ৰাখিব বুলি আশা ৰাখি মোৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ কলম বন্ধ কৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

'জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।'

দেৱ কুমাৰ গুপ্তা<br>
সাধাৰণ সম্পাদক<br>
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা<br>
২০১০-২০১১ বৰ্ষ।



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই এইসকল মহান ব্যক্তিক অতি শ্ৰদ্ধাৰে সোঁৱৰিছো যি সকল ব্যক্তিয়ে অশেষ কষ্ট কৰি হেঁপাহেৰে জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় স্থাপন কৰি নগৰখনৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিলে। সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী ছাৰ, মাননীয় উপাধ্যক্ষ শ্ৰীযুত অৰ্পন বৰুৱা ছাৰ, প্ৰমুখ্যে শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ মৰম, কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

২০১০-১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকোতে মই একো লেখত ল'বলগীয়া কাম কৰিব নোৱাৰিলো যদিও বাৰ্ষিক ক্ৰীড়া সমাৰোহত সাংস্কৃতিক বিভাগৰ সমূহ দায়িত্ব সুকলমে পালন কৰিলোঁ আৰু লগতে অন্যান্য বিষয়ববীয়া সকলৰ কাৰ্যত সাহয়-সহযোগ আগবঢ়ালো।

মোৰ এই এবছৰীয়া কাৰ্যত বিভিন্ন দিশৰ পৰা সহায়ৰ হাত আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰে অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰুসকল আৰু বন্ধু-বান্ধৱৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

অৱশেষত অনিচ্ছাকৃতভাৱে মোৰ যদি কিবা ভুল-ভ্ৰান্তি হৈছিল তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।


শেষত, সোণাৰি মহাবিদ্যালয়ৰ সকলো দিশতে উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়।

জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

কাকুমণি গগৈ<br>
সহকাৰী সাধাৰণ সম্পাদিকা।<br>
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা<br>
(২০১০-১১ বৰ্ষ)

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ কলমে আঁক মৰাৰ আগতে ইতিহাসে গৰকা মোৰ অতি শ্ৰদ্ধাৰ জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়লৈ প্ৰনাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে এই মধুৰ ক্ষণতে সেই সকল চিৰ নমস্য ব্যক্তিকো সোঁৱৰিছো- যি সকল ব্যক্তিয়ে তেওঁলোকৰৈ অশেষ শ্ৰম আৰু ত্যাগৰ বিনিময়ত এই পবিত্ৰ জ্ঞানৰ মন্দিৰটিৰ সু-স্থাপন হৈ ৰ'ল আৰু লগতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ মোৰ শিক্ষাগুৰু সকললৈ সেৱা জনাইছো।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কি কি কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপিতো মই মোৰ সাধ্য অনুসাৰে যিমানখিনি পাৰিছিলো সেয়া কৰি গৈছিলো। গুৰু খেল বিভাগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্ত হৈছে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ। মই ২০১০-২০১১ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত গুৰু খেল বিভাগত থকা আটাইবিলাক খেল অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিলো যদিও সময়ৰ পৰিমাণ কম হোৱাৰ বাবে মই আটাইবিলাক খেলৰ প্ৰতিযোগিতাসমূহ কম সময়তে সামৰিব লগা হৈছিল। যাৰ ফলত হয়তু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল কিছু অসুবিধাৰ সন্মখীন হ'ব লগা হৈছিল চাগে। ইয়াৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

মোৰ ক'বলগীয়া ঃ মই এটা কথা লক্ষ্য কৰিছিলো যে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই কম আৰু প্ৰতিযোগিতাসমূহত অংশ লোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাত তেনেই নগণ্য। এইয়া কিহৰ বাবে হৈছে; এইটো আমাৰ বাবে অতি দুখৰ কথা। মহাবিদ্যালয়খনে আমাৰ সুবিধাৰ্থে সকলোখিনি সুবিধা আগবঢ়াইছে। মাত্ৰ আমি নিজে এই সুবিধা ল'ব লাগে। কোনে জানে কাৰ ভৱিষ্যত ক'ত বা লিখা আছে। পঢ়া-শুনাৰ মাজেৰেই আমি এই সকলো কামতে সমানে আগবাঢ়ি যাব লাগিব। হয়তো আমাৰ ভৱিষ্যত ইয়াৰ মাজতে ক'ৰবাত লুকাই আছে। সেইয়েহে মই এই প্ৰতিবেদনৰ দ্বাৰাই সকলোলৈকে অনুৰুধ জনাওঁ যে অনাগত দিনবোৰত যেন তেওঁলোকে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত উপস্থিত থাকি নিজেও সকলো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ লগতে আনকো উৎসাহিত কৰে যেন।

মই গুৰু খেল বিভাগৰ সম্পাদক হিচাপে গুৰু দায়িত্ব পালন কৰাত বহুতৰে অনেক কিবা ক'বলগীয়া থাকিব পাৰে। মোৰ কাৰ্য্যসূচী সমূহত ক'ৰবাত ভুল হৈ যোৱাটো স্বাভাৱিক। আপোনালোকে যেন মোক আপোনালোকৰ মাজৰ এজন বুলি ভাবি মোক ক্ষমা কৰে যেন। এইয়াই মোৰ আপোনালোকৰ বাবে মোৰ ফালৰ পৰা এটা অনুৰুধ।

কৃতজ্ঞতা স্বীকাৰ ঃ সৰ্বপ্ৰথমে মই সেই সকল স্বনামধন্য ব্যক্তিক কৃতজ্ঞতা জ্ঞাপন কৰিছো যি সকলে মোক গুৰু খেল বিভাগৰ সম্পাদকৰ পদটোৰ বাবে উপযুক্ত বুলি বিবেচনা কৰি নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবিলৈ সাহস ও প্ৰেৰণা যোগাইছিল আৰু যি সকল ছাত্ৰ আৰু ছাত্ৰীয়ে মোক নিৰ্বাচনত উপযুক্ত গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰাৰ্থী বুলি বিবেচনা কৰি নিৰ্বাচিত কৰিলে তেওঁলোককো মোৰ ফালৰ পৰা কৃতজ্ঞতা তথা ধন্যবাদ জনাইছো। মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ তথা সহায় আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অদ্যক্ষ মহোদয়ৰ লগতে জ্যোতি প্ৰসাদ ফুকন ছাৰ, ফনিধৰ কোঁৱৰ চাৰ, বিনোদৰাজ খনিকৰ চাৰ, দিব্য চাৰ, ভূপেন চাৰকে প্ৰমূখ্য কৰি সমূহ শিক্ষাগুৰু আৰু



মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ প্ৰতিটো কামত সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে মোক উৎসাহ আৰু সহায় আগবঢ়োৱা বিজু দা, হানচে দা, সন্দিপ দা, জীতুল দা, বসন্ত দা, বাবা দা, দুদুল দা, মোৰ বন্ধু চন্দন, সৌৰভ, দিপজ্যোতি, ত্ৰিভূবন, অমৃত, স্বপ্নজিৎ, শান্তনো, ভাস্কৰ, অভিলেখ, প্ৰশান্ত, প্ৰবীন, দেবাশ্ৰী, দুলুমণি, চয়নিকা, মনালী, পাপৰি, মনিষা, উৰ্মিলা মোৰ সকলো বন্ধুবৰ্গ তথা ছাত্ৰ আৰু ছাত্ৰীনিবাসৰ সমূহ আবাসী আৰু মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক মোক সহায় আৰু সহযোগ কৰাৰ বাবে সকলোলৈকে মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সামৰণি ঃ প্ৰতিবেদনৰ সামৰণিত অনাগত নৱ ছাত্ৰ একতা সভালৈ মোৰ এটা অনুৰুধ যে, আমাৰ কাৰ্যকালত সফল নোহোৱা কাৰ্যসমূহ তোমালোকে বলিষ্ঠ তথা সু-পদক্ষেপ গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়াই নিয়া যেন।

সদৌ শেষত নৱনিৰ্বাচিত ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি -

"সোণাৰি মহাবিদ্যালয় দীৰ্ঘজীৱি হওক।"

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**দেবানন্দ ফুকন**

সম্পাদক, গুৰু খেল বিভাগ

সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-২০১১ বৰ্ষ।

## Result Sheet of Annual Sport - 2010-11

**Championship of Volley Ball Competition**

**(Boys)**

**1st - T.D.C. 2nd Year (Arts) (Champion)**

1. Debananda Phukon
2. Anupal Phukon.
3. Arunav Bhuyan
4. Bitupan Gogoi.
5. Dimbeswar Khaklari.
6. Arindom Chakraborty.

**2nd T.D.C. 1st Year (Runners up)**

1. Kabya Ranjan Dutta.
2. Janaki Nath Brrah.
3. Profulla Baruah.
4. Utpal Chetia
5. Sanju Paul
6. Sanjay Dutta.

**(Girls)**

**1st T.D.C. 3rd Year (Champion)**

1. Punam Dhillon
2. Monamee Khonikar
3. Imani Baruah (Captain)
4. Gitashree Baruah
5. Sunny Bauri
6. Plabita Sharma
7. Rumi Gogoi

**2nd T.D.C. 1st Year (Runners up)**

1. Ban Nayak
2. Jasmin Sultana Begum
3. Arfina Begum
4. Sanju Rai (Captain)
5. Rita Basumatari
6. Rumi Khaklari
7. Korobi Basumatari.

**Cricket**

**(Boys)**

**1st T.D.C. 1st Year (Champion)**

1. Sanku Deb
2. Arojit Das
3. Goutam Shah
4. Anil Bonik
5. Bakul Ghosh
6. Gourav Ghosh
7. Raju Mirdha
8. Mukesh Kr. Singh.
9. Diganta Karmakar.
10. Rajib Shah
11. Samir Gogoi.
12. Moinul Haque.

**2nd H.S. 1st Year (Runners Up)**
1. Ranku Dey
2. Kartik Tassa.
3. Gupal Rajput.
4. Papu Dey.
5. Bijoy Tassa.
6. Anjan Nandi.
7. Arif Rahman
8. Rajen Bonik Das.
9. Mukuta Gogoi.
10. Probin Bhuin
11. Jakir Hussain.
12. Shah Alam Hussain.

**Football (Boys)**
**H.S. 2nd Year (Champion)**
1. Santanu Phukon (C)
2. Surajit Buragohain
3. Raja Shyam
4. Chaseng Shyam
5. Naba Borgohain.
6. Tankeswar Gogoi (1Goal)
7. Bitu Phukon
8. Biswa Buragohain
9. Bitu Buragohain
10. Rishi Kumar Das.
11. Rontu Hazarika
12. Ronkoy Saikia.

**H.S. 1st Year (Runners up)**
1. Panku Dey (C)
2. Gopal Rajput
3. Papu Dey.
4. Kartik Tassa.
5. Khirod Gogoi.
6. Arif Rahman
7. Probin Bhuin
8. Rajen Banik Das
9. Nirupam Boruah.
10. Anjan Nandi
11. Sanjib Teli
12. Alom Hussain.

**Race**
**100 mt. Girls**
**1st Position** - Miss Jasmin Sultana Begum (T.D.C. 1st Year, Time - 11.97)
**2nd Position** - Miss Dulumoni Borah (T.D.C. 2nd Year, Time - 12.40)
**3rd Position** - Miss Priyanka Chetia (H.S. 2nd Year, Time - 16.60)

**100mt. Boys**
**1st Position** - Pranabjyoti Bordoli.
**2nd Position** - Bitu Phukon
**3rd Position** - Papu Phukon

**200mt. Boys**
**1st Position** - Sujit Rajbonshi (T.D.C. 1st Yr.) Time - 18.01
**2nd Position** - Bitu Phukon, Time 18.90
**3rd Position** - Tankeswar Gogoi, Time 19.06.

**200mt. Girls**
**1st Position** - Jasmin Sultan Begum.
**2nd Position** - Korobi Basumatari.
**3rd Position** - Anjita Khaklari.

**400mt. Boy's**
**1st Position** - Bitu Phukon (H.S. 2nd)
**2nd Position** - Sujit Rajbonshi (T.D.C. 1st Yr.)
**3rd Position** - Ujjal Das (T.D.C. 3rd yr.)

**400mt. Girls**
**1st Position** - Jasmin Sultana Begum, (T.D.C. 1st Yr.)
**2nd Position** - Korobi Phukon (H.S. 2nd Yr.)
**3rd Position** - Priyanka Chetia (H.S. 2nd Yr.)

**800mt. Boy's Final**
**1st Position** - Bitu Phukon
**2nd Position** - Pronabjyoti Bordoloi. (T.D.C. 3rd Yr.)
**3rd Position** - Ujjal Das (T.D.C. 3rd yr.)

**800mt. Girls Final**
**1st Position** - Korobi Phukon (H.S. 2nd)
**2nd Position** - Karobi Basumatari (T.D.C. 1st Yr.)
**3rd Position** - Jasmin Sultana Begum (T.D.C. 1st yr.)

**Boy's 1200 mtr. Final**
**1st Position** - Tankeswar Gogoi (H.S. 2nd)
**2nd Position** - Sujit Rajbonshi (T.D.C. 1st Yr.)
**3rd Position** - Sanjib Teli, H.S. 1st Year. Biswajit Gogoi, T.D.C. 1st Year.

**Girls 1200mtr. Final**
**1st Position** - Karobi Phukon (H.S. 1st )
**2nd Position** - Mamata Deb (H.S. 1st Yr.)
**3rd Position** - Mayuri Gogoi (T.D.C. 1st yr.)

**Boy's 1600mtr. Final**
**1st Position** - Bitu Phukon
**2nd Position** - Ujjal Das.
**3rd Position** - Tankeswar Gogoi.

**Girls 1600 mtr. Final**
**1st Position** - Karobi Phukon
**2nd Position** - Mamta Dey.
**3rd Position** - Karobi Basumatari.

**Relay Race**
**Boy's**
**1st Position -**
1. Bitu Phukon
2. Pronabjyoti Bordoli
3. Tankeswar Gogoi.
4. Pranjal Chetia.

**2nd Position -**
1. Jugesh Gogoi.
2. Sanjib Teli
3. Deepjyoti Likson.
4. Dipankar Gogoi.

**3rd Position -**
1. Ujjal Das.
2. Nabajyoti Changmai.
3. Rustam Saikia.
4. Arunjyoti Boruah.

**Girls-**
**1st Position -**
1. Jasmin Sultana Begum.
2. Karobi Basumatari.
3. Karobi Phukon.
4. Lakhi Rajbanshi.

**2nd Position -**
1. Jainab Khatoon
2. Jebin Sultana.
3. Sunita Sahu.
4. Anima Tasa.

**3rd Position -**
1. Priyanka Chetia.
2. Dulumoni Borah.
3. Pallabi Gogoi.
4. Tarali Phukon.

**Shot-put Throwing -**
**Boy's -**
**1st Position** - Sundip Borgohain- 11.33 mtr.
**2nd Position** - Rupam Bakalial - 11.5mtr.
**3rd Position** - Pranabjyoti Bordoloi - 10.32mtr.
**Girls -**
**1st Position** - Khirumoni Konwar - 8.9 Mtr.
**2nd Position** - Monika Changmai - 8.81mtr.
**3rd Position** - Ngspa Wangshu - 8.62mtr.

**Javelin Throwing -**
**Boy's -**
**1st Position** - Raja Chyam - 26.55mtr.
**2nd Position** - Nishad Kumar Deka - 26.25mtr.
**3rd Position** - Deepjyoti Goswami - 26.20mtr.
**Girls -**
**1st Position** - Ngapsa Wangshu - 19.83mtr.
**2nd Position** - Rijumoni Khamon - 16.65mtr.
**3rd Position** - Anima Tasa - 15.10mtr.

**Discus Throwing -**
**Boy's**
**1st Position** - Faizuddin Ahmed - 2393mtr.
**2nd Position** - Sandip Buragohain - 23.80mtr.
**3rd Position** - Dimbeswar Khaklari - 21.68mtr.
**Girls**
**1st Position** - Khirumoni Komar - 15.82mtr.
**2nd Position** - Monika Changmai - 15.49mtr.
**3rd Position** - Jasmin Sultana Begum - 15.40mtr.

**Kabadi Final -**
**Girls -**
**Laxmirekha Dutta Team (Champion)**
1. Laxmirekha Dutta (C)
2. Pallabi Gogoi.
3. Sima Gogoi.
4. Nikita Prodhan.
5. Monjita Gogoi.
6. Rimpi Shyam.
7. Porismita Changmai.
8. Dimpi Chetia.
9. Monalisha Lahon.

**Chayanika Konwar Team (Runners up)**
1. Chayanika Konwar
2. Anima Tasa.
3. Sunita Sahu.

4. Anindita Borgohain. - T.D.C. 3rd Yr., 17.5 ft.
5. Porinita Khaklari.
6. Urmila Gogoi.
7. Sangita Gogoi.
8. Bobita Prodhan.

**Boy's -**
**Winner T.D.C. 3rd Year.**
1. Sandip Buragohain.
2. Pronabjyoti Bordoloi.
3. Bimal Kishan.
4. Chanchal Das.
5. Rishiraj Gogoi.
6. Pranabjyoti Borgohain.
7. Ankur Boruah.

**Runners up H.S. 1st Year.**
1. Panku Dey.
2. Kartik Tasa.
3. Papu Dey.
4. Gopal Rajput.
5. Nirupam Baruah.
6. Rajen Manik Das.
7. Khirod Gogoi.

**Long Jump Final -**
**Boy's -**
**1st Position** - Pranabjyoti Bordoloi
- T.D.C. 3rd Yr., 17.5 ft.
**2nd Position** - Jugeswar Baruah
- T.D.C. 1st Yr., 17.00 ft.
**3rd Position** - Bitu Phukon
- H.S. 2nd Yr. 16.4 ft.


**Girls -**
**1st Position -**
**2nd Position -**
**3rd Position -**

**Triple Jump -**
**Boy's -**
**1st Position** - Jugeswar Baruah - 7.66 mtr.
**2nd Position** - Tankeswar Gogoi.
**3rd Position** - Bitu Phukon.
**Girls -**
**1st Position -**
**2nd Position -**
**3rd Position -**

**High Jump -**
**Boy's**
**1st Position -**
**2nd Position -**
**3rd Position -**
**Girls -**
**1st Position -**
**2nd Position -**
**3rd Position -**



# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় একলমৰ পদুলিমুখতে নিবেদিছোঁ সশ্ৰদ্ধ শ্ৰদ্ধা, কৌটি কৌটি প্ৰণাম আৰু অন্তৰৰ গভীৰ কোণৰ পৰা অফুৰন্ত কৃতজ্ঞতা সেইসৱলৈ - যিসকল দূৰদৰ্শী পৰম শুভাকাংশী তথা মহান ব্যক্তিৰ সান্নিধ্য লাভ কৰি সোণাৰি মহাবিদ্যালয়ে জন্ম লগ্নৰে পৰা বটে-বৃক্ষে পুষ্পিত হৈ সুৱাসিত কৰিলে চৌদিশ। লগতে সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সন্মানীয় শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকললৈ শ্ৰদ্ধা আৰু মৰম যাচিলোঁ।

সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মই লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰূপে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰা মহাবিদ্যালয়ৰ উন্নতিকল্পে ছাত্ৰ একতা সভাৰ সকলো কাম কাজতে সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ দিশত কিমানদূৰ আগবঢ়াই নিব পাৰিলোঁ, সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মই দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মোৰ প্ৰথম আৰু প্ৰধান কাম আছিল মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ অধীনৰ সকলোবিলাক খেল সুচাৰুৰূপে অনুষ্ঠিত কৰা। এই ক্ষেত্ৰত মই মোৰ কৰ্তব্যত কেতিয়াও অৱহেলা কৰা নাছিলোঁ।

মহাবিদ্যালয় সপ্তাহত মই মোৰ বিভাগৰ অধীনৰ সকলোবোৰ খেল অনুষ্ঠিত কৰিছিলোঁ। মোৰ কাৰ্যকালত বাৰ্ষিক ক্ৰীড়া সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণো আগৰ বছৰৰ তুলনাত যথেষ্ট বেছি আছিল। সেই কাৰণে মই এই আপাহতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আশা ৰাখিছোঁ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এইদৰে বাৰ্ষিক ক্ৰীড়া সমাৰোহত অংশ গ্ৰহণ কৰি এই মহাবিদ্যালয়ৰে পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব।

শেষত মোৰ এবছৰীয়া কাৰ্যকালত মোৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মই প্ৰধানকৈ মোৰ বিভাগৰ উপদেষ্টা শ্ৰীযুত উৎপল কোঁৱৰ ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি মোৰ প্ৰতিটো কাম কাজতে যিসকল বন্ধুবৰ্গ তথা ভাইটি ভণ্টিয়ে সহায় কৰিছিল তেওঁলোকৰ ওচৰত সদায় মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে যদি মোৰ কিবা ভুল ত্ৰুটি হৈছিল তাৰ বাবে মই সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। লগতে আগন্তুক বৰ্ষকেইটিত যাতে লঘু ক্ৰীড়া বিভাগটো অধিক বলিষ্ঠতাৰে কাৰ্যক্ষম হৈ উঠে আৰু সোণাৰি মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**পূৰ্ণানন্দ হাতীমুৰীয়া**
সম্পাদক, লঘু ক্ৰীড়া বিভাগ
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১০-২০১১

**বাৰ্ষিক ক্ৰীড়া সপ্তাহ - ২০১০-১১ ৰ লঘু খেল বিভাগৰ ফলাফল-**

**ডবা খেলৰ চূড়ান্ত বিজয়ীসকল ঃ**
১। পংকজ বৰুৱা
২। অনুপম খাকলাৰী

**বেডমিণ্টন (Single) ল'ৰা শাখাঃ**
১। মাচোদ আহমেদ
২। পাৰ্থ প্ৰতীম শইকীয়া

**বেডমিণ্টান (Single) ছোৱালী শাখা ঃ**
১। জোনমণি নেওগ
২। ববিতা গোস্বামী

**বেডমিণ্টন (Doubles) ল'ৰা শাখা ঃ**
১। মানস দিহীঙ্গীয়া
প্ৰবীন গগৈ
২। মাচোদ আহমেদ
স্বপ্নজিত বুঢ়াগোহাই

**বেডমিণ্টন (Doubles) ছোৱালী**
১। জোনমণি নেওগ
নিলাক্ষী সটনামী
২। ছানী বাউৰী
প্ৰস্তুতি গগৈ

**বেডমিণ্টন (Mix Double)**
১। প্ৰবিন গগৈ
প্ৰস্তুতি গগৈ
২। মাচুদ আহমেদ
পিংকী মটিয়া

# সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন



প্ৰতিবেদনৰ মুখবন্ধনিতে মই সেইসকল মহান ব্যক্তিৰ চৰণত মোৰ অন্তৰৰ পৰা একাজঁলি শ্ৰদ্ধাৰ পুষ্পাঞ্জলি অৰ্পণ কৰিছোঁ, যি সকল মহান ব্যক্তিৰ আহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ জৰিয়তে সোণাৰি অঞ্চলত জ্ঞানৰ জ্যোতি বিলোৱা এগচি চাকিৰ শলিতা স্বৰূপ সোণাৰি মহাবিদ্যালয়খন গঢ় লৈ উঠিল। ইয়াৰ লগতে মই আমাৰ মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ পিতৃস্বৰূপ বৰ্তমানৰ অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা প্ৰণম জনাইছো, যি জনৰ প্ৰচেষ্টাত মহাবিদ্যালয়খনে উন্নতিৰ শিখৰলৈ যাবলৈ সক্ষম হৈছে। এই সুযোগতে মই মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউ তথা বৰ্তমানৰ উপাধ্যক্ষ শ্ৰীযুত অৰ্পণ বৰুৱা ছাৰ আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুবৃন্দলৈ মোৰ সশ্ৰদ্ধাৰ প্ৰণাম যাচিছো।

২০১০-২০১১ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ 'সাংস্কৃতিক সম্পাদিকা' হিচাপে ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ প্ৰতি যি সেৱা আগবঢ়াবলৈ মোক সুবিধা প্ৰদান কৰিলে সেইসকল চিৰনমস্য মোৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টি সকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰ পৰাই বিভাগীয় সম্পাদিকা হিচাপে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কি সেৱা আগবঢ়ালো সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। তথাপি মই প্ৰতিটো কামেই সুচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিছিলো। লগতে ছাত্ৰ একতা সভাৰ প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি গৈছিলো আৰু আগলৈ আগবাঢ়ি যাম বুলি প্ৰতিশ্ৰুতি দিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে হোৱা মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত মই উপস্থিত থাকিব নোৱাৰাৰ বাবে মোৰ এই দায়িত্বভাৰ মহাবিদ্যালয় উপ-সভাপতি আৰু সহকাৰী সাধৰণ সম্পাদিকাক অৰ্পণ কৰা হৈছিল। আশাকৰোঁ তেওঁলোকে আপোনালোকে বিচৰামতে সুচাৰুৰূপে দায়িত্ব পালন কৰিলে। গতিকে এই আপাহতে মই তেওঁলোক দুয়োগৰাকীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

মহাবিদ্যালয়খনত মোৰ দ্বিতীয়টো কাৰ্যসূচী আছিল ধেমাজী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ-মহোৎসৱ। এই যুৱ মহোৎসৱত মহাবিদ্যালয়খনে পাঁচোটাকৈ বিশেষ বিশেষ পুৰস্কাৰ পাবলৈ সক্ষম হ'ল। সেইসকল সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনাইছো। যি সকল ছাত্ৰ-ছাত্ৰীয়ে এই যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি নিজলৈ আৰু মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল। আৰু ইয়াৰ লগতে, যুৱ মহোৎসৱলৈ যাওঁতে আমাক সহায় কৰা সমূহ শিক্ষাগুৰুবৃন্দলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ বিজয়লক্ষ্মী গগৈ বাইদেউ, ৰীতা দত্ত বাইদেউ, জ্যোতিমা ফুকন বাইদেউ, দিব্যজ্যোতি কোঁৱৰ ছাৰ, ৰঘুনাথ কাগয়ুং ছাৰ, চক্ৰপাণি পাতিৰ ছাৰ। এইসকল শিক্ষাগুৰুবৃন্দই মোক যুৱ-মহোৎসৱলৈ যোৱাৰ আগমুহূৰ্তৰ পৰা শেষ মুহূৰ্তলৈকে সহায় কৰিছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ শিক্ষাগুৰু নোহোৱাৰ স্বত্বেও আমাৰ সংগীত গুৰু শ্ৰীযুত দেৱজ্যোতি গগৈ ছাৰে আমাক অকল সংগীতৰ দিশতেই নহয় সকলো দিশতে প্ৰতিটো সময়তে সহায় কৰিছিল। মই তেখেতলৈও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়খনত মোৰ তৃতীয়টো কাৰ্যসূচী, সৰস্বতী পূজাভাগ বৰ উলহ-মালহেৰে উদ্‌যাপন কৰা নহ'ল। কাৰণ পূজাৰ আগদিনাই মহাবিদ্যালয়খনে দুৰ্ভাগ্যজনকভাৱে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় শৈলেন্দ্ৰ নাথ ফুকন ছাৰক হেৰুৱাব লগা হয়। গতিকে কেৱল বিধিগত আৰু পৰম্পৰাগত ভাবে পূজাভাগ উদ্‌যাপন কৰা হ'ল। এইখিনিতে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাব বিচাৰো যাতে আগন্তুক বৰ্ষত হ'বলগীয়া সাংস্কৃতিক সম্পাদক গৰাকীয়ে এইবাৰৰ দৰে যাতে বিধিগত ভাৱে পাতিবলৈ যাওঁতেও কোনো সমস্যাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখে আৰু বজাৰৰ বৰ্দ্ধিত দামৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক বৰ্ষত যাতে পূজাভাগ কোনো সমস্যাৰ সন্মুখীন নোহোৱাকৈ উলহ-মালহেৰে উদ্‌যাপন কৰিব পাৰে তাৰ বাবে



কৰ্তৃপক্ষই সহায় কৰে যেন।

শেষত মোৰ এই একছৰীয়া কাৰ্যকালৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সু-দিহা পৰামৰ্শ আগবঢ়োৱা সাংস্কৃতিক বিভাগৰ উপদেষ্টা শ্ৰীযুতা জ্যোতিমা ফুকন বাইদেউ, শ্ৰীমতী অনিতা কোঁৱৰ বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ প্ৰতিটো কাৰ্য্যতে মোক আগবাঢ়ি যাবলৈ উৎসাহ দিয়া আমাৰ অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলী ছাৰকে প্ৰমুখ্য কৰি মোৰ সমূহ শিক্ষাগুৰুবৃন্দলৈ মোৰ সশ্ৰদ্ধাৰ প্ৰনাম আৰু কৃতজ্ঞতা জনাইছো। লগতে মোৰ প্ৰতিটো কাৰ্যতে মোৰ লগত গাৰ ছাঁৰ দৰে লাগি থকা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা মোৰ দাদা- হানচেং দা, সন্দীপ দা, বসন্ত দা, বিতুপন দা, বাইদেউ- পল্লৱী বা, ভাইটি-ভন্টি - অভিলেশ, পুষ্পী, নমস্যা, কাকুমণি, বন্ধু-বান্ধৱী - দেৱ, চন্দন, নিতুল, প্ৰশান্ত, দেৱা, ৰূপম, ধৰ্ম, অৰুনাভ, প্ৰাণজিৎ, জ্যোথিকা, ডলী, চুমি, প্ৰিয়ঙ্কা, অলিম্পিকা, প্ৰিয়াঙ্কী আৰু অজানিতে লিখিবলৈ থাকি যোৱা মোৰ সমূহ শুভাকাংখী সকলক মই এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিছো।

সৰ্বশেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভাৱে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ সকলোৰে আগত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

আমাৰ সোণাৰি মহাবিদ্যালয়খনে যেন ভৱিষ্যতেও এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে বিশ্বদৰবাৰত নিজকে থিয় কৰিব পাৰে তাৰে কামনাৰে -

"জয়তু সোণাৰি মহাবিদ্যালয়"।

**প্ৰিয়ঙ্কা শৰ্মা**
সাংস্কৃতিক বিভাগৰ সম্পাদিকা
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১০-২০১১ বৰ্ষ।

**ফলাফল**

শ্ৰেষ্ঠ অভিনেতা - শ্ৰী দুলু গগৈ (ৰমেন) - নাটক - প্ৰতিজ্ঞা।

শ্ৰেষ্ঠা অভিনেত্ৰী - শ্ৰীমতী অলিভিয়া বড়া - (বৰানী) বুঢ়াৰ কথা।

শ্ৰেষ্ঠ সহঃ অভিনেতা - শ্ৰী শান্তনু ফুকন - (বৰা) বুঢ়াৰ কথা।

শ্ৰেষ্ঠা সহ অভিনেত্ৰী - শ্ৰীমতী পুষ্পি দত্ত। - (তৰা) বুঢ়াৰ কথা।

শ্ৰেষ্ঠ পৰিচালক - শ্ৰী ভৱেশ গগৈ - নাটক - প্ৰতিজ্ঞা।

বিচাৰকৰ বিশেষ বঁটা
১। শ্ৰী স্বপ্নজিৎ বুঢ়াগোহাঁই (বুঢ়াৰ কথা)
২। শ্ৰীমতী ৰিম্পী শ্যাম (প্ৰতিজ্ঞা)

**ভেশচন প্ৰতিযোগিতাৰ ফলাফল-**
প্ৰথম - স্কুলীয়া ছাত্ৰীৰ ভেশচনত - শ্ৰীমতী চয়নিকা কোঁৱৰ।
দ্বিতীয় - পাগলীৰ ভেশচনত উদীপ্তা মহন।
তৃতীয় - অঁকৰাৰ ভেশচনত শ্ৰী শান্তনু ফুকন আৰু কৃষকৰ ভেশচনত শ্ৰী দুলু গগৈ।

ফলাফল -

**মুকাভিনয় প্ৰতিযোগিতা -**
প্ৰথম - পুলকেশ পাংযুগ গোহাঁই
দ্বিতীয় - সুৰজিৎ বুঢ়াগোহাঁই
তৃতীয় - চন্দন লাহন।

**কৌতুক অভিনয় প্ৰতিযোগিতা -**
প্ৰথম - চয়নিকা আৰু তেওঁৰ সঙ্গীবৃন্দ
দ্বিতীয় - চন্দন লাহন
তৃতীয় -

**একক অভিনয় প্ৰতিযোগিতা-**
প্ৰথম - পুলকেশ পাংযুগ গোহাঁই
দ্বিতীয় - চয়নিকা কোঁৱৰ।

**সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ ফলাফল -**
শুভেচ্ছামূলক বঁটা
১। নমস্যা খামন।

**বিহু নৃত্য প্ৰতিযোগিতাৰ ফলাফল -**
প্ৰথম - পল্লৱী বৰগোহাঁই।
দ্বিতীয় - নমস্যা খামন।
তৃতীয় - পৰশমণি বৰা।

**আধুনিক নৃত্য প্ৰতিযোগিতাৰ ফলাফল -**
প্ৰথম - চুমী বৰা
দ্বিতীয় - নমস্যা খামন/সমীৰ ৰহমান (যুটীয়া)
তৃতীয় - পল্লৱী বৰগোহাঁই।

**জাতীয় সাজপাৰ প্ৰতিযোগিতাৰ ফলাফল ঃ**
প্ৰথম - পল্লৱী বৰঠাকুৰ
দ্বিতীয় - ৰুমী গগৈ
তৃতীয় - ইমানী বৰুৱা।

# সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলীদেৱকে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু মোৰ জ্ঞান মন্দিৰৰ ইতিহাসে ঢুকি পোৱা "সোণাৰি মহাবিদ্যালয়"ৰ ২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ "সংগীত বিভাগৰ" সম্পাদিকা হিচাপে যিসকলে মোক মৰম, সেৱা আগবঢ়ালে তেওঁলোকক মই মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

মানুহৰ আশাৰ পৰিধি অন্তহীন। কল্পনাবিলাসী মন দিগন্তৰ পৰিধিত অলেখ কামনাই লুকা-ভাকু খেলে। মানুহৰ কল্পনাই বিচাৰে বগলীৰ শুধ বগা ডেউকাত দেও দি উৰি উৰি দিগন্তৰ সিপাৰৰ কোনোবা মনোৰম সপোন ৰাজ্যত সাত ৰঙৰ নতুন কাৰেং গঢ়িবলৈ। মানুহে বিচাৰে নেদেখাটো দেখিবলৈ, নোপোৱাটো পাবলৈ। অৰ্জুনৰ দৰে গাণ্ডীৱধাৰী হৈ দ্বিগ্বিজয় কৰিবলৈ। ভীমৰ দৰে গদাধাৰী হৈ বিশ্বৰ সকলো বীৰকে পদপ্ৰান্তত ধৰাশায়ী কৰিবলৈ, কিন্তু সীমাহীন কামনাৰ অন্তহীন দিগন্তত সসীমৰ সীমাবদ্ধতা জীৱনৰ পৌৰুষ ৰয় বহু আঁতৰত। কামনাৰ অন্ত নৌ পাওঁতেই অন্ত হয় জীৱনৰ খেলা। সেইবাবে আশাক কৰ্মৰ নাগপাশেৰে বান্ধি জীৱনৰ বাটত বাট বুলাই শ্ৰেয়। চাওঁতে চাওঁতে মোৰ এবছৰীয়া কাৰ্যকালৰ যৱনিকা পৰিল। এই সময়ছোৱাত কেতিয়াবা অজানিতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা আপোনালোকৰ আগত যদি কিবা ভুল-ত্ৰুটি ৰৈ গৈছে তেনেহ'লে আপোনালোকে যাতে মোক অন্তৰৰপৰা ক্ষমা যাচে। আশাকৰোঁ আপোনালোকে মোক ক্ষমা কৰি দিব। সংগীত বিভাগৰ সম্পাদিকা হিচাপে শুভাকাঙ্খীসকলে মোৰ পৰা বহু আশা কৰিছিল। কিন্তু মই নাজানো তেওঁলোকক সহায়ৰ হাত কিমানদূৰ পৰ্যন্ত আগবঢ়াব পাৰিছোঁ। সম্পাদিকা হিচাপে বহুতো উল্লেখযোগ্য কাম কৰিবলৈ নিজৰ হাতত ভাৰ তুলি লৈছিলোঁ কিন্তু সকলো কাম মই সুচাৰুৰূপে কৰিব নোৱাৰিলোঁ।

সংগীত বিভাগৰ সম্পাদিকা হিচাপে নিজৰ দায়িত্ব গ্ৰহণ কৰাৰ কেইসপ্তাহমানৰ পাছতেই "মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ" অনুষ্ঠিত হৈছিল। সময়ৰ অভাৱৰ কাৰণে সকলো প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল যদিও অনুষ্ঠিত হোৱা প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলৰ শৃংখলাবদ্ধতা আৰু প্ৰতিভা সঁচাকৈয়ে ভাৱিব নোৱৰা আৰু তেওঁলোকৰ মাজত এক অভিনৱ প্ৰতিভা সোমাই আছে, যিয়ে মোক অতিকৈ আনন্দিত কৰি তুলিলে।

মোৰ কাৰ্যকালৰ সময়ছোৱাত প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পালন কৰিবৰ বাবে বিভিন্ন দিশত মোক সেৱা আগবঢ়াইছিল সংগীত বিভাগীয় তত্বাৱধায়ক তথা শ্ৰদ্ধেয় মোৰ শিক্ষাগুৰু শ্ৰীযুত ৰঞ্জিত বৰগোহাঁই ছাৰ, শ্ৰীযুতা ৰীতা দত্ত বাইদেউ আৰু বিভিন্ন সময়ত সেৱা আগবঢ়োৱা মোৰ মৰমৰ শিক্ষকবৃন্দ তথা অধ্যক্ষ মহোদয়, দাদা, বাইদেউ, বন্ধু-বান্ধৱী, সুৰজিৎ, দেৱজিৎ, পপী, পল্লৱী, অলিম্পিকা, প্ৰিয়ংকা বা, যুথিকা বা, ডলি বা, হানচেং দা, সন্দীপ দা, পল্লৱী বা, প্ৰশান্ত, অভিলেষ, পুষ্পি সকলোলৈ মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

"সংগীত বিভাগৰ সম্পাদিকা" হিচাপে নিজৰ দায়িত্ব পালন কৰাৰ সময়ছোৱাত মই সন্মুখীন হ'ব লগা বহুতো অভিজ্ঞতা মোৰ স্মৃতি হৈ ৰ'ব। মোৰ কাৰ্যকালৰ সময়ছোৱাত ধেমাজিত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ ক্ৰীড়া মহোৎসৱত "বিহুগীত" প্ৰতিযোগিতাত শ্ৰী প্ৰশান্ত বৰুৱাই "প্ৰথম" স্থান অধিকাৰ কৰি লগতে "সমবেত সংগীত" প্ৰতিযোগিতাত প্ৰিয়ঙ্কা শৰ্মা, প্ৰিয়াশ্ৰী গগৈ, অলিম্পিকা বৰগোহাঁই, প্ৰশান্ত বৰুৱা, অভিলেষ গগৈ, দেৱানন্দ ফুকন এই সকলে দ্বিতীয় স্থান অধিকাৰ



কৰি মহাবিদ্যালয়লৈ সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়।

সদৌ শেষত পুনৰবাৰ মই মোৰ কাৰ্যকালত অজানিতে হোৱা মোৰ ভুলবোৰৰ বাবে মই মোৰ শিক্ষাগুৰু তথা অধ্যক্ষ মহোদয়ৰ ওচৰত ক্ষমা নিবেদিছোঁ লগতে "ছাত্ৰ একতা সভাৰ" সকলো বিষয়ববীয়ালৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি "সোণাৰি মহাবিদ্যালয়"ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"।

**প্ৰিয়াশ্ৰী গগৈ**
সংগীত সম্পাদিকা
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০১০-২০১১ বৰ্ষ।

---

**Result of**

**Borgeet Competition -**
1. Miss Priyashree Gogoi.
2. Miss Namita Duwarah.
3. Miss Juri Dutta.

**Lokogeet Competition -**
1. Miss Priyashree Gogoi.
2. Miss Juri Dutta.
3. Miss Sweta Ghosh.

**Jyoti Sangeet Competition -**
1. Miss Priyashree Gogoi.
2. Sri Kaman Gogoi.
3. Miss Juri Dutta.

**Bhupendra Sangeet Competition -**
1. Miss Juri Dutta.
2. Miss Priyashree Gogoi.
3. Sri Kaman Gogoi.


**Bongeet Competition -**
1. Mis Namrata Chetia.
2. Miss Priashru Gogoi.
3. Sri Kaman Gogoi.

**Rabha Sangeet -**
1. Miss Juri Dutta.
2. Miss Priashree Gogoi.
3. Miss Namrata Chetia.

**Parwati Sangeet Competition -**
1. Miss Priyashree Gogoi.
2. Miss Juri Dutta.
3. Sri Kaman Gogoi.

**Modern Sangeet Competition -**
1. Sri Kaman Gogoi.
2. Miss Namrata Chetia.
3. Sri Prasanta Baruah.

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে প্ৰসিদ্ধ চৰাইদেউ মহকুমাৰ সোণাৰি নগৰৰ মাজমজিয়াত জ্ঞানৰ জ্যোতি বিলোৱা সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰটি গঢ় দিয়াত যি সকলৰ আপ্ৰান প্ৰচেষ্টাত এই পবিত্ৰ বীজটি ৰোপন কৰিছিল সেইসকললৈ পোন প্ৰথমে প্ৰণিপাত কৰাৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় তথা শিক্ষাগুৰবৃন্দ আৰু কৰ্মচাৰী সকললৈ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰনাম জনাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো ধন্যবাদ জ্ঞাপন কৰিছো।

২০১০-২০১১ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ কাৰণে সেৱা আগবঢ়োৱাৰ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ কেইদিনমানৰ পিছতেই মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সমাৰোহ আৰম্ভ হয়। এই ক্ৰীড়া সমাৰোহতেই মোৰ বিভাগৰ কিছুমান প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল আৰু এই বিলাক সুকলমে পাৰ কৰি যাবলৈ সক্ষম হৈছিলো। তাৰ বাবে মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত সুনীল দত্ত ছাৰ, ৰঘুনাথ কাগ্‌য়ুং ছাৰৰ লগতে জ্যোতি বাইদেউ, অনিতা বাইদেউ, অঞ্জু বাইদেউ, ৰাণু বাইদেউ, পদ্মা বাইদেউ, হিমাংশু ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। তাৰ পাছত ২৫ আৰু ২৬ ডিচেম্বৰত সোণাৰি কবি চক্ৰৰ উদ্যোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ অসম কবি সন্মিলনৰ চতুৰ্বিংশতিতম্ দ্বি-বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। তাত অসমৰ বিভিন্ন প্ৰান্তৰ কবি সকলৰ কবিতা পাঠৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো কবিতা পাঠ কৰিবলৈ উৎসাহ-উদ্দীপনা দি বিভিন্ন কাম কাজত সহায় সহযোগিতা আগবঢ়াই সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হৈছিলো। তাৰ বাবে সোণাৰি কবিচক্ৰৰ সমূহ বিষয়ববীয়া তথা এই অনুষ্ঠানৰ সবল গুৰি ধৰোতা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীযুত ৰঘুনাথ কাগ্‌য়ুং চাৰলৈ মোৰ তৰফৰ পৰা শলাগ জ্ঞাপন কৰিলো।

সদৌ শেষত সেই সকললৈ পুনৰবাৰ কৃতজ্ঞতা জনাছো, যি সকল শিক্ষাগুৰু তথা বন্ধু-বান্ধৱী, ককাইদেউ-বাইদেউ, ভাইটি-ভণ্টি আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াই সহায়ৰ হাত আগবঢ়াই মোৰ কাৰ্য পৰিচালনা কৰিবলৈ সক্ষম হলো। আৰু মহাবিদ্যালয়খনৰ ভৱিষ্যতৰ উজ্বল কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ অন্ত পেলালো।

"জয়তু সোণাৰি মহাবিদ্যালয়"
জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"।

**নিৰ্মল গগৈ**
সাহিত্য বিভাগৰ সম্পাদক
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-২০১১ বৰ্ষ।



**২০১০-২০১১ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ সাহিত্য বিভাগত পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকলৰ নাম -**

**১। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী মনালিচা লাহন।
দ্বিতীয় - শ্ৰীমতী বন্দিতা বৰুৱা।
তৃতীয় - শ্ৰীমতী মনালিচা নেওগ।

**২। ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী পংখী কোঁৱৰ।
দ্বিতীয় - শ্ৰীমতী পপী ফুকন।
তৃতীয় - শ্ৰী কৃষ্ণ কাগ্‌য়ুং।

**৩। অসমীয়া বাতৰি পঢ়া প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী বন্দিতা বৰুৱা।
দ্বিতীয় - শ্ৰীজ্যোতিষ বুঢ়াগোহাঁই।
তৃতীয় - শ্ৰীমতী প্ৰিয়ঙ্কা চেতিয়া ফুকন।

**৪। ইংৰাজী বাতৰি পঢ়া প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী মীনা বৰগোহাঁই।
দ্বিতীয় - শ্ৰীমতী ইমানী বৰুৱা।
তৃতীয় - শ্ৰীমতী ফাতিমা আহমেদ।

**৫। অসমীয়া ৰচনা প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী দেৱাশ্ৰী বৰুৱা।
দ্বিতীয় - শ্ৰীমতী ঋতুপৰ্ণা দত্ত।
তৃতীয় - শ্ৰীমতী বন্দিতা বৰুৱা।
- শ্ৰী কৃষ্ণ কাগ্‌য়ুং।

**৬। ইংৰাজী ৰচনা প্ৰতিযোগিতা ঃ**
উদ্‌গনিমূলক বঁটা - শ্ৰী কৃষ্ণ কাগ্‌য়ুং।

**৭। থলিতে লিখা কবিতা প্ৰতিযোগিতা (অসমীয়া) ঃ**
বিষয় - আকাশ
প্ৰথম - শ্ৰী অভিলেখ গগৈ।
দ্বিতীয় - শ্ৰীমতী পংখী কোঁৱৰ, শ্ৰী নিৰ্মল গগৈ।
তৃতীয় - জ্যোতিষ বুঢ়াগোহাঁই।

**৮। থলিতে লিখা চুটিগল্প** - বিষয় -"মানৱীয়তা বা দৰিদ্ৰতা।"
প্ৰথম - শ্ৰীমতী দীপিকা বৰুৱা।
দ্বিতীয় - শ্ৰী ত্ৰিভূৱন গগৈ।
তৃতীয় - শ্ৰীমতী পংখী কোঁৱৰ, শ্ৰী পবিত্ৰ চেতিয়া।

**৯। চিত্ৰাঙ্কন প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী উদ্দিপ্তী মহন।
দ্বিতীয় - শ্ৰীমতী মিঠু ফুকন।
তৃতীয় - শ্ৰীমতী প্ৰান্তিময়ী দত্ত।

**১০। প্ৰবন্ধ প্ৰতিযোগিতা** - বিষয় - বৃহৎ নদীবান্ধ প্ৰকল্প আৰু অসমৰ ভবিষ্যত।
প্ৰথম - শ্ৰীমতী ঋতুপৰ্ণা দত্ত।
দ্বিতীয় - শ্ৰীমতী কস্মিতা চেতিয়া।
তৃতীয় - শ্ৰীমতী পৰিস্মিতা গগৈ।

**১১। অসমীয়া কবিতাৰ পাণ্ডুলিপি প্ৰতিযোগিতা ঃ**
প্ৰথম - শ্ৰীমতী প্ৰিয়ঙ্কা চেতিয়া ফুকন।
দ্বিতীয় - শ্ৰী অভিলেখ গগৈ, শ্ৰীমতী নীহাৰিকা বৰগোহাঁই।
তৃতীয় - কৃষ্ণ কাগ্‌য়ুং।
উদ্‌গনিমূলক বঁটা - শ্ৰীমতী উদ্দিপ্তী মহন।

**১২। একাংকিকা নাটকৰ পাণ্ডুলিপি ঃ**
বিচাৰকৰ বিশেষ বঁটা - "হাঁহিৰে জীৱন গঢ়ি"
ৰচনা - শ্ৰী নিৰ্মল গগৈ।



# ANNUAL REPORT (DEBATING SECTION)

At the very outset, I do hereby thank those who have contributed to the growth and development of this institution with the light and splendor of knowledge. I would like to offer my regards to our respected Principal- Dr. Rajen Tamuli with Sunil Dutta Sir and Anita Mam. It was a great experience for me and I tried my level I tried my level best to complete my tenure successfully with the help of my teachers as well as my friends.

As far as the programs of the college week are concerned. I do think and sincerely extend my thanks to my respected Rajib Kataky Sir (Pro-in-charge) for his valuable advice.

During my term I led some debating teams of our college to participate in different debating and quiz competitions. The quiz competition was held under 'Click Quiz' and I hope that it was at par the best.

Specially, I want to give thanks to all the friends of mine who really helped and supported me to continue my duties properly during my term. Special names I could mention here are Krishna Kagyung, Pankaj, Sunil, Porag, Bisho, Rimjim.

Last of all, I want to thank all the members and students of sonari college.

Long live Sonari College

Long live Sonari College Student Union.

**Dulu Gogoi**
Debating Secretary
Student Union 2010-11 Session

**স্মৃতি পৰীক্ষা প্ৰতিযোগিতাৰ ফলাফল -**

প্ৰথম - প্ৰান্তিময়ী দত্ত
দ্বিতীয় - পিংকি মৈত্ৰ
তৃতীয় - মুনমী শইকীয়া।

**তৰ্ক প্ৰতিযোগিতাৰ ফলাফল -**

প্ৰথম - জ্যোতিষ বৰগোহাঁই (শ্ৰেষ্ঠ তাৰ্কিক)
দ্বিতীয় - পংখী কোঁৱৰ।
তৃতীয় - চয়নিকা কোঁৱৰ।

**কুইজ প্ৰতিযোগিতাৰ ফলাফল -**

প্ৰথম - জাঁজী দল - সুকুমাৰ ভূঞা আৰু ৰাজলক্ষণ হাতীমুৰীয়া।
দ্বিতীয় - দিচাং দল - প্ৰিয়াংচু বৰা আৰু নৱজ্যোতি চাংমাই।
তৃতীয় - টিয়ক দল - পৰিস্মিতা গগৈ আৰু পল্লৱী গগৈ।

**আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল -**

প্ৰথম - প্ৰিয়ঙ্কা চেতিয়া ফুকন।
দ্বিতীয় - অভিজ্ঞান ভূঞা।
তৃতীয় - উদ্দিপ্তী মহন।

**লিখিত কুইজ প্ৰতিযোগিতাৰ ফলাফল -**

প্ৰথম - ৰাজলক্ষণ হাতীমুৰীয়া আৰু সুকুমাৰ ভূঞা
দ্বিতীয় - পৰিস্মিতা গগৈ।
তৃতীয় - নৱজ্যোতি গগৈ।



# শৰীৰ চৰ্চা বিভাগৰ প্ৰতিবেদন



জয়জয়তে মই যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই সোণাৰি মহাবিদ্যালয়খনে জন্ম লাভ কৰিছিল আৰু জ্ঞানৰ পোহৰ সঞ্চাৰিত কৰিছিল সেই সকলৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল সমূহ কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰূপে মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুগোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সতীৰ্থলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

২০১০-২০১১ বৰ্ষৰ শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বিগত বছৰৰ দৰে এইবাৰো ছাত্ৰ-ছাত্ৰীসকলৰ অতি হেপাহৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আয়োজন কৰিছিলো। আমি এই ক্ৰীড়া সপ্তাহ সুচাৰুৰূপে পালন কৰিবলৈ যত্নৰ ক্ৰুটি কৰা নাছিলো। মই মোৰএবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ৰ হকে যিমান দূৰ সেৱা আগবঢ়াম বুলি আশা কৰিছিলো সেইয়া সময়ৰ অভাৱত কৰিবলৈ সক্ষম নহ'লো। ক্ৰীড়া সপ্তাহত প্ৰয়োজন হোৱা সামগ্ৰী সমূহ মহাবিদ্যালয়ত নথকাৰ বাবে ওচৰৰ জিম খানাৰ পৰা ভাড়ালৈ আনিব লগা হ'ল। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মই শক্তি উত্তোলন, ভাৰউত্তোলন, পাঞ্জা, দেহশ্ৰী আৰু যোগাসন প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো।

মোৰ কাৰ্যকালত বিভিন্ন কাৰ্যসূচী সমূহ সফল ৰূপায়ন কৰাত বিভিন্ন বাধাৰ সন্মুখীন হৈছিলো যদিও অসুবিধাসমূহ দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। মোৰ এই এবছৰীয়া কাৰ্যকালত কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মহাবিদ্যালয়ৰ এই বাৰ্ষিক ক্ৰীড়াত যি সকল ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল তেওঁলোকে যাতে মহাবিদ্যালয়ৰ বাহিৰে আন ঠাই সমূহত অনুষ্ঠিত হোৱা ক্ৰীড়াত অংশ গ্ৰহণ কৰি ইয়াতকৈ ভাল পাৰদৰ্শিতা দেখুৱাব পাৰে তাৰেই কামনা কৰিলো আৰু এই সুযোগতে সমূহ ক্ৰীড়া প্ৰতিযোগিলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলো।

সম্পাদকৰ গুৰু দায়িত্ব চলাই ওতে মোক বিভিন্ন ভুল-ভ্ৰান্তি দেখুৱাই সু-পৰামৰ্শ তথা প্ৰত্যক্ষ সহায়েৰে এই দায়িত্ব চলাই নিয়াৰ বাট দেখুৱাই দিয়া সতীৰ্থ বিপ্লৱ, বিতোপন, বিশ্বজিৎ (বাপি), ৰিয়া, সঞ্জীৱ, হেমন্ত, দিগন্ত, মণিযা, চন্দন, সৌৰভ তথা ছাত্ৰ একতা সভাৰ বিষববীয়া আৰু বিভাগীয় উপদেষ্টা শ্ৰীযুত চক্ৰপাণি পাতিৰ ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাবে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি এই ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়খন যেন সৰ্বাঙ্গীনউন্নতিৰ লগতে উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

**চন্দন চেতিয়া**
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-২০১১ বৰ্ষ।

**Result of the Gymnasium Secretary**
**Arm Wrestling Boy's**
**Weight Category**

**0-55 K.G.**
1st - Sri Sarat Saikia.
2nd - Sri Anupal Phukon.
3rd. - Sri Gourab Ghose.

**56-65 K.G.**
1st - Sri Khirod Shyam.
2nd - Sri Rontu Hazarika.
3rd - Sri Anirban Boruah.

**66-75 K.G.**
1st - Sri Dimbeswar Khaklari.
2nd - Sri Litul Borah.
3rd - Sri Deepjyoti Borman.

**76 - 85 K.G.**
1st - Sri Pallav Kar.
2nd - Sri Sandeep Borgohain.
3rd - Sri Sariful Ahmed.

**Champion of the Champions (Arm Wrestling Boy)**
Sri Dimbeswar Khaklari.

**Arm Wresling (Girls)**
**Weight Category**

**0-45 K.G.**
1st - Miss Porinita Khaklari
2nd - Miss Pallabi Boruah.
3rd - Miss Lakshmi Maya Lama.

**46 -55 K.G.**
1st - Miss Anjita Khaklari.
2nd - Miss Lakshmi Priya Borah.
3rd - miss Jutika Tamuli.

**56 - 65 K.G.**
1st - Miss Monika Changmai.
2nd - Miss Olimpia Borgohain.
3rd - Miss Rumi Khaklari.

**66 - 75 K.G.**
1st - Miss Afsona Khatun.
2nd - Miss Pallabi Borthakur.

**Champion of the Champions (Girls) Arm Wrestling**
Miss Afsana Khatun.

**Power lifting Boy's**
**Weight Category**

**0 -50 K.G.**
1st - Sri Samir Das - 250 K.G.
2nd - Sri Deepjyoti Likson - 234 K.G.
3rd - Sri Nipu Singha - 230 K.G.

**51 - 60 K.G.**
1st - Sri Pranabjyoti Bordoloi - 296 K.G.
2nd - Gourab Ghosh - 277 K.G.
3rd - Sri Anupal Phukon - 258 K.G.

**61 - 70 K.G.**
1st - Sri Dimbeswar Khaklari - 340 K.G.
2nd - Sri Rishiraj Gogoi - 306 K.G.
3rd - Sri Biju Paul - 295 K.G.

**71 - 80 K.G.**
1st - Sri Chanchal Das - 337 K.G.
2nd - Sri Sariful Ahmed - 280 K.G.
3rd - Sri Pallab Kar - 270 K.G.

**Strong Man of the College**
Sri Dimbeswar Khaklari. (340 K.G.)

**Power lifting Girls**
**Weight Category**

**0 - 50 K.G.**
1st - Miss Ngapsa Wangsu - 157 K.G.
2nd - Miss Bani Nayak - 150 K.G.
3rd - Miss Anjita Khaklari - 135 K.G.

**51 - 60 K.G.**
1st - Miss Nabanita Phukon - 124 K.G.
2nd Miss Jyotika Tamuli 90 K.G.

**61 - 70 K.G.**
1st Miss Olimpica Borgohain - 127 K.G.



**Strong Woman of the College**
Miss Ngapsa Wangsu - 157 K.G.

**Weight Lifting Girls**

**0 - 50 K.G.**
1st - Miss Lakshmi Priya Borah - 48 K.G.
2nd - Miss Porinita Khaklari - 47 K.G.
3rd - Miss Jasmin Sultana Begum - 46 K.G.

**51 - 60 K.G.**
1st - Miss Ngapsa Wangsu - 55 K.G.
2nd - Miss Nabanita Phukon - 40 K.G.

**61 - 70 K.G.**
1st - Miss Olimpica Borgohain - 47 K.G.
2nd - Miss Nomoshya Khauan - 40 K.G.

**71 - 80 K.G.**
1st - Miss Chayanika Konwar - 52 K.G.

**Best lifter Woman**
Miss Ngapsa Wangsu - 55 K.G.

**Weight Lifting Boy's**
**Weight Category**

**0 - 55 K.G.**
1st - Sri Chandan Chetia - 88 K.G.
2nd - Sri Sariful Ahmed - 85 K.G.
3rd - Sri Sajid Hussain - 76 K.G.

**56 - 65 K.G.**
1st - Sri Rishiraj Gogoi - 103 K.G.
2nd - Sri Anupal Phukon - 100 K.G.
3rd - Sri Pranabjyoti Bordoloi - 95 K.G.

**66 - 75 K.G.**
1st - Sri Dimbeswar Khaklari - 106 K.G.
2nd - Sri Pallab Kar - 100 K.G.
3rd - Sri Biju Pal - 90 K.G.


**Best Lifter**
Sri Dimbeswar Khaklari - 106 K.G.

**Body Building Show**
Sri Gourab Ghosh ( Mr. Sonari College)
2nd - Sri Sanjay Dutta
3rd - Sri Sariful Ahmed.
4th - Sri Rishiraj Gogoi.

**Yogasan**
1st - Sri Rishiraj Gogoi.
2nd - Sri Sariful Ahmed.
3rd - Sri Jageswar Boruah.
4th - Sri Kamaleswar Bhuin.

- Gymnasium Secretary
Chandan Chetia
Sonari College
7399304052#

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে যিসকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০১০-১১ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই সুকলমে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাচিছোঁ।

সমাজসেৱা বিভাগৰ সম্পাদকৰূপে মই কিমান দুৰ সফল হ'লোঁ সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসৰি মই মোৰ প্ৰতিটো কাৰ্যসূচী আৰু দায়িত্বসমূহ সফলভাবে ৰূপায়ন কৰাৰ চেষ্টা কৰিলোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগ আৰু পৰামৰ্শৰ আধাৰত "নগৰ চাফাই অভিযান" এক সামাজিক কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত মই যথেষ্ট সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ কৰ্তব্য কৰি গৈছিলোঁ। তাৰোপৰি মহাবিদ্যালয়ৰ চৌহদ যিমান পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখাত গুৰুত্ব আৰোপ কৰা হৈছিল আৰু ইয়াৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে সহায়ৰ হাত আগবঢ়োৱা হৈছিল।

মোৰ কাৰ্যকালত বিভিন্ন দিশৰ পৰা সুস্থ সবল তথা সু-পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ মুহিধৰ চেতিয়া ছাৰ, ভূপেন দিহিঙ্গীয়া ছাৰ, সুশীল চুটী ছাৰৰ লগতে আন সকলো শিক্ষাগুৰুসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোক মোৰ প্ৰতিটো ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱ, দাদা-বাইদেউ আৰু ভাইটি-ভন্টি সকলৈলৈ ধন্যবাদ যাচিলোঁ। মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিসমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলোঁ।


"জয়তু সোণাৰি মহাবিদ্যালয়"

"জয়তু সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা"

কাব্যৰঞ্জন দত্ত
সম্পাদক, সমাজসেৱা বিভাগ
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-২০১১ বৰ্ষ।



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক বুলনিতে সেইসকল চিৰ নমস্য ব্যক্তিক সুঁৱৰিছোঁ যি সকলে অশেষ ত্যাগ আৰু কষ্টৰে সোণাৰি মহাবিদ্যালয় নামৰ পবিত্ৰ জ্ঞানৰ মন্দিৰটি গঢ় দিলে। লগতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সমূহ কৰ্মচাৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ।

২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰূপে নিৰ্বাচিত কৰে। মোৰ কাৰ্যকালৰ যি দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছিল সেইখিনি মই সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

মই মোৰ এই কাৰ্যকালৰ সময়ছোৱাত মোক নানা দিশত সহায়-সহযোগিতা তথা বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ বিষয়ববীয়াসকল আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টি সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা-মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

সোণাৰি মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি -

"জয়তু সোণাৰি মহাবিদ্যালয়।"

চিন্ময় গগৈ
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-২০১১ বৰ্ষ।

**Carom winner (Single)**
1st - Biswa Bikash Chakraborty.
2nd - Debo Kumar Gupta.
3rd - Atul Borgohain.

**Carom (Double)**
1. Rikuraj Gogoi.
   Biju Yasa
2. Arjit Ghosh
   Raju Bawri.
3. Anuj Gogoi.
   Biswa Bikash Chakraworty.

**Table Tennis (Boy's Single)**
1. Raj Lakhan Hatimuria.
2. Anuj Gogoi.
3. Pallab Kar.

**Table Tennis (Boy's double)**
1. Biswa Bikash Chakraborti.
   Anuj Gogoi.
2. Sajid Hussain.
   Pallab Mohan Gogoi.
3. Anil Phukon.
   Probin Gogoi.

# ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধেয় অধ্যক্ষ ডঃ ৰাজেন তামুলীদেৱ প্ৰমুখ্যে কৰি পৰম শ্ৰদ্ধাভাজন শিক্ষাগুৰুবৃন্দ তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ সমূহ অগ্ৰজ, অনুজ আৰু সতীৰ্থসকললৈ লগতে যিসকল মহান ব্যক্তিয়ে ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খন আজিৰ অৱস্থাত উপনীত কৰিলেহি সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ মৰম চেনেহ আৰু ধন্যবাদ যাচিলো। মোৰ কাৰ্যকালত ছাত্ৰী জিৰণি চ'ৰাটোৰ বৰ বিশেষ উন্নতি কৰিব নোৱাৰিলো। যদিও চাফ-চিকুণতাৰ ওপৰত লক্ষ্য ৰাখিছিলো। লগতে ২০১০-২০১১ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত কেৰম খেলৰ উপৰিও নতুনকৈ চালাড আৰু পুষ্পসজ্জা আদি প্ৰতিযোগিতা অন্তৰ্ভূক্ত কৰিছিলো। মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক লগতে আন বিষয়ববীয়াৰ কাৰ্যসূচীত মই সক্ৰীয়ভাৱে হযোগিতা আগবঢ়াইছিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ জ্যোতিমা বাইদেউ, ৰাণু বাইদেউ আৰু বিজয়লক্ষ্মী বাদিউলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো লগতে মোৰ কাৰ্যকালত বিশেষকৈ ক্ৰীড়া সপ্তাহৰ সময়ত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়াই অহা মোৰ সতীৰ্থ সকল যেনে - চন্দন, প্ৰশান্ত, প্ৰিয়াশ্ৰী, অভিলেখ, ত্ৰীবেণী বা, চয়নিকা বা, শান্তনু, প্ৰিয়কা বা, দিতুৰঞ্জন, পল্লৱী বা সকলোলৈকে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা খুজিলোঁ। সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কামনাৰে -

জয়তু সোণৰি মহাবিদ্যালয়।

**অলিম্পিকা বৰগোঁহাই**
সম্পাদিকা, ছাত্ৰী জিৰণি চ'ৰা বিভাগ
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০১০-২০১১ বৰ্ষ)

## Result Sheet of Girls Common Room.

**Table Tennis (Girl Single)**
1. Prostuti Gogoi.
2. Sunny Bawri.
3. Poonom Dhillon.

**Table Tennis (Girls Double)**
1. Prostuti Gogoi & Poonom Dhillon.
2. Sunny Bawri & Pallavi Gogoi.
3. Manami & Imani Barua.

Girls Common Room

**Carom Single**
1. Nitu Singh
2. Tribeni Chetry.
3. Nijara Saikia.

**Carom Double**
1. Shyamalima Gogoi & Mayameghali Baruah (Champion)
2. Nurjahan Begum & Nijara Saikia (Runners up)
3. Chayanika Konwar & Tribeni Chetry.

**Music Chair -**
1. Parismita Changmai.
2. Parismita Gogoi.
3. Moina Gogoi.

**Salad -**
1. Ieniser Nasrin.
2. Rituporna Dutta.
3. Imani Boruah.

**Flower pot Decoration -**
1. Rituporna Dutta.
2. Imani Boruah.
3. Pinki Matia.




## মহাবিদ্যালয় সংগীত

ৰচনা-সুৰ ঃ ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

সাৰে আছো আমি
হেজাৰ সেনানি
জ্ঞানৰ পূজাৰী হে;
কলা বিজ্ঞানৰ দুগছি বন্তি
দুখনি হাতত লৈ।

সেউজী আমাৰ মনৰ পৃথিৱী
জ্ঞানেৰে জীপাল কৰা,
দুখ দৈন্য দূৰতে বিদুৰি
হৰষে উপচাওঁ ধৰা;
দৃষ্টি আমাৰ দূৰ দিগন্ত
পাখি মেলি উৰি যাওঁ
শান্তিৰ পখী হৈ।।

সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ
আমাৰ মনৰ পথাৰতে,
অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাওঁ আমি-
জ্ঞানৰ পূজাৰী হে
জ্ঞানৰ পূজাৰী হৈ।।







মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তি



মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদ



অধ্যক্ষ মহোদয়ৰ সৈতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ একাংশ।



বিশ্ব পৰিবেশ দিবসৰ উপলক্ষে শোভাযাত্ৰা



মহাবিদ্যালয়ৰ ছাত্ৰীৰ কোৰাছ পৰিবেশন



ৰাষ্ট্ৰীয় পৰ্যায়াৰ লন বল খেলুৱৈ অনিন্দিতা গগৈ, ইটালীয়ান প্ৰশিক্ষক জুলি জোৱানা ৰ'জৈৰ সৈতে




সোণাৰি মহাবিদ্যালয় ছাত্র একতা সভাৰ উদ্যোগত
"নগৰ চাফাই অভিযান"
তাং-১৭/১২/২০১০